ডিগবৈ মহাবিদ্যালয়

# আলোচনী

অষ্টাত্রিংশত্তম্ সংখ্যা, ২০১৬-১৭ বৰ্ষ



সম্পাদক ঃ দীপাঞ্জল বৰগোহাঁই

তত্বাৱধায়ক ঃ অচ্যুত শইকীয়া

# আমাৰ গৌৰৱ

২০১৫-১৬ বৰ্ষৰ ডিগবৈ মহাবিদ্যালয় আলোচনীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ আলোচনী প্ৰতিযোগিতাত শ্ৰেষ্ঠ আলোচনীৰ সন্মান আৰু গুৱাহাটীৰ ই আৰ ডি ফাউণ্ডেশ্যন আৰু মেঘালয়া ইউনিভাৰ্চিটি অব চাইন্স এণ্ড টেক্‌নলজীয়ে দ্বিতীয় বাৰৰ বাবে আয়োজন কৰা উত্তৰ পূৰ্বাঞ্চলৰ-মহাবিদ্যালয় সমূহৰ আলোচনী প্ৰতিযোগিতাত শ্ৰেষ্ঠ আলোচনী তথা শ্ৰেষ্ঠ মহিলা সম্পাদকৰ বঁটাৰে আমাৰ মহাবিদ্যালয়ক অনন্য কৃতিত্বৰ অধিকাৰী কৰি তোলে।



ড° চন্দনা চেতিয়া
মুখ্য উপদেষ্টা



দিপশিখা বৰুৱা
সম্পাদিকা












DIGBOI COLLEGE LIBRARY
Estd. : 1965

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
২০১৭-১৮ বৰ্ষৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত
আন্তঃমহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত
দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত

ডিগবৈ মহাবিদ্যালয়

# আলোচনী

অষ্টাত্ৰিংশত্তম্ সংখ্যা, ২০১৬-১৭ বৰ্ষ







তত্বাৱধায়ক ঃ অচ্যুত শইকীয়া

সম্পাদক ঃ দীপাঞ্জল বৰগোহাঁই

DIGBOI COLLEGE LIBRARY




ডিগবৈ মহাবিদ্যালয় আলোচনী (অষ্টাত্রিংশত্তম্ সংখ্যা, ২০১৬-১৭ বৰ্ষ) ঃ ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত, দীপাঞ্জল বৰগোহাঁইৰ দ্বাৰা সম্পাদিত আৰু দি অসম কম্পিউটাৰচ্ তিনিচুকীয়াত মুদ্ৰিত

# সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° দীপ শইকীয়া |
| উপ-সভাপতি | ঃ | শ্ৰীযুত কেদাৰ নাথ টিমচিনা |
| তত্বাৱধায়ক | ঃ | শ্ৰীযুত অচ্যুত শইকীয়া |
| উপদেষ্টা | ঃ | ড° জয়ন্ত সন্দিকৈ |
| | | শ্ৰীযুতা বেবী ৰিতু ফুকন |
| | | শ্ৰীযুত ৰাজীৱ ৰুদ্ৰ টাৰিয়াং |
| | | শ্ৰীযুত পৱন গগৈ |
| | | শ্ৰীযুত দেৱৰ্ষি গগৈ |
| সম্পাদক | ঃ | দীপাঞ্জল বৰগোহাঁই |
| সদস্য / সদস্যা | ঃ | অমিত বিশ্বকৰ্মা |
| | | মৌচম বৰুৱা |
| | | শৰ্মিষ্ঠা দাস |
| | | অবিনাশ কুমাৰ শ্বাহ |
| | | নীলাকশ্ৰী মৰাণ |
| বেটুপাত | ঃ | উজ্জেচীনি বৰুৱা |
| অলংকৰণ | ঃ | লুইত চেতিয়া |
| অংগসজ্জা | ঃ | লুইত চেতিয়া |
| ডি.টি.পি. | ঃ | অখিল গগৈ |
| মুদ্ৰণ | ঃ | দি অসম কম্পিউটাৰচ্ |
| | | তিনিচুকীয়া - ৭৮৬১২৬, অসম |
| | | দূৰভাষ - ২৩৩০৪২৪ |

# উছর্গা

*অহা নাই কোন যোৱা নাই কোন*
*সকলো আহিছোঁ সকলো যাম*
*তুমিও আহিলা তুমিও গ'লাগৈ*
*তথাপি তোমাক হেৰাতে পাম*

*- অমূল্য বৰুৱা*





৺ চৈয়দা আকেলা খানম

৺ মমতা তাঁতী

বিগত বৰ্ষত আমাৰ মাজৰ পৰা পাৰ্থিৱ জীৱন নাটৰ য
ৱনিকা পেলাই আঁতৰি যোৱা দুয়োগৰাকী প্ৰয়াত
গুৰু-শিষ্যৰ পৱিত্ৰ স্মৃতিত এই সংখ্যাৰ ডিগবৈ
মহাবিদ্যালয়ৰ আলোচনী উৎসৰ্গিত।

-সম্পাদনা সমিতি



# শ্ৰদ্ধাঞ্জলি

*শৰীৰং ক্ষণ বিধ্বংসী ঃ*

*কল্পান্ত স্থায়ীনু গুণা ঃ*



৺উপেন বৰঠাকুৰ

জন্ম ঃ ১২ এপ্ৰিল, ১৯৩৮ মৃত্যু ঃ ১০ ছেপ্তেম্বৰ, ২০১৭

ডিগবৈ মহাবিদ্যালয় আলোচনীৰ প্ৰথম সম্পাদক ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৃতবিদ্য শিক্ষক, সমাজৰ মংগলৰ বাবে উৎসৰ্গিত প্ৰাণ-আত্মত্যাগৰ মহিমাৰে মহিমোজ্বল প্ৰয়াত উপেন বৰঠাকুৰদেৱলৈ আমি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

- সম্পাদনা সমিতি





# অশ্ৰু অঞ্জলি

স্বনামধন্য নাট্যকাৰ অৰুণ শৰ্মা
যশস্বী চলচিত্ৰ পৰিচালক আব্দুল মজিদ
চিৰসেউজ অভিনেতা বিজু ফুকন
ভাওনি কুঁৱৰী নিৰুপমা ফুকন
যুগস্ৰষ্টা অভিনেতা শশী কাপুৰ

প্ৰতিভাৰ অতুলনীয় জ্যোতিৰে যিসকল
নিজ নিজ ক্ষেত্ৰত মহীৰুহস্বৰূপ - যাৰ মৃত্যুৱে
সৃষ্টি কৰি গ'ল নিঃসীম
বিষাদ আৰু অপূৰণীয় শূণ্যতাৰ

বিগত বৰ্ষটিত লগতে নিয়তিৰ আমোঘ বিধান মানি
আমাৰ মাজৰ পৰা আঁতৰি যোৱা জ্ঞাত-অজ্ঞাত প্ৰতিজন ব্যক্তিৰ
বিয়োগত আমি নিবেদন কৰিছোঁ একাঁজলি অশ্ৰু।

- সম্পাদনা সমিতি

# মহাবিদ্যালয় সংগীত

ৰচনা ঃ ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ ঃ ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত।।
এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো প্ৰাণৰ ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত।।
সূৰুজমুখী আমাৰে মন
উৰ্দ্ধমুখী আমাৰে মন,
আমি যাওঁ – শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ।।
মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ।।
ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ–মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ – জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ – শান্তিৰ জোনাক বিচাৰি যাওঁ।।

# মহাবিদ্যালয়ৰ মূলমন্ত্ৰ

মহাবিদ্যালয়ৰ মূলমন্ত্ৰ ''বিদ্যা দদাতি বিনয়''য়ে বিনয় প্ৰদায়ক জ্ঞানৰ তাৎপৰ্য বহন কৰিছে। জ্ঞান প্ৰদত্ত বিনয়ীভাৱৰ সৈতে নম্ৰতা, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ একাত্ম। বিনয়ে এটা সমৃদ্ধময় জীৱনৰ বাটকাটিবলৈ যোগ্যতা নিশ্চিত কৰি ব্যক্তিৰ আত্মসন্তুষ্টি আৰু অন্তৰাত্মাৰ আনন্দক চিৰস্থায়ী কৰে।

এই বিধিবাক্য সাৰোগত কৰি এই মহাবিদ্যালয়ে প্ৰচেষ্টা কৰে ছাত্ৰ সমাজৰ চেতনাত বিনয়, নিয়মানুৱৰ্তিতা আৰু সাংস্কৃতিক আচৰণবোধ জাগ্ৰত কৰিবলৈ যাতে তেওঁলোকে সু লক্ষ্য স্থিৰ কৰাৰ লগতে সাৰ্বিক সমাজৰ হিতৈষী কাৰ্যত অৰিহণা যোগাব পাৰে।

# মহাবিদ্যালয়ৰ দৃষ্টিভঙ্গী

মহাবিদ্যালয়খনৰ সৰ্বদা দৃষ্টি উৎকৃষ্ট শিক্ষা প্ৰদানৰ। উৎকৃষ্ট শিক্ষাই ছাত্ৰ সমাজক ভাৰতীয় সংস্কৃতি, ঐতিহ্য তথা মূল্যবোধৰ বিষয়ে উপদেশ প্ৰদান কৰাৰ লগতে আধুনিক কাৰিকৰী কৌশলসমৃদ্ধ আৰু গোলকীকৃত সমাজখনৰ চাহিদাসমূহ পূৰণৰ পথ নিৰ্দেশনা দিব।

# আমাৰ সংকল্প

আমাৰ মহাবিদ্যালয়ে সংকল্প কৰে —

ক) শিকাৰুক এনে শিক্ষা প্ৰদান কৰাৰ — যিয়ে তেওঁলোকক দায়বদ্ধ আৰু নৈতিক গুণসম্পন্ন নাগৰিক হিচাপে গঢ় দিয়াৰ লগতে সৃষ্টিশীল তথা যুক্তিবাদী সমালোচক কৰিব আৰু তেওঁলোকক ফলপ্ৰসূভাৱে ভাৱ প্ৰকাশৰ কৌশল শিকাব;

খ) শিকাৰুৱে সৎ, দৃঢ় প্ৰতিজ্ঞ আৰু সৌম্যভাবেৰে শিক্ষা আৰ্জিব পাৰে সেই উদ্দেশ্যে তেওঁলোকক উৎসাহ যোগাব;

গ) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশ্বমানৰ যোগ্যতা গঢ়ি তুলিব যাতে তেওঁলোকে জীৱনৰ অনাগত সুযোগ আৰু প্ৰত্যাহ্বানসমূহৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰে;

ঘ) শৈক্ষিক পৰিৱেশ সুস্থ কৰি তুলিব যাতে উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান তথা সংবৰ্ধন কৰিব পৰা যায়;

ঙ) সামূহিক কৰ্ম, নব্য কৌশল আৰু শিখৰ প্ৰাপ্তিৰ বাবে কৰা কৰ্ষণৰ যোগেদি ইয়াৰ সাংগাঠনিক অংশসমূহৰ মাজত অটুট বন্ধন গঢ়ি তুলিব;

চ) সকলো জাতি, ধৰ্ম সম্প্ৰদায় আঁকোৱালিব পৰা ৰাষ্ট্ৰীয় একতা আৰু বিশ্বজনীন সংস্কৃতিৰ ভাব জগাই তুলিব।

# আমাৰ বিশ্বাস

আমি বিশ্বাসী যে —

ক) সকলো ছাত্ৰ-ছাত্ৰীৰ ভিতৰত সমাজৰ এজন মূল্যবোধসম্পন্ন ব্যক্তি হিচাপে বিকশিত হৈ উঠিবৰ বাবে অফুৰন্ত শক্তি অন্তৰ্নিহিত হৈ আছে।

খ) এজন ব্যক্তিৰ শিক্ষা ফলদায়ক হয় যেতিয়া তেওঁ শিক্ষাৰ প্ৰসাৰ ঘটায় আৰু ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰযত্ন লয়।

গ) শিক্ষা এক আজীৱন প্ৰক্ৰিয়া আৰু অৰ্থ সম্পন্ন শিক্ষাই জ্ঞান অৰ্জনৰ বাবে অনন্ত দিগন্তৰ পথ নিৰ্দেশনা দিয়ে।

ঘ) নিয়মানুৱৰ্তিতাৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীক দায়বদ্ধ কৰি তোলাৰ লগতে দায়িত্বশীল নাগৰিক হিচাপে গঢ় দিয়ে।

ঙ) এজন ব্যক্তিক সমাজৰ উপযোগী হোৱাকৈ গঢ় দিবলৈ হ'লে বৈজ্ঞানিক, কাৰিকৰী আৰু অৰ্থনৈতিক শিক্ষাৰ লগত নৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক জ্ঞানসম্পন্ন শিক্ষাৰ ব্যৱস্থা থাকিব লাগিব।

# মহাবিদ্যালয়ৰ প্ৰতীক

মহাবিদ্যালয়ৰ প্ৰতীকটোৰ আৰ্হি চিত্ৰিত কৰিছিল মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যাপক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব মহাবিদ্যালয় পৰিদৰ্শক প্ৰয়াত বিমল গগৈ ডাঙৰীয়া আৰু সেই সময়ৰ বিখ্যাত চিত্ৰশিল্পী, ভাস্কৰ তথা শেষ জীৱনত নেপালৰ ৰাজ কবিৰূপে প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰয়াত হৰি ভক্ত কটোৱালে।

প্ৰতীকটোত অংকিত অৰ্ধগোলাকৃতিৰ গোলকটোৰ ওপৰত জখলাসদৃশ এটা স্তম্ভ আছে যি এছিয়াৰ প্ৰথম তৈল নগৰী ডিগবৈৰ ঐতিহ্যক সোঁৱৰাই। লগতে এই স্তম্ভ জ্ঞানৰ জখলাৰ প্ৰতীক যি আমাক দিগন্ত প্ৰসাৰী লক্ষত উপনীত হ'বলৈ সমৰ্থ কৰি তোলে। প্ৰতীকটোৰ তলৰ ফালে থকা ডেউকা দুখনে এই তাৎপৰ্য বহন কৰে যে শিক্ষাৰ যোগেদি আমি জীৱনৰ উচ্চতম লক্ষ্য প্ৰাপ্তিৰ বাবে আগবাঢ়িব পাৰোঁ। প্ৰতীকটোত থকা সূৰ্যৰ ৰশ্মিয়ে তাৎপৰ্য বহন কৰিছে আশা আৰু জ্ঞানৰ পোহৰৰ যি জীৱনৰ তমসা নাশ কৰিব আৰু সমগ্ৰ বিশ্ব জ্যোতিষ্মান কৰি তুলিব। এই প্ৰতীকটো মহাবিদ্যালয়খনে বিশ্বাস কৰা নৈতিকতা আৰু মূল্যবোধৰ নিদৰ্শন যাক মহাৰিদ্যালয়খনে সমাজৰ আন্তঃগাঁথনিত গ্ৰন্থিত কৰিব বিচাৰে। প্ৰতীকটোৰ অধঃস্থানত থকা 'হিতোপদেশৰ পৰা উদ্ধৃত বাক্যশাৰীয়ে মহাবিদ্যালয়ৰ মূলমন্ত্ৰক দাঙি ধৰে'।

উৎস : Digboi College Prospectus 2013-14
অনুবাদ : শ্ৰীপবিত্ৰ ভৰালী (সহঃ অধ্যাপক) আৰু ৰক্তিম বৰগোহাঁই (উ:মা: ২য় বৰ্ষ)

# সম্পাদনা সমিতি


ড° দীপ শইকীয়া
সভাপতি


কেদাৰ নাথ টিমচিনা
উপ-সভাপতি


অচ্যুত শইকীয়া
তত্বাৱধায়ক


ড° জয়ন্ত সন্দিকৈ
উপদেষ্টা


বেবী ৰিতু ফুকন
উপদেষ্টা


ৰাজীৱ ৰুদ্ৰ টাৰিয়াং
উপদেষ্টা


পৱন গগৈ
উপদেষ্টা


দেৱৰ্ষি গগৈ
উপদেষ্টা


দীপাঞ্জল বৰগোহাঁই
সম্পাদক


অমিত বিশ্বকৰ্মা
সদস্য


মৌচম বৰুৱা
সদস্য


শৰ্মিষ্ঠা দাস
সদস্যা


অবিনাশ কুমাৰ শ্বাহ
সদস্য


নীলাকশ্ৰী মৰাণ
সদস্যা

# Digboi College Students' Union
## 2016-2017


**Anish Akhtar Khan**
President


**Tanmoy Das**
Vice President


**Khem Bahadur Chetry**
General Secretary


**Dipanjol Borgohain**
Magazine Secretary


**Sarita Chetry**
Social Service Secretary


**Hirakjyoti Khakhlari**
Debate & Symposia Secretary


**Krishna Mech**
Cultural Secretary


**Pranjal Chetry**
Major Games Secretary


**Pranab Upadhaya**
Minor Games Secretary


**Guddu Napit**
General Games Secretary


**Netra Prasad Sarmah**
Gymnasium Secretry


**Asit Chandra Dutta**
Boys' Common Room Secretary


**Manisha Bharali**
Girls' Common Room Secretary

# Digboi College Academic Achievers 2017

## Arts Stream


**Pallab Jyoti Moran**
(Assamese)


**Lijut Dowarah**
(Assamese)


**Punam Chanda**
(Economics)
Best Arts Graduate


**Kanchan Newar**
(Economics)


**Mamu Sonowal**
(Economics)


**Durga Chetry**
(Economics)


**Madhusmita Boruah**
(English)


**Deepannita Dey**
(English)


**Binita Chetry**
(English)


**Karuna Pradhan**
(English)


**Horen Das**
(Philosophy)


**Luni Saikia**
(Philosophy)


**Pinki Dutta**
(Philosophy)


**Mridusmita Gogoi**
(Philosophy)


**Niranjan Saikia**
(Philosophy)


**Bitupan Sonowal**
(Philosophy)


**Nonita Chetri**
(Philosophy)


**Antara Hazarika**
(Political Science)


**Hirakjyoti Khakhlari**
(Political Science)


**Pranab Upadhaya**
(Political Science)


**Dhiraj Kumar Baniya**
(Political Science)


**Jyoti Chetry**
(Political Science)


**Rasna Hazarika**
(Political Science)


**Trishnakhi Baruah**
(Political Science)


**Geetashree Borgohain**
(Political Science)


**Saradi Jyotsna Pathak**
(Political Science)


**Luhit Hati Baruah**
(Political Science)


**Ashok Kharia**
(Political Science)


**Nabajyoti Upadhaya**
(Political Science)


**Guddu Napit**
(Political Science)


**Monjit Roy**
(General)


**Protangkar Chakma**
(General)


**Prurna Bahadur Chetry**
(General)


**Shoumik Dutta**
(General)


**Anita Baruah**
(General)


**Kabita Sharma**
(General)


**Malti Koiri**
(General)

# Digboi College Academic Achievers 2017

## Commerce Stream



**Kartik Mallah**
(Accounting & Finance)
Best Commerce Graduate



**Charanjit Singh**
(Accounting & Finance)



**Biswajit Debnath**
(Accounting & Finance)



**Alisha Pather**
(Accounting & Finance)



**Rinky Pradhan**
(Accounting & Finance)



**Nabanita Paul**
(Accounting & Finance)



**Riki Moni Lahon**
(Accounting & Finance)



**Meena Sunar**
(Accounting & Finance)



**Dinanath Sah**
(Accounting & Finance)



**Priyanka Thakur**
(Accounting & Finance)



**Kishan Dey**
(Accounting & Finance)



**Ashmita Rakshit**
(Accounting & Finance)



**Deepshikha Baruah**
(Marketing)



**Shanaz Khatun**
(Marketing)



**Monali Paul**
(Marketing)



**Rinki Sah**
(Marketing)



**Sahina Banu**
(Marketing)



**Swarup Bhattacharjee**
(Marketing)

## Science Stream



**Duhita Das**
(Botany)
Best Graduate
Best Science Graduate



**Sapna Tiwari**
(Botany)



**Abhijeet Baruah**
(Botany)



**Sandhya Chetry**
(Botany)



**Parishmita Borah**
(Botany)



**Mayuri Gohain**
(Botany)



**Pinku Phukan**
(Botany)



**Priyanki Gogoi**
(Botany)



**Pranjal Pratim Borah**
(Botany)



**Deep Kumar Nath**
(Botany)



**Queen Buragohain**
(Botany)



**Syeda Nagma Rahman**
(Botany)



**Rafique Ahmed Choudhury**
(Botany)



**Simita Das**
(Chemistry)



**Sobit Newar**
(Chemistry)



**Subham Dhar**
(Chemistry)



**Thamyoo Singthi**
(Chemistry)



**Priyanka Singha**
(Chemistry)

# Digboi College Academic Achievers 2017

## Science Stream


Arju Gogoi
(Chemistry)


Ritashree Sharma
(Chemistry)


Chandra Jyoti Chakma
(Chemistry)


Pronob Bora
(Chemistry)


Ranajit Paul
(Chemistry)


Pulak Jyoti Gogoi
(Chemistry)


Sabhya Rai
(Eletronics)


Depayan Bhattacharjee
(Eletronics)


Sushmita Dutta
(Eletronics)


Anowar Hussain
(Eletronics)


Chayan Das
(Eletronics)


Tarique Anwar
(Eletronics)


Anish Akhtar Khan
(Eletronics)


Bijoy Sharma
(Mathematics)


Sidhartha Dutta
(Mathematics)


Bagmita Baruah
(Physics)


Neha Gupta
(Physics)


Hemraj Lakra
(Physics)


Riju Chetry
(Physics)


Deep Nath
(Physics)


Alisha Kharbina Ahmed
(Physics)


Rashmi Bhattacharjee
(Physics)


Abhijit Dey
(Physics)


Abhik Chowdhury
(Physics)


Dharmendra Chawrok
(Physics)


Sumit Deka
(Physics)


Nikhil Kumar Pathak
(Physics)


Deepika Sonowal
(Physics)


Arijit Das
(Physics)


Abhilash Dutta
(Physics)


Piyali Devroy
(Zoology)


Sunia Lahon
(Zoology)


Madhusree Bhattacharjee
(Zoology)


Angelina Hazarika
(Zoology)


Hempriya Tiwari
(Zoology)


Binita Chetry
(Zoology)

# Digboi College Academic Achievers 2017

## Science Stream



**Namrata Boruah**
(Zoology)



**Nangji Ulup**
(Zoology)



**Saulon Hailung**
(Zoology)



**Aditya Das**
(Zoology)



**Anil Phukan**
(Economics)



**Saswata Roy Purkayastha**
(General)



**Mintu Borboruah**
(General)



**Binita Paul**
(General)



**Puja Handique**
(General)



**Suraj Mura**
(General)



**Pankaj Das**
(General)



**Rahul Karotiya**
(General)

## Highest Score Holders of Higher Secondary Examination, 2017



**Abhishek Nath**
(Science)



**Arjun Chetry**
(Arts)



**Sweta Sharma**
(Commerce)

## Prize Winners of Youth Festival 2016-17 Under Dibrugarh University



**Boniface Hemrom**
1st Prize in Guitar Playing



**Jyotishman Moran**
2nd Prize in Creative Dance
2nd Prize in Jayanta Sangeet

## Prize Winner of North-East NSS Youth Festival 2016-17 Held at Guwahati University



**Krishna Mech**
1st Prize in the Extempore Speech

## Ph.D Degree, 2017



**Dr. Pabitra Bharali**

*Asst Prof. of English Dept. of Digboi College, Digboi has been awarded PhD Degree by Assam University, Silchar, for his thesis entitled, "Diasporic consciousness in the fiction of Michael Ondaatje".*

# Best Achievers of College Week 2016-17



**Shiraj Navah**
Mr. Digboi College



**Jyotishman Moran**
Best Singer & Dancer



**Khogen Deka**
Best Player



**Momita Deka**
Best Player



**Chandan Jyoyi Phukan**
Champion of the Champion
Power Lifting



**Abhilash Dutta**
Champion of the Champion
Arm Wrestling



**Nirmali Basumatary**
Champion of the Champion
Arm Wrestling

# Photos of College Week 2016-17







# Photos of College Week 2016-17


















GOVERNOR
ASSAM



RAJ BHAVAN
GUWAHATI

**Message**

I am glad to know that Digboi College Students' Union is bringing out its 38th edition of annual college magazine and I convey my best wishes to the editorial team on this occasion.

Swami Vivekananda once said, 'Education is the manifestation of perfection already in man' and our schools, colleges and universities are unrelentingly working towards manifesting this perfection by producing bright students exploiting their latent knowledge.

I hope, Digboi College will continue performing its role in nurturing more brilliant brains and minds in our society. I moreover, hope that the college magazine will see its heyday and guide the society to the path of knowledge and wisdom.

**(Prof.Jagdish Mukhi)**
**Governor of Assam**

**Dated: October 24, 2017**

নগেন শইকীয়া
অৱসৰপ্ৰাপ্ত বেজবৰুৱা-অধ্যাপক ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়
**NAGEN SAIKIA**
Retd. Professor and Ex-MP

0373-2318796 (R)
094350-30340 (M)
email : nagendrasaikia@yahoo.co.in
nagensaikia1939@gmail.com



# শুভেচ্ছা সন্দেশ

অলপতে (২৫ আগষ্ট, ২০১৭) ডিগবৈ মহাবিদ্যালয়ৰ এটি বক্তৃতা অনুষ্ঠানলৈ যোৱাৰ সুযোগ হৈছিল। পূৰ্বে কেইবাবাৰো নিমন্ত্ৰণ লাভ কৰিও যাব পৰা নাছিলোঁ। এই মহাবিদ্যালয়ৰ চকু আৰু মন জুৰ কৰা ওখ-চাপৰ সেউজীয়া পাহাৰীয়া মনোৰম নৈসৰ্গিক পটভূমিত, সৌন্দৰ্যবোধৰ স্পৰ্শ থকা ঘৰ-দুৱাৰেৰে মহাবিদ্যালয়লৈ গৈ প্ৰথম দৃষ্টিতে মুগ্ধ হ'লোঁ। এই কথা জানিব পাৰিও আনন্দ পালোঁ যে বিদ্যালয়খনিৰ শৈক্ষিক তথা বিদ্যায়তনিক মানো উচ্চ খাপৰ। ছাত্ৰ-ছাত্ৰীসকলৰ শৃংখলাবদ্ধতাই আৰু তেওঁবিলাকৰ প্ৰশংসনীয় শৈক্ষিক মানৰ সংবাদেও আনন্দ দিলে। উদ্যোগী, কৰ্মপ্ৰাণ অধ্যক্ষ, উপাধ্যক্ষ সমন্বিতে প্ৰতিটো বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বিদ্যায়তনিক দায়বদ্ধতাই এই মহাবিদ্যালয়খনিক দেশৰ মহাবিদ্যালয়সমূহৰ ভিতৰত এটি নিজস্ব পৰিচয় দান কৰিছে। উচ্চতৰ মাধ্যমিক স্তৰৰপৰা স্নাতকোত্তৰ স্তৰলৈকে থকা এই মহাবিদ্যালয়খনিৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ জ্ঞান, অভিজ্ঞতা, কল্পনা আৰু অনুভৱ প্ৰকাশৰ প্ৰতিভা কঢ়িয়াই অনা চিন্তাশীল আৰু সৃষ্টিশীল লেখাৰে ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনিৰ ২০১৬-১৭ বৰ্ষৰ সংখ্যাটি যে সমৃদ্ধ হৈ আৰু আটকধুনীয়াকৈ প্ৰকাশিত হ'ব এই বিশ্বাস মোৰ আছে। সম্পাদনা-সমিতিৰ সভাপতি, উপসভাপতি, উপদেষ্টা, তত্ত্বাৱধায়ক আৰু সম্পাদক প্ৰমুখ্যে সদস্যসকলৰ বিদ্যায়তনিক আৰু নান্দনিক মনৰ স্পৰ্শত আলোচনীখনি সংৰক্ষণযোগ্য আলোচনী হৈ উঠক এই বাঞ্ছাৰে মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

২৯ আগষ্ট, ২০১৭

নগেন শইকীয়া

আবাস ঃ আশ্ৰয় / বৰ্ণমালা • শ্ৰীমন্ত পথ • জীৱন ফুকন নগৰ
ডিব্ৰুগড় ৭৮৬০০৩ • অসম

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
e.Mail: alakkrburagohain@gmail.com

Ref. No.DU/VC/M/073/17/1371 Date:21.11.2017

## শুভেচ্ছা বাণী

প্ৰতি

**শ্ৰী অচ্যুত শইকীয়া**
তত্বাৱধায়ক

ডিগবৈ মহাবিদ্যালয় আলোচনী
২০১৬-১৭ বৰ্ষ



**মৰমৰ শইকীয়া,**

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনী ২০১৬-১৭ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি আনন্দিত হৈছোঁ।

এখন মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক বিভিন্ন ধৰণৰ সৃষ্টিমূলক লিখনিৰ জৰিয়তে প্ৰকাশ কৰাত সহায় কৰাৰ লগতে সমাজখনৰ দৃষ্টিভংগীকো প্ৰতিফলিত কৰে। মই আশা কৰিছোঁ ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনিয়েও গল্প, কবিতা, প্ৰৱন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰী সকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব পাৰিব।

মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দৰ সৃষ্টিমূলক লিখনিৰে **ডিগবৈ মহাবিদ্যালয় আলোচনী**ৰ ২০১৬-১৭ বৰ্ষৰ সংখ্যাটি সুন্দৰ ৰূপত প্ৰকাশ পাওক, এই কামনাৰে —

অলক কুমাৰ বুঢ়াগোঁহাই



# অধ্যক্ষৰ মেজৰপৰা...

সাম্প্ৰতিক ডিগবৈ মহাবিদ্যালয়ত পৰিস্ফুট হৈছে এক ৰূপান্তৰৰ ছবি। প্ৰতীয়মান হৈছে উচ্চ শিক্ষাৰ উত্তৰণৰ এক অবিৰত যাত্ৰা। মানৱ সম্পদ গঠন প্ৰক্ৰিয়াই লাভ কৰিছে এক অনন্য মাত্ৰা। শিক্ষা-সাহিত্য-কলা-সংস্কৃতি-ক্ৰীড়াৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীয়ে অৰ্জন কৰিছে সুখ্যাতি; বৃদ্ধি হৈছে ডিগবৈ মহাবিদ্যালয়ৰ গৰিমা।

কেইবাটিও কাৰণত দেশৰ বাছকবনীয়া মহাবিদ্যালয়সমূহৰ তালিকাত সন্নিৱিষ্ট হৈছে ডিগবৈ মহাবিদ্যালয়ৰ নাম। মহাবিদ্যালয়খনে লাভ কৰিছে ৰাষ্ট্ৰীয় স্বীকৃতি।

২০১৭ বৰ্ষত মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিদ্যা আৰু ৰসায়ণ বিভাগে অহা তিনিটা বছৰৰ বাবে লাভ কৰিছে ভাৰত চৰকাৰৰ জৈৱ-প্ৰযুক্তি বিভাগৰ অতি সন্মানীয় 'ষ্টাৰ কলেজ আঁচনি'ৰ অনুদান। যাৰ ফলত মহাবিদ্যালয়খনৰ বিজ্ঞান গৱেষণাগাৰত শিক্ষাৰ্থীৰ বাবে সুচল হ'ব গৱেষণা, প্ৰশস্ত হ'ব-উচ্চ মানৰ বিজ্ঞান চৰ্চাৰ পথ।

সৰ্বভাৰতীয় 'কলেজ ৰেংকিঙ'ত জিলিকিছে ডিগবৈ কলেজৰ নাম। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ে ২০১৭ চনৰ 'ৰাষ্ট্ৰীয় অনুষ্ঠানৰ স্থান নিৰূপণ কাৰ্য প্ৰণালী'ৰ জৰিয়তে ডিগবৈ মহাবিদ্যালয়ক দেশৰ দুশগন শীৰ্ষস্থানীয় কলেজৰ এখন বুলি ৰাষ্ট্ৰীয় মৰ্যাদা প্ৰদান কৰিছে।

যুৱ সমাজৰ দক্ষতা বিকাশৰ অৰ্থে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে ডিগবৈ মহাবিদ্যালয়ে ২০১৭ বৰ্ষৰপৰা আৰম্ভ কৰিছে 'কমিউনিটি কলেজ' আঁচনিৰ এবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম- 'কম্পিউটাৰ হাৰ্ডৱেৰ এণ্ড নেটৱৰ্ক মেইন্টেনেন্স।' যাৰ দ্বাৰা স্থানীয় যুৱক-যুৱতীৰ মনলৈ আহিছে কৰ্ম সংস্থাপনৰ নতুন আশা।

যুদ্ধকালীন তৎপৰতাৰে ২০১৫ চনত সমাপন কৰা 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ণ পৰিষদৰ (নাক) দ্বাৰা পুনঃ মূল্যায়নৰ ফলশ্ৰুতিত ডিগবৈ মহাবিদ্যালয়ে লাভ কৰিছে অসম চৰকাৰৰ 'ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অভিযান'ৰ (ৰুচা) অধীনত আন্তঃগাঁঠনি তথা শৈক্ষিক উন্নয়নৰ অৰ্থে বহুমূলীয়া আৰ্থিক অনুদান। ইয়াৰ উপৰিও আমাৰ মহাবিদ্যালয়ে লাভ কৰিছে 'ৰুচা'ৰ 'সম উদ্যোগী' আঁচনিৰ অন্তৰ্গত 'ফিনিছিং স্কুল' নামৰ অভিলাষী কাৰ্যসূচীৰ বিশেষ অনুদান; যাৰ দ্বাৰা ২০১৮ বৰ্ষৰপৰা মহাবিদ্যালয়ৰ চূড়ান্ত ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকললৈ আগবঢ়োৱা হ'ব তেওঁলোকৰ ব্যক্তিত্ব বিকাশৰ দুমহীয়া বিশেষ প্ৰশিক্ষণ; যিয়ে ছাত্ৰ-ছাত্ৰীৰ আত্ম বিশ্বাস বঢ়োৱাৰ লগতে তেওঁলোকৰ নিয়োগৰ সম্ভাৱনাক অধিক প্ৰকট কৰি তুলিব।

ছাত্ৰকেন্দ্ৰিক শৈক্ষিক বাতাৱৰণৰ লগত সংগতি ৰাখি ডিগবৈ মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কলা-সংস্কৃতি উৎকৰ্ষ সাধনৰ প্ৰচেষ্টাৰে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। ৰাষ্ট্ৰীয় ধ্ৰুপদী নৃত্যৰ মৰ্যাদা লাভ কৰা গুৰুজনাৰ মহান সৃষ্টি সত্ৰীয়া নৃত্যৰ প্ৰতি আমাৰ নৱ প্ৰজন্মক আকৃষ্ট কৰাৰ লগতে ইয়াৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে ২০১৭ চনৰ ২২ আৰু ২৩ জানুৱাৰী তাৰিখে আমাৰ মহাবিদ্যালয়ে আয়োজন কৰিছিল সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা। নগদ ধন, বঁটা আৰু মানপত্ৰৰে প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ আগবঢ়াইছিল মহাবিদ্যালয়ৰ শিক্ষক প্ৰদীপ কুমাৰ খাউণ্ড আৰু ড° বিকাশ কুমাৰ বৰুৱাই। অসমৰ বিভিন্ন প্ৰান্তৰপৰা অহা প্ৰতিযোগীৰ মান বিশিষ্ট নৃত্য কলাই বিচাৰকৰ লগতে দৰ্শকৰ মন মুহিছিল। সত্ৰীয়া নৃত্যক বিশ্বদৰবাৰলৈ আগবঢ়াই লৈ যোৱাৰ গধূৰ দায়িত্ব যে আমাৰ নৱ প্ৰজন্মই শ্ৰদ্ধা তথা নিষ্ঠাৰে মূৰ পাতি লৈছে সেয়া প্ৰতীয়মান হৈছিল। ৭১ তম্ স্বাধীনতা দিৱস উদ্‌যাপনৰ অংশ ৰূপে ২০১৭ চনৰ ১৪ আগষ্ট তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা হৈছিল ঠাইতে ছবি অঁকা, আকস্মিক বক্তৃতা আৰু দেশপ্ৰেমমূলক গীতৰ প্ৰতিযোগিতা। ২০১৭ চনৰ ৮ ছেপ্তেম্বৰ তাৰিখে অসমৰত্ন সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ওপজা দিনৰ উপলক্ষত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা হৈছিল ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীৰ যোগদান উৎসাহোদ্দীপক আছিল।

সাম্প্ৰতিক সময়ত ৰূপান্তৰৰ প্ৰোজ্জ্বল ৰূপ উজ্জলি উঠিছে মহাবিদ্যালয়ৰ মুখপত্ৰ ডিগবৈ মহাবিদ্যালয় আলোচনীৰ ক্ষেত্ৰত। কিছু বছৰৰ আগৰ অনিয়মিত প্ৰকাশ, ক্ষীণ কলেৱৰ আদি ৰুগ্ন ৰূপৰ বিপৰীতে বিগত ছবছৰে ডিগবৈ মহাবিদ্যালয় আলোচনীয়ে অৰ্জন কৰিছে অনন্য কৃতিত্ব; লাভ কৰিছে শ্ৰেষ্ঠতাৰ সন্মান। দীপশিখা বৰুৱা সম্পাদিত ২০১৫-১৬ বৰ্ষৰ সপ্তত্ৰিংশতম্ সংখ্যাৰ ডিগবৈ মহাবিদ্যালয় আলোচনীয়ে ২০১৭ মেঘালয়স্থ 'ইউনিভাৰ্চিটি অৱ চায়েন্স এণ্ড টেকন'ল'জি'-এ আয়োজন কৰা উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় সমূহৰ মাজত অনুষ্ঠিত কৰা আলোচনী প্ৰতিযোগিতাত লাভ কৰিছে দুটিকৈ শ্ৰেষ্ঠতাৰ সন্মান- 'শ্ৰেষ্ঠ আলোচনী' আৰু 'শ্ৰেষ্ঠা মহিলা সম্পাদিকা'ৰ সন্মান। ইয়াৰ উপৰিও এই সংখ্যাৰ আলোচনীখনে লাভ কৰিছিল ২০১৬-১৭ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ আন্তঃমহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত স্বৰ্ণ পদক অৰ্জনেৰে শ্ৰেষ্ঠ স্থান।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উৎকৃষ্ট পৰীক্ষাৰ ফলাফলে মহাবিদ্যালয়খনৰ লগতে সমগ্ৰ অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। ২০১৭ বৰ্ষৰ স্নাতক শিক্ষান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত উদ্ভিদবিদ্যা আৰু ইলেক্ট্ৰ'নিক্স মেজৰ বিষয়ত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান। ইলেক্ট্ৰ'নিক্স মেজৰ বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম দহোটা স্থানৰ আঠোটা লাভ কৰিছে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। ইয়াৰ উপৰিও স্নাতক কলা শাখাত অৰ্থনীতি বিভাগত প্ৰথম শ্ৰেণীৰ সপ্তম স্থান, দৰ্শন বিভাগত প্ৰথম শ্ৰেণীৰ অষ্টম স্থান, বিজ্ঞান শাখাত পদাৰ্থ বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ সপ্তম আৰু নৱম স্থান, অৰ্থনীতি বিভাগত প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান আৰু বাণিজ্য শাখাত মাৰ্কেটিং মেজৰ শাখাত প্ৰথম শ্ৰেণীৰ সপ্তম স্থানেৰে বিশ্ববিদ্যালয়ৰ ৰেংক প্ৰাপ্তিৰ সুখ্যাতি অৰ্জন কৰিছে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। এইবেলি স্নাতক শিক্ষান্ত পৰীক্ষাত মেজৰ বিষয়ত কলা শাখাত ৩৩ জন, বিজ্ঞান শাখাত ৬১ জন আৰু বাণিজ্য শাখাত ২০ জনেৰে মুঠ ১১৪ জনে প্ৰথম শ্ৰেণী দখল কৰিছে। আনহাতে স্নাতক সাধাৰণ বিষয়ত কলা শাখাত ৯ জন, বিজ্ঞান শাখাত ৮ জনেৰে মুঠ ১৭ জনে প্ৰথম বিভাগ লাভ কৰিছে। ২০১৭ বৰ্ষত আমাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক গৰাকীয়ে লাভ কৰা শতকৰা নম্বৰ হৈছে ৮৭.২১%। উৎকৃষ্ট ফলাফলেৰে উত্তীৰ্ণ হোৱা আমাৰ ছাত্ৰ-ছাত্ৰীৰ বুজন সংখ্যকে দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শাখাত নামভৰ্ত্তি কৰি উচ্চ শিক্ষাৰ শিখৰ আৰোহণৰ দিশে অগ্ৰসৰ হোৱাটো আমাৰ মহাবিদ্যালয়ৰ বাবে অতি গৌৰৱৰ কথা।

বিগত বছৰবোৰৰ দৰে এইবেলিও আগবঢ়োৱা হৈছে মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ অৰ্থে নগদ ধন, স্মাৰক তথা সম্বৰ্ধনা পত্ৰৰে কেইবাটিও শৈক্ষিক বঁটা। নৱাগত আদৰণী সভাৰ লগতে অনুষ্ঠিত কৰা কৃতী ছাত্ৰ-ছাত্ৰীৰ বঁটা প্ৰদানৰ সম্বৰ্ধনা সভাত এইবছৰ উপস্থিত আছিল অসম কৃষি বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য ড০ কমলমল্ল বুজৰবৰুৱা মহোদয়। এইবেলি প্ৰদান কৰা শৈক্ষিক বঁটাসমূহৰ লগত নকৈ যোগ হ'ল- 'হেম কুমাৰ গগৈ সোঁৱৰণী শ্ৰেষ্ঠ বাণিজ্য বঁটা। প্ৰতি গৰাকীলৈ নগদ পাঁচ হাজাৰ টকাৰ আৰ্থিক সাহায্যৰে আগবঢ়োৱা ড০ এ.পি.জে আব্দুল কালাম সোঁৱৰণী শৈক্ষিক উত্তৰণ বঁটা এইবেলি লাভ কৰিছে স্নাতক বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ অতি মেধাৱী অথচ দৰিদ্ৰ ছগৰাকী কৃতী ছাত্ৰ-ছাত্ৰীয়ে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এইবছৰৰ পৰা নকৈ সংযোগ হৈছে এটি আকৰ্ষণীয় বঁটা – 'ইয়েৰ অৱ দি ষ্টুডেন্ট'– 'বছৰটোৰ বিদাৰ্থী'। শিক্ষাৰ লগতে বহুমূখী প্ৰতিভাৰ পাৰদৰ্শী প্ৰদৰ্শনেৰে বছৰটোত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰা প্ৰতিভাৱান শিক্ষাৰ্থী জনলৈ আগবঢ়োৱা হৈছে এই বঁটা। এই বঁটাত আছে নগদ ধন, স্মাৰক আৰু মানপত্ৰ।

বিগত কেইবছৰৰ দৰে এইবছৰো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কলা-সাহিত্য-সাংস্কৃতিক ক্ষেত্ৰৰ বিভিন্ন প্ৰতিযোগিতাত পাৰদৰ্শিতাৰে অংশ গ্ৰহণ কৰি খ্যাতি অৰ্জন কৰিছে। ২০১৬-১৭ বৰ্ষৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে দুটা স্বৰ্ণ আৰু এটি ৰূপৰ পদক। ২০১৭ চনৰ ১২ নৱেম্বৰ তাৰিখে অসম চৰকাৰে জিলা ভিত্তিক মহাবিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা যুৱ-সংসদত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰই প্ৰথম স্থান অধিকাৰ কৰি ৰাজ্যিক পৰ্য্যায়ৰ যুৱ সংসদত ভাগ লোৱাৰ সুযোগ লাভ কৰিছে।

আমাৰ মহাবিদ্যালয়ৰ শিক্ষক সমাজে শিক্ষা-সম্প্ৰসাৰণ কাৰ্য্যসূচীৰে ডিগবৈ তথা ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ শিক্ষানুষ্ঠানলৈ উল্লেখনীয় সেৱা আগবঢ়াই আহিছে। এনে এক প্ৰশংসনীয় কাৰ্য্যসূচী হ'ল- মহাবিদ্যালয়ৰ উদ্ভিদবিদ্যা বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা টিঙৰাইস্থ ৰজনীকান্ত বৰুৱা হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠদান, কাউন্সেলিং আৰু স্কুলৰ গৱেষণাগাৰৰ বাবে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে তৈয়াৰ কৰা বিজ্ঞানৰ মডেল তথা সঁজুলি প্ৰদান। এই সন্দৰ্ভত হাইস্কুলখনিৰ লগত আমাৰ মহাবিদ্যালয়ৰ হৈ উদ্ভিদবিদ্যা বিভাগৰ এখন বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়। যোৱা বছৰৰ দৰে এই বছৰো ডিগবৈ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ উদ্যোগত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে বিবেকানন্দ বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীক কুৰিদিনীয়া বিনামূলীয়া পাঠদান প্ৰদান কৰে। শিক্ষা-সম্প্ৰসাৰণৰ এনে প্ৰশংসনীয় সেৱাৰ বাবে মহাবিদ্যালয়ৰ শিক্ষকসমাজ ধন্যবাদৰ পাত্ৰ।

যোৱা বছৰৰ দৰে এই বছৰৰ এটি উল্লেখনীয় দিশ হ'ল – মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' (এন.এচ.এচ) গোটৰ আনিন্দ্য সজীৱ ৰূপ। এই গোটৰ সদস্য সকলে বছৰ জোৰা নিয়মীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয় তথা ডিগবৈ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চললৈ সেৱা আগবঢ়োৱাৰ লগতে ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিবিৰ সমূহত পাৰদৰ্শিতাৰে যোগদান কৰি সুখ্যাতি অৰ্জন কৰিছে।

শেষত ডিগবৈ মহাবিদ্যালয় আলোচনীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ আৰু ডিগবৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

৪ জানুৱাৰী, ২০১৮

(ড০ দীপ শইকীয়া)
অধ্যক্ষ, ডিগবৈ মহাবিদ্যালয়

# তত্ত্বাৱধায়কৰ কলম



মহাবিদ্যালয় এখনৰ যথাৰ্থ স্বৰূপ নিশ্চিতৰূপত প্ৰতিফলিত হয় বাৰ্ষিক মুখপত্ৰখনৰ মাজেদি। দৰাচলতে মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনি শিক্ষাৰ্থীসকলৰ প্ৰতিভাৰ বিকাশ আৰু প্ৰকাশৰ সঠিক মাধ্যম। শিক্ষাৰ্থীসকলৰ চিন্তাধাৰা, জীৱনবোধ, ৰুচি-অভিৰুচি, বৌদ্ধিক উৎকৰ্ষ তথা সৃষ্টিশীল প্ৰতিভা আলোচনীৰ পাতে পাতে বিভিন্ন ৰূপত বাংময় হৈ উঠে। শিক্ষকসকলৰ আৰু প্ৰভাৱশালী অতিথি লেখকৰ ৰচনাই শিক্ষাৰ্থীসকলক এই দিশত আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাব পাৰে।

অসমৰ পূবপ্ৰান্তত এক অপৰূপ প্ৰাকৃতিক শোভাৰে পৰিবেষ্টিত ডিগবৈ মহাবিদ্যালয় ৰাজ্যখনৰ ভিতৰতে এখন অগ্ৰণী উচ্চশিক্ষানুষ্ঠান। বৰ্তমানৰ অধ্যক্ষগৰাকীৰ সাহসী পদক্ষেপ তথা উদ্যমী কৰ্মতৎপৰতাত মহাবিদ্যালয়খনে এক নতুন গতি লাভ কৰিবলৈ সক্ষম হৈছে। আমি আশা কৰোঁ — কৰ্তৃপক্ষ, শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলৰ ঐকান্তিক প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয়খনে অচিৰেই দেশৰ জাকত জিলিকা শিক্ষানুষ্ঠানসমূহৰ শাৰীত সগৰ্বে থিয় দিব পাৰিব।

এই সংখ্যাৰ আলোচনীখনৰ পৰিকল্পনা কৰোঁতে এই সকলো দিশতে সততে দৃষ্টি ৰখা হৈছে — যাতে আলোচনীখনে মহাবিদ্যালয়খনৰ সামাগ্ৰিক অগ্ৰগতিক যথাৰ্থৰূপত প্ৰতিফলিত কৰিব পাৰে।

আলোচনীখন প্ৰকাশৰ যাৱতীয় সকলো দিশতে দিহা-পৰামৰ্শ তথা সহায় সহযোগ আগবঢ়োৱা সন্মানীয় অধ্যক্ষ ড° দীপ শইকীয়াদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সম্পাদনা সমিতিৰ সন্মানীয় সদস্যসকল তেওঁলোকৰ অকুণ্ঠ সহযোগিতাৰ বাবে আমাৰ ধন্যবাদৰ পাত্ৰ। বিভিন্ন ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়ালে সহকৰ্মী ড° মৃণাল কুমাৰ গগৈ, ড° পবিত্ৰ ভৰালী আৰু শ্ৰীমান সঞ্জয় দাসে। তেওঁলোকলৈ ধন্যবাদ থাকিল। মহাবিদ্যালয়ৰ কৰ্মচাৰী শ্ৰীযুতা দীপিকা বৰকাকতী, শ্ৰীযুত প্ৰমত্ত শইকীয়া, প্ৰকাশ শইকীয়া, কল্পদীপ গোহাঁই, বিৰাজ গগৈ, বিজিত শইকীয়া আৰু প্ৰশান্ত শইকীয়াক তেওঁলোকৰ সহায় সহযোগৰ বাবে শলাগ জ্ঞাপন কৰিলোঁ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অশেষ কষ্ট স্বীকাৰ কৰিছে সম্পাদক শ্ৰীমান দীপাঞ্জল বৰগোহাঁয়ে। তেওঁলৈ যাচিছোঁ শুভাশিস। অকৃত্ৰিম বিনয় আৰু কাম কৰাৰ অকুণ্ঠ হাবিয়াস তেওঁৰ ভৱিষ্যৎ জীৱনৰ পাথেয় হওক। বেটুপাতৰ শিল্পী, আমাৰ মৰমৰ ছাত্ৰী উজ্জেচীনি শিল্প সাধনাই সাফল্যৰ শিখৰত উপনীত হওক — ইয়াকে কামনা কৰিলোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ তেওঁলোকৰ সহায় সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

পৰিকল্পনামতে আলোচনীখনৰ সকলো শিতান সজাই তুলিব পৰা নগ'ল — বিভিন্ন কাৰণত। কিছু সংখ্যক লেখা নানান কাৰণত প্ৰকাশ কৰিব পৰা নহ'ল। আলোচনীখনত ৰৈ যোৱা সমস্ত ভুল-ভ্ৰান্তি তথা সীমাবদ্ধতাৰ দায়িত্ব মই নতশিৰে স্বীকাৰ কৰিছোঁ।

তৎসত্ত্বেও আশা কৰিছোঁ — আলোচনীখনে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক সঠিকভাৱে অনুপ্ৰাণিত কৰিব।

অচ্যুত শইকীয়া
তত্ত্বাৱধায়ক

সম্পাদকীয়

# বৰ্তমান সময়ত নৱ-প্ৰজন্ম





সময় কাৰো বাবে ৰৈ নাথাকে। সময় গতিশীল। আমি সদায় সময়ৰ কাম সময়ত কৰিব লাগে। সময় অতি মূল্যৱান সম্পদ। আমি মানুহবোৰে সময় অবাবত নষ্ট কৰোঁ। যাৰ ফলত শেষত গৈ আমি তাৰ ফলাফল ভোগ কৰিবলগীয়া হয়। বৰ্তমান সময়ত নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলে প্ৰায়েই সময়ৰ অপব্যৱহাৰ কৰে। যাৰ বাবে তেওঁলোকৰ জীৱনৰ বাকী থকা কালছোৱাত তাৰ প্ৰভাৱ পৰা দেখা যায়।

বৰ্তমান যুগ হৈছে বিজ্ঞানৰ যুগ। আজিৰ যুগত নিতৌ ন ন বস্তুৰ উদ্ভাৱন হৈছে। সেই সকলোবোৰৰ ভাল আৰু বেয়া দুয়োটা দিশ আছে। উদাহৰণস্বৰূপে যদি আমি এখন দা বা কটাৰী ধৰি লওঁ, সেইখনেৰে আমি কোনো এটা বস্তুক নতুন আকাৰো প্ৰদান কৰিব পাৰোঁ আৰু কোনো এটা ধ্বংসও কৰিব পাৰোঁ। সেইদৰে বিজ্ঞানৰ নৱ নিৰ্মিত প্ৰযুক্তি সমূহৰো দুটা দিশ আছে।

নৱ প্ৰজন্ম হৈছে দেশৰ অতি মূল্যৱান সম্পদ। এখন দেশ সুচাৰুৰূপে চলাই যাবলৈ শাৰীৰিক আৰু মানসিকভাৱে সুস্থ সবল নাগৰিকৰ প্ৰয়োজন। আৰু তেনেকুৱা ব্যক্তি আমি নৱ প্ৰজন্মৰ মাজৰ পৰাই বিচাৰি উলিয়াব লাগিব। সেইবাবে আমি উঠি অহা ল'ৰা-ছোৱালীক সৎ আৰু প্ৰয়োজনীয় কথাৰ আশ্ৰয় দিব লাগে। পঢ়া-শুনাৰ লগতে তেওঁলোকক সমাজৰ লগত খাপ খুৱাই চলি যাবলৈ অভ্যাস কৰাব লাগে। যাতে তেওঁলোকে সমাজৰ লগত ভালদৰে মিলি-জুলি থাকিব পাৰে। সিহঁতক ভাল পথত আগবঢ়াই নিয়াটো পিতৃ-মাতৃৰ কৰ্তব্য। পিতৃ-মাতৃৰ লগতে সমাজৰ আন বৰেণ্য ব্যক্তিসকলেও তেওঁলোকক আগবাঢ়ি যাবৰ বাবে উৎসাহ আৰু অনুপ্ৰেৰণা দিব লাগিব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অবিহনে আজিৰ সমাজ কল্পনাই কৰিব নোৱাৰি। বিজ্ঞানৰ ন ন আৱিষ্কাৰে পৃথিৱী ভৰাই তুলিছে। নৱ-প্ৰজন্মলৈ বিজ্ঞানৰ এই অৱদানে বহুত ধৰণে সহায় কৰিবলৈ সক্ষম হৈছে। কিন্তু, ইয়াতে এটা কথা মন কৰিবলগীয়া যে, বিজ্ঞানৰ এই অৱদানসমূহৰ ভালৰ লগতে বেয়া দিশো আছে। বিজ্ঞানে যিদৰে মানুহৰ দৈনন্দিন জীৱনত সুখ-শান্তি প্ৰদান কৰিছে ঠিক একেদৰে বহুতো মানুহৰ জীৱনলৈ অমানিশা কঢ়িয়াই আনিছে। সেয়েহে আমি উঠি অহা ল'ৰা-ছোৱালীক বিজ্ঞানৰ এই অৱদানৰ ভাল আৰু বেয়া দুয়োটা দিশৰ বিষয়েই অৱগত কৰোৱা উচিত। তেওঁলোকে যাতে ইয়াৰ বেয়া দিশটোৰ ফালে নগৈ ভাল দিশটোহে ব্যৱহাৰ কৰে তাৰবাবে তেওঁলোকক সৰুৰে পৰাই উচিত শিক্ষা প্ৰদান কৰিব লাগিব।

বিজ্ঞানৰ আৱিষ্কাৰে মানুহৰ কাম সহজ কৰি তোলাৰ লগতে মানুহক এলেহুৱাও কৰি তুলিছে। যাৰ ফলত মানুহে কাম কৰিবলৈ টান পাই যন্ত্ৰ-পাতিৰ ওপৰত সম্পূৰ্ণ ভাৱে নিৰ্ভৰশীল হৈ পৰিছে। ইয়াৰ পৰিণতিত অতি কম বয়সতে মানুহৰ দেহত বিভিন্ন ৰোগে দেখা দিয়ে। বিজ্ঞানৰ এই কুফল প্ৰধানকৈ নৱ প্ৰজন্মৰ মাজত দেখা পোৱা যায়। বিজ্ঞানৰ প্ৰভাৱত পৰি আজিৰ যুৱক-যুৱতীয়ে কাম কৰাৰ ক্ষমতা হেৰুৱাই পেলাইছে।

বিজ্ঞানে গোটেই জগতখনক এখন সৰু গোলকীয় গাঁৱত পৰিণত কৰিছে। বিজ্ঞানৰ এটা প্ৰধান আৱিষ্কাৰ টেলিফোনৰ জৰিয়তে আমি পৃথিৱীৰ যিকোনো ঠাইতে থকা আমাৰ মিতিৰ-কুটুম বা বন্ধু-বান্ধৱীৰ লগত অতি সহজতে যোগাযোগ কৰিব পাৰিছো। টেলিফোনৰ পাছতে আন এটি মাধ্যম হৈছে ইণ্টাৰনেট। ইণ্টাৰনেটৰ দ্বাৰাও আমি সকলোৰে লগত যোগাযোগ স্থাপন কৰিব পাৰোঁ। টেলিফোনৰ তুলনাত ইণ্টাৰনেটৰ সেৱা কিছু পৰিমাণে বেছি। টেলিফোনৰ যোগেদি আমি কেৱল কথা পাতিব পাৰো; কিন্তু ইণ্টাৰনেটৰ দ্বাৰা আমি কথা পতাৰ উপৰিও ভিডিঅ' কলিং, ডাটা শ্বে'যাৰিং, ব্ৰডিজিং, চ'ছিয়েল নেটৱৰ্ক, অ'নলাইন শ্ব'পিং আৰু লগতে পৃথিৱীৰ সকলো প্ৰান্তৰ লোকৰ লগত নিজৰ চিন্তা-ভাৱনা আদান-প্ৰদান কৰিব পাৰোঁ।

আমাৰ দৈনন্দিন জীৱনত ইণ্টাৰনেটৰ যিদৰে সু-প্ৰভাৱ আছে তাৰ লগে লগে কু-প্ৰভাৱো আছে। আজিৰ যুৱ সমাজে

তেওঁলোকৰ অতি মূল্যৱান সময় চ'ছিয়েল নেটৱৰ্কিংত প্ৰয়োগ কৰি সময়ৰ অপব্যৱহাৰ কৰিছে। আৰু যাৰ পৰিণাম তেওঁলোকে ভৱিষ্যতে ভোগ কৰিবলগীয়া হয়।

ইয়াৰ বাবে আমি এতিয়াৰ পৰাই উঠি অহা ল'ৰা-ছোৱালীক ভাল-বেয়া দুয়োটাৰে শিক্ষা প্ৰদান কৰিব লাগে। যাতে তেওঁলোকে ভৱিষ্যতে ভাল বেয়া বিচাৰ কৰিব পাৰে আৰু সৎ পথেৰে আগুৱাই গৈ নিজৰ লগতে দেশৰো নাম উজলাব পাৰে।

দেশক উন্নতিৰ পথত আগুৱাই নিবলৈ হলে আজিৰ নৱ প্ৰজন্মই নিজকে শাৰীৰিক আৰু মানসিকভাৱে প্ৰস্তুত কৰি তুলিব লাগিব। তেতিয়াহে আমাৰ দেশ বিশ্বৰ ভিতৰতে এখন শক্তিশালী দেশ হিচাপে পৰিগণিত হ'ব।

দেশৰ নৱ প্ৰজন্মই নিজকে শাৰীৰিক আৰু মানসিক ভাৱে শক্তিশালী কৰি তোলাৰ উপৰিও সমাজত সজাগতা বৃদ্ধিৰ বাবে কিছু পদক্ষেপ গ্ৰহণ কৰিব লাগিব। যেনে বৰ্তমান সমাজত চলি থকা কিছুমান অনৈতিক অথবা সমাজ বিৰোধী কাৰ্য ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো অতি দৰকাৰী।

বিজ্ঞানৰ যিমান উন্নতি হ'লেও শিক্ষাৰ পোহৰ নপৰা পিছপৰি থকা ঠাইৰ লোকসকল এতিয়াও অন্ধবিশ্বাসৰ কবলত। যাৰফলত ডাইনী হত্যা, জীৱ বলি আদি কাৰ্য চলি আহিছে। যিবোৰ কাৰ্য আজিৰ সমাজৰ পৰা আঁতৰাব লাগে। অন্ধবিশ্বাসৰ বলি হৈ থকা এই লোকসকলক চৰকাৰ তথা সজাগ সমাজে বিজ্ঞানৰ পোহৰ দেখুৱাব লাগে আৰু ইয়াৰ বহুত প্ৰয়োজনীয়তা আছে।

অন্ধবিশ্বাসৰ সুবিধা লৈ আমাৰ সমাজৰ এচাম ভণ্ডই সহজ সৰল মানুহৰ পৰা বহুত ধন তেওঁলোকৰ হাতলৈ সহজে আনিব পাৰিছে। তেওঁলোকৰ কথাত ভোল গৈ বহুতো লোকে ঠগ খাইছে আৰু বহুতে নানা নকৰিবলগীয়া কামো কৰি আহিছে। এনে ভণ্ড সকলক সমাজৰ পৰা আঁতৰাই ৰাখিবৰ বাবে সকলো গাঁৱে-ভূঞে বিজ্ঞান মনস্কতা গঢ়ি তোলাটো সময়ৰ আহ্বান।

অন্ধবিশ্বাসৰ পিছত এটি গুৰুত্বপূৰ্ণ সমস্যা হৈছে। নাৰী নিৰ্যাতন। এখন দেশ শক্তিশালী দেশ হিচাপে পৰিগণিত হ'বলৈ হ'লে নাৰী সুৰক্ষাৰ ব্যৱস্থা কৰাটো অতি দৰকাৰী। যেতিয়ালৈকে নাৰী নিৰ্যাতনৰ সমস্যাৰ অন্ত নপৰিব কোনো দেশেই উন্নতিৰ পথত আগবাঢ়ি যাব নোৱাৰিব। কাৰণ এখন দেশৰ উন্নতিৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। এগৰাকী নাৰীৰ পৰাহে এজন সু নাগৰিকৰ জন্ম হয়। যাৰ বাবে নাৰীক সুৰক্ষা প্ৰদান কৰাটো অতি দৰকাৰী। অতীতৰ তুলনাত বৰ্তমান সময়ত নাৰীৰ সুৰক্ষা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। আগৰ দিনত ছোৱালী জন্ম হ'লে পিতৃ-মাতৃৰ বোজা বুলি ভাৱি জন্মৰ পিছতেই মাৰি পেলোৱা হৈছিল। কিন্তু বৰ্তমান সময়ত এনে কাৰ্যৰ অন্ত পৰিছে যদিও কিছুমান সৰু-সুৰা অঞ্চলত বৰ্তমানেও এনে কাৰ্য সংঘটিত হোৱা পৰিলক্ষিত হয়। আজিকালি লৰাৰ লগতে ছোৱালীকো সমান সুবিধা আৰু অধিকাৰ প্ৰদান কৰা হৈছে। যদিও কেৱল সুবিধা প্ৰদান কৰিয়েই দায়িত্ব সামৰাটো উচিত হোৱা নাই। কিয়নো বৰ্তমানেও এগৰাকী নাৰী সম্পূৰ্ণ ৰূপে সুৰক্ষিত নহয়। সন্ধিয়া হোৱাৰ লগে লগে এগৰাকী নাৰী ঘৰৰ পৰা ওলোৱাটো কঠিন হৈ পৰে। তেনে নহ'বলৈ চৰকাৰে নাৰীৰ সুৰক্ষাৰ ক্ষেত্ৰত কিছু পদক্ষেপ গ্ৰহণ কৰিব লাগিব লগতে সমাজৰ সকলো লোকে চৰকাৰক এইক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াব লাগিব। তেতিয়াহে এখন দেশৰ নাৰী সম্পূৰ্ণৰূপে সুৰক্ষিত হ'ব পাৰিব।

ইয়াৰ পিছতে অন্য এটি লেখত ল'বলগীয়া সমস্যা হৈছে দুৰ্নীতি। এখন দেশ শক্তিশালী হবলৈ হলে দুৰ্নীতিমুক্ত হোৱাটো অতি প্ৰয়োজন। দেশৰ দুৰ্নীতিকাৰী সকলক প্ৰশাসনে কঠোৰ শাস্তি দিয়া উচিত। যাতে তেওঁলোকে পুনৰবাৰ তেনে কাম নকৰে। যদি দেশত এই দুৰ্নীতিকাৰীসকলৰ বাবেই দেশত ক'লাধনৰ পৰিমাণ বৃদ্ধি পায় আৰু এই ক'লাধনৰ বাবেই এখন দেশ অৰ্থনৈতিকভাৱে পিছপৰি ৰয়।

যদি দেশৰ পৰা এই সকলোবোৰ সমস্যা সমাধান কৰিব পৰা যায় তেন্তে এই দেশ বিশ্বৰ ভিতৰতে এখন সবল শক্তিশালী দেশ হিচাপে পৰিগণিত হব। দেশৰ নৱ-প্ৰজন্মই এই সমস্যাসমূহৰ প্ৰতি সচেতন হৈ ইয়াৰ সমাধানৰ প্ৰচেষ্টাত ব্ৰতী হ'বই লাগিব। কাৰণ এয়া তেওঁলোকৰেই অৱশ্য পালনীয় দায়িত্ব আৰু কৰ্তব্য।

**আলোচনী প্ৰসংগত ঃ**

সম্পাদকৰূপে এই গুৰু দায়িত্বভাৰ গ্ৰহণ কৰোঁতে কিছুমান পৰিকল্পনা কৰিছিলোঁ। আলোচনীখন সুন্দৰভাৱে অলংকৃত কৰাৰ যি স্বপ্ন আছিল সেয়া বাস্তৱত কিমান সাফল্যমণ্ডিত সেয়া পঢ়ুৱৈ সমাজৰ বিচাৰ্যৰ বিষয়। এই আলোচনীখন সুচাৰুৰূপে প্ৰকাশ কৰাৰ বাবে সম্পাদনা সমিতিৰ সকলো সদস্যৰ লগতে মোৰ কেইজনমান বিশেষ বন্ধু বান্ধৱীৰ পৰা বহুত সহায় লাভ কৰিছিলোঁ। তেখেতলোকৰ শ্ৰমৰ ফলত এই আলোচনীখন প্ৰকাশ কৰাত সফল হলোঁ।

**কৃতজ্ঞতাৰ শৰাই ঃ**

আলোচনীখনৰ কাৰ্যত সহায়-সহযোগ আগবঢ়াই সততে উৎসাহ-উদ্দীপনা যোগোৱাৰ বাবে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড০ দীপ শইকীয়া ছাৰ উপাধ্যক্ষ কেদাৰনাথ টিমছিনা ছাৰ তত্বাৱধায়ক অচ্যুত শইকীয়া ছাৰ, আলোচনীখনৰ উপদেষ্টা হিচাপে ড০ জয়ন্ত সন্দিকৈ ছাৰ, বেবী ৰিতু মেম, পৱন গগৈ ছাৰ, ৰাজীৱ ৰুদ্ৰ টাৰিয়াং ছাৰ, দেৱৰ্ষি গগৈ ছাৰ আৰু সদস্য

হিচাপে মৌচম বৰুৱা, অমিত বিশ্বকৰ্মা, অভিনাশ কুমাৰ শ্বাহ, নিলাকশ্ৰী মৰাণ আৰু শৰ্মিষ্ঠা দাস। তেওঁলোকৰ উপৰিও বেটুপাত আৰু চিত্ৰসমূহৰ বাবে উজ্জেচীনি বৰুৱা আৰু ভায়লিনা লাহনৰ উপৰিও মোৰ বহু বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতা আৰু শলাগ জনালো। লেখনিসমূহ বাছনি কৰি দিয়াৰ বাবে ড° মৃণাল কুমাৰ গঁগৈ ছাৰ, শ্ৰীযুত সঞ্জয় দাস ছাৰ, ড° পবিত্ৰ ভৰালী ছাৰ আৰু সম্পাদনা সমিতিৰ উপদেষ্টা সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমাৰ আলোচনীখনত ''সমাজৰ দাপোনত ডিগঁবৈ মহাবিদ্যালয়'' শীৰ্ষক এটি নতুন শিতান সংযোগ কৰা হৈছে। এই শিতানত ডিগঁবৈৰ সমাজ জীৱনৰ লগত ওতপ্ৰোত ভাৱে জড়িত কেইগৰাকীমান বয়োজ্যেষ্ঠ তথা বিশিষ্ট ব্যক্তিৰ সুচিন্তিত অভিমত বিচৰা হৈছিল। তাৰে মাজৰ কেইগৰাকী মানে বিশেষ অসুবিধাৰ বাবে দিবলৈ সক্ষম নহ'ল। যিসকলে দিলে তেওঁলোকলৈ মই ডিগঁবৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো। যিসকল লেখক-লেখিকাই আলোচনীখনৰ বাবে সাহিত্য সম্ভাৰ দি উপকৃত কৰিলে তেওঁলোকলৈ মোৰ মৰম আৰু শুভেচ্ছা থাকিল। মুদ্ৰণ আৰু প্ৰিণ্টিংৰ কাম কৰি আলোচনীখনি সৰ্বাংগ সুন্দৰ কৰি তোলাৰ বাবে 'দি অসম কম্পিউটাৰচ্'ৰ স্বত্বাধিকাৰী ৰাজৰ্ষি গঁগৈ আৰু সমূহ কৰ্মকৰ্তালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত আলোনালোকৰ হাতত যদিও শ্ৰেষ্ঠ মানদণ্ডৰ আলোচনী তুলি দিব পৰা নাই তথাপি আদৰি ল'ব বুলি আশা কৰিলোঁ।

অনিচ্ছাকৃত ভাৱে বৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে।

**দীপাঞ্জল বৰগোহাঁই**
আলোচনী সম্পাদক
ডিগঁবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ বৰ্ষ






# বেটুপাতৰ তাৎপৰ্য



আধুনিক প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগৰ ফলত বৰ্তমান গোটেই বিশ্বখনেই হৈ পৰিছে সংকুচিত।

আধুনিক যুগত কম্পিউটাৰ প্ৰযুক্তি বিদ্যাৰ এবিধ উল্লেখযোগ্য আহিলা হৈ পৰিছে। ৰেল, জাহাজ, টেলিগ্ৰাফ, টেলিফোন, গ্ৰামোফোন, বিজুলী আদি আধুনিক প্ৰযুক্তি বিদ্যাৰেই ফল। আধুনিক প্ৰযুক্তি বিদ্যাই পাছে মানুহক প্ৰায় বন্দী কৰিলে। প্ৰযুক্তিৰ নিৰ্দেশত মানুহে এতিয়া উঠা-বহা কৰে। প্ৰযুক্তিৰ দাস হৈ মানুহে আজি পাহৰি পেলাইছে প্ৰকৃতিক। প্ৰকৃতিৰ যি কেইবিধ উপাদান লৈ মানুহে জীয়াই আছে সেই উপাদান বায়ু, পানী, মাটিৰ অনিষ্ট সাধিবলৈ লৈছে মানুহে নিজেই।

মুঠ কথাত আধুনিক প্ৰযুক্তি বিদ্যাই আমাক ক'ব নোৱাৰাকৈয়ে যেন ধ্বংসৰ মুখলৈ ঠেলি দিছে। প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগেৰে আমি অকল সুখ ভোগত মত্ত থাকিলেই নহ'ব, আমাৰ ভৱিষ্যত বংশধৰসকললৈ চিন্তা কৰিয়ে এই পৃথিৱীখন আমি সুস্থ, সুন্দৰ কৰি ৰখা উচিত। এই কথাটোকে চিন্তা কৰি আধুনিক প্ৰযুক্তি বিদ্যাৰ সু-সংহত নিৰ্দিষ্ট প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰু আধুনিক প্ৰযুক্তি বিদ্যা প্ৰদত্ত পৰিৱেশ নিকা কৰি ৰখাৰ শেহতীয়া কৌশলসমূহৰ প্ৰয়োগৰদ্বাৰাই পৃথিৱীখন ভৱিষ্যত বংশধৰৰ বাবে সামান্য পৰিমাণে হ'লেও বাসোপযোগী কৰি ৰাখিব পৰা যাব।

– উজ্জ্বেচীনি বৰুৱা



# সূচীপত্ৰ


| | | |
|---|---|---|
| **অতিথি শিতান ঃ** | | |
| শিক্ষা-দান আৰু শিক্ষা-আহৰণ | ড০ মুকুল কুমাৰ শৰ্মা | ১ |
| WRITING LIFE, READING CULTURE : BEZBAROA ON SANKARDEVA | Bibhash Choudhury | ৩ |
| A View From Dirak | Kashmira Kakati | ৮ |
| **সাহিত্য ঃ** | | |
| কালিদাসৰ ঋতুসংহাৰ | পূৰ্ণানন্দ শইকীয়া | ১৩ |
| Indian Mythic Vision in English literature | Pabitra Bharali | ২০ |
| অসমীয়া সাহিত্য ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ | দিপশিখা বৰুৱা | ২৪ |
| **সমাজ আৰু সংস্কৃতি ঃ** | | |
| মিচিং সকলৰ পৰম্পৰাগত খাদ্য ঃ এক চমু পৰিচয় | অজয় আচাৰ্য্য | ২৬ |
| অসমীয়া ভাষাত টাই আহোম... | কৰবী ফুকন | ২৯ |
| আলি-আঃয়ে লৃগাং... | লোহিত হাতীবৰুৱা | ৩২ |
| **শিক্ষা ঃ** | | |
| Value Based Education... | Sneha Gogoi | ৩৪ |
| ৰাষ্ট্ৰীয় আৰু আৱেগিক... | পৰিস্মিতা দহোটীয়া | ৩৫ |
| সামাজিক শিক্ষা বা প্ৰাপ্তবয়স্ক শিক্ষা | বলীন মৰাণ | ৩৮ |
| Exams Stress... | Pranjal Sarkar | ৪১ |
| ষান্মাসিক পদ্ধতি ঃ ইয়াৰ প্ৰাসংগিকতা | ৰাজীৱ ছেত্ৰী | ৪৩ |
| Society and Education | Kirtinath Tanti | ৪৫ |
| **বিজ্ঞান আৰু প্ৰযুক্তি ঃ** | | |
| পৃথিৱীৰ ক্ষুদ্ৰতম যন্ত্ৰ সৃষ্টিৰ পৰিকল্পনা | ড০ বিশ্বজিত শইকীয়া | ৪৬ |
| Advancement in Nanotechnology | Archismaan Banerjee | ৪৮ |
| The Earth has a Second Moon | Dhiraj Kr. Boniya | ৪৯ |
| ISRO : An Overview | Manash Protim Borah | ৫০ |
| **অৰ্থনীতি ঃ** | | |
| খেলৰ তত্ত্ব, দোদুল্যমান কয়দী আৰু... | শুভাশীষ গগৈ | ৫১ |
| GST | Dipanjol Borgohain | ৫৫ |
| Advantages of Cashless India | Vivekananda Gupta | ৫৮ |
| **পৰিৱেশ ঃ** | | |
| Dehing Patkai Wildlife Sanctuary | Nitesh Singh | ৫৯ |
| BHUTAN The land... | Tenzing Dorzee | ৬১ |
| Tiger Kingdom... | Sumi Seal | ৬২ |
| **নাৰী সবলীকৰণ ঃ** | | |
| Save and Protect Girl Child | Kameswar Prasad Gupta | ৬৪ |
| A study on Socio-Economic... | Pradip Ch. Das | ৬৪ |
| বৰ্তমানৰ প্ৰেক্ষাপটত ভাৰতীয় নাৰী সমাজ | ৰাজীৱ ছেত্ৰী | ৬৮ |

| | | |
|---|---|---|
| **স্বাস্থ্য ঃ** | | |
| চকুযুৰিৰ যতন | ডাঃ নাৰায়ণ বৰদলৈ | ৭০ |
| দেহ মানসিক স্বাস্থ্য সুৰক্ষাৰ... | প্ৰদীপ দত্ত | ৭৩ |
| **বীক্ষণ ঃ** | | |
| এক বৃহৎ প্ৰশ্নবোধক | হিমা দাস | ৭৮ |
| বৈজ্ঞানিক চিন্তাধাৰৰ প্ৰতিফলন... | হীৰকজ্যোতি খাখলাৰী | ৮০ |
| BROADENING OUR MINDS | Nibedita Debnath | ৮১ |
| আধুনিকতা আৰু যুৱ প্ৰজন্ম | বিপুল ডেকা | ৮৩ |
| **অনুভৱৰ বাণীবোধ ঃ** | | |
| ডিগবৈ মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ... | ড০ ৰশ্মি পাটোৱাৰী | ৮৫ |
| ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা... | পৱন গগৈ, প্ৰদীপ দত্ত | ৮৭ |
| The Opportunity that... | Pranjumoni Nath | ৮৯ |
| **সাময়িকী ঃ** | | |
| Swachh Bharat Abhiyan | Amit Biswakarma | ৯১ |
| India : A Software Superpower | Sourav Gupta | ৯৩ |
| Role of Social Networking... | Nabin Arayl | ৯৪ |
| **ব্যক্তিত্বৰ জিলিঙনি ঃ** | | |
| ডিগবৈ সতে সম্পৃক্ত... | চিত্ৰলেখা বৰা | ৯৫ |
| Manavendra Nath Roy's... | Firdosh Javed | ৯৭ |
| ডিগবৈ সতে সম্পৃক্ত... | চিত্ৰলেখা বৰা | ৯৯ |
| **স্বাৱলম্বিতা ঃ** | | |
| সমাজ সংস্কাৰক হিচাপে... | অনুজ প্ৰতীম বৰা | ১০১ |
| স্ব-নিৰ্ভৰশীল ''জাগৃতি প্ৰকাশন... | নবীন গগৈ | ১০২ |
| **অন্যান্য ঃ** | | |
| NSS Digboi College... | Mr. Rajib Rudra Tariang | ১০৪ |
| Can Money buy... | Junali Baruah | ১০৮ |
| Early Rising | Priya Pradhan | ১০৯ |
| Know yourself... | Bikromjit Bhattacharjee | ১১০ |
| **গল্পগুচ্ছ ঃ** | | |
| অতিথি দেৱো ভৱ | পবন গগৈ | ১১১ |
| The Silent Changes | Violina Lahon | ১১৪ |
| এক হাঁহিৰ মুহূৰ্ত | প্ৰজ্ঞানজ্যোতি কাত্যায়ণ | ১১৬ |
| দায়িত্ব | দিপিকা ভূঞা | ১১৭ |
| জীৱন বাটত এখোজ | কুখেশ্বৰ গোহাঁই | ১২০ |
| শেষ হাঁহি | চুমী চাউৰক | ১২৩ |
| শিক্ষা | লুনা মেছ | ১২৫ |
| দোমোজা | মনোজ মৰাণ | ১২৬ |
| The Honest Friend | Idrish Ali | ১২৮ |
| The first Guest | Kirtinath Tanti | ১২৯ |
| ভালপোৱাৰ এনাজৰী | ময়ূৰী কলিতা | ১৩০ |
| এজন সৈনিকৰ কথাৰে | কংকনা বৰুৱা | ১৩৪ |
| **কবিতা কুৰণি ঃ** | | ১৩৭-১৪৮ |
| **সমাজৰ দাপোণত ডিগবৈ মহাবিদ্যালয়** | | ১৪৯ |
| **সংবাদৰ জলঙাৰে ডিগবৈ মহাবিদ্যালয়** | | ১৫০ |
| **Village Up-gradation drive of NSS** | | ১৫২ |
| সম্পাদকীয় প্ৰতিবেদন | | ১৫৪-১৭৯ |
| প্ৰাক্তন সম্পাদকৰ তালিকা | | ১৮০ |
| Results of 50th College Week 2016-17 | | ১৮১ |

ডিগবৈ মহাবিদ্যালয়
আলোচনী
অষ্টাত্ৰিংশত্তম্ সংখ্যা, ২০১৬-১৭ বৰ্ষ

# শিক্ষা-দান আৰু শিক্ষা-আহৰণ

ড০ মুকুল কুমাৰ শৰ্মা
বিশিষ্ট শিক্ষাবিদ আৰু নিবন্ধকাৰ, ডিব্ৰুগড়




শিক্ষানুষ্ঠানত শিক্ষকে শিক্ষাদান কৰে আৰু শিক্ষাৰ্থীয়ে শিক্ষা আহৰণ কৰে। শিক্ষা-দান আৰু শিক্ষা-আহৰণ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে ফলপ্ৰসু হ'বৰ বাবে শিক্ষক সকলে নিজে উপযুক্ত জ্ঞানৰ গৰাকী হোৱা আৰু শিক্ষা-দান কৰ্মত পৈণত হোৱা একান্ত প্ৰয়োজন। আনহাতে, শিক্ষাৰ্থীসকল শিক্ষা-আহৰণৰ প্ৰতি সম্পূৰ্ণৰূপে সমৰ্পিত আৰু দায়বদ্ধ হ'ব লাগিব আৰু বিভিন্ন প্ৰকাৰে জ্ঞান আয়ত্বকৰণৰ প্ৰতি প্ৰবলভাৱে আগ্ৰহী হ'ব লাগিব। এনে বাঞ্ছনীয় পৰিবেশৰ অনুপস্থিতিত শিক্ষা, বিশেষকৈ উচ্চশিক্ষা, উপহাসৰ এক নামান্তৰ মাত্ৰ। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্তৰত শিক্ষা সমাপ্ত কৰা শিক্ষাৰ্থীসকল দেশৰ আৰু ৰাজ্যৰ বিভিন্ন উচ্চস্তৰীয় সেৱা আগবঢ়াবৰ বাবে পাৰ্গত হৈ উঠাটো সমাজে ন্যায়সঙ্গতভাৱে আশা কৰে। কিন্তু উচ্চশিক্ষা বহু পৰিমাণে দোষমুক্ত হোৱাৰ ফলত আমাৰ দেশৰ, বিশেষকৈ আমাৰ ৰাজ্যৰ, বেছি ভাগ সেৱাৰে মানদণ্ড নিম্নখাপৰ আৰু অ-সন্তোষজনক।

শ্ৰেণী কোঠাত বক্তৃতা দি শিক্ষাৰ্থীক নানান কথা শিকোৱা প্ৰক্ৰিয়াটোক বহুতো শিক্ষক-শিক্ষয়িত্ৰীয়ে পানীৰ নলী খুলি খালী বটলত পানী ভৰোৱাৰ দৰে যান্ত্ৰিক আৰু সহজ বুলি ভাৱে। তেখেতসকলে পানীৰ নলী খোলে, অৰ্থাৎ বক্তৃতা দিয়ে সঁচা, কিন্তু বেছিভাগ বটলৰে যে ঠিলা বন্ধ আৰু সেইবাবে যে সেইবিলাকত এটোপাল পানীও সোমোৱা নাই সেই কথা তেখেতসকলে উপলব্ধি কৰিবলৈ নিবিচাৰে, কেৱল বক্তৃতা দিয়েই নিজৰ দায়িত্ব সম্পূৰ্ণ কৈ পালন কৰা হ'ল বুলি ভাবিবলৈ প্ৰয়াস কৰে। পানীৰ নলী খোলাৰ লগতে যে বটলৰ ঠিলা খোলা (অৰ্থাৎ শৈক্ষিক অনুধাবনৰ বাবে শিক্ষাৰ্থীক প্ৰেৰণা যোগোৱা) যে তেখেতসকলৰ দায়িত্বৰ এক প্ৰধান অংগ সেইকথা তেখেতসকলে যথাযথভাৱে বুজি নাপায় আৰু তাৰ ফলত তেখেতসকলৰ পৰিশ্ৰমৰ বৃহদাংশ অথলে যায় আৰু শিক্ষাৰ্থীসকলো তেওঁলোকৰ প্ৰাপ্যৰ পৰা বঞ্চিত হয়। কেৱল কানেৰে কথা শুনিয়েই যদি ইতিহাস, ৰাজনীতি, অৰ্থনীতি আদি বিষয় শিকিব পাৰিলেহেতেঁন বা সেইদৰে কেৱল শিক্ষকে বৰ্ডত লিখা ফৰ্মূলা, সমীকৰণ, চিত্ৰ আদি দেখিয়েই যদি গণিত, পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান আদি বিষয় শিকিব পাৰিলেহেতেঁন তেন্তে এই সংসাৰত বিদ্যালয়-মহাবিদ্যালয়ৰ মজিয়া গৰকা আটাইবিলাক ছাত্ৰ-ছাত্ৰীয়েই একো একোজন মহাপণ্ডিত হ'লহেঁতেন।

দৰাচলতে, শিক্ষা আহৰণ কৰাটো নলীৰ তলত পাতি থোৱা খালী বটলত আপোনা-আপুনি পানী পৰি সোমোৱাৰ দৰে এক নিষ্ক্ৰিয় প্ৰক্ৰিয়া নহয়। শিক্ষা আহৰণ বা শিকন হৈছে বিৰামহীন উদ্যমেৰে কৰা এক প্ৰৱল সক্ৰিয় প্ৰক্ৰিয়া। শিক্ষাৰ্থীয়ে পঞ্চেন্দ্ৰিয়ৰ দ্বাৰা লাভ কৰা সকলো সংবাদ, তথ্য-পাতি অৰ্থপূৰ্ণভাৱে গ্ৰহণ কৰিব লাগিব, গৃহীত তথ্য-পাতিসমূহ চুঁচি-মাজি শৃংখলাবদ্ধভাৱে

মনত থান-থিত লগাব লাগিব আৰু বিশ্লেষণ-সংশ্লেষণ আদি প্ৰক্ৰিয়াৰ দ্বাৰা সেইবিলাক সময়ে সময়ে চালি-জাৰি থাকিব লাগিব যাতে সেই তথ্যপাতিবিলাকে তেওঁলোকৰ মনত স্থায়ী আৰু ব্যৱহাৰোপযোগী সম্পত্তি হিচাপে থিত লয় আৰু যাতে নিজৰ নামটো আনায়াসে মনলৈ অনাৰ দৰে প্ৰয়োজন অনুযায়ী সেই তথ্য-পাতিবিলাক শিক্ষাৰ্থীয়ে নিজৰ সচেতন মনলৈ আনিব পাৰে। তেহে শিক্ষাৰ্থী সকলক প্ৰকৃতাৰ্থত শিক্ষিত ব্যক্তি বুলি গণ্য কৰিব পৰা যাব। পাকস্থলিত ভালকৈ হজম নোহোৱা খাদ্যই যেনেকৈ দেহৰ শ্ৰীবৃদ্ধি নবঢ়ায় ঠিক সেইদৰে অৰ্থ নুবুজি কেৱল স্মৰণ-শক্তিৰ দ্বাৰা যান্ত্ৰিকভাৱে হেঁচি-হেঁচি মনত পৰীক্ষাত ব্যৱহাৰৰ বাবে সাময়িকভাৱে সুমুৱাই ৰখা তৰঙুৱা তথ্য-পাতিয়ে শিক্ষাৰ্থীৰ মানসিক বিকাশত সহায় নকৰে। বৰ পৰিতাপৰ কথা এয়ে যে আজিকালি বেছিভাগ শিক্ষাৰ্থীয়েই হজম নোহোৱা বৌদ্ধিক কথা জাবৰে-জোঁথৰে মুখস্থ কৰি পৰীক্ষাৰ দেওনা পাৰ হয়। এওঁলোকে পৰীক্ষাহে পাছ কৰে, শিক্ষাৰ বলত জ্ঞানৰ অধিকাৰী হৈ নুঠে কিম্বা কোনো কামৰ বাবে লায়ক হৈ নুঠে। এওঁলোক কেৱল চৰকাৰী চাকৰি পাবৰ বাবে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী লোক। দেশৰ উন্নতিৰ সন্দৰ্ভত কেৱল এনে ডিগ্ৰী দিয়া শিক্ষাৰ কিবা প্ৰয়োজন আছে জানো? যি কোনো উচ্চস্তৰীয় সু-শিক্ষাব্যৱস্থাৰ সন্মুখত কেইবাটাও বহল উদ্দেশ্য থাকে বা থকা উচিত, যেনে ঃ বিভিন্ন শৈক্ষিক বিষয়ৰ অনুধাবনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক দক্ষতা বৃদ্ধি কৰা, নানাবিধ দৈহিক আৰু সামাজিক কৌশল আয়ত্ব কৰোৱা, মানৱ জীৱনৰ বিভিন্ন বাঞ্ছনীয় দিশৰ প্ৰতি সন্তোষজনক মনোবৃত্তি গঢ়ি তোলা, ইত্যাদি। এই আটাইবিলাক গুণৰ জোৰতহে শিক্ষাৰ্থীয়ে জীৱনত সফলতাৰে চলিবৰ বাবে উপযুক্ত সমলে বিচাৰি পায়। এইবিলাক গুণৰ আয়ত্ব কৰণত শিক্ষা ব্যৱস্থা সফল হ'ব নোৱাৰিলে শিক্ষাৰ্থীয়ে ভাবিবলৈ বাধ্য হয় যে শিক্ষা ব্যৱস্থাই তেওঁলোকক ঠগিলে।

শিক্ষাদান এক জটিল কাম, এই কামত লিপ্ত থকা সকলো ব্যক্তিৰ বাবে ই এক গভীৰ প্ৰত্যাহ্বান। শিক্ষকে শিক্ষাৰ্থীৰ মনত নতুন কথা জানিবৰ বাবে এক গভীৰ কৌতুহল আৰু হেঁপাহ সৃষ্টি কৰাৰ কৌশল আয়ত্ব কৰিব লাগিব । শিক্ষকে শিক্ষাৰ্থীৰ জ্ঞানৰ ভাণ্ডাৰৰ অ'ত-ত'ত ৰৈ যোৱা সুৰঙা বিলাক পূৰাই জনা কথাৰ এক অৰ্থপূৰ্ণ সামগ্ৰিক ৰূপ সৃষ্টি কৰাৰ বাবে তেওঁলোকৰ মনত এক উত্তেজনাৰ সৃষ্টি কৰিব পাৰিব লাগিব। শিক্ষকে শিক্ষাৰ্থীক তেওঁলোকে জনা কথা চিজিল লগাই লিখি বা কৈ আনন্দ উপভোগ কৰিবলৈ শিকাব জানিব লাগিব। এইবিলাক কাৰ্যৰ বাবে শিক্ষকে শিক্ষাৰ্থীসকলৰ মাজত একো একোটা দল সৃষ্টি কৰিব পাৰে যি দলে, এটা ভাল ফুটবল টীম খেলত সামূহিকভাৱে জয়লাভ কৰিবলৈ চেষ্টা কৰাৰ দৰে, শৈক্ষিক কাৰ্য-কলাপত সামূহিকভাৱে অগ্ৰসৰ হ'বলৈ প্ৰেৰণা পায়। শিক্ষকজন নিজেই এই দলৰ অধিনায়ক হোৱা উচিত। শিক্ষকজনে সকলো সময়তে মনত ৰখা উচিত যে বৌদ্ধিক অনুধাবনৰ ক্ষেত্ৰত প্ৰতিযোগিতাতকৈ সহযোগিতা অধিক শ্ৰেয়। প্ৰকৃততে এজন ভাল শিক্ষক হ'বৰ বাবে বিদগ্ধ পণ্ডিত হোৱাৰ প্ৰয়োজন নাই, প্ৰয়োজন আছে পাঠ্যক্ৰমৰ সকলোখিনি (আৰু তাৰ লগতে সামান্য ওপৰিঞ্চি) কথা যথাযথভাৱে আয়ত্ব কৰা আৰু সেইবিলাক শিক্ষাৰ্থীৰ সন্মুখত কাৰ্যকৰীভাৱে প্ৰদান কৰাৰ উপযুক্ত কৌশল আয়ত্ব কৰি থুলথুলীয়াকৈ পকি উঠাৰ, কিন্তু পৰম দুৰ্ভাগ্যৰ কথা এয়ে যে আমাৰ বহুতো মহাবিদ্যালয়ত অৰ্পণেত শিক্ষকৰ কাঙ্খত শিক্ষা-দানৰ দৰে অতি গুৰুত্বপূৰ্ণ কামৰ দায়িত্ব ন্যস্ত হৈ আছে। উপযুক্ত প্ৰচেষ্টা থাকিলে অৱশ্যে আপইতা, ডাঁহেচিয়াও সময়ত পুৰঠ হৈ থুলথুলীয়াকৈ পকি উঠিব পাৰে, এনে প্ৰচেষ্টাৰ অভাৱ শিক্ষকৰ ক্ষেত্ৰত অমাৰ্জনীয় অপৰাধ। শিক্ষাদানত ব্ৰতী ডিগবৈ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়ত্ৰীলৈ মোৰ আন্তৰিক শুভকামনা জনাই এই চুটি প্ৰবন্ধ ইমানতে সামৰিছোঁ।■



# WRITING LIFE, READING CULTURE : BEZBAROA ON ŚAŃKARADEVA

Bibhash Choudhury
Prof, Dept. of English
Gauhati University, Guwahati

### *I. Tradition and the Individual Talent*

In After Strange Gods: A Primer of Modern Heresy (1934) T. S. Eliot offered a definition of tradition that seems quite similar to what we often designate by the term culture:

Tradition is not solely, or even primarily, the maintenance of certain dogmatic beliefs; these beliefs have come to take their living form in the course of the formation of a tradition. What I mean by tradition involves all those habitual actions, habits and customs, from the most significant religious rite to our conventional way of greeting a stranger, which represent the blood kinship of 'the same people living in the same place'. ...We are always in danger, in clinging to an old tradition, or attempting to re-establish one, of confusing the vital and the unessential, the real and the sentimental. Our second danger is to associate tradition with the immovable; to think of it as something hostile to all change; to aim to return to some previous condition which we imagine as having been capable of preservation in perpetuity, instead of aiming to stimulate the life which produced that condition in its time. (Eliot 1934: 18-19)

আগমন ঘটিছে। কঁহুৱাই ধৰণীক, জোনায়ে ৰজনীক, হংস-পদুমে জলক, সপ্তচ্ছদে বনানিক আৰু মালতীয়ে ভূ-ভাগক শুৱনি কৰিছে। নিতম্বিনী নদীয়ে শ্বেতহংসৰ কণ্ঠহাৰ পৰিধান কিৰিছে। শুকুলা ডাৱৰবোৰ বতাহত উপঙি ফুৰিছে। ক্ৰমে ক্ৰমে আকাশ নিৰ্মেঘ আৰু সুন্দৰ হৈ উঠিছে। পুৱতিৰ বতাহত ফুলনিত নিয়ৰ সৰিছে। আকুল প্ৰাণত স্পৰ্শত অনুভূতি জাগিছে। ভোমোৰাৰ গুঞ্জন আৰু পকাধানৰ বৰণে যুৱকৰ হৃদয় হৰিছে। এনে আনন্দময় পৰিৱেশতো পতিবিৰহিনীসকল ক্ষীণাংগী হৈ পৰিছে। নিয়ৰেও তেওঁলোকৰ অন্তৰ শীতলাব পৰা নাই। বাৰিষাৰ ৰামধেনু, ম'ৰাৰ নাচোন, বলাকাৰ জাক আৰু নাই। মদনেও ময়ূৰক এৰি থৈ ৰাজহংসৰ সৈতে সপ্তচ্ছদ গছলৈ আঁতৰি গৈছে। শেৱালিৰ সুবাস, শবালিৰ নৃত্য আৰু পখীৰ কাকলিৰে হাবি-বন মুখৰিত হৈছে। চামৰী মৃগই হৰষিত দৃষ্টিৰে দূৰলৈ চাইছে। ঘাঁহনিত জাকে জাকে গৰুবোৰ চৰি আছে। সাৰস আৰু হংসৰ কলৰৱ শুনা গৈছে। পানীৰ সোঁতত কম্পিত নীলপদ্ম আৰু কুমুদিনীয়ে কামিনীৰ ভ্ৰূভংগী গ্ৰহণ কৰিছে। মালতী আৰু কংকেলি পুষ্পই দন্তশোভা হৰণ কৰিছে। বনিতাসকলে কেশগুচ্ছত মালতী আৰু কাণত নীলপদুমৰ কলি পিন্ধিছে। নিতম্ব আৰু স্তনদেহত স্বৰ্ণহাৰ পৰিহিতা ৰমণীৰ দুভৰিত নূপুৰৰ গুঞ্জন শুনা গৈছে। পুৱতিৰ ৰ'দালিত পদুমী ধুনীয়া হয় আৰু চন্দ্ৰহীনা কুমুদিনী ম্লান হৈ পৰে – যেনেকৈ প্ৰিয়জনৰ স্পৰ্শত উজলি উঠা যুৱতীৰ মুখমণ্ডল বিদায়ত হৈ পৰে বিষাদ মলিনা। প্ৰবাসীজনক পদুমে প্ৰিয়াৰ নয়ন, হংসৰ কূজনে নূপুৰৰ গুঞ্জন, আৰু বন্দুলি ফুলে অধৰৰ লাৱণ্য সোঁৱৰাই দিয়ে। এনেকৈয়ে ৰমণীৰ শৰীৰত শৰতৰ শোভা থৈ ঋতুৰাণী কেনিবাদি গুছি যায়গৈ। কমলবদনী, নীলোৎপলাক্ষী কাশফুল বৰণীয়া শাৰদীয়ে কবি প্ৰিয়াৰ হৃদয় ৰঞ্জিত কৰক।

**চতুৰ্থ সৰ্গ ( হেমন্ত বৰ্ণন)**

হেমন্তৰ আগমনত পকাধানেৰে পথাৰ সোণালী হ'ল। ৰঙচুৱা লোধ্ৰফুল ফুলি উঠিল। হিমৰ প্ৰভাৱত কুমুদিনী জঁই পৰিল। বনিতাসকলে অংগৰাগ, অলংকাৰ, চৰণনূপুৰ সকলো পৰিহাৰ কৰিলে। সুৰত কামিনীয়ে শৰীৰত কলীয়া অগৰুৰ প্ৰলেপ সানিছে। দুগালত চন্দন ঘঁহি ধূপৰ ধোঁৱাৰে কেশ বিন্যাস কৰিছে। ৰতি শ্ৰমত ক্লান্ত ৰমণীৰ মুখমণ্ডলত প্ৰাণোচ্ছল হাঁহি আৰু নাই। শস্য চপাই নিলে পথাৰত হৰিণী চৰিব। ৰামকণে চিঞৰিব। সৰোবৰত নীল পদুম ফুলিছে, কলহংস চৰিছে। চেঁচা বতাহত কাতৰ প্ৰিয়ংগু লতা বিৰহিনী দয়িতাৰদৰে শেঁতা পৰি গৈছে। ৰমণীৰ বক্ষস্থলত স্তনপীড়া দেখা পাই নিয়ৰেও চকুলো টুকিছে। নিশাৰ ভাগত যুগলবন্দীয়ে ৰতিৰস আলিংগনে শয়ন কৰিছে। পুৱতিৰ ৰ'দালিত বনিতাসকলে দাপোণ হাতত লৈ শৰীৰৰ ক্ষত চিহ্ন নিৰীক্ষণ কৰিছে। ৰাতিৰ অভিসাৰিকাহঁত ৰ'দৰ কোলাত শুই পৰিছে। ক্লান্ত শৰীৰ, খেলি-মেলি চুলি। বিনিদ্ৰ নয়নত নীলা ৰং অন্তৰ্হিত। পুলকিতা কোনোবাজনীয়ে পুনৰপি কেশবিন্যাস আৰম্ভ কৰিছে, নিজানত বহি লৈ শৰীৰত কুংকুমৰ প্ৰলেপ সানিছে। স্বহস্তে মলম ঘঁহি স্তনপীড়া লাঘৱ কৰিছে। কিন্ কিন্ হিমানীৰে পকাধানৰ পথাৰ আৰু ক্ৰৌঞ্চনাদেৰে মুখৰিত মনোৰম হেমন্ত ঋতুৱে যেন কবিপ্ৰিয়াৰ সুখ বৃদ্ধি কৰক।

**পঞ্চম সৰ্গ (শিশিৰ বৰ্ণন)**

সুপক্ক শালিধান, পূৰঠ কুঁহিয়াৰ আৰু ক্ৰৌঞ্চনিনাদে সমাগত শীতৰ জাননী দিলে। হিমচেঁচা ৰাতি বন্ধকোঠাত সকলোৱে জুহালৰ উম লয়। জোনৰ কিৰণ, চন্দনৰ অংগৰাগ আৰু তৰাৰ পোহৰে শিশিৰত সুখকৰ অনুভূতি যোগাব নোৱাৰে। প্ৰমদাৰ সম্ভোগ বাসনা বঢ়াই শিশিৰেও সমাদৰ লাভ কৰে। মুখত তামোল, খোপাত ফুল আৰু শৰীৰত অগৰুৰ প্ৰলেপেৰে সুগন্ধিতা হৈ বনিতাসকলে শয়ন কক্ষত প্ৰৱেশ কৰিছে। অভিমানী যৌৱনাই অপৰাধী দয়িতৰ মুখ দেখি দোষবোৰ পাহৰি পেলাইছে। অভিসাৰিকাসকলে সাজ সজ্জা, অংগৰাগ, পুষ্পমালা অলংকাৰেৰে নিজকে সজাইছে। দয়িতৰ সৈতে পদ্মগন্ধা মধুৰস পান কৰি শৰীৰৰ উত্তাপ বঢ়াই আলিংগনবদ্ধ হৈ ৰাতিটো কটাইছে। পুৱাৰ পোহৰত অংগে অংগে ৰতিচিহ্ন দেখা পাই তেওঁলোক লাজতে তন্ময় হৈ পৰিছে। তথাপিতো আগন্তুক ৰাতিৰ অভিসাৰৰ কথা ভাবি কুন্তলৰ ম্লানপুষ্প আঁতৰাই পেলাইছে। দীৰ্ঘ নিশা শৃংগাৰৰ অন্তত পুনৰপি উভতি আহিছে। আজি পুৱা প্ৰাতঃস্নাতা ৰমণীসকলে সুগন্ধি অঞ্জন লৈ মুক্তকেশে, শুদ্ধবেশে সুচিব্ৰতা গৃহদেৱীৰ ৰূপ ধাৰণ কৰিছে। দিৱসযোগ্য লখিমী সাজেৰে তেওঁলোক এতিয়া হৃষ্টচিত্তা, পবিত্ৰ, সুন্দৰ। সুপক্ক শালিধান আৰু শৃংগাৰৰ উদ্দীপক ইক্ষুৰসেৰে শীতকাল উপভোগ্য হৈ পৰিছে। এনে পৰিৱেশত প্ৰিয়জনৰ অবিহনে ৰমণীৰ জীৱন অসাৰ। শিশিৰে যেন কবি-প্ৰিয়াৰ মংগল সাধন কৰক।

**ষষ্ঠ সৰ্গ (বসন্ত বৰ্ণনা)**

বসন্তই বীৰবেশে কামধেনুত ভোমোৰাৰ গুণ টানি আমফুলৰ বাণ লৈ কামীজনৰ সন্ধানত উপস্থিত হৈছেহি। গছে গছে ফুল, বিলত পদুম, সুগন্ধি মলয়, সুখকৰ দিন, সুবিমল সন্ধ্যাকাল সবে মিলি ৰমণীক কামিনী কৰিছে। চঞ্চলাসকলে কুসুমবুলীয়া

কাপোৰ পিন্ধি কাণত কৰ্ণিকাৰ আৰু চুলিত অশোক ফুল আঁৰি ল'লে। তেওঁলোকে চন্দ চৰ্চিত উন্নত বক্ষত পৰাকৈ মুকুতাৰ মালা, বাহুত বলয়, কঁকালত কাঞ্চীহাৰ পৰিধান কৰিছে। পদুমী মুখত ঘামৰ টোপালবোৰ মুকুতাৰ দৰে জিলিকি উঠিছে। মদিৰাৰ ৰাগীত চঞ্চলা হৈ বিবিধ ভংগীমাৰে প্ৰিয়জনক আকৰ্ষণৰ চেষ্টা কৰিছে। স্তনদেহত প্ৰিয়ংগু, আৰু কুংকুম আৰু কস্তুৰী মিশ্ৰিত প্ৰলেপ সানিছে। পাতলীয়া পোছাকৰ পৰা লাক্ষাৰস অগৰুৰ সুবাস উৰিছে। সৰ্বশৰীৰতে এতিয়া অনংগৰ প্ৰভাৱ। আম্ৰবনত কুলি চৰাইটোৱে প্ৰেমিকাক চুম্বন যাচিছে। ভ্ৰমৰেও ভ্ৰমৰীক প্ৰেম নিবেদিছে। তামবৰণীয়া আমপাতে কামবাণ নিক্ষেপ কৰিছে। অশোক আৰু কুৰুৱকে যুৱতীৰ মন তোলপাৰ লগাইছে। জুই-ৰঙা পলাশ ফুলিছে। পৃথিৱীখন যেন ৰঞ্জিত বসনা এগৰাকী নাৰীহে। পলাশ কৰ্ণিকাৰে ৰঞ্জিত পৃথিৱীত কুলিৰ মাতে যুৱকক বিৰহ ভোগাইছে। কোকিল কুজন আৰু ভোমোৰাৰ গুঞ্জনত লজ্জাৱতী কুলবধূও অস্থিৰ হৈ পৰিছে। পল্লৱিত আম্ৰশাখা নিয়ৰবিহীন বতাহত কঁপি উঠিছে। বাসন্তী ফুলৰ সৌৰভে প্ৰণয়ৰ অনুৰাগ বৃদ্ধি কৰিছে। হাস্যবদনা, ৰমণী সদৃশ কুন্দফুলে অকামা মুনিৰো চিত্তহৰণ কৰিছে। বসন্তৰ এই ৰূপে অনুৰাগী যুৱকৰ অন্তৰত সঘনে জুই জ্বলাইছে। অস্থিৰ যুৱতীয়ে স্তনহাৰ নিপিন্ধা সত্বেও কোকিল কুজন আৰু ভোমোৰাৰ গুঞ্জনে পুৰুষচিত্ত হৰণ কৰিছে। শৈল শিখৰত বিবিধ ফুল ফুলিছে। প্ৰেমিক যুৱকে নিজানত বিৰহৰ চকুলো টুকিছে। ফুলে ফুলে মন্মথৰ ৰাজত্ব চলিছে। অভিমানী ৰমণীৰ হৃদয় জ্বলিছে। কিংশুকৰ ধনু, আম্ৰমুকুলৰ শৰ, ভোমোৰাৰ গুণ, কুলিৰ গীত, মলয়াৰ বেণু আৰু চন্দ্ৰমাৰ শ্বেতছত্ৰলৈ মদনে যেন কবি-প্ৰিয়াৰ সুখ বৃদ্ধি কৰক।

পৰিৱৰ্ত্তিত প্ৰাকৃতিক পৰিৱেশে মানুহৰ ভাব আচৰণ প্ৰভাবিত কৰে। ঋতুসংহাৰত কালিদাসে সেই মনস্তাত্বিক সত্যৰ নিখুঁত চিত্ৰ অংকন কৰিছে। বিশ্ব প্ৰকৃতি আৰু মানৱ প্ৰকৃতিৰ মাজৰ সম্পৰ্ক এই কাব্যত উন্মোচিত হৈছে। শ্ৰোতাৰ আগত বক্তাই কৈ যোৱা ভাৰতীয় কাহিনী কথনৰ পৰম্পৰা কালিদাসৰ 'ঋতুসংহাৰ' আৰু 'মেঘদূতত' ৰক্ষা পৰিছে। প্ৰথমখনত কবি নিজে বক্তা আৰু শ্ৰোতা তেওঁৰ প্ৰেমিকা। দ্বিতীয়খনত কুবেৰৰ অনুচৰ বিৰহী যক্ষই দূতৰূপী মেঘক সম্বোধি পথনিৰ্দেশনাসহ অলকাৰ প্ৰিয়ালৈ বাতৰি পঠাইছে। উল্লেখযোগ্য যে দুয়োখন গীতি কাব্যতে বৰ্ষাঋতুৱে বিশেষ প্ৰাধান্য লাভ কৰিছে। কবিৰ মতে কামীজনৰ প্ৰিয়ঋতু। ই মানৱমনৰ ব্যাকুলতা আৰু বিৰহী হৃদয়ৰ ক্ৰন্দন বৃদ্ধি কৰে। এই দুখন কাব্যৰ উপৰি মহাকবিগৰাকীৰ 'কুমাৰসম্ভৱ'ৰ তৃতীয় সৰ্গত বসন্ত, 'ৰঘুবংশ'ৰ চতুৰ্থ সৰ্গত শৰতৰ, নৱম সৰ্গত বসন্তৰ আৰু ষোড়শ সৰ্গত গ্ৰীষ্ম ঋতুৰ বৰ্ণনা প্ৰাঞ্জল হৈ উঠিছে। 'অভিজ্ঞান শকুন্তলম্'ৰ আৰম্ভণিতে সূত্ৰধাৰাৰ নিৰ্দেশত নটীয়ে গ্ৰীষ্মকাল সম্বন্ধীয় গীত এটি পৰিৱেশন কৰিছে।

ৰামায়ণ বৰ্ণিত ঋতুচক্ৰৰ নৈসৰ্গিক সৌন্দৰ্য সজীৱ আৰু প্ৰাণস্পৰ্শী। চিত্ৰকূট বন, পম্পাসৰোবৰ তথা প্ৰস্ৰবনগিৰিৰ বসন্ত আৰু বৰ্ষাকালীন সৌন্দৰ্য্য তাৰেই নিদৰ্শন। সীতাস্মৃতি বিজড়িত ৰামে শৰতৰ চন্দ্ৰাৱলী নিশাৰ আকাশখনক শুক্লবসনা এগৰাকী নাৰীৰ ৰূপত প্ৰত্যক্ষ কৰিছে। ''বাল্মীকিৰ ৰামায়ণত বিৰহী প্ৰেমিকৰ দৃষ্টিৰে যি ঋতু সৌন্দৰ্য বৰ্ণনা কৰিছে, সেয়ে পৰৱৰ্ত্তী কবিসকলৰ বৰ্ণনাৰ আদৰ্শ হৈ পৰিছিল। কালিদাসৰ ঋতুসংহাৰএনে ৰচনাৰ সম্যক নিদৰ্শন (ৰামায়ণৰ ইতিবৃত্ত ১ম প্ৰকাশন পৃঃ ১২৬)'' কালিদাসৰ সাহিত্যত মানুহৰ দৰে অন্য ইতৰ প্ৰাণী আৰু উদ্ভিদসমূহো চেতনাসম্পন্ন। মিলনৰ আনন্দ, বিচ্ছেদৰ বিৰহ সিহঁতৰো উপলব্ধ। গছ-লতিকা, ময়ূৰ-ময়ূৰী, হৰিণা পহু - কোনো তাৰ ব্যতিক্ৰম নহয়। ইন্দ্ৰিয়ানুভূতি ৰূপায়ণত কালিদাসৰ নৈপুণ্য অনস্বীকাৰ্য। কালিসদাস বৈদভী ৰীতিৰ কবি য'ত সকলো গুণৰ সমাৱেশ ঘটে। ঋতু সংহাৰৰ মুখ্যৰস শৃংগাৰ। শৃংগাৰ ৰস স্থায়ীভাব ৰীতি। মাধুৰ্যসম্বলিত এই ৰসৰ দুটা ভাগ-সম্ভোগ আৰু বিপ্ৰলম্ভ। সম্ভোগ শৃংগাৰ উদ্ভৱ হয় নায়ক-নায়িকাৰ পাৰস্পৰিক সান্নিধ্য বা মিলনৰ আধাৰত। অন্যহাতে তেওঁলোকৰ পাৰস্পৰিক বিয়োগ বা নিলগ অৱস্থাই বিপ্ৰলম্ভ শৃংগাৰ সৃষ্টি কৰে। আলম্বন আৰু উদ্দীপন বিভাৱে মানুহৰ মনত ৰতি প্ৰভৃতি স্থায়ীভাব জগাই তোলে। যি ব্যক্তি বা বস্তুক আশ্ৰয় কৰি স্থায়ীভাব অভিব্যক্ত হয় সেয়ে আলম্বন। উদাহৰণ স্বৰূপে আলোচ্য কাব্যৰ হেমন্ত বৰ্ণনৰ পঞ্চম স্তৱকত আমি পাওঁ - সুৰত কামিনীগণে অগৰু চন্দনৰ প্ৰলেপ, অলকা তিলক আৰু ধূপৰ ধোঁৱাৰ দৰে কেশবিন্যাসৰ দ্বাৰা প্ৰিয়জনক সংগ দিবলৈ প্ৰস্তুতি চলাইছে। এনে আলম্বন বিভাৱে সম্ভোগ শৃংগাৰৰ পথ প্ৰশস্ত কৰে। অংগৰাগ প্ৰসাধনেৰে সু-সজ্জিত প্ৰণয়ীযুগলে পুষ্পৰস মধুপানে আলিংগনবদ্ধ হৈ কৰা ৰাত্ৰিযাপন তাৰে নিদৰ্শন (হেমন্ত বৰ্ণন - ১১)। চৌপাশৰ যিবিলাক বস্তু বা পৰিৱেশে নায়ক-নায়িকাৰ মনত স্থায়ীভাৱ জগাই তোলে বা উদ্দীপিত কৰে সেয়ে উদ্দীপন বিভাব। উদাহৰণ স্বৰূপে বৰ্ষাঋতুৰ আগমনত ময়ূৰ-ময়ূৰীসৱে আনন্দ মতলীয়া হৈ আলিংগন আৰু চুম্বন মানসেৰে চালি ধৰি নাচিছে (বৰ্ষাবৰ্ণন- ৬)। আধাৰ অনুসৰি বিপ্ৰলম্ভ শৃংগাৰক পাঁচ ভাগত ভগোৱা হৈছে - পূৰ্বাৰাগ, বিৰহ, ঈৰ্ষা, প্ৰবাস আৰু দৈৱদুৰ্বিপাক। ঋতুসংহাৰত প্ৰবাসজনিত বিপ্ৰলম্ভ

শৃংগাৰৰ উদাহৰণ প্ৰচুৰ। তাৰে তিনিটা মাত্ৰ উল্লেখ কৰা হৈছে –

(ক) বৰ্ষাকালত কুলনাৰীয়ে প্ৰবাসী স্বামীক সুঁৱৰি অশ্ৰুসিক্ত নয়নেৰে গন্ধ–পুষ্প–অলংকাৰ দলিয়াই দিছে (বৰ্ষা – ১২)

(খ) মেঘৰ বিজুলী, ৰামধেনু আৰু অন্যৰমণীৰ কাঞ্চীহাৰে প্ৰবাসী স্বামীক কাতৰ কৰিছে (বৰ্ষা – ১৯)

(গ) শৰতৰ উল্লাসময় জোনাকতো পতিবিৰহিনীসকল শুকাই গৈছে (শৰত – ৯)। 'উপমা কালিদসস্য' – কালিদাস উপমাৰ কবি। কেতিয়াবা তেওঁ প্ৰকৃতিৰ উপমাৰে মানুহৰ কথা নকৈ মানুহৰ উপমাৰে প্ৰকৃতিৰ কথা কৈছে। যেনে –

দিবসকৰময়ুখৈৰ্বোধ্যমানং প্ৰভাতে
বৰয়ুবতিমুখাভং পংকজং জৃম্ভতে অদ্য।
কুমুদমপি গতেঅস্তং লীয়তে চন্দ্ৰবিম্বে
হসিতমিব বধুনাং প্ৰোষিতেষু প্ৰিয়েষু। (শৰত বৰ্ণনম্–২৩)

অৰ্থাৎ প্ৰিয়জনৰ স্পৰ্শত যুৱতীৰ মুখমণ্ডল উজ্জ্বলি উঠাৰ দৰে পুৱাৰ পোহৰত পদুমীৰ ৰহণ চৰিছে। আনফালে প্ৰাণপ্ৰিয় আঁতৰি যোৱা বিষণ্ণা নাৰীৰ দৰে চন্দ্ৰহীনা কুমুদিনী ম্লান হৈ পৰিছে। একেদৰে হেমন্ত বৰ্ণনৰ দশম স্তৱকত কৈছে – বিৰহকাতৰা পাণ্ডুবৰ্ণা যুৱতীৰ দৰে হেমন্তৰ চেঁচা বতাহত প্ৰিয়ংগুলতা কাতৰ হৈ পৰিছে।

ঋতুসংহাৰৰ কবিয়ে নাৰীৰ তিনিটা ৰূপ প্ৰত্যক্ষ কৰিছে – প্ৰেমিকা, অভিসাৰিকা আৰু কুলবধু অথবা গৃহলক্ষ্মী। পঞ্চম সৰ্গৰ শেষৰ তিনিটা (১৩,১৪,১৫) স্তৱকত নাৰী গহলক্ষ্মী ৰূপ মূৰ্ত্ত হৈ উঠিছে। ত্ৰয়োদশ স্তৱকৰ অনূদিত ৰূপ – এনেধৰণৰ ঃ–

আজি প্ৰিয়ে ! সকলোৰে লখিমী সাজেৰে সাজি
প্ৰাত ঃ স্নাতা শুদ্ধবেশে কমনীয়া হই
সুগন্ধি অঞ্জন ৰাগে শুচিব্ৰতা মুক্তকেশী
সুশোভিতা গৃহদেৱী পবিত্ৰতা লই। (অনুঃ অশলেন্দ্ৰনাথ ফুকন)

কাব্যখনৰ এই অংশত শংগাৰ ৰসৰ পৰিৱৰ্তে শান্ত ৰসহে অনুভূত হয়। মন কৰিবলগীয়া যে শৃংগাৰ ৰসাত্মক কাব্য হোৱা সত্ত্বেও ঋতু সংহাৰ'ত অশ্লীলতা দোষ নাই। ৰমণীৰ সৌন্দৰ্য চৰ্চাই কাব্যখনৰ প্ৰতিটো সৰ্গতে প্ৰাধান্য লাভ কৰিছে।

বসন্ত বৰ্ণনাৰে সমাপ্ত হোৱা 'ঋতু সংহাৰ' কাব্যত 'মধুৰেণ সমাপয়েৎ'– কথাষাৰ সাৰ্থকভাৱে প্ৰয়োজ্য হৈছে। 'মধু' শব্দৰ এটা বিশেষ অৰ্থ বসন্তকাল। কাব্যখনত বসন্ত আৰু বৰ্ষা ঋতুৰ পাৰ্থক্য পৰোক্ষ ভাৱে উন্মীলিত হৈছে। বসন্ত বৰ্ণনাৰ শেষত প্ৰিয়াৰ সুখ প্ৰয়াসী কবিজনে বৰ্ষাবৰ্ণনৰ শেষত আশা কৰিছে দয়িতাৰ মংগল সাধন (দিশতু তব হিতানি প্ৰায়শোবাঞ্চিতানি)। 'ঋতুসংহাৰ'ক কালিদাসৰ কোমল বয়সৰ ৰচনা বুলি মানি লৈয়ো ক'ব পাৰি যে ইয়াৰ শৰৎ বৰ্ণনা কবিজনাৰ পৈণত বয়সৰ ৰচনাৰাজিৰ সমকক্ষ। এই কাব্যৰ বিৰুদ্ধে সঘনে উত্থাপিত এটা অভিযোগ হৈছে বিভিন্ন সৰ্গত একেধৰণৰ শব্দসম্ভাৰৰ পুনৰাবৃত্তি। ইয়াৰ উত্তৰত ক'ব পাৰি যে বিভিন্ন ঋতুৱে মানুহৰ দেহ–মনত জগাই তোলা কামনাজনিত অনুভূতি সমূহো একে ধৰণৰ। গতিকে কেন্দ্ৰীয় ভাবৰ বিকাশত একেধৰণৰ বৰ্ণনাৰ পুনৰাবৃত্তি ঘটা স্বাভাৱিক। কাব্যখনৰ সজীৱ বৰ্ণনাই ঋতুসমূহৰ দৃশ্যপট আমাৰ চকুৰ আগত আমাৰ ভহাই তোলে। কবিগুৰু ৰবীন্দ্ৰনাথে সঠিক ভাবেই কৈছে –

হে কবীন্দ্ৰ কালিদাস, কল্পকুঞ্জবনে
নিভৃতে বসিয়া আছ প্ৰেয়সীৰ সনে
যৌৱনেৰে যৌবৰাজ্যসিংহান পৰে।
... ... ... ছয় দেবদাসী
ছয়ঋতু ফিৰে ফিৰে নৃত্য কৰে আসি,
নব নব পাত্ৰ ভৰি ঢালি দেয় তাৰা
নব নব বৰ্ণময়ী মদিৰাৰ ধাৰা
তোমাদেৰ তৃষিত যৌবনে। (ঋতুসংহাৰ – চৈতালি)

আলংকাৰিকৰ কাব্য বিচাৰত ঋতুসংহাৰ নিখুঁত নহ'ব পাৰে, কিন্তু ইয়াৰ ভাবমহত্ত্ব, সমন্বিত সৌন্দৰ্যবোধ আৰু সুৰসমলয়ে সাধাৰণ পাঠকক চিৰকাল মুগ্ধ কৰি ৰাখিব।■

## সহায়ক গ্ৰন্থৰাজি ঃ

গোস্বামী মালিনী ঃ ৰঘুৰপি কাব্যম্, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১ ম প্ৰকাশ ১৯৯৪
ফুকন শৈলেন্দ্ৰনাথ (অনূদিত) ঃ ঋতুসংহাৰ, ১ ম প্ৰকাশ – ১৯৬৩
বৰা, মহেন্দ্ৰ ঃ ৰমন্যাসবাদ, বাণী প্ৰকাশ – ১ ম, সংস্কৰণ – ১৯৭৬
বৰা, ৰবীন্দ্ৰ চন্দ্ৰ ঃ সাহিত্য – সমীক্ষা, পূৰ্বপ্ৰকাশন, নগাঁও, ১ম প্ৰকাশ – ১৯৮৭
ভূঞা, যোগেন্দ্ৰ নাৰায়ণ (সম্পা.) ঃ বিশ্বকোষ – ৪ ৰ্থ খণ্ড, অসম সাহিত্য সভা, ১ ম প্ৰকাশ – ২০০৩
মহন্ত, কেশদা ঃ কালিদাসৰ সাহিত্য, বাণী প্ৰকাশ – গুৱাহাটী, ১ ম প্ৰকাশ – ১৯৯১
শৰ্মা, কনকচন্দ্ৰ ঃ সাহিত্য সংবাহন, জনতা প্ৰেছ – তেজপুৰ, ১ ম প্ৰকাশ – ১৯৮২
শৰ্মা, থানেশ্বৰ ঃ সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১ম প্ৰকাশ – ১৯৯৪
শৰ্মা, মুকুন্দমাধৱ ঃ উপমা কালিদাসস্য, বাণী প্ৰকাশ, গুৱাহাটী, ১ ম প্ৰকাশ– ১৯৯১
শৰ্মা, সত্যন্দ্ৰনাথ ঃ ৰামায়ণৰ ইতিবৃত্ত, ডিব্ৰুগড় বিশ্ববিদ্যালয় – ১৮৮৪
শাস্ত্ৰী, নিত্যানন্দ (অনূদিত) ঃ ভৰতৰ নাট্য শাস্ত্ৰ, অসম নাট্য সন্মিলন – ১৯৯১
শাস্ত্ৰী, বিশ্বনাৰায়ণ (অনূদিত ) ঃ সাহিত্য দৰ্পণ, অসম সাহিত্য সভা – ১৯৬৪
শাস্ত্ৰী, মনোৰঞ্জন ঃ সাহিত্য দৰ্শন, প্ৰকাশক – সৰোজিনী গোস্বামী – নলবাৰী, ২য় প্ৰকাশ – ১৯৭০
দ্বিবেদী, ৰেবাপ্ৰসাদ (সম্পা.) ঃ কালিদাস গ্ৰন্থাৱলী, কাশী – হিন্দু বিশ্ববিদ্যালয় – ১৯০৭ শক
বসু নগেন্দ্ৰনাথ (সম্পা.) ঃ বিশ্বকোষ – ৪ৰ্থ খণ্ড, বি. আৰ. পাব্লিশিং কৰপোৰেচন, দিল্লী – ১৯১১
ভট্টাচাৰ্য, বিমানন্দ ঃ সংস্কৃক সাহিত্যৰে ৰূপ–ৰেখা, বিদ্যোদয় লাইব্ৰেৰী, কলিকতা, ২য় প্ৰকাশ – ১৯৬১
ভৌমিক, জাহ্নবীচৰণ ঃ সংস্কৃত সাহিত্যিৰে ইতিহাস, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলিকতা – ৬, ২ য় সংস্কৰণ ১৩৮২ বংগাব্দ
সেন, অমিয়কুমাৰ ঃ প্ৰকৃতিৰ কবি ৰবীন্দ্ৰনাথ, বিশ্বভাৰতী গ্ৰন্থালয়, কলিকতা – ১৯৬১
ৰবীন্দ্ৰ – ৰচনাৱলী (অচলিত সংগ্ৰহ – প্ৰথমখণ্ড) বিশ্বভাৰতী – ১৯০৭ শক।
ৰবীন্দ্ৰ – ৰচনাৱলী – ৫ ম খণ্ড, বিশ্বভাৰতী, পুনৰ মুদ্ৰণ – ১৯০৭ শক।
Aurobindo Sri : Kalidasa, Sri Aurobindo, Pondicherry, 1964.
Dasgupa S.N : A History of Sanskrit Literature, Vol - 1, University of calcutta 1962.
Goodman W.R : A History of English Literatue vol - 1 Doaba house- Delhi, 3rd edition - 1988.
Hillebrandt Alfred : Kalidasa (Translated from original German by S.N Ghosal), The world Press Private Ltd. 1971.
Kale M.R : The Ritusamhara of kalidasa. Motilal Banarsidass- Delhi - 2nd Edition 1967.
Keith A.B : A history of Sanskrit Literature, Oxford University Press, Reprint 1966.
Long J. William : English Literature - kalyani Publishers - new Delhi Indian Reprint 1992.
Macdonal, Arthur : A History of sanskrit Literature, Munshi Ram-Monoharlal - Delhi - 6, 5th Edition 1958.
Thomson Jems : The seasons - Printed for A Hamilton 1973.

# Indian Mythic Vision in English literature

**Dr. Pabitra Bharali**
Asst. Professor of English



**Introduction:** Indian philosophy with its pacific insights and the great tradition of Indian culture have been dominant influences on world philosophical thoughts as well as the diverse artefacts of the globe throughout centuries. While on the one hand, it has equipped the regional cultures with suitable structures, on the other hand, it has enriched western cultures including language and literature. In fact, oriental/Indian philosophy, art and culture, belief system, myths and legends have been incessant influences on the culture of the west. English literature as a dominant dimension of western culture has seen and represented these diverse influences especially since the European renaissance and more especially subsequent to British colonialism in India. In one respect, the British through their colonialism exploited India materially (and, of course, brought modernism to India); in the other respect they were spiritually, morally and intellectually enriched with Indian cultural traits. The great poet and critic T. S. Eliot in the seminal essay 'Tradition and the individual Talent' talked of the importance of historic sense and observed that new poetry or literature should be a product of the fine blend individual talent with the great tradition of thought and writing up to the time of the writer. In the broad sense, world cultures serve as persistent influences on the formation of *avant garde* writers. The present article is an interpretative attempt to explore Indian mythic vision as depicted in English literature with special references two prominent modernist writers namely W.B. Yeats and T.S. Eliot.

**Yeats' representation of mythic vision, mysticism and spiritualism:** To begin with, both W.B. Yeats and T.S. Eliot felt irresistibly drawn to the glorious myths of ancient India and attempted to interweave them with those of the West through their immortal works of art. They were influenced by eastern thoughts on theosophy, magic, Buddhism and spiritualism. Yeats' interests were basically due to affinities between ancient India and Ireland. He believed primitive India and Ireland to be complementary to each other since primitive Ireland like India was a throb with tales of wonder and mystery. Naturally, he felt an inner compulsion to explore the meaning and essence of life in Indian myths. Indian attitude towards rebirth caught the poetic fancy of W.B. Yeats. His vision of all the

elements of the temporal world of sense and passion equally as parts of a whole is essentially the primitive vision of India. His mythic vision in "Supernatural Songs". Depicting the mystic experiences of the hermit Ribh is distinctly Indian. "Ribh in Ecstasy", "Ribh at the Tomb of Baile and Aillinn" and "Ribh considers Christian Love Insufficient" are surprisingly Indian in feeling and tone or voice. In fact, the poetic volume "Supernatural Songs" of Yeats communicate the vision which is recognizably Indian.

**Yeats' representation of *Bishnu Avtars* (God's reincarnation) :** The Indian myth of God's re-incarnation has been poetized as well as dramatized by W.B. Yeats. The incarnation of Lord Vishnu as a fish, tortoise or boar is symbolic of the manifestation of the Supreme spirit in flesh. In the poem "Leda and the Swan", Yeats's admirably attempts to provide a poetic pattern to the union of the God's spirit and the human matter. Indian sages imagined soul as a swan and its sexual encounter with a mortal beauty. Likewise, Yeats's play *The Hearne's Egg* is symbolic of the Indian conceptions about the idea of Godhead, the attitude to sex, the theme of re-incarnation and Samadhi. In fact, this poetic play is a perfect representation of myth of cosmic creation depicted in the "Swan archetype" and 'Brahmanda' or the cosmic egg.

God's manifestation in human form – *Avtar* – to restore spiritual vision to humanity during spiritual and religious crisis asserted in *The Gita* has been finely delineated in the famous apocalyptic poem of Yeats – 'The Second Coming'. In the Indian text, Lord Krishna says:

*Yadâ yadâ hi dharmasya glânirbhavati Bhârata*
*Abhyutthânam adharmasya tadâtmânam s[jâmyaham.*
[Whenever there is decay of righteousness O! Bharata
And a rise of unrighteousness then I manifest Myself!] (*The Bhagavata Gita*)

It implies that when the hydra-headed sin takes control of the universe, God reincarnates himself in human form to rid the innocent souls. The re-incarnation of Rama or of Krishna was in sheer response to evil symbolized by Ravana or Kansa. In "The Second Coming" Yeats deals with the re-incarnation of God to restore balance to the world torn by spiritual conflict and religious chaos. He talks of God's reincarnation when -

Things fall apart; the centre cannot hold;
Mere anarchy is loosed upon the world,
The blood-dimmed tide is loosed, and every where
The ceremony of innocence is drowned;

In such spiritual crisis, Yeats envisions the coming of 'a rough beast 'with lion body and the head of a man' which perfectly reminds Indians the Nar-Simha (human and lion) avatar of Lord Vishnu.

**Eliot's depiction of Indian mythic and mystic vision :** T. S. Eliot's poetry is likewise imbued with wisdom of ancient literature of India. Indian influences, both Hindu and Buddhist, are scattered everywhere in the work of Eliot. His opportunity to live in close contact with Charles Lanman, James Woods and Babbit, the authorities on Indian thought and tradition, led to deep influences of Indian mythic vision on him. Eliot admits that he studied Sanskrit under Lanman and that Wood enlightened him with mystic vision. (Drew: 40-41). Again, his association with the ancient religious thought and poetic tradition is not through 'romantic misunderstanding' but through "an intellectual identification combined with an emotional detachment" (Jain 1969: 67). In spite of the fact that he does not like to

cease 'to think and feel as an American,' he communicates mystic vision which is amazingly Indian. The idea of Sir Claude in *The Confidential Clerk* bears a striking similarity to the Advaita Philosophy. Sir Claude says:

I want a world where the form is the reality. of which the substantial is only a shadow. (464) The poet suggests that the form alone is real, because it expresses a pattern of the divinity. Substance is the concretization of that divine design. The abstract, and not concrete is real. Appearance is concrete but reality is abstract. This philosophical concept is as much Bradleyan as Advaitic.

Eliot has highlighted the importance of mythic and mystic vision in life which is tune of Indian mystic vision. In the attempt to focus on the vital importance of myth in the modern world which has been reduced to a "heap of broken images" (61), he has recreated the myth/mythic vision in famous poems such as *The Love song of J. Alfred Prufrock, Gerontion* and *The Wasteland.* As modern humanity is cut off from the vital roots of myths, they see nothing but vast panorama of moral anarchy and spiritual drought. The intimate bonds of connections between human life and natural life achieved in mediaeval period have been snapped in the modern world where Alfred Prufrock, a representative of the modern humanity says: "I have measured out my life with coffee spoons". (12) The mechanical image of "spoons" is suggestive of the predominance of scientific knowledge on the modern life. This has compelled Gerontion to rationalize his "ghosts" away. T.S. Eliot believes that people can regain spiritual vitality which has been sapped by the growth of rationalism, provided they develop the primitive mode of feeling and thinking. That is, the key to spiritual salvation. He, therefore, enjoins upon the reader to follow the three-fold path of salvation indicated by Prajapati in the Brihad-aranyaka Upanishad.

**Eliot's use of Upanishadic structure :** The closing words of *The Waste Land* signifies Indian upanishadic influence on Eliot. The three *shantis* (i.e. peace blessings) that close this poem turns it into an Upanishad, for in the Indian tradition only Upanishads are permitted the triple benediction at the end. While acknowledging the Brihadaranyaka–Upanishad, Eliot changes the advice of Prajapati to the three kinds of intelligent forms who came to him as disciples: gods, anti-gods, and man. In the original Sanskrit, the gods are given the final advice by Prajapati to be disciplined, to control themselves, because gods tend to be victims of arrogance; the anti-gods are advised to be compassionate, because they tend to be brutal and vicious; and the men are asked to be giving, because they tend to become victims of selfishness. Eliot turns the sequence into datta (give), dayadhvam (be compassionate), and damyata (be self-controlled). He has switched the order of the shastra (rule), and shastras are best not tampered with. What appears to have the words of an Upanishad is therefore not an Upanishad, but a Christian re-creation.

**Eliot's reworking of the concept of "Do not think of the fruit of action." :** In Four Quartets ("The Dry Salvages" section) Eliot reworks the advice of Lord Krishna to Arjuna on the battlefield of Kurukshetra, "Do not think of the fruit of action." While talking to the Allied soldiers in the Battle of Britain (Eliot was an ARP warden), Eliot, like Krishna advices the soldiers that one should fight but forget that one is fighting to save democracy from Nazism and Fascism: "I sometimes wonder if that is what Krishna meant... Fare forward... Not fare well,/ But fare forward, voyagers." Similarly, in the poem "To the Indians Who Died in South Africa," written at the request of Miss Cornelia Sorabjee

for Queen Mary's Book for India, Eliot writes: "…action None the less fruitful if neither you nor we Know, until the judgment after death, What is the fruit of action".

**Conclusion:** It is evident from the above interpretation that both Yeats and Eliot have borrowed ideas from Indian myths and mystic lores and have re-interpreted them in their own poetic contexts. They have on the one hand made use of the mythic and mystic structures, and on the other hand, symbolically or allegorically depicted the ideas from the Indian texts. At the root of their mythopoeic creation is their desire to create an ancient mode of response to modern life. In other words, spiritual restlessness of modern life impels them to seek haven in the mythical world of India that ascertained peace in not only with God's reincarnation but also through human *karma.* These aspects points to a greater truth and that is the unending sustenance ancient Indian wisdom can and will provide not only to modern generation but to generations to come. ■





# অসমীয়া সাহিত্য : অতীত, বৰ্তমান আৰু ভৱিষ্যৎ



দিপশিখা বৰুৱা
ষষ্ঠ ষাণ্মাসিক, বাণিজ্য শাখা

অসমীয়া সাহিত্য বিশ্ব সাহিত্যৰ এক অংশ। যি অসমৰ কৃষ্টি-সংস্কৃতি, চিন্তা-ধাৰা, সমাজ ব্যৱস্থা আদিক বিশ্বৰ প্ৰেক্ষাপটত নৱতম ৰূপেৰে তুলি ধৰিছে।

সাহিত্য বুলি ক'লে সমাজ এখনত প্ৰচলিত কিছুমান ধাৰণা, জনা-নজনাৰ সমাহাৰ, ভাষাৰ পৰিপক্কতা, বাস্তৱতা, সাৱলীলতা, প্ৰকাশৰ ভংগীমা আদিৰে পৰিপূৰ্ণ এক সৰল-সহজ ভাৱনাৰে সমৃদ্ধ দস্তাবেজ।

অসমীয়া সাহিত্য অসমৰ জন-জীৱন তথা ইয়াৰ সৈতে সম্বন্ধিত সকলো বিষয়-বস্তুকে সামৰি যি সাহিত্য ৰচনা কৰা হয়।

সাহিত্য সমাজৰ দাপোণস্বৰূপ। কিয়নো সামাজিক প্ৰেক্ষাপটত সংঘটিত সকলো ঘটনাই সাহিত্যত উত্থাপন কৰা হয়। কিছু অলৌকিকতাৰে, ৰহণ সানি, পাঠক সমাজৰ মনোৰঞ্জনৰ বাবে।

আমাৰ সমাজত সাহিত্যক তিনিটা স্তৰত বিভক্ত কৰা হৈছে, সেয়া হৈছে প্ৰাক্ শঙ্কৰী যুগ, শঙ্কৰী যুগ আৰু আধুনিক যুগ। এই তিনিটা যুগৰ সাহিত্যই আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

সাহিত্যৰ স্তৰ তথা ধাৰা সময়ৰ লগত সলনি হৈ গৈছে। প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্যত আধ্যাত্মিক চিন্তা ধাৰাৰ পৰিপক্কতা দেখা যায়। সন্নিৱিষ্ট কৰা হৈছিল মানৱ জীৱনৰ বাবে প্ৰয়োজনীয় কিছু নীতি-নিয়ম, জীৱন-যাপনৰ বাবে কিছু পদ্ধতি আৰু সত্য, বিশ্বাস, প্ৰকৃতি আৰু মানৱ আদিৰ সম্পৰ্ক ব্যাখ্যা কৰি সাহিত্য ৰচনা কৰা হৈছিল। এই সময়ৰ সাহিত্য সমূহত বিচাৰি পোৱা গৈছিল ঈশ্বৰৰ বাণী, জীৱনত তাৰ মাহাত্ম্য, মানৱ সমাজৰ সৃষ্টি, পৃথিৱীৰ আৱৰ্ত্তণী, প্ৰকৃতিৰ ভূমিকা আদি।

শঙ্কৰী যুগত শঙ্কৰদেৱ আৰু তেওঁৰ সমসাময়িক সাহিত্যিকসকলে সাহিত্য ৰচনাৰ যোগেদি অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। ইয়াৰ এক অনবদ্য উদাহৰণ অঙ্কীয়া নাটসমূহ, গীতা, ভাগৱত আদি। সেইসময়ত ধৰ্মৰ নামত সমাজত যি বিভীষিকাময় পৰিস্থিতিৰ উদ্ভৱ হৈছিল; তাৰ পৰা এই সাহিত্য সমূহে পৰিত্ৰাণ দিছিল। এক জাগৰণৰ সৃষ্টি কৰিছিল। সমাজত সাহিত্যৰ এক নৱ ধাৰাৰ সৃষ্টি কৰিছিল।

ইয়াতেই উল্লেখ কৰিব পাৰি যে, প্ৰাক-শঙ্কৰী যুগৰ মাজভাগৰে পৰা ইতিহাস ৰচনা কৰা এক প্ৰবৃত্তি জাগি উঠিছিল। বাস্তৱ ঘটনাসমূহ লিপিবদ্ধ কৰি তাৰ বিষয়ে সবিশেষ উত্থাপন কৰা হৈছিল। সময়ত ই ইতিহাস সাহিত্য ৰূপে আমাৰ সমাজত প্ৰচলিত হৈছিল। ৰজা-মহাৰাজসকলৰ, জীৱন, পৰিয়াল সম্পৰ্কে, ৰাজ্যৰ অৱস্থা, সাল-সলনি প্ৰক্ৰিয়া, সৃষ্টিশীল কৰ্মৰাজি আদিৰ খতিয়ান প্ৰস্তুত কৰা হৈছিল, তাৰ উপৰিও কিছু কাল্পনিকতাৰ ৰহেণেৰে কাব্য আদিও চৰ্চা কৰা হৈছিল।

আধুনিক যুগৰ সাহিত্য বুলিলে বৰ্তমান প্ৰচলিত সাহিত্যৰ কথাকে বুজা যায়। যি আৰম্ভ হৈছিল উনবিংশ শতিকাৰ শেষ পৰ্যায়ৰ পৰা। বাস্তৱ জীৱনৰ এক মৌলিক প্ৰতিচ্ছবি, চিৰাচৰিত ধাৰা, পৰিৱৰ্তন, আভ্যন্তৰীণ তথা বাহ্যিকতা আদিৰে পৰিপূৰ্ণ বৰ্তমান যুগৰ সাহিত্য, বৰ্তমান যুগৰ সাহিত্যত দেখা পোৱা যায় বাস্তৱ জীৱনক যি কঠোৰ আৰু অপ্ৰিয় হ'লেও সত্য। যাৰ পৰিসীমা অপৰিসীম। যি জ্বলন্ত ৰূপ সমাজৰ। য'ত দেখা যায় ভয়াৱহ স্মৃতি মিঠা অনুভূতি, হৃদয় পৰিৱৰ্তনৰ, ভাৱৰ ধেমালি, সম্বন্ধৰ মিতিৰালি আৰু বহু কিবা-কিবি।

সেয়া যি কি নহওক, এয়া মাথো আছিল অসমীয়া সাহিত্যৰ এক থূল-মূল ধাৰণা। যাৰ বিষয়ে আমি প্ৰায়েই শুনো বা জানোঁ। আজিৰ যুগত অসমীয়া সাহিত্য বুলি ক'লে একাংশই কয় অনুদিত সাহিত্যৰ কথা, একাংশই কয় দৈহিক সুখ-অনুভূতিৰ কথা আৰু কোনোৱেই সামাজিক স্তৰৰ কথা। এইটো কথা ঠিক যে সাহিত্য বিভিন্ন ধৰণৰ হ'ব পাৰে। কিন্তু সাহিত্যৰ সংজ্ঞা সঠিক ভাৱে দিবলৈ সক্ষম হ'ব পৰা নাই।

সাহিত্যৰ মূল বিষয়বস্তুৱে হ'ল- সমাজ, সভ্যতা-সংস্কৃতি আৰু পৰম্পৰা। অসমীয়া সাহিত্যৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ ধাৰা কেনে হ'ব। তাৰেই যেন এক আলোকপাতৰ প্ৰয়াস কৰা হৈছে।

অসমীয়া সাহিত্যৰ অতীত অতিকৈ দুখলগা আছিল। সাহিত্যই নতুন ৰূপ পালেও সমাজত বহুলভাৱে নিজৰ ঠাই অধিকাৰ কৰিব পৰা নাছিল। এয়া আছিল অসমীয়া সাহিত্যৰ প্ৰাক্-আৰম্ভণি কালৰ কথা। লাহে লাহে অসমীয়া সাহিত্য শিপাবলৈ ধৰিলে। তেজে তেজে তাৰ জোৱাৰ উঠিল। বহুজনৰ অভিন্ন অৱদানেৰে সৃষ্টিৰাজি আপুৰুগীয়া হৈ পৰিল। বাধাৰ প্ৰাচীৰ নেওচি ভাষাটোৱেও এক অস্তিত্ব পালে। সেই সময়ত সৃষ্ট সাহিত্য সমূহৰ সাৱলীলতা, স্বকীয়তা আজিও পৰিস্ফুট। লাগিলে সেয়া কাব্য সাহিত্যই হওক অথবা গদ্য সাহিত্য। সেই সাহিত্য সমূহ ভিন্ন হোৱাৰ কাৰণো সুকীয়া সেয়া হ'ল –

১) ভাষাৰ সুপ্ৰয়োগ
২) বাক্যৰ আন্তঃগাঠনি
৩) স্বকীয়তা
৪) সুউচ্চ চিন্তা-ধাৰা আৰু ভাৱনা
৫) প্ৰাসঙ্গিকতা
৬) মৌখিক প্ৰচলিত কাহিনী
৭) প্ৰেম, ত্যাগ আৰু জীৱন সংগ্ৰাম
৮) প্ৰকৃতি, জীৱ-জন্তুৰ সামঞ্জস্য।
৯) মানসিক অৱস্থিতিৰ এক সুপ্ৰয়োগ আদি।

এই বিশেষ কাৰণসমূহতেই অসমীয়া সাহিত্যই নৱ ধাৰা লাভ কৰিছিল। যাৰ গতি এতিয়াও অপ্ৰতিৰোধ্য।

''কাহিনী বহু যুগৰ, লিখনি বহু দিনৰ'
সংস্কৃতিৰ ধাৰা
সৃষ্ট নৱতম গাথাঁৰ'' ।।

এয়া হ'ল সাহিত্য ; যি সলনি কৰে পৃথিৱীৰ ধাৰা।

বৰ্তমান সাহিত্য এনে এক পৰ্যায় পাইছেগৈ যে দুই-এজনৰ বাদে সকলোৱে ধন ঘটাৰ বাবে সাহিত্য ৰচনাত গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ সমানেই দায়ী আমিও; কিয়নো আমি সস্তীয়া কাহিনীৰে নিজৰ মনোৰঞ্জন কৰাৰ লগতে উত্তম সাহিত্য বুলি কওঁ। এইটো ঠিক, কিছুমান কথা-বস্তু উপস্থাপিত কৰিবৰ বাবে সস্তীয়া চিন্তা-ধাৰাক অগ্ৰাধিকাৰ দিব পাৰি। কিন্তু, তাৰ অৰ্থ এয়ে নহয় যে, সমস্ত সাহিত্য জগতকে সাঙুৰি স্বকীয়তা নষ্ট কৰা দেখা পোৱা গৈছে।

বৰ্তমান অসমীয়া সাহিত্যৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে। কিছু সংখ্যক লোকে সাহিত্যৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ বহুত ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিছে। সাহিত্যৰ সুন্দৰতাৰে সমাজৰ চিন্তা-ধাৰা সলনি কৰাত প্ৰয়োগ কৰিছে। তাৰ পৰিৱৰ্তে একাংশই অশ্লীল চিন্তা-ধাৰাৰে ৰচনা কৰা সাহিত্যৰে সমাজত চাহিদা পাবলৈ সক্ষম হৈছে। তাৰ পিছতো এই সাহিত্য বৰ্তমান যুগত উন্নতিৰ শিখৰ চুবলৈ সক্ষম হৈছে সেইসকলৰ বাবে যি সাধনা কৰিছে সাহিত্যৰ বাবে। সাহিত্যত নৱতম সংযোজনৰ বাবে চেষ্টা কৰিছে। বৰ্তমান অসমীয়া সাহিত্যৰ বৈশিষ্ট্য এনে ধৰণৰ-

১) বাস্তৱতা
২) কঠোৰ তথা অপ্ৰিয় হ'লেও সত্য।
৩) সমাজৰ ব্যভিচাৰিতা
৪) প্ৰকৃত ৰূপ।
৫) উদাৰহীন, লালায়িত, অকৃতজ্ঞ সমাজ।
৬) মানৱতাহীন পৃথিৱী।
৭) অন্যায়, অত্যাচাৰ, নিষ্ঠুৰতা আদি।

বৰ্তমান সাহিত্য সমাজৰ দাপোণ। এই সাহিত্যই প্ৰকৃত ৰূপ দাঙি ধৰিছে মানৱ সমাজৰ। তাৰ সমানেই বৃদ্ধি পাইছে বৈজ্ঞানিক চিন্তা-ধাৰাৰে সৃষ্টি কৰা সাহিত্যৰাজিৰ। যাৰ বাবে এক সামঞ্জস্য আছে সাহিত্য সমূহৰ মাজত।

ভৱিষ্যতে সাহিত্যই বিভিন্ন সুঁতিৰ সৃষ্টি কৰিব। কাৰণ, যান্ত্ৰিকতাৰে পূৰ্ণ এই পৃথিৱীত সাহিত্যৰ ৰূপ কি হ'ব তাক জনাটোও অসম্ভৱ। কিন্তু যি গতিৰে সাহিত্যৰ ৰূপ সলনি হৈছে এইটো ঠিক যে সাহিত্যই ভিন্ন ৰূপ পাব নহ'লে প্ৰায় বিলুপ্ত হ'ব। সাহিত্য সমূহৰ ৰূপ বেলেগ হৈছে। লেখকৰ সংখ্যক বৃদ্ধি পাইছে। সাহিত্যৰাজি বৃদ্ধি পাইছে, কিন্তু পঢ়ুৱৈৰ সংখ্যা কমি গৈছে। ভৱিষ্যতলৈও যে কি অৱস্থা হ'ব কোনে জানিছে ? অসমীয়া সাহিত্যৰ যি সমৃদ্ধিশালী অৱস্থা আছিল সেয়া এতিয়া পুতৌজনক পৰিস্থিতিলৈ ৰূপান্তৰ হৈছে। ভৱিষ্যতে সাহিত্যৰ স্থিতি মজবুত কৰিবলৈ হ'লে আমি এতিয়াৰ পৰাই প্ৰয়াস কৰিব লাগিব। নিজা অস্তিত্ব বচাই ৰখাৰ চেষ্টা কৰিব লাগিব।

সেয়ে, অসমীয়া সাহিত্যৰ প্ৰচাৰ প্ৰসাৰৰ হেতু প্ৰচেষ্টা অব্যাহত ৰাখি সেই মহানসকলৰ ত্যাগ আৰু নিস্বাৰ্থ সেৱাক শ্ৰদ্ধা জনাই সাহিত্যৰ সাধনা কৰিব লাগিব।■

# মিচিং সকলৰ পৰম্পৰাগত খাদ্য ঃ এক চমু পৰিচয়



অজয় আচাৰ্য্য
প্ৰাক্তন ছাত্ৰ

উত্তৰ-পূৰ ভাৰতৰ 'অসম' নামৰ নিৰ্দিষ্ট ভূ-খণ্ড নানা জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ থলী। এই ভূ-খণ্ডত ইতিহাসে গৰকা দিনৰে পৰা বড়ো, মিচিং, কাৰ্বি, ৰাভা, দেউৰী, গাৰো, তিৱা আদিকে ধৰি সৰু বৰ নানা জাতি-জনগোষ্ঠীৰ লোকে সমিল মিলেৰে বসবাস কৰি আহিছে। এই আটাইবোৰ জাতি-জনগোষ্ঠীয়ে সমিল মিলেৰে বসবাস কৰিলেও তেওঁলোকে প্ৰত্যেকেই নিজা-নিজা লোকসাংস্কৃতিক বৈশিষ্ট্য বজাই ৰখাৰ যত্ন কৰিছে। এইক্ষেত্ৰত অসমৰ দ্বিতীয় বৃহত্তম জনজাতি মিচিংসকলো অন্যতম।

মিচিং সকলৰ লোকসাংস্কৃতিক উপাদানৰ ভিতৰত পৰম্পৰাগত খাদ্য সম্ভাৰ হৈছে অন্যতম। এই পৰম্পৰাগত খাদ্যসম্ভাৰে মিচিং সংস্কৃতিক সমৃদ্ধ কৰাৰ লগতে জনগোষ্ঠীটোৰ স্বকীয় পৰিচয় ধৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মিচিং সকলৰ পৰম্পৰাগত খাদ্য সম্ভাৰসমূহ মূলতঃ প্ৰকৃতিৰ পৰা আহৰিত। মিচিংসকলৰ পৰম্পৰাগত খাদ্য সম্ভাৰৰ ভিতৰত আপং,(পানীয় খাদ্য), পাম্‌নাম(পাতত দিয়া খাদ্য), য়ন্‌নাম(পিটিকা), ৰাঃনাম (সিজোৱা খাদ্য), বাঃনাম(পুৰি খোৱা খাদ্য), আলা বা আগেল দঃনাম (তেল নিদিয়াকৈ ভাজি খোৱা খাদ্য), অয়িং (আঞ্জা) ঙচান(শুকুৰাই খোৱা খাদ্য), তিত্‌জেদ(আচাৰ জাতীয় ব্যঞ্জন), আমবুগ-আলাম(জলপান) আদিয়েই প্ৰধান। এই খাদ্য সম্ভাৰ সমূহৰ বিষয়ে তলত চমুকৈ আলোচনা কৰিবলৈ যত্ন কৰা হ'ল—

**আপং (পানীয় খাদ্য) ঃ**

মিচিংসকলৰ মাজত বহুলভাৱে প্ৰচলিত আৰু সমাদৃত এটি উল্লেখযোগ্য পানীয় খাদ্য হৈছে আপং। ই এবিধ নিচাজাতীয় পানীয় দ্ৰব্য। আপং চাউল আৰু বিভিন্ন বনৰীয়া গছ-লতিকাৰ পাতেৰে তৈয়াৰী। আপঙক উৎপত্তিকালৰ ওপৰত ভিত্তি কৰি 'পঃৰ আপং' আৰু 'নগিন' বা 'নগজিন আপং' নামেৰে দুটা ভাগত ভাগ কৰা হৈছে। 'পঃৰ আপং' প্ৰস্তুত কৰোঁতে ধানখেৰ, তুঁহগুৰি, যিকোনো ধানৰ চাউল আৰু ঔপব (গছৰপাত, লতাৰে নিৰ্মিত এলকহল জাতীয় দ্ৰব্য)ৰ প্ৰয়োজন হয়। 'পঃৰ আপঙ'ক অসমীয়াত 'চাই মদ' বোলা হয়। ঠিক সেইদৰেই 'নগিন' বা 'নগজিন আপং' প্ৰস্তুত কৰোঁতে চাউল আৰু ঔপব(গছৰ পাত, লতাৰে নিৰ্মিত এলকহলজাতীয় দ্ৰব্য)ৰ প্ৰয়োজন হয়। এইবিধ আপঙৰ ৰং বগা হোৱাৰ বাবে অসমীয়াত ইয়াক 'বগা মদ' বুলিও কোৱা হয়। বহুতে ইয়াক 'সাজ' বুলিও কয়।

**পাম্‌নাম (পাতত দিয়া খাদ্য) ঃ**

মিচিংসকলৰ পৰম্পৰাগত খাদ্য সম্ভাৰৰ ভিতৰত 'পাম্‌নাম' অন্যতম। এইবিধ খাদ্য পাতত দি খোৱা হয়। এইবিধ খাদ্য আমিষ আৰু নিৰামিষ দুয়ো ৰূপতে পোৱা যায়। আমিষ পাম্‌নাম খাদ্যৰ ভিতৰত জীৱ-জন্তু, চৰাই-চিৰিকটি, মাছ, কাছ আদিৰ মাংসই প্ৰধান। উল্লেখযোগ্য যে মাছ, মাংসৰ লগত ডিমৰুপাত, ভোলৰ পাত, বেঙুনীয়া কচুৰ পাত, ভেদাইলতা, মানিমুনি, খুতুৰা, জিলমিল, লাই, লফা, পালেং, ৰঙালাউৰ আগ, খৰিচা, বাঁহগাজ আদি মিহলাই সুস্বাদ 'আমিষ পাম্‌নাম' প্ৰস্তুত কৰা হয়। সেইদৰে মেচাকি পাত, ডিমৰু পাত, কেৰেলা পাত, নগা পান, বেংমৰা, কণ বিলাহী আদিত মাছ, মাংস নিদিয়াকৈ নানা ধৰণৰ সুস্বাদ 'নিৰামিষ পাম্‌নাম' প্ৰস্তুত কৰে।

**য়ন্‌নাম (পিটিকা) ঃ**

মিচিংসকলে অসমৰ অন্যান্য থলুৱা জনজাতিবোৰৰ দৰে য়ন্‌নাম বা পিটিকা খায়। মিচিং সকলৰ মাজত আমিষ বা নিৰামিষ এই দুই ধৰণৰ 'য়ন্‌নাম' প্ৰচলন পোৱা যায়। মাছ, মাংস জুইত পুৰি তাৰ লগত নিমখ, জলকীয়া সানি অথবা মাংসৰ লগত আলু, কচু আদি পিটিকি 'আমিষ য়ন্‌নাম' প্ৰস্তুত কৰে। সেইদৰে আলু, কচু, বেঙেনা, বিলাহী, তিতা কেৰেলা, ভাত

কেৰেলা, কাঠআলু, মিঠাআলু আদি পুৰি তাৰ লগত নিমখ জলকীয়া সানি পিটিকি 'নিৰামিষ য়ন্‌নাম' প্ৰস্তুত কৰে।

**ৰাঃনাম (সিজোৱা খাদ্য)ঃ**

মিচিংসকলে কিছুমান খাদ্য সিজাই খায়। তেওঁলোকৰ সিজোৱা খাদ্য সম্ভাৰত মিঠাতেলৰ প্ৰচলন বহুত কম। মিচিংসকলৰ 'ৰাঃনাম' খাদ্যৰ ভিতৰত মাছ, মাংস, শাক-পাচলি, পুৰাং(পাতত দিয়া টোপোলা ভাত), হি-পুৰাং(গাহৰিৰ তেজ আৰু বৰা চাউলেৰে প্ৰস্তুত কৰা টোপোলা ভাত), লাঃচৰ (নানা বনশাক, যেনে—লাই, লফা, মূলা, সৰিয়হ পুলি, মেচাকি পাত, কেৰেলা পাত, ডিমৰু পাত) আদি উল্লেখযোগ্য।

**বাঃনাম (পুৰি খোৱা খাদ্য) ঃ**

মিচিংসকলৰ মাজত 'বাঃনাম' খাদ্যৰ ব্যৱহাৰ প্ৰচুৰ। তেওঁলোকৰ 'বাঃনাম' খাদ্যক প্ৰস্তুতকৰণৰ ওপৰত ভিত্তি কৰি আমিষ আৰু নিৰামিষ এই দুই ভাগত ভগাব পাৰি।

'আমিষ বাঃনাম' খাদ্যৰ ভিতৰত মাছ, মাংস আদিয়েই প্ৰধান। 'বাঃনাম' খাদ্যবোৰ বাঁহৰ খৰিকাত দি জাতি বাঁহৰ চুঙাত দি পুৰি খায়। সেইদৰে 'নিৰামিষ বাঃনাম' খাদ্যৰ ভিতৰত শাক-পাচলি (আলু, কচু, বেঙেনা, কেৰেলা, ভোল, জিকা) আদিয়েই প্ৰধান। এইবোৰ জুইত পুৰি ইয়াৰ লগত নিমখ, জলকীয়া, ধনীয়া আদি দি পিটিকি খায়। কেতিয়াবা আকৌ 'নিৰামিষ বাঃনাম' খাদ্যৰ লগত 'নামচিং' (শুকতি) সানি খায়।

**আলা বা আগেল দঃনাম (তেল নিদিয়াকৈ ভাজি খোৱা খাদ্য)ঃ**

মিচিংসকলৰ মাজত প্ৰচলিত 'আলা বা আগেল দঃনাম' খাদ্যৰ ভিতৰত 'আমবুগঃ' আৰু 'আনাম অঙী' এই দুবিধ খাদ্যই হৈছে প্ৰধান। 'আমবুগঃ হৈছে চাউলৰ পৰা তৈয়াৰ কৰা খাদ্য। সাধাৰণতে দুইৰ পৰা তিনি ঘণ্টা পৰ্যন্ত চাউলখিনি পানীত তিয়াই লৈ সেই পানীখিনি কাঢ়ি লৈ তাৰ পিছত সেই চাউলত তেল নিদিয়াকৈ 'আমবুগঃ' প্ৰস্তুত কৰা হয়। 'আমবুগঃ' ৰ দৰেই তেওঁলোকে তেল নিদিয়াকৈ মাকে, মাটিমাহ আদিও ভাজি খায়। সেইদৰেই 'আনাম অঙী' হৈছে তেল নিদিয়াকৈ কেৱল নিমখ আৰু জলকীয়া দি ভজা মাছ।

**অয়িং (আঞ্জা) ঃ**

মিচিংসকলে ভাতৰ লগত নানা শাক-পাচলি, মাছ, মাংস আদিৰে বিভিন্ন সুস্বাদ আঞ্জা ৰান্ধি পৰিৱেশন কৰে। তেওঁলোকে গুৰি কৰা খুদকণ চাউলৰ লগত মাছ-মাংস মিহলাই বা খুদকণ চাউলৰ লগত নানা শাক-পাচলি মিহলাই আমিষ আৰু নিৰামিষ উভয় প্ৰকাৰৰ আঞ্জা প্ৰস্তুত কৰে। এই আঞ্জাসমূহ হ'ল — আমীন অয়িং। খুদকণ চাউলেৰে প্ৰস্তুত কৰা আঞ্জা), আমীনৰ লগত অভ অয়িং (খুদকন চাউলৰ লগত মাছ দি ৰন্ধা আঞ্জা), ঙচান অঙীৰ লগত আমীনৰ অয়িং(শুকান মাছৰ লগত খুদকণ চাউল দি প্ৰস্তুত কৰা আঞ্জা), ঙচান আঙীৰ লগত আমীনৰ অয়িং(শুকান মাংসৰ লগত খুদকণ চাউল দি প্ৰস্তুত কৰা আঞ্জা), আমীনৰ লগত নামচিং অয়িং(খুদকন চাউলৰ লগত শুকতি দি ৰন্ধা আঞ্জা), পিতাং অয়িং(পিঠাৰ আঞ্জা) কাৰ অয়িং(খাৰৰ আঞ্জা) মেঃৰেদ অয়িং (মাটিমাহত খাৰ দি ৰন্ধা আঞ্জা), আঃৰাদ অয়িং (গাহৰিৰ তেজ আৰু বনৰীয়া শাকেৰে প্ৰস্তুত কৰা আঞ্জা), জীৱৰ অয়িং(বিভিন্ন বনৰীয়া পাত, গছৰ পাত একেলগে দি ৰন্ধা আঞ্জা), কুঃনী অয়িং(টেঙাৰ লগত মাছ বা মাংস দি ৰন্ধা আঞ্জা), জাল অয়িং (কুকুৰা মাংসৰ লগত তেল, জলকীয়া আদি নিদিয়াকৈ জালুক দি ৰন্ধা আঞ্জা), পাগলি আঞ্জা(মিঠা আলুৰ লগত চাউলৰ গুৰি, দালি আদি দি ৰন্ধা আঞ্জা), মায়ং (কাঠআলুৰ লগত গাহৰি বা কুকুৰা মাংস ভাজি প্ৰস্তুত কৰা আঞ্জা), এঙে (কচুৰ গুটি বা ঠুঁৰৰ লগত বিলাহী, ঔ-টেঙা দি ৰন্ধা আঞ্জা) আদিয়েই প্ৰধান।

**ঙচান (শুকুৱাই খোৱা খাদ্য) ঃ**

মিচিংসকলে ধোঁৱাচাঙত শুকুৱাই খোৱা মাছ, মাংসৰে নানা খাদ্য প্ৰস্তুত কৰি পৰিৱেশন কৰে। শুকান মাছেৰে প্ৰস্তুত কৰা নামচেং (শুকতি), অমীন অয়িং (খুদকণ বা গুড়ি চাউলৰ লগত শুকান মাছ ভাজি খোৱা খাদ্য), শুকাই খোৱা বিভিন্ন শাক-পাচলিৰে প্ৰস্তুত কৰা নানা ব্যঞ্জন আদিয়েই হ'ল মিচিং সকলৰ ঙচান খাদ্যৰ ভিতৰুৱা।

**তিত্‌জেদ (আচাৰ জাতীয় খাদ্য) ঃ**

মিচিংসকলে ভাতৰ লগত নানা প্ৰকাৰৰ 'তিতজে্দ' খাদ্য গ্ৰহণ কৰে। তাৰে ভিতৰত ইঃকুং (বাঁহ গাজৰ আচাৰ), কলিব্‌ন (সৰিয়হ গুৰি)ৰ আচাৰ আদি অন্যতম।

**আমবুগ-আলাম (জলপান) ঃ**

জলপান খোৱাৰ প্ৰথা মিচিংসকলৰ মাজত নাই যদিও 'পিনকাং আপিন' (পঁইতা ভাত) কে তেওঁলোকে ৰাতি পুৱাৰ জলপান হিচাপে গ্ৰহণ কৰে। অৱশ্যে সম্প্ৰতি তেওঁলোকে অন্যান্য লোকৰ দৰে সান্দহ গুৰি, চিৰা আদিকো জলপান হিচাপে ব্যৱহাৰ কৰিবলৈ ধৰিছে।

**শিশুৰ খাদ্য ঃ**

মিচিংসকলে অসমৰ অন্য জাতি-জনগোষ্ঠীৰ দৰে শিশুসকলক সুকীয়া খাদ্য প্ৰস্তুত কৰি খোৱাই। মাকৰ গাখীৰ কম হোৱা স্থলত তেওঁলোকে নৱজাত শিশুক ভাতৰ পৰা উলিওৱা মাৰ খোৱাই। সেইদৰে ছয়-সাতমাহমান বয়সৰ পৰা শিশুক সহজে গিলি হজম কৰিব পৰা ধৰণৰ 'বেমাগ্‌নী আপিন' (কোমল ভাত), কল, নানা ফল-মূলৰ ৰস, জলকীয়া নিদিয়াকৈ ৰন্ধা মাছ-মাংসৰ জোল আদি

খোৱাই। অৱশ্যে সাম্প্ৰতিক কালত শিশুক পূৰ্বৰ পৰম্পৰাগত খাদ্যৰ পৰিৱৰ্তে চেৰেলাক, হৰলিক্স আদি বজৰুৱা খাদ্যও খোওৱা দেখা যায়।

বৰ্তমান মিচিংসকলৰ পৰম্পৰাগত খাদ্য-সম্ভাৰে অসমৰ অন্যান্য জাতি-জনগোষ্ঠীৰ লোককো আকৰ্ষিক কৰিবলৈ ধৰিছে আৰু বহুতে এইবোৰৰ প্ৰস্তুতকৰণৰ বিধি সম্পৰ্কেও জানিবলৈ যত্ন কৰিছে। এয়া জনগোষ্ঠীটোৰ বাবে নিতান্তই গৌৰৱৰ কথা। কিন্তু অন্যহাতে বৰ্তমান বিশ্বায়নৰ প্ৰেক্ষাপটত বৰ্ধিত হাৰত ব্যৱহৃত পোলাও, বিৰিয়ানি, ফ্ৰাইড্ৰাইচ আদি কিছুমান 'ফাষ্ট ফুড' জাতীয় খাদ্যই জনগোষ্ঠীটোৰ পৰম্পৰাগত খাদ্যসম্ভাৰত গভীৰ প্ৰভাৱ পেলাইছে। বিশেষকৈ এই ক্ষেত্ৰত বাঢ়ি অহা যুৱ-প্ৰজন্মৰ একাংশই বজৰুৱা এই 'ফাষ্ট ফুড' জাতীয় খাদ্যৰ প্ৰতি আকৰ্ষিত হোৱাই ইয়াৰ মূল কাৰণ। অৱশ্যে বজাৰকেন্দ্ৰিক ব্যৱস্থাৰ জৰিয়তে জনগোষ্ঠীটোৰ পৰম্পৰাগত খাদ্য সম্ভাৰক সমাজৰ সৰ্বস্তৰৰ কাষলৈ লৈ যাব পাৰিলে জনগোষ্ঠীটোৰ এচাম শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে আত্মসংস্থাপনৰ বাট বিচাৰি পাব আৰু তাৰ সমান্তৰালভাৱে জনগোষ্ঠীটোৰ স্বকীয় সত্বাই সুদৃঢ় ৰূপত প্ৰতিষ্ঠা লাভ কৰিব পাৰিব।■

**গ্ৰন্থপঞ্জী ঃ**

গগৈ, লীলা ঃ *অসমৰ সংস্কৃতি*
বনলতা, ডিব্ৰুগড়
৬ষ্ঠ সংস্কৰণ, ২০০৬

দাস, অংশুমান ঃ *অসমৰ জনগোষ্ঠীয় লোকখাদ্য*
আঁক-বাক, গুৱাহাটী
প্ৰথম প্ৰকাশ, ছেপ্তেম্বৰ ২০১২

কুলি, জৱাহৰজ্যোতি ঃ *মিচিং সংস্কৃতি*
কৌস্তুৰ প্ৰকাশন, ডিব্ৰুগড়
প্ৰথম প্ৰকাশ, ২০০৩

**গৱেষণা গ্ৰন্থ ঃ**

মিলি, জ্যোতিৰঞ্জন ঃ *মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্যঃ এক বিশ্লেষণাত্মক অধ্যয়ন*
এম.ফিল.গৱেষণা গ্ৰন্থ
অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০১৩

মৰাং, মুনমী ঃ *বিশ্বায়ন আৰু মিচিং সংস্কৃতি*
(গোলাঘাট জিলাৰ বিশেষ উল্লেখসহ)
এম.ফিল.গৱেষণা গ্ৰন্থ
অসমীয়া বিভাগ,
ডিব্ৰুগড় বিশ্ববিদ্যালয়২০১৩

# অসমীয়া ভাষাত টাই আহোম শব্দ, সাজপাৰ আৰু অলংকাৰৰ সম্পৰ্কে এক চমু অৱলোকন

কৰৱী ফুকন
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)



পৃথিৱীৰ সু-সভ্য প্ৰত্যেক জাতি-জনজাতিৰে একো একোটা স্বকীয় কৃষ্টি থাকে আৰু এই কৃষ্টি প্ৰত্যেকটো জাতি-জনজাতিয়ে সময়ৰ বুকুত অতি আলফুলেৰে কঢ়িয়াই আনে। নিজ নিজ সামাজিক ধাৰণা, প্ৰমূল্যসমূহৰ দ্বাৰাই পৃথিৱীৰ প্ৰত্যেক জনজাতিয়ে নিজস্ব পৰিচয় দি আহিছে। অসমত বসবাস কৰা টাই আহোম লোক সকলো ইয়াৰ ব্যতিক্ৰম নহয়। সু-সংস্কৃতিবান টাই আহোম সকলেও নিজস্ব সুকীয়া ধ্যান-ধাৰণা, কৃষ্টি-সংস্কৃতি, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, লোকাচাৰ, খাদ্যাভ্যাস, ধৰ্ম আদিৰ জৰিয়তে এখন বৃহৎ সমাজৰ এক অন্যতম অংগ ৰূপে চিনাকী দি আহিছে। সমগ্ৰ দক্ষিণ পূব এছিয়া জুৰি বিস্তৃত হৈ থাকিলেও নিজ সংস্কৃতি সময়ৰ বুকুত আহি বৰ্তমান অৱস্থাত উপনীত হৈছে। আহোম সকলৰ জাতীয় ঐতিহ্য-সাংস্কৃতিক পৰম্পৰা, ভাৰতীয় সংস্কৃতিৰ প্ৰেক্ষাপটত এক মূল্যৱান সম্পদ বুলি জন সমাজত পৰিচিত হৈ আহিছে।



ত্ৰয়োদশ শতাব্দীৰ আদি ভাগতে ছ্যুকাফাৰ নেতৃত্বত আহোম সকলে উত্তৰ ব্ৰহ্মদেশৰ হুকং উপকণ্যতাৰ মাউলুঙ ৰাজ্যৰ পৰা পাটকাই পাৰ হৈ অসমত প্ৰৱেশ কৰিছিল। অসমত বাস কৰা আহোম সকলক টাই বা শ্বান হিচাপে অভিহিত কৰা হয় যদিও তেওঁলোক 'আহোম' নামেৰেহে পৰিচিত হৈ পৰিছিল। আহোম সকলে অসমত ৰাজ্য স্থাপন কৰি বিভিন্ন জাতি-জনগোষ্ঠীক এক কৰি তুলিছিল। কিন্তু শাসনৰ বাঘজৰী হাতত তুলি ল'লেও তেওঁলোকে নিজা ভাষা-ধৰ্ম জনগোষ্ঠীসমূহৰ ওপৰত বলপূৰ্বক জাপি দিয়া নাছিল; বৰঞ্চ তেওঁলোকে থলুৱা ভাষা গ্ৰহণ কৰি সেই বিলাকৰ উন্নতিৰ বাবেহে মনোনিৱেশ কৰিছিল। সি যি কি নহওক বুৰঞ্জী লিখা আৰু ধৰ্ম সম্পৰ্কীয় কামত আহোম ৰাজত্ব শেষ হোৱাৰ সময়লৈকে আহোম ভাষাৰ প্ৰচলন কৰিছিল।



অসমৰ অন্যান্য আৰ্য ভিন্ন ভাষাৰ তুলনাত অসমীয়া ভাষালৈ আহোম সকলৰ বৰঙণি নিচেই সামান্য। টাই আহোম ভাষা সাধাৰণতে একাক্ষৰী আৰু সুৰীয়া। সাধাৰণ কথোপকথনত বহু টাই আহোম ভাষাৰ শব্দ অসমীয়া ভাষাত প্ৰৱেশ কৰিছে। তাৰে কিছুমান শব্দ একেবাৰে নিঃশেষ হৈ গৈছে আৰু কিছুমান শব্দ অসমীয়া ভাষাত মিলি গ'লেও আঁতিগুৰি বিচাৰিব পৰা হৈ আছে। কিছুমান শব্দ যেনে – বুৰঞ্জী, ৰং, কাৰেং, ভাং, পাং, চাং, খোৰোং, টাপলি আদি শব্দ অসমীয়া ভাষাৰ লগত মিলি গ'ল।

অসমীয়া ভাষাত টাই আহোম শব্দ কিছুমান অপভ্ৰংশ হৈ সোমাইছে আৰু কিছুমান পোনপটীয়াকৈ সোমাইছে তাৰে কিছুমান শব্দৰ দুয়োটা ৰূপ উল্লেখ কৰা

হ'ল-

| আহোম শব্দ | অসমীয়া শব্দ |
|---|---|
| মিট | মিট (মিট দা, কটাৰী) |
| টুপ | টুপ (ঘৰৰ আগ-ভাগ) |
| চাঙ | চাং (ওখ চাং) |
| ডাক | ডাক উঠা |
| লিং লাং | অথালি পথালি |
| ফাং ফুং | ফাঁকি দিয়া |
| ফাই (জুই) | ফাই উঠা (খং উঠা) |
| বান | বান বান্তি |

কিছুমান শব্দ টাই আহোম আৰু অসমীয়া ভাষাত প্ৰায় একে অৰ্থত আৰু নতুন ৰূপত ব্যৱহৃত হৈ আহিছে। এই শব্দটোৰ টাই আহোম শব্দৰ পৰাই অসমীয়া হৈ আহিছে বুলি অনুমান কৰিব পাৰি।

| আহোম শব্দ | অসমীয়া শব্দ |
|---|---|
| কিনৰু | কেৰু |
| জাঙ ফাই পাত | জাংফাই কেৰু |
| খ্ব-খাপ | ৰিহা |
| হিন লয় | হিলৈ |
| খ্রঙ | খোৰোং |
| আউ নি | আওনি |

টাই আহোম ভাষাৰ সম্বন্ধ বা চক কিছু শব্দ পোনপটীয়াকৈ আহি অসমীয়া ভাষাত প্ৰৱেশ কৰিছে। যেনে – সম্বন্ধবাচক আপাদেউ, আনাইদেউ, পুথাও, নিচাদেউ, পুলিন পুথাও, আইচু আদি।

পুৰণি বুৰঞ্জীসমূহত সঘনে ব্যৱহৃত কিছুমান আহোম শব্দ হ'ল – লিক্‌চৌ, চাওদাং, চকলং, চেও তাং (নগা কটকী), কাৰেং, হেংদান, মিচাং, কুনাং, লাংকুৰী, টাং(স্থিৰ), খাম (সোণ) আদি।

আহোম আৰু অসমীয়া দুয়োটা ভাষাৰেই আহোম বিষয়াসকলৰ নামকৰণ কৰা হৈছিল। সম্প্ৰতি অসমীয়া উপাধি প্ৰচলন হ'লেও আহোম ৰাজত্বৰ কালছোৱাত এইবোৰ আহোম ৰূপতেই প্ৰচলিত হৈ আহিছে। উদাহৰণস্বৰূপে-

| | | |
|---|---|---|
| চাও ফা | – | ৰজা |
| চাও ফ্ৰুঙ ম্যুঙ | – | বুঢ়াগোঁহাই |
| ম' প্লঙ | – | বাইলুঙ |
| ম' হুঙ | – | মহন |
| চাও ছিঙ লুঙ | – | বৰপাত্ৰ গোহাঁই |

অসমৰ বিভিন্ন ঠাইৰ নাম আহোম ভাষাতে নামকৰণ কৰা হৈছিল। বিশেষকৈ উজনি অসমৰ বহু ঠাইৰ নাম আহোম ভাষাৰ। যেনে – পাটকাই, নামৰূপ, পাৰৈ, ছন্টক, টিপাম, টিয়ক, মাকুম, খুমটাই, চৰাইদেউ, নাজিৰা, টিংখাং, টিৰাপ, নামদাঙ, নামতি, চাৰিং আদি।

কিছুমান সততে অসমীয়া ভাষাত প্ৰচলিত শব্দ টাই আহোম ভাষাৰ পৰা অহা বুলি অনুমান কৰিব পাৰি।

| আহোম শব্দ | অসমীয়া শব্দ |
|---|---|
| উন | উম |
| আ | আ (কৰা) |
| কাঙ (কোৰাৰি) | কাঙ (আং কাং ওলোৱা) |
| খাঙ | পাচি |
| পাম (জীৱিকা) | পাম পতা |
| পিঙ (খৰিকা) | পিঙত দিয়া |
| লাই | লাই (প্ৰধান, লাইখুঁটা) |
| ৰঙ হাই (চিঞৰা) | হাই কৰা |

**সাজপাৰ আৰু ৰেচম শিল্প ঃ**

আহোমসকলৰ সাজপাৰ ব্যৱহাৰ কৰা ক্ষেত্ৰতো সাংস্কৃতিক সমন্বয় লক্ষ্য কৰা দেখা যায়। তেওঁলোকৰ সাজপাৰ সমূহে এক সুকীয়া বৈশিষ্ট্যৰ পৰিচয় দিছে। আহোম সকলে আদিতে কলা ৰঙৰ গা চুটি হাত দীঘল বৈ পৰা চেলো পৰিধান কৰা দেখা যায়। ছ্যুকাফাৰ দিনত আহোমসকলে বাচোৱাল, টঙালী, মূৰত পখৰৌ আৰু ৰঙা আঁচুৰ ফুল দিয়া কপাহী গামোচা মূৰত মেৰাই বন্ধা নিয়মহে আছিল। আহোম ৰাজত্বকালৰ পৰা বৰ্তমানলৈকে পৰম্পৰাগত ভাৱে ব্যৱহৃত হৈ অহা আৰু আহোম তিৰোতাই নিজ হাতেৰে বোৱা কেইবিধমান কাপোৰ আৰু সাজপাৰ তলত উল্লেখ কৰা হ'ল-

চোলাৰ ভিতৰত – বুকু চোলা, মিৰ্জাই চোলা, নৰা চোলা, এঙা চোলা, হলৌ চোলা, ফটুৰৈ চোলা, মোগলাই চোলা, সোণালী দৰদৰ জামা, কপাহী জামা, চাটনৰ চোলা, বুটাদাৰ চোলা, ধল পাতৰ চোলা, মখমলৰ জামা, জালি চোলা, আঁতলচৰ জামা, কুঁহিয়াৰপতীয়া চোলা ইত্যাদি।

বিভিন্ন ধৰণৰ কাপোৰ আৰু বৰ কাপোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল – ছকঠীয়া খনীয়া, সাতকঠীয়া খনীয়া উকা খনীয়া, গুণা কটা খনীয়া, গৰিয়লী খনীয়া, বুটা দিয়া খনীয়া, গুটি বোলোৱা খনীয়া, কাৰচিপ্ বন কৰা খনীয়া, নুৰাকটা খনীয়া ইত্যাদি।

মেখেলা আৰু ৰিহাৰ ভিতৰত উল্লেখযোগ্য হ'ল – মুগাৰ মেখেলা, পাটৰ মেখেলা, নৰা মেখেলা, মেজাঙ্কৰী মেখেলা, কিংখাপৰ মেখেলা, কাচিৰ্পৰ মেখেলা, গুণা কটা মেখেলা, বুটাবচা মেখেলা, গোমচেঙৰ মেখেলা ইত্যাদি।

ৰিহাৰ ভিতৰত উল্লেখযোগ্য হ'ল – আঁচুঅলীয়া ৰিহা, দহিঅলীয়া ৰিহা, গৰিয়লী ৰিহা, গুণাকটা ৰিহা, কেঁচ বছা ৰিহা, আচলে পাৰিয়ে গুণাকটা ৰিহা।

চেলেঙ কাপোৰৰ ভিতৰত হ'ল – সোণালী সূতাৰে চাব ধৰা চেলেং, পাৰি দিয়া চেলেং, গুণাকটা চেলেং, দুকতীয়া চেলেং, আচু দিয়া চেলেং, গৰিয়লী চেলেং, দৰিয়লী চেলেং, বনকৰা চেলেং, আঁচুৰ আঁচলে পাৰিয়ে গুণা কটা চেলেং, পাৰি ফুলাম গাৰি দিয়া চেলেং।

চুৰিয়াৰ ভিতৰত– কপাহী চুৰিয়া, মুগাৰ চুৰিয়া আৰু বৰচুৰিয়া। পাগৰ ভিতৰত– মোগলাই পাগ, ফচৌ পাগ, মুগাৰ পাগ, পাটৰ পাগ, চিকন পাগ, মথুৰা পাগ, গুণাকটা পাগ, সোণৰ ফুলবছা পাগ, মৃৰ হাঁচতি বোলোৱা বৰপাগ, উকা পাগ ইত্যাদি।

এইবিলাকৰ উপৰিও হাঁচতি, মৃৰ হাঁচতি, সোণৰ সূঁতা দিয়া হাঁচতি, পানী গামোচা, তিয়নি গামোচা, তালুত সোণৰ ফুল দিয়া গামোচা, পখৰুতং জৰদৰ টঙালি, পাটৰ গুণাকটা টঙালি আদি।

**আ–অলংকাৰ ঃ**

সাজপাৰৰ দৰে আহোমসকলৰ আ–অলংকাৰ সমূহেও এক সুকীয়া বৈশিষ্ট্যৰ পৰিচয় দিছে। শাশ্বত প্ৰভূত অলংকাৰবোৰে যুগজয়ী ঐতিহ্যক সততে সোঁৱৰাই দিয়ে। তেওঁলোকৰ দিনত সোণ, ৰূপ, তামেৰে নানা ধৰণৰ অলংকাৰ তৈয়াৰ কৰা হৈছিল। যিবিলাক পৰৱৰ্ত্তী কালত অসমীয়া গহণা হিচাপে পৰিচিত হৈছিল।

বিভিন্ন ধৰণৰ আঙঠি যেনে– চিৰিপতা আঙঠি, শেণেপতা আঙঠি, জেঠীনেজী আঙঠি, বাখৰামি আঙঠি, মৰানেজীয়া আঙঠি, হীৰা পতোৱা আঙঠি, বাবৰি ফুলীয়া আঙঠি, উকা আঙঠি, পদুম ফুলীয়া আঙঠি ইত্যাদি।

**মনিৰ ভিতৰত ঃ**

জোনবিৰি, শিলিখাবিৰি, পাৰচকুৰাবিৰি, ঢৰীয়াবিৰি, ঢোলবিৰি, মাদলি, পোৱালমণি, ফুটিমণি, শিলিখামনি, গেজেৰা, বানা, দুগদুগী, সাতসৰী, পাঁচসৰী, নসৰী, বালিচৰী, চন্দ্ৰহাৰ, কণ্ঠহাৰ, সাত চৰীয়া সোণৰ মণি, মতামনি, মুকুতামনি, নয়নমণি।

**কেৰুৰ ভিতৰত ঃ**

জাঙফাই কেৰু, নেজেপতা, থুৰীয়া উকা, থুৰীয়া বাখৰুৱা, জাঙফাই থুৰীয়া, কৰ্ণৱালা কঁৰীয়া, লোকাপাৰ, লতকন, লং, কেৰু, সোণৰ থুৰীয়া, বাখৰ পতা ৰূপৰ থুৰীয়া, বঁৰৈ লগা দীঘল কেৰু আদি।

এনেদৰে দেখা যায় যে আহোম সকলৰ ভাষা, সাজপাৰ, আ–অলংকাৰ ইত্যাদিবোৰৰ সুকীয়া আৰু ধাৰাবাহিকতাৰ জৰিয়তে সুকীয়া অস্তিত্ব ৰক্ষা কৰি আহিছে। সাজ–পাৰ আৰু আ–অলংকাৰ সমূহেই টাই সংস্কৃতিৰ সাৰ্বজনীন তথা আন্তৰাষ্ট্ৰীয় ৰূপ প্ৰদান কৰিছে আৰু আহোমসকলৰ কৃষ্টি সংস্কৃতিৰ পৰিচয় দিছে। অসমৰ অন্যান্য আদিবাসী নৃ গোষ্ঠী সমূহে অস্তিত্বৰ শংকা আৰু প্ৰতাৰিত হোৱাৰ শংকাত ভুগিছে।

যিকি নহওক আহোম বংশধৰ সকলে নিজৰ ভাষা সংস্কৃতি বিশ্বাস আৰু পৰম্পৰাৰ এটা ধাৰাবাহিকতা অটুত ৰাখিবলৈ চেষ্টা কৰি আহিছে আৰু এই চেষ্টা অক্ষুন্ন ৰখাত শিক্ষিত লোকসকলৰ লগতে নৱ প্ৰজন্মৰ নিশ্চয়কৈ দায়িত্ব আৰু কৰ্তব্য আছে।

# আলি-আঃয়ে লৃগাং আৰু মিচিং জনজীৱন

লোহিত হাতীবৰুৱা
স্নাতক ষষ্ঠ ষাণ্মাসিক



আলি আঃয়ে লৃগাং কেৱল এটা উৎসৱৰ নামেই নহয়, ই মিচিংসকলৰ জনজীৱনৰ প্ৰাণৰ স্পন্দন। মিচিংসকলৰ আলি আঃয়ে লৃগাং তিনিটা পদৰ সমষ্টি। আলি আঃয়ে আৰু লৃগাং। আলি মানে মাটিৰ তলত হোৱা বীজ, আঃয়ে হ'ল গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ ৰোপন কাৰ্য আৰম্ভ কৰা। অৰ্থাৎ বীজ ৰোৱা কাৰ্য আৰম্ভ কৰা। সেয়েহে এই উৎসৱক কৃষিভিত্তিক উৎসৱ আখ্যা দিয়া হয়। ই কৃষি প্ৰধান। কিন্তু কৃষিপ্ৰধান হ'লেও ই কেৱল কৃষিৰ লগতে সীমাবদ্ধ হৈ থকা নাই ইয়াত থকা নৃত্য আৰু গীতসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে। পূৰ্বে আলি-আঃয়ে লৃগাং উপলক্ষে এমাহ আগৰে পৰা লৃগাঙৰ প্ৰস্তুতি চলিছিল। চিকাৰীৰ দল চিকাৰলৈ, মাছমৰীয়াৰ দল জাকে জাকে মাছলৈ গৈছিল। চিকাৰত পোৱা মাছ-মাংসবোৰ নষ্ট নহ'বৰ বাবে জুইত শুকান কৰি লগত ৰাখিছিল। সেইবোৰক 'ঙ চান' (অঙ আঃচান, শুকান মঙহ) বুলি কোৱা হয়। আলি-আঃয়ে লৃগাঙত বিশেষভাৱে শুকান মাছ আৰু মাংস তেল আৰু মছলা নিদিয়াকৈ আঞ্জা সিদ্ধ কৰি খোৱা হৈছিল। গৰখীয়া ল'ৰাবোৰে তৰণীবিহীন দেহাৰে তৰাপাত, কৌপাত গোটোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। একেখন ঘৰত অতি আন্তৰিকভাৱে আদা, মাহ, বিবিধ বনৰীয়া শাক, মাছ, মাংসৰ সংগ্ৰহ হৈ উঠে। তেল আৰু কণীৰ ব্যৱহাৰ নহয়। কিন্তু আজিকালি পূৰ্বৰ আদা চাটনি, শুকান মাছৰ চাটনি, পঃৰ আপঙৰ পৰিৱৰ্তে ন ন উপাদান সংযোজন হৈছে। চোতালৰ লৃগাং বিহু মঞ্চলৈ উঠি গৈছে। আলি আঃয়ে লৃগাঙৰ দিনাখন ঘৰৰ মূৰব্বী নতুবা পথাৰৰ কামৰ মূল ব্যক্তিজনে পথাৰ নতুবা বাৰীৰ কোণত এডোখৰ মাটি চাহ কৰি চাৰিকোণত চাৰিজোপা মেগলাৰ গছ গুজি দিয়ে। লগত নিয়া আপঙৰ সীহ, কপাহ ইত্যাদিবোৰ যথাস্থানত সন্তৰ্পণে দি মাটিডৰাত লগত নিয়া কঠীয়াখিনি সিঁচি দি এই বচন ফাঁকি মাতে — 'হে সৃষ্টিকৰ্তা, বসুমতী আই, লখিমী আই, সূৰ্য, চন্দ্ৰ, স্নেহময়ী, কল্যাণময়ী, ধুমুহা গাজনি, বতাহ-বৰষুণ, পোক-পৰুৱা তোমালোক আটাইকে সাক্ষী কৰি আজি লৃগাঙৰ দিনা আমি বীজ ৰোপনৰ কাৰ্য আৰম্ভ কৰিছোঁহক, তোমালোকে খেতি পথাৰৰ মংগল

কৰিবাহঁক। 'দুখীয়া' মগনীয়াৰ বাবেও এভাগ পাবলৈ দিবাহঁক। যোৱা বছৰতকৈ এইবছৰ বেছি পাবলৈ দিবাহঁক।' এইদৰে অকলশৰে লৃগ্নদ কৰাৰ পাছত ব্যক্তিজনে মেগলাৰ আগবোৰ এমুঠি কৰি বান্ধি দিয়ে। মেগেলা গছক মিচিংসকলে শক্তিশালী পৱিত্ৰ প্ৰতীক ৰূপত বিশ্বাস কৰে। লৃগ্নদ কৰাৰ পাছতে ব্যক্তিজনে ঘৰলৈ গৈ ঘৰৰ জুহালৰ চাৰিকোণত আৰু জাকিৰ ঠেং বোৰতো লৃগাঙৰ বাবে প্ৰস্তুত কৰা উপাদানৰ কিয়দংশ উপৰিপুৰুষসকলক স্মৰণ কৰি আগবঢ়ায়। তাৰ পাছতে ঘৰখনত লৃগাঙৰ দুৱাৰ উন্মোচন বুলি ধৰা হয়। এইদৰে প্ৰত্যেক গাঁৱৰ প্ৰতিঘৰতে পৰম্পৰাগত লৃগ্নদ হোৱাৰ পাছৰে পৰা বুঢ়া-মেথা, ডেকা-গাভৰুসকলৰ বিহু আৰম্ভ হয়। বুঢ়া-বুঢ়ীসকলে ঘৰে ঘৰে হাত-চাপৰিৰে বিহুগীত গাই ৰঙৰ ভাগ লয়। ডেকা-গাভৰুৰ গুমৰাগ নৃত্যৰ জৰিয়তে মনৰ প্ৰকৃত পৰিচয় দিবলৈ যত্ন কৰে। মিচিংসকলৰ আলি-আঃয়ে লৃগাং উপলক্ষে প্ৰদৰ্শন কৰা নৃত্য-গীতত জনগোষ্ঠীটোৰ ক্ৰমবিকাশৰ ধাৰা সুন্দৰ ৰূপত প্ৰতিফলিত হয়। আলি-আঃয়ে লৃগাং উৎসৱৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পাইছে। লৃগাং উৎসৱক কেন্দ্ৰ কৰি নানান সাংস্কৃতিক কাৰ্যসূচী হাতত লৈ লৃগাং প্ৰেমী ৰাইজে উৎসাহ উদ্দীপনাৰে আলি-আঃয়ে লৃগাং পালন কৰা পৰিলক্ষিত হৈছে। নৃত্য আৰু গীতৰ জৰিয়তে বিভিন্ন শ্ৰেণীৰ মাজত প্ৰতিযোগিতা পাতি নিপুণ শিল্পী আৰু নৰ্তকী বাছি উলিয়াই প্ৰেৰণা যোগাইছে। অঞ্চলবিশেষে স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি গেৱেষণামূলক লেখা প্ৰকাশ আৰু প্ৰচাৰ কৰা কাৰ্যই সু-সংহত তথা সংঘবদ্ধ ৰাইজৰ পৰিচয়কে জ্ঞাপন কৰা বুজাইছে। ধনী-দুখীয়া, উচ্চ-নীচৰ বিচাৰ মিচিং সমাজত নাই। আছে গুণী-জ্ঞানীৰ বিচাৰ। চেনেহৰ লৃগাঙত সকলোৰে আনন্দৰ ভাগ লয়। এনে আলি-আঃয়ে লৃগাং সংহতি আৰু সমন্বয়ৰ প্ৰতীক তেতিয়া হ'ব। যেতিয়া ইয়াৰ জৰিয়তে মঞ্চবিশেষত আন আন সমাজৰ নৃত্য গীতকো স-সন্মানে আঁকোৱালী লৈ একেলগে আগবঢ়াৰ বাস্তৱধৰ্মী পৰিকল্পনা হাতত লয়।■





# Value Based Education – Need of the hour

**Sneha Gogoi**
Assistant professor
Education Department

In India Value Based Education is the real need of the hour. As we see how the society is diminishing in case of values day by day.

Today's Indian youths are little bit confused because of the bombarding of the new technological devices, information explosion and news by the press and media. To inclucate the Value system in their confused minds and make them value oriented-powerful leaders, educational institutions should take the initiative to impart value based spiritual knowledge to this new generation.

Value based education is highly needed in our modern society because our lives have become more miserable. The quantity of education has considerably increased, but the quality has decreased. Why? The number of educated people has reached at high level, but murderer, hatred, and selfishness have spread out like wildfire everywhere. Why? Many books are written, much research is done; many professional achivement are attained, but humanity is threatened. Why?

Therefore, we need Value based education.

Education in India should prepare a man to face life, not only to make out a career for himself. The purpose of education should be, to prepare men who are well informed, Knowledgeable, wise and understand the values of life.

Our history and Mythology taught us of excellent values. We, the Indians, talk loud of our cultural heritage, we talk a lot of the characters of Ram, Krishna, Raja Harishchandra, Buddha, Vivekananda etc. We need not go out anywhere to seek for ideals as we have them all in our Mythology and History. They should be mere decorations on our walls but should not be a source of enlightenment within. Value based education is the only means which can give the young minds the right direction.

The Radha Krishnan commission, The Kothari commission, National Policy on Education etc have gone deep into the role that eduction plays and can play in desigring the National characters.

Imbibing the qualities of good conduct, self-confidence and high Values would help students to earn significant place in the society. Education without values is like a flower without fragrance. Students should realize that character building is equally important as carrer building.

Swami Vivekananda once said, "If education is identical with information, libraries are the greatest 'Sages' of the world and encyclopedias are 'Rishis'. There is something more than mere information that has to be imparted to the young mind."

Value based education, therefore is a part of the Educational programme which cannot be shelved or done away with. It has to be a part of life and life is a constant education and the process of living is a process of learning.■



# ৰাষ্ট্ৰীয় আৰু আৱেগিক সংহতিৰ বাবে শিক্ষা

পৰিস্মিতা দাহোটীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

এখন দেশত বসবাস কৰা বিভিন্ন জাতি-উপজাতি, ভাষা-ভাষী, বৰ্ণ-সম্প্ৰদায়, ধৰ্মবিশ্বাস, কৃষ্টি-সংস্কৃতি আদিৰ মাজত গঢ় লৈ উঠা পাৰস্পৰিক সহযোগিতা, সহনশীলতা, ভাতৃত্ববোধ, প্ৰেম, আৱেগিক বুজাপৰা তথা একাত্মবোধৰ ধাৰণাই হৈছে জাতীয় সংহতি। বৰ্তমান শিক্ষাৰ প্ৰভাৱ কেৱল ব্যক্তিৰ প্ৰয়োজনীয়তাৰ মাজতেই সীমাৱদ্ধ থকা নাই, ই এটা জাতি আৰু আন্তৰ্জাতিক দিশলৈকো সম্প্ৰসাৰিত হৈছে। বিভিন্ন জাতি-জনগোষ্ঠীয় ব্যক্তিসকলৰ মাজত ঐক্য সংহতি স্থাপন কৰি একতাৰ ডোলেৰে বান্ধি ৰখাত কেৱল মাত্ৰ শিক্ষাইহে সহায় কৰিব পাৰে। ভাৰতবৰ্ষ এখন বিশাল দেশ। বিচিত্ৰতাৰ মাজত একতাই হৈছে ভাৰতীয় সমাজৰ মূল বৈশিষ্ট্য। এই বিচিত্ৰতাৰ মাজত ঐক্য ৰক্ষাত শিক্ষণৰ ভূমিকা অনিৰ্বচনীয় কিয়নো, শিক্ষাই দেশৰ প্ৰতিজন ব্যক্তিৰ মাজত সুস্থ চিন্তাধাৰাৰ উন্মোচন ঘটাই মানুহ আৰু জাতিৰ মাজত পৰস্পৰিক নিৰ্ভৰশীলতাৰ ভাৱ জগাই তোলে।

**জাতীয় সংহতিৰ প্ৰয়োজনীয়তা ঃ**

এখন দেশ তথা এটা জাতিৰ বিকাশৰ পথেৰে আগুৱাই নিবৰ বাবে জাতীয় সংহতিৰ নিতান্তই প্ৰয়োজন। জাতীয় সংহতিৰ প্ৰয়োজনীয়তা –

(১) ভাৰতবৰ্ষ বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা, কৃষ্টি সংস্কৃতি, ধৰ্মবিশ্বাসেৰে পূৰ্ণ এখন বিশাল ৰাষ্ট্ৰ। এই বিভিন্নতাৰ মাজত একতাবোধ সৃষ্টি কৰি, অৰ্থাৎ অনৈক্যৰ মাজত ঐক্য প্ৰতিষ্ঠা কৰি ভাৰতবৰ্ষৰ উন্নতি আৰু প্ৰগতি সাধিবৰ বাবে জাতীয় সংহতিৰ প্ৰয়োজন।

(২) ৰাষ্ট্ৰ বা দেশখনৰ সামগ্ৰিক উন্নতিৰ কাৰণে সাৰ্বভৌমত্ব ৰক্ষা কৰি জাতীয়তাবোধ তথা একতাবোধৰ ধাৰণাত উদ্বুদ্ধ হ'বৰ বাবেও জাতীয় সংহতিৰ প্ৰয়োজন।

(৩) জাতীয় মূল্যবোধ সৃষ্টি কৰি দেশৰ গণতান্ত্ৰিক আদৰ্শ অটুট ৰাখিবৰ বাবেও জাতীয় সংহতিৰ প্ৰয়োজন।

(৪) দেশক বিভিন্ন জাতি-জনগোষ্ঠীৰ সন্মিলনত গঢ়ি উঠা এক শক্তিশালী জাতি হিচাপে জাতীয় স্থায়িত্ব ৰক্ষাৰ বাবেও জাতীয় সংহতিৰ প্ৰয়োজন।

**জাতীয় সংহতিৰ সমস্যা ঃ**

দেশৰ জাতীয় সংহতিৰ বিকাশৰ ক্ষেত্ৰত বহুতো সমস্যা বা প্ৰতিবন্ধকতা দেখা যায়। এই সমস্যা সমূহৰ ফলস্বৰূপে দেশৰ জাতীয় সংহতি বিনাশ হয়। জাতীয় সংহতিৰ সমস্যা তথা বিনাশৰ মূল কাৰণবোৰ হ'ল –

**[i] আঞ্চলিকতাবাদ ঃ**

বৰ্ত্মান সময়ত ভাৰতবৰ্ষৰ সকলো প্ৰান্ততে আঞ্চলিকতাবাদৰ ধাৰণাই গা কৰি উঠিছে। অঞ্চলভেদে পৰিলক্ষিত হোৱা অৰ্থনৈতিক, শৈক্ষিক, জীৱন-ধাৰণাৰ মানদণ্ড আদি বিভিন্ন দিশৰ বৈষম্যই আঞ্চলিকতাবাদৰ ধাৰণাৰ বিকাশ ঘটাইছে, ফলত জাতীয় সংহতি স্থাপনত বাধাৰ সৃষ্টি হৈছে।

[ii] **সাম্প্ৰদায়িকতাবাদ ঃ** ভাৰতীয় সমাজত জাতি, ধৰ্ম, বৰ্ণ আদি বিভিন্ন দিশৰ ওপৰত ভিত্তি কৰি সাম্প্ৰদায়িক মনোভাৱৰ বিকাশ হোৱা দেখা যায়। আমি অসমীয়া, আমি বঙালী, আমি হিন্দু, আমি মুছলমান আদি সাম্প্ৰদায়িক মনোভাৱে প্ৰত্যেকে নিজৰ নিজৰ অস্তিত্বৰ প্ৰতি আত্ম-সচেতন কৰি তোলে। এনে মনোভাৱে দেশৰ জণগণৰ মাজত বিচ্ছিন্নতাবাদী ধাৰণাহে গঢ়ি তোলে, সংহতিৰ নহয়। ফলত জাতীয় সংহতি ৰক্ষা কৰাত বাধাপ্ৰাপ্ত হয়।

[iii] **প্ৰাদেশিকতাবাদ ঃ** ভাৰতবৰ্ষত আজি কিছুদিনৰ পৰা একোটা গোষ্ঠীয়ে নিজস্ব ধাৰণাখিনি লৈয়ে একোখন প্ৰদেশ গঢ়ি তোলাৰ চিন্তাধাৰাই গা কৰি উঠিছে। এচাম ভাঙোনমুখী চিন্তাধাৰাৰ লোকে মানুহৰ মনত এনে ধাৰণা সুমুৱাই দিয়াৰ ফলতে প্ৰাদেশিকতাবাদী মনোভাৱে গা কৰি উঠিছে। ইয়াৰ মূল কাৰণ হৈছে সম্প্ৰীতি আৰু বুজাবুজিৰ অভাৱ। এনে মনোভাৱেও জাতীয় সংহতিৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছে।

[iv] **অৰ্থনৈতিক বৈষম্য ঃ** অৰ্থনৈতিক বৈষম্যৰ কাৰণেই মানুহৰ মাজত সবল বা ধনী আৰু দুৰ্বল বা দুখীয়া এই দুটা শ্ৰেণীৰ সৃষ্টি হৈছে। অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীটো সদায় সকলো ক্ষেত্ৰতে পিছপৰি থকা দেখা যায়। এনে পৰিপ্ৰেক্ষিতত জাতীয় সংহতি ৰক্ষা কৰাত যথেষ্ট সমস্যাৰ উদ্ভৱ হয়।

[v] **ৰাজনৈতিক বিৰোধভাৱ ঃ** বৰ্তমান সময়ত ৰাজনৈতিক ক্ষেত্ৰত ৰাজনৈতিক দলৰ সমূহৰ মাজত সৃষ্টি হোৱা চূড়ান্ত খামখেয়ালি আৰু বিৰোধ মনোভাৱে দেশৰ জনসাধাৰণৰ মনত সন্দেহ আৰু বিদ্বেষ ভাবৰ উদয় ঘটায়। এনে ৰাজনৈতিক বিৰোধ ভাৱে জাতীয় সংহতিৰ বিনাশ ঘটাইছে।

[vi] **ৰক্ষণশীলতা আৰু অন্ধবিশ্বাস ঃ** বৰ্তমান সময়ত দেশৰ জনসাধাৰণৰ মাজত শিক্ষাৰ সম্প্ৰসাৰণ ঘটিছে যদিও সমাজত ৰক্ষণশীল মনোভাৱ আৰু অন্ধবিশ্বাসৰ প্ৰভাৱ বৰ্তি আছে। এনে মনোভৱে সমাজত বিশৃংখলতাৰ আৰু অনৈক্যৰ সৃষ্টি কৰে, ফলত জাতীয় সংহতি বাধাপ্ৰাপ্ত হৈছে।

**জাতীয় বা ৰাষ্ট্ৰীয় সংহতি শক্তিশালী কৰাৰ উপায় ঃ**

জাতীয় সংহতি বিকাশৰ ক্ষেত্ৰত শিক্ষাই এক শক্তিশালী ভূমিকা পালন কৰি আহিছে। শিক্ষা আৰু শিক্ষানুষ্ঠানসমূহে দেশৰ জনসাধাৰণৰ সামঞ্জস্যপূৰ্ণ বিকাশৰ জৰিয়তে জাতীয় ঐক্য আৰু সংহতি সাধনত অৰিহণা যোগাব পাৰে। জাতীয় সংহতিৰ লগত কেইটামান বিষয় নিবিড়ভাৱে জড়িত হৈ থাকে। সেই কেইটা হৈছে —

(১) ব্যক্তিগত সংহতি
(২) আৱেগিক সংহতি
(৩) সামাজিক সংহতি
(৪) সাংস্কৃতিক সংহতি
(৫) অৰ্থনৈতিক সংহতি

হংস মেহতা দেশমুখ কমিটিয়ে জাতীয় সেৱা আঁচনিৰ পৰামৰ্শ দি মতামত আগবঢ়াইছিল যে, এনে ব্যৱস্থাই শিক্ষাৰ্থীৰ মাজত সহযোগিতা আৰু সংহতিৰ ভাৱ সুদৃঢ় কৰাত সহায় কৰিব। শিক্ষাই জাতীয় সংহতি সাধন আৰু শক্তিশালী কৰি তুলিবৰ বাবে তলৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পাৰে, যেনে –

[i] **জাতীয়তাবোধ জাগৰণৰ শিক্ষা ঃ** জাতীয়তাবোধ চেতনাই প্ৰত্যেক ব্যক্তিকে নিজৰ জাতি, নিজৰ দেশ তথা ৰাষ্ট্ৰৰ প্ৰতি প্ৰেম, শ্ৰদ্ধা আৰু আনুগত্য প্ৰকাশ কৰিবলৈ শিকায়। মনস্তাত্বিক দৃষ্টিভংগীত জাতীয়বোধক এক প্ৰকাৰ 'গণ–অনুভূতি' বুলি কোৱা হয়। এনে অনুভূতিয়ে জাতীয় সংহতি সাধনত বিশেষ সহায় কৰে, সেয়ে শিক্ষা ব্যৱস্থাৰ দ্বাৰা দেশৰ জনগণৰ মাজত সংহতিৰ ভাৱ জাগৃত কৰিবৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু সুচিন্তিতভাৱে শিক্ষা আঁচনি প্ৰস্তুত কৰিব লাগে। এনে ব্যৱস্থাই জনগণৰ মাজত জাতীয় স্বাৰ্থ অক্ষুণ্ণ ৰখা আৰু দেশ প্ৰেমৰ উচ্চ ভাৱধাৰা পুষ্ট মনোবৃত্তি গ্ৰহণ কৰিবলৈ সক্ষম কৰি তুলিব।

[ii] **সু–নাগৰিকতাৰ বাবে শিক্ষা ঃ** এখন দেশৰ প্ৰতিজন ব্যক্তিয়েই একো একোজন সু–নাগৰিক হ'লেহে এখন দেশ বা এটা জাতিক গঢ় দিব পাৰিব। প্ৰতিজন ব্যক্তিয়েই সু–ব্যক্তিত্বসম্পন্ন হোৱাৰ লগতে নিজৰ কৰ্তব্য আৰু দায়িত্ব নিষ্ঠাৰে পালন কৰিব পাৰিলেহে দেশৰ ঐক্য–সম্প্ৰীতি তথা সংহতি অটুট থাকিব। সেয়ে শিক্ষাৰ দ্বাৰা দেশৰ জনগণৰ মনত নিজৰ কৰ্তব্য আৰু দায়িত্বৰ বিষয়ে সচেতনতা সৃষ্টি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়।

[iii] **আৱেগিতক ঐক্যৰ শিক্ষা ঃ** আৱেগিক সংহতিয়েই হৈছে জাতীয় সংহতিৰ মূলশিপাস্বৰূপ। সু–সংহত আৱেগিক বিকাশ অবিহনে জাতীয়তাবোধৰ মনোভাৱ গঢ়ি তোলে। সংশোধিত আৱেগিক আচৰণে দেশৰ প্ৰতি আনুগত্য আৰু একতাৰ বান্ধোন শক্তিশালী কৰি তোলে। সেয়েহে শিক্ষাৰ দ্বাৰা আৱেগিক সংহতি কটকটীয়া কৰিবৰ বাবে ব্যৱস্থা কৰিব লাগে।

[iv] **সাৰ্বজনীন শিক্ষা ঃ** গণতন্ত্ৰক সফল কৰি তুলিবৰ বাবে আৰু বিজ্ঞান–প্ৰযুক্তিবিদ্যাৰ পৰা সুফল পাবলৈ সংহতিৰ প্ৰয়োজন আৰু ইয়াৰ বাবে দেশত সাৰ্বজনীন শিক্ষাৰ প্ৰচলন ব্যাপক কৰি তুলিব লাগে।

[v] **অৰ্থনৈতিক আত্মনিৰ্ভশীলতাৰ শিক্ষা ঃ** এখন দেশৰ ঐক্য আৰু সম্প্ৰীতিৰ বান্ধোন বহুপৰিমাণে দেশখনৰ অৰ্থনৈতিক সবলতাৰ ওপৰত নিৰ্ভৰশীল। অৰ্থনৈতিক দুৰ্বল অৱস্থাই দেশৰ লোক সকলৰ মনত দেশপ্ৰেম অথবা নিষ্ঠাৰ স্খলন ঘটে, নৈতিকতাৰ অধঃপতন হয়। সেয়ে শিক্ষাই প্ৰতিজন ব্যক্তিকে স্বাৱলম্বী কৰি তুলিব পাৰে। কৰ্মমুখী আৰু বৃত্তিমূলক শিক্ষাৰ প্ৰৱৰ্তন কৰি দেশৰ জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰি তোলাৰ ব্যৱস্থা কৰিব লাগে।

[vi] **যুৱ শিক্ষা ঃ** দেশৰ যুৱ প্ৰজন্মই হ'ল জাতিৰ মেৰুদণ্ড স্বৰূপ। তেওঁলোকেই ভৱিষ্যৎ আশা–ভৰসা আৰু প্ৰগতিৰ মূল। দেশ তথা জাতিৰ সমৃদ্ধি আৰু বিকাশ নিৰ্ভৰ কৰে যুৱপ্ৰজন্মৰ উপযুক্ত বিকাশৰ ওপৰত। শিক্ষাৰ সহায়ত তেওঁলোকৰ মাজত উচ্চ আদৰ্শ, সজ আচৰণ, সজ মনোভাৱ আদি ধাৰণা গঢ়ি তুলিব পাৰে। শিক্ষাৰ দ্বাৰা শিক্ষিত কৰি যুৱশক্তিৰ সফলভাৱে প্ৰয়োগ কৰিব পাৰিলেহে সমাজক সু–সংগঠিত কৰিব পাৰি। এনে কৰিলেহে জাতীয় সংহতি শক্তিশালী হ'ব।

**আৱেগিক সংহতি বৰ্দ্ধনত শিক্ষাৰ ভূমিকা ঃ**

শিক্ষাৰ্থীসকল তথা জনসাধাৰণৰ মনত একতাৰে মিলিজুলি থকা, প্ৰেমবোধ,

দয়া, সহযোগিতা, সম্প্ৰীতি আদিৰ ভাৱ দৃঢ় কৰে আৱেগিক বিবেচনাই। যেতিয়া সকলো লোক আৱেগিকভাৱে ঐক্যৱদ্ধ হয়, তাকে আৱেগিক সংহতি বুলিব পাৰি। আৱেগিক সংহতি বৰ্ধনৰ উদ্দেশ্য ড° সম্পূৰ্ণানন্দৰ নেতৃত্বত গঠন হোৱা আৱেগিক সংহতি কমিটিয়ে কিছুমান পৰামৰ্শ আগবঢ়ায়। তলত আৱেগিক সংহতি স্থাপনৰ ব্যৱস্থাবোৰ আলোচনা কৰা হ'ল —

**একে সাজ পোছাক ঃ** বিদ্যালয়ত তথা শিক্ষানুষ্ঠানত সংহতি স্থাপনৰ বাবে সকলো শিক্ষাৰ্থীয়ে একেধৰণৰ সাজ-পোছাক পৰিধান কৰাটো বাধ্যতামূলক কৰিব লাগে।

**বিশেষ বক্তৃতাৰ ব্যৱস্থা ঃ** বিশেষ পাণ্ডিত্যপূৰ্ণ আৰু সমল ব্যক্তিসকলক সময়ে সময়ে মাতি আনি বিভিন্ন ধৰ্ম, সমাজ আৰু জাতিৰ বিষয়ে বক্তৃতা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনে বক্তৃতাৰ সাৰমৰ্ম উপলব্ধি কৰিব পাৰিলে শিক্ষাৰ্থীৰ মনত সংহতিৰ ভাব জাগি উঠিব।

**মুকলি মঞ্চত অভিনয় ঃ** সংহতি স্থাপন কৰিব পৰা বিষয়পুষ্ট নাটক, নৃত্যনাটিকা আদি লৈ বিভিন্ন জাতি, কৃষ্টি আৰু সংস্কৃতিৰ ঐক্যৰ প্ৰয়োজনীয়তা দেখুৱাই শিক্ষাৰ্থীসকলক মুকলি মঞ্চত অভিনয় কৰাৰ সুযোগ দিব লাগে।

**আলোচনা চক্ৰৰ আয়োজন ঃ** সংহতি জগাই তুলিব পৰা বিভিন্ন বিষয়ৰ ওপৰত বিদ্যালয়ৰ আলোচনাচক্ৰপাতি শিক্ষাৰ্থীৰ অংশগ্ৰহণৰ প্ৰতি উৎসাহ যোগাব লাগে।

**জাতীয় সংগীত ঃ** শিক্ষাৰ্থীৰ মনত আৱেগিক সংহতি সুদৃঢ় কৰিবৰ বাবে তথা দেশপ্ৰেমৰ ধাৰণা জগাই তুলিবৰ বাবে নিৰ্ভুল আৰু স্পষ্টভাৱে জাতীয় সংগীত গাবলৈ শিকাব লাগে। ইয়াৰোপৰি জাতীয় সংগীতৰ তাৎপৰ্য উপলব্ধি কৰিবলৈ যাতে সফল হয় তাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে।

**জাতীয় পতাকাৰ প্ৰতি সন্মান ঃ** শিক্ষাৰ্থী সকলক জাতীয় পতাকাৰ প্ৰতি সন্মান জনাবলৈ শিকাব লাগে। জাতীয় পতাকাখনৰ তাৎপৰ্য, মৰ্যদা আৰু ঐতিহাসিক বিৱৰণৰ বিষয়ে জ্ঞান প্ৰদান কৰিব লাগে।■



# সামাজিক শিক্ষা বা প্ৰাপ্তবয়স্ক শিক্ষা



বলীন মৰাণ
স্নাতক তৃতীয় ষান্মাসিক

প্ৰাপ্তবয়স্ক শিক্ষাক একপ্ৰকাৰৰ নিৰক্ষৰতা দূৰীকৰণৰ শিক্ষা বুলি কোৱা হয়। এখন দেশৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়ণত নিৰক্ষৰতাই এক প্ৰত্যাহ্বান স্বৰূপে থিয় দিয়ে। নিৰক্ষৰসকলে তেওঁলোকৰ অন্তনিৰ্হিত সুপ্ত প্ৰতিভাক কৰ্মক্ষেত্ৰত সুচাৰুপে প্ৰয়োগ কৰাত অপৰাগ হয়। শিক্ষা হৈছে মানৱ উন্নয়ণৰ মেৰুদণ্ড আৰু একোটা জাতিৰ অমূল্য সম্পদৰূপে। সেয়ে ১৯৫০ চনত ৰচিত ভাৰতীয় সংবিধানত ৬ৰ পৰা ১৪ বছৰৰ সকলো ল'ৰা–ছোৱালীৰ বাবে শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰা হৈছে যাতে দেশৰ সকলো লোকেই সাক্ষৰ হয়।

ভাৰতবৰ্ষৰ দৰে উন্নয়ণশীল দেশত নিৰক্ষৰতাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। একোখন দেশক সমৃদ্ধিশালী কৰি তুলিবলৈ প্ৰত্যেকজন নাগৰিককে শিক্ষা, পাৰদৰ্শিতা আৰু উপযুক্ত অৰ্হতাৰ প্ৰয়োজন হয়। ইয়াৰ বাবেই সকলো লোক সাক্ষৰ হোৱাটো নিতান্তই প্ৰয়োজন।

**সামাজিক শিক্ষা বা প্ৰাপ্তবয়স্ক শিক্ষাৰ উদ্দেশ্য ঃ**

শ্ৰীমোহনলাল চাক্সেনাৰ সভাপতিত্বত সামাজিক শিক্ষাৰ উদ্দেশ্যসমূহ নিৰ্ণয় কৰিবৰ বাবে এখন কমিটি গঠন কৰা হয়। এই কমিটিখনে সামাজিক শিক্ষাৰ উদ্দেশ্যসমূহ তলত উল্লেখ কৰাৰ দৰে নিৰ্ণয় কৰিছে ঃ—

১। শিক্ষাৰ ক্ষেত্ৰত লিখা, পঢ়া আৰু গণিতৰ বিশেষ জ্ঞান দানৰ লগতে জ্ঞান অৰ্জনৰ প্ৰতি অনুৰাগ সৃষ্টি কৰা।

২। দেশ আৰু জাতিৰ প্ৰতি বয়স্কসকলৰ মনত দায়িত্ববোধ আৰু সামাজ সেৱাৰ ভাৱধাৰা গঠন কৰা।

৩। গণতন্ত্ৰৰ প্ৰতি আকৰ্ষিত কৰা আৰু গণতান্ত্ৰিক ভাৱধাৰাৰে কেনেদৰে বিভিন্ন কাৰ্য সম্পাদনা কৰিব পাৰি তাৰ জ্ঞান প্ৰদান কৰা।

৪। প্ৰাপ্তবয়স্কসকলক নিজ দেশ আৰু গোটেই বিশ্বই সন্মুখীন হোৱা সমস্যাৰাজিৰ বিষয়ে চিন্তাশীল কৰি তোলা।

৫। পাঠ, আলোচনা ইত্যাদিৰ মাজেৰে নৈতিক, আধ্যাত্মিক আৰু গণতান্ত্ৰিক মূল্যাবোধৰ জ্ঞান প্ৰদান কৰা।

৬। স্বাস্থ্য আৰু পৰিষ্কাৰ–পৰিচ্ছন্নতা সম্পৰ্কে জ্ঞান প্ৰদান কৰা।

৭। প্ৰাপ্তবয়স্কসকলে যাতে নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব পাৰে তাৰ বাবে কোনো শিল্পবিষয়ক জ্ঞান প্ৰদান কৰে।

**জাতীয় প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচী ১৯৭৮ চন ঃ**

১৯৭৮ চনৰ ২ অক্টোবৰ তাৰিখে নিৰক্ষৰতা দূৰীকৰণ অভিযানক বিশেষ অগ্ৰাধিকাৰ দি ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই আঁচনিয়ে ১৫ বছৰৰ পৰা ৩৫ বছৰৰ নিৰক্ষৰ জনগণক সামৰি লোৱাৰ ব্যৱস্থা কৰে।

১৯৭৮ চনৰ ২ অক্টোবৰ তাৰিখে আনুষ্ঠানিকভাৱে পাতনি মেলা ৰাষ্ট্ৰীয় পাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীখন গুৰুত্বপূৰ্ণ দিশবোৰ হ'ল —

১। প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিসমূহৰ সফল ৰূপায়ণত সকলোবোৰ বিদ্যালয়ে সক্ৰিয় অংশ গ্ৰহণ কৰিব।

২। ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সকলোবিলাক কৰ্মচাৰীৰ বাবে প্ৰশাসনসমূহে প্ৰাপ্তবয়স্ক শিক্ষাৰ ব্যৱস্থা কৰিব।

৩। জাতীয় পর্যায়ত, ৰাজ্যিক পর্যায়ত আৰু খণ্ড পর্যায়ত প্রাপ্তবয়স্ক শিক্ষাৰ দায়িত্বত যিসকল ব্যক্তি থাকে তেওঁলোকৰ কাৰণে বিশেষ প্রশিক্ষণৰ ব্যৱস্থা কৰা।

৪। পাঠ্যক্রমৰ সময়সীমা ৩০০–৩৫০ ঘণ্টাৰ ভিতৰত হ'ব লাগিব।

৫। নতুন শিকাৰুসকলৰ বাবে গ্রামীণ আৰু ৰাজহুৱা পুথিভৰাঁলসমূহত নতুন শিকাৰুৰ সাহিত্য আৰু অন্যান্য কিতাপ পত্র বিতৰণ কৰা হ'ব।

৬। যথোপযুক্ত মূল্যায়ন পদ্ধতি আৰু গৱেষণাৰ জৰিয়তে এনে কার্যসূচীৰ ক্রটিপূর্ণ পৰিচালনা আৰু অপচয় ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগিব।

**প্রাপ্তবয়স্ক শিক্ষাৰ প্রয়োজনীয়তা ঃ**

সমাজত নিৰক্ষৰ লোকসকলে নানাধৰণৰ সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। এনে সমস্যাবোৰৰ পৰা তেওঁলোকক মুক্ত কৰিবৰ বাবে বিশেষভাৱে সজাই পৰাই তোলা এক সাধাৰণ শিক্ষাৰ ব্যৱস্থা কৰা প্রয়োজন। বর্তমান প্রাপ্তবয়স্ক শিক্ষা কিয় প্রয়োজন সেই সম্পর্কে তলত উল্লেখ কৰা হ'ল –

১। নিৰক্ষৰ জনসাধাৰণৰ বাবেই দেশত জনসংখ্যাৰ হাৰ দ্রুত হাৰত বৃদ্ধি পায়। সেয়ে অভূতপূর্ব জনসংখ্যা বিস্ফোৰণৰ পৰা দেশক ৰক্ষা কৰিবৰ বাবে জনসচেতনতা জগাই তুলিবৰ বাবে জনসংখ্যা শিক্ষাৰ অতি প্রয়োজন।

২। সমাজত বর্তি থকা বিভিন্ন শোষণ, পীড়ন, অপ্রীতি আদি আঁতৰ কৰি এখন সুস্থ সমাজ গঢ়ি তুলিবৰ বাবেও প্রাপ্তবয়স্ক শিক্ষাৰ প্রয়োজন।

৩। আৱেগিক আৰু জাতীয় সংহতিৰ বিকাশ সাধনৰ বাবে সমাজৰ নিৰক্ষৰ জনগণৰ মাজত সমতা, ভাতৃত্ব, বন্ধুত্ব, সামাজিক ন্যায় আদিৰ জ্ঞান প্রদানৰ বাবেও এই শিক্ষাৰ প্রয়োজন।

৪। সমাজৰ প্রত্যেকজন ব্যক্তিয়েই যাতে শিক্ষা লাভ কৰিবলৈ সক্ষম হয় তাৰ ব্যৱস্থা কৰাৰ বাবেও এই শিক্ষাৰ প্রয়োজন।

৫। প্রাপ্তবয়স্ক শিক্ষাৰ বাবে ৰাজ্য চৰকাৰসমূহত একোখন বর্ড গঠন কৰাৰ লগতে জিলা ভিত্তিতো একোখন কমিটি গঠন কৰিব লাগে।

৬। অবিৰত শিক্ষাৰ ব্যৱস্থা কৰি প্রাপ্তবয়স্ক শিক্ষাক গতিশীল কৰি ৰখাৰ বাবে উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব লাগিব।

**প্রাপ্তবয়স্ক শিক্ষাৰ সমস্যা ঃ**

ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পাছৰ পৰাই অসংখ্য সমস্যাৰ সমাধান কৰি আহিছে। সমস্যাবিলাকৰ ভিতৰত কোটি কোটি নিৰক্ষৰ জনসাধাৰণক সাক্ষৰ কৰি তোলাটোও এক জটিল সমস্যা। এই নিৰক্ষৰ লোকসকলক সাক্ষৰ কৰি তোলাৰ উদ্দেশ্যেই দেশে প্রাপ্তবয়স্ক শিক্ষা আঁচনি গ্রহণ কৰে। এই শিক্ষা ব্যৱস্থাই ইয়াৰ সফলতা লাভৰ ক্ষেত্রত বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। সেই সমস্যাবোৰ তলত উল্লেখ কৰা হ'ল —

১। পুঁজিৰ অভাৱ ঃ প্রাপ্তবয়স্ক শিক্ষাৰ বাবে যিমান পুঁজি ধার্য কৰা হয় সেয়া প্রকৃততে উপযুক্ত নহয়। সেই নির্ধাৰিত পুঁজিৰে প্রাপ্তবয়স্ক শিক্ষাৰ আঁচনিক বাস্তৱায়িত কৰা সম্ভৱ নহয়।

২। উপযুক্ত পৰিকল্পনাৰ অভাৱ ঃ প্রাপ্তবয়স্ক শিক্ষাক বাস্তৱায়িত কৰিবৰ বাবে উপযুক্ত শিক্ষা পৰিকল্পনা প্রস্তুতিৰ অভাৱো এই শিক্ষাৰ এক সমস্যাস্বৰূপ।

৩। বিজ্ঞান শিক্ষা ব্যৱস্থাৰ অভাৱ ঃ প্রাপ্তবয়স্ক শিক্ষাত বৈজ্ঞানিক ব্যৱস্থাৰে শিক্ষাদান কৰাৰ ব্যৱস্থা নাই বুলিয়েই ক'ব পাৰি। অর্থাৎ কৃষিক্ষেত্র, পাম, অন্যান্য ব্যৱহাৰিক ক্ষেত্রবোৰত বৈজ্ঞানিক প্রণালীৰ ব্যৱহাৰ সম্পর্কে শিকোৱাৰ ব্যৱস্থা নাই।

৪। নাৰী শিক্ষাৰ প্রতি অৱহেলা ঃ বিশেষকৈ আমাৰ ৰক্ষণশীল সমাজ ব্যৱস্থাত আজিও বহু অঞ্চলত ছোৱালীতকৈ ল'ৰা সন্তানৰ পঢ়া-শুনাতহে বেছি গুৰুত্ব দিয়া হয়। ছোৱালী শিক্ষাৰ প্রতি পিতৃ-মাতৃৰ অমনোযোগিতাৰ ফলতেই নিৰক্ষৰ মহিলাৰ হাৰ বৃদ্ধি পাইছে।

৫। পাঠ্যক্রমৰ সমস্যা ঃ প্রাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্রত কোনোধৰণৰ পদ্ধতিগত পাঠ্যক্রম দেখা পোৱা নাযায়। এই শিক্ষাৰ পাঠ্যক্রমখনত বয়স্ক লোকসকলক কোন কোন বিলাক বিষয় শিকাব তাৰ কোনো নির্দিষ্টতা নাই।

৬। শিক্ষাৰ অভাৱ ঃ প্রাপ্তবয়স্ক শিক্ষা আঁচনিক সফল কৰি তুলিবৰ বাবে আৰু তেওঁলোকক উপযুক্ত শিক্ষা প্রদান কৰিব পৰাকৈ যথোপযুক্ত প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ অভাৱ হোৱা দেখা যায়।

**প্ৰাপ্তবয়স্ক শিক্ষাৰ সমস্যাসমূহ দূৰীকৰণৰ উপায় ঃ**

প্ৰাপ্তবয়স্ক শিক্ষাত দেখা দিয়া সমস্যাসমূহ দূৰীকৰণৰ বাবে তলৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগিব —

১। প্ৰাপ্তবয়স্কসকলক শিক্ষাদান কৰা পদ্ধতি মনোবৈজ্ঞানিক ভেটিত প্ৰতিষ্ঠিত হোৱাৰ লগতে ব্যাপক আৰু গতিশীল কৰি তুলিব লাগিব।

২। প্ৰাপ্তবয়স্ক লোকসকলৰ মনোগ্ৰাহী হোৱাকৈ আকৰ্ষণীয় পাঠ্যপুথি যোগান ধৰিব লাগিব।

৩। বয়স্ক লোকসকলক শিক্ষা প্ৰদান কৰা শিক্ষকসকল প্ৰশিক্ষণপ্ৰাপ্ত হ'ব লাগিব। সেয়ে শিক্ষক প্ৰশিক্ষণৰ সু-ব্যৱস্থা কৰিব লাগিব।

৪। যোগাযোগ আৰু যাতায়াত ব্যৱস্থা সুগম কৰি তোলাৰ লগতে প্ৰাপ্তবয়স্কসকলৰ সুবিধা হোৱাকৈ শিক্ষাকেন্দ্ৰবোৰৰ ব্যৱস্থা কৰিব লাগিব।

৫। শিক্ষণীয় সা-সজুঁলিবোৰ উন্নত কৰি তোলাৰ ওপৰত গুৰুত্ব দিব লাগিব।

৬। প্ৰাপ্তবয়স্ক শিক্ষা ব্যৱস্থাত বিজ্ঞানভিত্তিক শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগিব।■





# EXAMS STRESS : HOW TO GET RID OF IT

**Pranjal Sarkar**
B.Sc. 3rd sem

The majority of us have, at one time or another, been in a situation where you sit down at the desk and open your exam paper, only to realise that somewhere between the door and your seat, all of the information that you have been revising for the past few months has leaked out of our ear. You start to panic because you have completely forgotten a year's worth of work and all you can here the ticking of your watch as it counts down the minutes until the end of the exam. This particular form of stress is known as exam anxiety and some people are more susceptible. to it than others. Stress is a natural, healthy bodily response which humans have evolved in order to protect them in times of danger. When an individual is faced with a stressor a hormone is relased within the body which causes various physiological changes; the heart begins to pump faster in order to supply the body's muscles with a large supply of oxygen, blood pressure thus increases and the body perpires more to prevent over-heating due to the body's increased metabolic rate. Although this evolutionary advantage is excellent at preparing the body for a fight with a wild tiger. It is not magnificient when it comes to students are their exams. According to finding by social research phychologist Martyn Descombe, teenagers suffer from exam stress for four reasons.

1) The educational or occupational consequence associated with the outcome of the exam;
2) Their self-esteem with regards to the outcome of their grades (students are likely to have a higher self-esteem with higher grades).
3) Judgements from friends parents in relation of their preformance and
4) Fear of disappointing from teachers.

**So What Can We Do To Avoid It?**

Excessive anxiety can make it almost impossible for a student to focus on their exam and it is often the case that they struggle to recall things that they have studied. This is because- due to that pesky evolutionary response again- the body releases large amounts of the stress hormones known as cortisol during times of stress. Studies have shown that cortisol impairs the speed of

memory retrieval in humans. Nutritional biochemist Shawn Talbott's research shows that there is 50 percent more cortisol in the blood stream if an individual has six hours' sleep instead of the recommended eight hours.

It is also important for you to maintain a nutrition-rich diet, plenty of water and eat three meals a day; this will keep the cortisol hormone at natural level and allow you to concentrate fully on the task at hand.

**Examination Anxiety Before Exam Begins**

Some people and that after suffering a highly stressful test once, their past experiences create outline or a plan or theory for how they expect future exams to be and therefore become more and more stessed in the lead up to their exams. This form of chronic stress caused all of the same physiological changes as the immediate stress response but over a longer period of time. This can cause high blood pressure, heart disease and seriously weaken the immune system. Chronic stress is difficult to overcome as it tends to build up over a period of time. With this information in mind it is important to identify potential future stessors at the beginning of the educational year and to plan your revision time table and making sure that you attend your classes throughout the year in order to make it easier for yourself when it comes to the exam period. This typical student stressors is leaving their projects and work till the last minute, always using the excuse that they work better with a tight deadline; we all knoe from our experience however, that students are just too laid-back.■






# ষান্মাষিক পদ্ধতি ঃ ইয়াৰ প্ৰাসংগিকতা

ৰাজীৱ ছেত্ৰী
স্নাতক ৫ ম ষান্মাসিক

বৰ্তমান গোটেই বিশ্বৰ উচ্চ শিক্ষা ব্যৱস্থাত এক জনপ্ৰিয় শিক্ষা ব্যৱস্থাৰ সৃষ্টি হৈছে, যিয়ে সাম্প্ৰতিক কালছোৱাত গোটেই বিশ্বখনৰ উচ্চ শিক্ষা ব্যৱস্থাক এক ব্যাপক পৰিবৰ্তনৰ সন্মুখীন কৰাইছে। ইয়াৰ প্ৰভাৱ ভাৰতবৰ্ষৰ নিচিনা উন্নয়নশীল গণতান্ত্ৰিক ৰাষ্ট্ৰতো অপৰিসীম।

মূলতঃ এনে জনপ্ৰিয় উচ্চ শিক্ষা ব্যৱস্থাটোৰ নাম হৈছে SEMESTER SYSTEM (ষান্মাসিক পদ্ধতি) যাৰ অৰ্থ হৈছে আধা বছৰীয়া শিক্ষা ব্যৱস্থা। মূলতঃ জাৰ্মানি দেশৰ এই ব্যৱস্থাটোৱে প্ৰাচ্য–পাশ্চাত্য সকলো ৰাষ্ট্ৰত নিজৰ স্থিতি সবল কৰি ৰাখিবলৈ সক্ষম হৈছে। আৰু নহবনো কিয়? এই ব্যৱস্থাটোৰ অৰ্থই হৈছে যে ষান্মাসিক অৰ্থাৎ ছমহীয়া। ভাৰতবৰ্ষৰেই হওক বা বেলেগ ৰাষ্ট্ৰৰেই হওক প্ৰত্যেক ৰাষ্ট্ৰত অলপ আগৰ সময়ছোৱালৈকে উচ্চ শিক্ষা ব্যৱস্থাটো ১+১+১=৩ বছৰ। এনে ধৰণৰ আছিল। অৰ্থাৎ উচ্চ শিক্ষাৰ বাবে তিনিবছৰীয়া পাঠ্যক্ৰম আছিল, কিন্তু জাৰ্মানৰ এনে জকাত–জিলিকা চমকৰ বাবে এই পদ্ধতি ১/২ + ১/২ + ১/২ + ১/২ + ১/২ + ১/২ = ৬ টা ষান্মাসিক অৰ্থাৎ তিনিবছৰীয়া পাঠ্যক্ৰমটো ছটা স্তৰৰ দ্বাৰা গঠিত হয়গৈ। যিয়ে শিক্ষাৰ্থীসকলক উচ্চ শিক্ষাৰ বাবে অতিকৈ অভিৰুচিত কৰি তুলিবলৈ সক্ষম হয়গৈ।

কিন্তু এনে ষান্মাসিক পদ্ধতিটো শিক্ষাৰ লগত অবিৰত ভাৱে জড়িত হৈ থাকে যদিও ভাৰতবৰ্ষৰ নিচিনা উন্নয়নশীল দেশত ইয়াৰ প্ৰাসংগিকতা আছে নে নাই সেইটো ডাঙৰ কথা। কাৰণ ভাৰতবৰ্ষত এই ষান্মাসিক পদ্ধতি আৰম্ভ হোৱা বেছি দিন হোৱা নাই। ভাৰতবৰ্ষত পোন প্ৰথমবাৰৰ বাবে IIT (ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানে) এই ব্যৱস্থাৰ ব্যৱহাৰ কৰিছিল। ফলস্বৰূপে ২০১১ চনৰ পৰা অসমতো এই ষান্মাসিক পদ্ধতি মহাবিদ্যালয় / বিশ্ববিদ্যালয় সমূহত ব্যৱহাৰ কৰা হয়। যিয়ে অতি সোনকালে নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰিবলৈ সক্ষম হয়।

কিন্তু এটা কথা এই যে এই ষান্মাসিক পদ্ধতিটো ভাৰতবৰ্ষ বা অসমৰ নিচিনা ৰাজ্যত কিমান সফল হৈছে বা ভৱিষ্যতত সফল হোৱাৰ সম্ভাৱনা আছে সেয়াহে ডাঙৰ বিচাৰ্যৰ বিষয়। কাৰণ বৰ্তমান শিক্ষা ব্যৱস্থাটো সু–নিশ্চিতভাৱে যদিও শিক্ষাৰ্থীসকলে এই ব্যৱস্থাটো গ্ৰহণ কৰিছে, তথাপি প্ৰত্যেক শিক্ষাৰ্থীৰ ভৱিষ্যত গঠন হ'ব নে নহ'ব বা এনে শিক্ষা ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলো শিক্ষাৰ্থী সক্ষম হ'ব নে নহ'ব সেয়া ডাঙৰ কথা।

মই নিজে এই ষান্মাষিক পদ্ধতিৰ যোগেদি অধ্যয়নৰত ছাত্ৰ হোৱাৰ বাবে মই নিজেই এই ষান্মাসিক পদ্ধতিটোক ভালদৰে উপলব্ধি কৰি এক মত হ'ব পাৰিছোঁ যে এই ষান্মাসিক ব্যৱস্থাৰ যোগেদি শিক্ষাৰ হাৰ বৃদ্ধি হ'ব যদিও মোৰ দৃষ্টিত ইয়াৰ বহুতো সুবিধা–অসুবিধা বা গুণ / দোষ সমূহ আছে।

**সুবিধা বা গুণসমূহ ঃ**

১) ষান্মাসিক পদ্ধতিৰ শিক্ষা ব্যৱস্থাটো এক অবিৰত শিক্ষা প্ৰক্ৰিয়া। কাৰণ শিক্ষাৰ্থীয়ে অনবৰতে এই ব্যৱস্থাটোৰ লগত জড়িত হৈ থাকে।

২) খন্তেকীয়া বা চমু শিক্ষা ব্যৱস্থা। কাৰণ বছৰত দু–বাৰকৈ পৰীক্ষা হোৱাৰ বাবে শিক্ষা প্ৰক্ৰিয়া চমু হৈ পৰে।

৩) উচ্চ শতাংশ সৃষ্টি কৰিব পৰা শিক্ষা প্ৰক্ৰিয়া। কাৰণ এই ব্যৱস্থাটোৰ দ্বাৰা বহু পৰিমাণে অধিক অৰ্হতা বা নম্বৰ পাব পৰা

যায়।

৪) পুথি বা পাঠ্যক্রমকেন্দ্রিক শিক্ষা ব্যৱস্থা। এই পদ্ধতিটো সম্পূৰ্ণ ভাৱে পাঠ্যপুথি কেন্দ্ৰিক।

৫) এক সু-শৃংখল তথা স্তৰ ক্ৰমে থকা শিক্ষা ব্যৱস্থা।

৬) প্ৰতিভাৱান শিক্ষাৰ্থী সৃষ্টি কৰাৰ শিক্ষা ব্যৱস্থা বা পদ্ধতি।

৭) শিক্ষাৰ্থীৰ লক্ষ্য / উদ্দেশ্যবোৰ প্ৰকৃত পালনকৰ্তা।

৮) সুযোগ প্ৰদানকাৰী শিক্ষা ব্যৱস্থা।

৯) কঠোৰ অনুশাসন, নীতি-নিৰ্দেশনা, ৰুচি-অভিৰুচি থকা শিক্ষা ব্যৱস্থা।

১০) শিক্ষাৰ্থীক অভিৰুচি (Motivated) কৰা শিক্ষা ব্যৱস্থা।

অসুবিধা বা দোষ সমূহ ঃ

১) চুটি সময় থকা শিক্ষা প্ৰক্ৰিয়া। যাৰ দ্বাৰা বহু জটিলতা বা সমস্যাৰ সৃষ্টি হয়।

২) পুথিকেন্দ্ৰিক শিক্ষা ব্যৱস্থা। পাঠ্যক্ৰমৰ বাদে অন্য একো আলাপ-আলোচনা এই শিক্ষা ব্যৱস্থাত ব্যৱহাৰ কৰা নহয়।

৩) বহু খৰছীয়া। প্ৰত্যেক Semester ত ব্যাপক ধন ব্যৱহাৰ হয়। কিতাপ-পত্ৰ, নামভৰ্ত্তি কৰাৰ পৰা আদি কৰি সকলো ক্ষেত্ৰতে বহু ধনৰ প্ৰয়োজন হয়।

৪) শিক্ষক-শিক্ষাৰ্থীৰ সমন্বয়ক দূৰত ৰাখে।

৫) সহ-পাঠ্যক্ৰমক মৰ্যাদা প্ৰদান নকৰা শিক্ষা ব্যৱস্থা।

৬) শিক্ষাৰ্থীক কেৱল পাঠ্যপুথিৰ লগত ব্যস্ত কৰি ৰখা শিক্ষা প্ৰক্ৰিয়া।

৭) শিক্ষাৰ্থী সকলৰ মানসিক বোজা বৃদ্ধি কৰে।

৮) কেৱল পুথিকেন্দ্ৰিক বা মূল দফা সমূহৰ বিষয়ে শিক্ষা প্ৰদান কৰাৰ সুযোগ প্ৰদান কৰে। সাধাৰণ জ্ঞানক কোনো মৰ্যাদা নিদিয়ে।

৯) শিক্ষাৰ সৰ্বাংগীন উদ্দেশ্যক দূৰত ৰাখে।

১০) কেৱল শতাংশ (%) বঢ়োৱাৰ শিক্ষাব্যৱস্থা।

ওপৰোক্ত দুয়োটা আলোচনাৰ পৰা ক'ব পৰা যায় যে প্ৰত্যেক নব্য ব্যৱস্থাৰ দৰে ইয়াৰো সুবিধা / অসুবিধা দিশ সমূহ দুয়োটা আছে। যাৰ বাবে কোনো এক ব্যৱস্থাক একে লেঠাৰিকৈ ভাল বেয়া আমি ক'ব নোৱাৰো। তথাপিও কিছু অভিজ্ঞতাৰ দ্বাৰা এটা উদ্দেশ্যত উপনীত হ'ব পাৰি যে ষান্মাসিক পদ্ধতিটোৱে ভাৰত বা অসমৰ ক্ষেত্ৰত সিমান সঠিক স্থান দখল কৰিছে যদিও ইয়াৰ কৃতকাৰ্যতাক অলপ পাছতহে গ'ম পাব পৰা যাব। কাৰণ Semester System ৰ দ্বাৰা বৰ্তমান Marks ৰ যি অগ্ৰগতি হৈছে সেয়াও মনকৰিব লগীয়া। প্ৰত্যেক শিক্ষাৰ্থীয়ে উচ্চতকৈ সু-উচ্চ Result দেখুওৱাবলৈ সক্ষম হৈছে। তথাপিও ইয়াৰ যিটো আভ্যন্তৰীণ নীতি আছে যেনে—

১) বছৰত দুবাৰ নামভৰ্ত্তিকৰণ, নতুন পাঠ্যক্ৰম, নতুন কিতাপ-পত্ৰ সংগ্ৰহকৰণ।

২) Fail ৰ ঠাইত Back ৰ ব্যৱস্থাৰ যোগেদি পুন Form Fillup ত ব্যাপক ধনৰ আবণ্টন।

৩) কম সময়ৰ সময়ত দীঘলীয়া পাঠ্যক্ৰম সম্পূৰ্ণকৰণ আদি বোৰে ষান্মাষিক পদ্ধতিটোৱে ভাৰতবৰ্ষ বা অসমৰ নিচিনা পিছপৰা বিভিন্ন অঞ্চলত এই শিক্ষা ব্যৱস্থাক সম্পূৰ্ণৰূপে ফলপ্ৰসূ হিচাপে গঠন কৰিবলৈ সক্ষম হোৱা নাই।

ইয়াৰোপৰি শিক্ষাৰ্থীসকলক কেৱল শিক্ষাগত জ্ঞান প্ৰদান কৰাটো এই ব্যৱস্থাৰ উদ্দেশ্য হৈ পৰিছে। যিটো শিক্ষাৰ প্ৰকৃত উদ্দেশ্যৰ পৰা আঁতৰত আছে। তদুপৰি ইয়াৰ বহু ভাল গুণ সমূহ যেনে— শিক্ষাক অবিৰত হিচাপে প্ৰকাশ কৰা, শতাংশৰ নম্বৰৰ মান বৃদ্ধি কৰা, কম সময়ৰ ভিতৰত দীঘলীয়া শৈক্ষিক সূচী সমাপ্ত কৰা, কঠোৰ অনুশাসন আদিবোৰে শিক্ষাৰ্থী সকলক অৱশ্যে বহু সুবিধা প্ৰদান কৰিছে। যাৰ বাবে এই ষান্মাসিক পদ্ধতিটোৰ বহুভাল গুণ আৰু আৰু বেয়া গুণ বা দোষসমূহে উভয়ে থকাটো নিশ্চিত বা আছে।

তদুপৰি নব্য ব্যৱস্থাৰ মূল আদৰ্শক গ্ৰহণ কৰি আমি চলাটো অতি প্ৰয়োজন। যাৰ বাবে এই ষান্মাসিক পদ্ধতিটোক সু-বিচাৰ্যৰে শিক্ষাৰ্থীক ভৱিষ্যত গঠনৰ অহিলা বা ব্যৱস্থা হিচাপে কিছুমান প্ৰশাসনিক সংস্কাৰৰ (Administritive Reforms) যোগেদি গ্ৰহণ কৰাটো আৱশ্যক।■



# Society and Education

**Kirtinath Tanti**
H.S. 2nd year (Sc.)

Education is the root of success. It is the colour of a civilesed society. It defines what we need. A person with education is treated as an asset to a country. Everything is possible only when one has education. But when we look into the matter of education system, then a lot of questions strike our mind. When we talk about education, we just look into exams, result, marks and the status of the institution. People just castigate the non achievers who get low percentage and never try to look for the hidden talent in them.

In our society, education only means degree and not what one has learnt.If a name has too many prefixes and suffixes then that person becomes a reputed man in the society. That person is revered like a god. Its okay to treat those degree holders well, but is it fair enough to judge them only because of their degrees and not what knowledge they have achieved or how concerned they are about the nation and its people? If a person has high degree but never learns to talk politely, and only lives for the sake of money, must he be given respect? Appreciation is must for them but how are we treating the non-achievers.

In our society non-achievers are treated like criminal, like they have committed some serious crime. They are neglected by friends, insulted by neighbours and criticised by relatives and others. Whenever they go out, they need to have to answer hundreds of irrelevant questions. Because of this attitude, our country is still a developing one and we can't say when it will become a developed nation. A nation want doers and these youth are also an asset for the country. It's our duty to support them and encourage them to get a better tomorrow, rather than disheartening them. Getting poor marks may indicate that they are not good in studies but it doesn't signify that they are not good at anything. God hasn't been partial to anyone. The Almighty has given some skill to everybody, but not everyone can find it. So it is we who must help them out and make them indulge in their own talent.

Not all successful people have big degrees. Take the example of Bill Gates who used to bunk classes for his interest in software, and he even failed his exams. But he went to own Microsoft and his fellow mates are now working under him. Another great personality is Sachin Tendulkar who has no major educational degree and yet he is the God of cricket. Education is necessary but it can be of any type and in any field. If we all chase white-coloured jobs, who will serve as labourers, curpenters, artist and who will save our culture with their musical skills? Talents can be of any type and we must welcome them.

Opportunities never die. One may need to lose a year or two but our goals should never fluctuate. Have you ever seen a football match? The goal never comes closer to the player so that he could put the ball in it easily. The player has to struggle to save the ball and to score a goal. It needs chanting and cheeing supporters. If we want to succeed in life, we need to do a lot of hardwork and must be determined with our goal of life.

Youths are the seeds that can sprout up into big trees and give shade to the whole country. All we need is encouragement from our elders, with their help we can grow and make the nation green, or else we well remain mere seeds. This way, we; the youths can change our society and the people's way of thinking so that they can support our education in any sector.■

# পৃথিৱীৰ ক্ষুদ্ৰতম যন্ত্ৰ সৃষ্টিৰ পৰিকল্পনা

ড° বিশ্বজিত শইকীয়া
সহকাৰী অধ্যাপক



মানুহ সৃষ্টিশীল মনৰ অধিকাৰী। মানুহৰ সৃষ্টিশীলতাৰ এটা প্ৰভাৱশালী উদাহৰণ হৈছে 'যন্ত্ৰ'। আধুনিক যুগত যন্ত্ৰৰ উপযোগিতা সুদূৰপ্ৰসাৰী। নিৰ্ধাৰিত কাৰ্য্য খুব সহজতে আৰু সীমিত সময়ত সম্পাদন কৰিবলৈ যন্ত্ৰৰ ব্যৱহাৰ অত্যাৱশকীয়। সম্প্ৰতি, আধুনিক যুগত মানুহৰ ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰতম প্ৰয়োজন পূৰাব পৰাকৈ যন্ত্ৰৰ দক্ষতা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। উল্লেখযোগ্য যে মানৱ নিৰ্মিত যন্ত্ৰৰ বহু অগাতেই প্ৰকৃতিয়ে এনে কিছুমান জটিল যন্ত্ৰৰ সৃষ্টি কৰি থৈছে যিয়ে সম্পূৰ্ণ প্ৰকৃতিৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰি আহিছে। ঠিক সেইদৰে আমাৰ জীৱন প্ৰক্ৰিয়া চলাই ৰাখিবলৈ শৰীৰৰ ভিতৰতো কিছুমান জটিল যন্ত্ৰই অহৰহ ইয়াৰ কাৰ্য্য সম্পূৰ্ণ নিখুঁত আৰু সুচাৰুৰূপে পৰিচালনা কৰি আহিছে। উদাহৰণস্বৰূপে আমি আমাৰ শৰীৰত থকা প্ৰটিনৰ কথাকে ক'ব পাৰো। প্ৰটিন হৈছে প্ৰকৃতি জগতৰ আটাইতকৈ জটিল যৌগ যাক সাধাৰণ ভাষাত আমি এটা নিখুঁত যন্ত্ৰ বুলিও ক'ব পাৰোঁ। এটা মাতৃকোষে এটা নতুন কোষৰ জন্মৰ সময়ত সঠিক সংখ্যক ক্ৰম'জ'মৰ সৃষ্টিৰ পৰা নতুন প্ৰটিনৰ সৃষ্টি, পেশী সংকোচন, স্নায়ুতন্ত্ৰৰ কাৰ্য্যকলাপ, মগজুতন্ত্ৰৰ নিয়ন্ত্ৰণ ইত্যাদি সেই সকলোবোৰ কিছুমান নিৰ্দিষ্ট জটিল যান্ত্ৰিক প্ৰক্ৰিয়া হিচাবে ব্যাখ্যা কৰিব পাৰি। ইয়াৰ সামান্য বিসংগতিয়েও আমাৰ শৰীৰত দুৰাৰোগ্য ৰোগৰ সৃষ্টি কৰিব পাৰে। সহজভাষাত শৰীৰৰ প্ৰত্যেকটো অংগই কিছুমান ক্ষুদ্ৰ দক্ষতাসম্পন্ন যন্ত্ৰৰ নিচিনাকৈ নিজৰ কাৰ্য্য সম্পাদন কৰি আহিছে। কিন্তু কেতিয়াবা আমি ভাবি চাইচো নে' পৃথিৱীৰ আটাতকৈ সৰু যন্ত্ৰটো বাৰু কিমান ক্ষুদ্ৰতম হ'ব পাৰে? বিজ্ঞানী সকলৰ মতে পৃথিৱীৰ ক্ষুদ্ৰতম যন্ত্ৰটো আমি কল্পনা কৰিব নোৱাৰাকৈ এডাল চুলিৰ প্ৰস্থতকৈও ১,০০০ গুণ সৰু যাক আমি খালী চকুৰে দেখাতো সম্ভৱ নহয়।

বিজ্ঞানী সকলে সংশ্লেষিত যৌগৰ ব্যৱহাৰেৰে এনে কিছুমান যন্ত্ৰৰ বিকাশ কৰিবলৈ সক্ষম হৈছে যাৰ চালচলন নিয়ন্ত্ৰণ কৰিব পাৰি আৰু বাহিৰৰ পৰা শক্তিৰ যোগান ধৰিলে এই যৌগবোৰে কিছুমান কাৰ্য্য প্ৰয়োজন অনুসাৰে সম্পাদন কৰিব পাৰে। এককথাত এই যন্ত্ৰক ৰাসায়নিক ভাষাত ''যৌগিক যন্ত্ৰ'' (Molecular Machine) ৰূপে অভিহিত কৰিব পাৰি। বিজ্ঞানী সকলৰ মতে যৌগিক যন্ত্ৰৰ ব্যৱহাৰৰ সহায়ত ভৱিষ্যতে আমি কিছুমান অসম্ভৱ যেন লগা কাৰ্য্য অতি সহজতে কৰি উলিয়াবলৈ সক্ষম হ'ম। যৌগিক যন্ত্ৰৰ পৰিকল্পনা আৰু সংশ্লেষণৰ কাৰণে বিজ্ঞানী জাঁ পিয়েৰ ছ'ভেজ (Jean Pierre Sauvage) জে ফ্ৰেজাৰ ষ্টজৰ্ট (J. Fraser stoddart) আৰু বাৰ্ণাৰ্ড এল ফেৰিঙা (Bernard L. Feringa) ক ২০১৬ বৰ্ষৰ ৰাসায়ন বিজ্ঞানৰ সৰ্বোচ্চ সন্মান নোবেল পুৰস্কাৰেৰে সন্মানিত কৰা হৈছে।

প্রকৃতিৰ সৃষ্টি সদায় নিখুঁত। সেইদৰে প্ৰকৃতিয়ে সৃষ্টি কৰা যৌগিক যন্ত্রইয়ো নিজৰ কাম অতি দক্ষতাৰে পালন কৰে। এই আৰ্হিকে আগত ৰাখি মানুহে নিজৰ জ্ঞানৰ সহায়ত এনে কিছুমান যৌগিক যন্ত্র সৃষ্টিৰ সপোন দেখিছিল যাক আমি আমাৰ নিয়ন্ত্রণত ৰাখিব পাৰোঁ। এই সপোনৰ বাট পোহৰ কৰি ফ্রান্সৰ বিজ্ঞানী ছ'ভেজে ১৯৮৩ চনত এনে কিছুমান যৌগৰ বিকাশ সাধন কৰিবলৈ সক্ষম হৈছিল য'ত দুটা আঙুলি আকৃতিৰ অণু পৰস্পৰে সংযুক্ত হৈ থাকে। ৰাসায়নিক ভাষাত দুটা অনু লগলাগি যৌগ গঠন কৰোতে শক্তিশালী সহযোগী বান্ধনিৰ সহায়ত ইটো সিটোৰ লগত এনেভাৱে বান্ধ খাই থাকে যাতে পৰস্পৰ অণুৰ ইলেকট্ৰণবোৰ পৰস্পৰৰ অংশীদাৰী হয়। এনে বান্ধনি যথেষ্ট শক্তিশালী আৰু এনে বান্ধনিত আপেক্ষিত চালচলন সম্ভৱ নহয়। কিন্তু ছ'ভেজে সৃষ্টি কৰা এই আঙুঠি আকাৰৰ অণুবোৰ ইটো সিটোৰ লগত তুলনামূলক মুক্ত যান্ত্রিক বান্ধনিৰে সংযুক্ত হৈ থাকে। ইয়াকে ৰাসায়নিক ভাষাত 'কেটিনেন (Catenane) বুলি কোৱা হয়। এই যৌগবোৰৰ এটা অংশৰ চালচলন আনটোৰ তুলনাত নিয়ন্ত্রণ কৰিব পাৰি। এয়াই আছিল যৌগিক যন্ত্র সৃষ্টিৰ প্ৰথম খোজ। যৌগিক যন্ত্র সৃষ্টিৰ দ্বিতীয় ঢাপত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিজ্ঞানী ষ্টাৰ্টে ১৯৯১ চনত এই আঙুঠি আকাৰৰ অণুবোৰ লগলগাই এক বিশেষ শৃংখলৰ সৃষ্টি কৰি উলিয়াইছিল যাক 'ৰটেক্সেন' (Rotaxane) বুলি কোৱা হয়। ৰটেক্সেনৰ এটা অংশ আনটোৰ তুলনাত ইমান মুক্তভাৱে থাকে যে আমি এটা ধৃৰাত ইয়াক সংযুক্ত কৰিলে ই চকাৰ নিচিনাকৈ গতি কৰিব পাৰে। গতিকে এটা যৌগিক মাধ্যমত চাৰিওফালে চাৰিটা ৰটেক্সেন সংযুক্ত কৰিলে এই যন্ত্রই এখন ক্ষুদ্ৰাকৃতিৰ গাড়ীৰ নিচিনাকৈ গতি কৰিব পাৰিব। ইয়াৰ পিছৰ পৰ্য্যায়ত নেডাৰলেণ্ডৰ বিজ্ঞানী ফেৰিঙাই ১৯৯৯ চনত এই দুয়োটা আৱিষ্কাৰ একেলগ কৰি পৃথিৱীৰ আটাইতকৈ সৰু যৌগিক মটৰ (Molecular Motor) ৰ বিকাশ কৰিবলৈ সক্ষম হয়। ৰটেক্সেনে যেনেকৈ ঘূৰিব পাৰিছিল ঠিক তেনেদৰে যৌগিক মটৰতো ক্ষুদ্র ঘূৰ্ণীয় পাংখা কিছুমানক এনেভাৱে সংযোজন কৰা হৈছিল যাতে এইবোৰ একেদিশত নিৰৱচ্ছিন্নভাৱে ঘূৰি থাকে। ৰুচিপূৰ্ণভাৱে এই মটৰ ব্যৱহাৰ কৰি তেওঁ সেই মটৰতকৈ ১০,০০০ গুণে ডাঙৰ কাঁচৰ চিলিণ্ডাৰ ঘূৰাবলৈ সক্ষম হৈছিল। তেওঁ বিশ্বাস কৰিছিল যে এই যন্ত্রৰ ব্যৱহাৰ ৰসায়ন বিজ্ঞানৰ গুৰুত্বপূৰ্ণ গৱেষণাৰ এক উপযোগী ক্ষেত্র হিচাপে প্রতিষ্ঠিত হ'ব।

প্ৰথম অৱস্থাত প্রত্যেক নতুন আৱিষ্কাৰত কিছুমান প্রত্যাহ্বান আহি পৰে। ঠিক সেইদৰে যৌগিক যন্ত্র সৃষ্টিৰ ক্ষেত্ৰতো কিছুমান প্রত্যাহ্বান আহি পৰাতো স্বাভাৱিক। এই ক্ষেত্ৰত প্ৰথমেই যৌগিক যন্ত্রত ব্যৱহৃত যৌগৰ বান্ধনি ইমান মুক্তভাৱে থাকিব লাগিব যে এটাৰ বান্ধনি আনটোৰ তুলনাত অতি সহজতে সংশোধন কৰিব পৰা যায়। আনহাতে এই যৌগবোৰ কেতিয়াও ৰসায়নিক সাম্যৱস্থা (Chemical Equilibium) প্ৰাপ্ত হ'ব নোৱাৰিব। কাৰণ ৰসায়নিক সাম্যৱস্থা প্রাপ্ত হ'লেই যৌগিক যন্ত্রটো ব্যৱহাৰৰ অনুপযোগী হৈ পৰিব আৰু পুনৰ শক্তি ব্যৱহাৰ কৰি যৌগবোৰক পুনঃসক্রিয় কৰি তুলিব লাগিব। এই কথালৈ লক্ষ্য ৰাখি বিজ্ঞানী সকলে নিৰৱচ্ছিন্নভাৱে এই প্রত্যাহ্বান পূৰণ কৰিবলৈ চেষ্টা চলাই আছে।

যৌগিক যন্ত্রৰ বিকাশ এতিয়াও তেনেই প্রাথমিক পর্য্যায়তে আছে। নোবেল সমিটিৰ মতে যৌগিক যন্ত্রৰ বিকাশ এতিয়া এনে এক পৰ্য্যায়ত আছে যি ১৮৩০ চনত বৈদ্যুতিক মটৰৰ স্থিতি আছিল। প্ৰথম বৈদ্যুতিক মটৰ আৱিষ্কাৰ কৰোতে হয়তো আৱিষ্কাৰক সকলে ভবাই নাছিল যে ইয়াৰ ব্যৱহাৰিক ক্ষেত্ৰখন এদিন ইমান বহল হৈ পৰিব। ঠিক সেইদৰে ভবা হৈছে যে অদূৰ ভৱিষ্যতে যৌগিক যন্ত্রৰ ব্যৱহাৰৰ সহায়ত বহু কাম যেনে সঠিক ভাৱে সঠিক ঠাইত (Selectively) দৰবৰ ব্যৱহাৰ, যৌগিক মটৰ, যৌগিক গাড়ী, যৌগিক পেশী, যৌগিক ভৰউত্তোলক, অনুনিৰ্ভৰ কম্পিউটাৰ চিপ্ বিস্ময়কৰ সংবেদনশীল মাধ্যমৰ বিকাশ, শক্তি সঞ্চয় প্ৰযুক্তি ইত্যাদি সম্ভৱ হৈ উঠিব। এক কথাত আন প্রক্রিয়াৰে কৰিব নোৱাৰা বহুতো কাম যৌগিক যন্ত্রৰ সহায়ত অতি সহজেই সম্পাদন কৰিব পাৰিম। যৌগিক যন্ত্র সৃষ্টিৰ ইতিমধ্যেই শুভাৰম্ভণি হৈ গৈছে যদিও ইয়াৰ ব্যৱহাৰিক ক্ষেত্ৰখন এতিয়াও সঠিক ভাৱে নিৰূপিত হোৱা নাই। যেতিয়াই যৌগিক যন্ত্র সম্পূর্ণৰূপে কাৰ্য্যকৰী হৈ উঠিব তেতিয়াই ই আধুনিক যুগৰ এক অপৰিহাৰ্য্য অংগ হৈ পৰিব আৰু লগতে ৰসায়ন বিজ্ঞানত এক নতুন যুগৰ সূচনা কৰিব।■



# Advancement in Nanotechnology

**Archismaan Banerjee**
B.Sc. 1st sem

Nanotechnology is rapidly gaining importance across a range of industries, from agriculture to water treatment. Scientists currently debate the future implications of nanotechnology oneday. Nanotechnology may be able to create the most improved materials and devices with a vast range at applications such as in nanomedicine, nanoeletronics, biomaterials energy production and most importantly consumer products. The recent advancements in nanotechnology had made a significant worldwide impact. Listed below are some of the recent advancements –

a) Today, cancer have become a threat to human life. Generally the treatments often lead to incomplete eradiation of cancer and risk damage to normal tissues. Nanoparticles for chemo therapy drug carriers have made come of the greatest advancements. By using nanocarriers treatment can focus on targeting cancerous cells and limit the damaged to healthy cells.

b) Currently the world population is growing at 1.13% per year resulting in significant increase in food demand and rising pressure of healthy crops. Due to this reason scientist in nanotechnology fields are focussed on determining how nanosized porticles can increase crop and livestock productivity including benefits with its potential to protect plants, monitor plants growth, detect plants and animal diseases, enhance food quality and reduce waste.

c) Solar power is the future of energy storage. But its maintainance is degrading. Now solar energy accounts for less than 1% of electricity in U.S. and it costs twice as much produce compared to natural gas. In an effort to increase solar power advancements researchers are applying nanotechnology to solar energy. Nanoparticles have been shown to enhance the absorption of light, increase the conversation of light to electricity and provide better thermal storage and transport.

Nanotech have started fo become so innovative that now it started to provide opportunity to gain real-world exprience and hands on applied research enabling the next wave of nanotechnology advancements.■



# The Earth has a Second Moon

**Dhiraj kr. Boniya**
B.A. 6th sem

The space agency NASA, in 2016 announced that Earth has captured an asteroid in its gravitational field which means that our planet essentially now has a second moon. Reasearchers first noticed 2016 $Ho_3$ on April 27 with the stars (pan-stars) 1 asteroid survey telescope which is founded by the planetary defense co-ordination office, a company responsible for tracking near-earth objects. Scientists are confident that the space rock is not threat to our planet or to our primary Moon.

This new moon – which has been designated 2016 Ho3 – is a lot smaller than our original moon. It was spotted by astronomers at the asteroid survey telescope in Haleakala, Hawaii. In this case, there is no clear definition to what qualities as a moon or a satellite but the asteroid 2016 $Ho_3$ has been termed a moon or "micro-moon" by many papular science sites. The report explains thats it is too far away to be considered a true satellite of our planet but it is the best and most stable example to date of a near earth compassion or "quasi-Satellite."

According to NASA's report, "calculations indicate 2016 $Ho_3$ has been a stable quasi-Satellite of Earth for almost 100 years touring around the Earth and its gravitational relationship with our planet will remain as a Satellite, Earth's companion for several centuries. Scientists regard the asteroid was somewhat tropped in a "dance with the Earth without risk." The asteroid is spinning so that it never wanders more than 100 times the distance of the primary moon. This small asteroid has untill recently gone unnoticed because of few reactions (a) it has an irregular orbit. Due to its very erratic orbit it has cluded astronomers, according to NASA although it revolves around the Earth similar to our Moon (b) This new moon measure only around 120 feet across and not more than 300 feet wide. Scientists believe its small size has been the main reason for which it has taken so long for it to be spotted (c). It is undoubtedly large enough to have been discovered long ago but small enough not to be considered as a second moon or even as a Satellite.

Some might find it interesting that in an age where companies are investing literally astronomical amounts of money to develop manned mission to Mars or the Moon precisely no one had previously discovered the presence of this small asteroid. "The asteroid's loops around earth drift a little ahead or behind from year to year but when they drift too far forward or backward, Earth's gravity is just strong enough to reverse the drift and hold onto the asteroid so that it never wanders further away than about 100 times the distance of the Moon. Paul Chodas manager of NASA's center for Near-Earth object (NEO) studies at the Jet propulsion laboratory in Pasadena, California states that the same effect also prevents the asteoid from approaching much closer than about 38 times the distance of the Moon. In fact? this small asteroid is caught in a little distance form the earth.■

इसरो isro

# ISRO: AN OVERVIEW

**Manash Protim Borah**
Ex-Student

The Indian space Research Organisation (ISRO) is the space agency of the government of republic of India headquartered in the city of Bengalures. It is vision is the "Harness Space Technology for National Development." ISRO was established in 1969 by replacing the former Indian National committes for Space Reacharch (INCOSPAR) which was established in 1969 by the efforts of Jawaharlal Nehrus and Scientist Vikram Sarabhi. The prime objective of 'ISRO is to develop....... technology and its application to various national task. The Indian space programme was driver by the vision of Vikram Sarbhi considered the father of the Indian Space programme. Indian Space Research Organisation is one of the leading space agencies of the world that created world record on February 15, 2017 with the successful launch of nano satellites using PSLV C37.

ISRO has successfully put the GSAT– 9 seo stationary satellite also known as South Asian Satellite in to orbit on the GSLV MK 11 Rocket Equiped with 12 km band transponders. The satellite will usher in a new era for countries like Bangladesh, and Sri Lanka other nation like Bhutan and Maldives will also benefited India has launched 209 satellites for 28 different countries countries commercial launches for foreign nations are negotiated through Antri A. The commercial jim of the Indian Space Research Organisation (ISRO). all satellites were launced using the ISRO Polar satellites launch vehicle (PSLV) Expandable launch system between 2013 and 2015. Indian launched 28 foreign satellites for 13 different countries earing a total revencese of US 101 million dolans.

ISRO success fully launched 104 satellites on February of which 3 satellites are Indian satellites while the remaining are foreign commercial satellite ninty six satellite are from the united states, while the other come from Isracl, Kazakhastan, the Netherlands, Belgium and Germany. It is the largest number of satellites launched on a single flight by any space agency.

ISRO has secceded in making India and every Indian proud. We hope that India will rise in the space research and technology field and become a world leader one day.■

ডিগবৈ মহাবিদ্যালয়
আলোচনী
অষ্টাত্ৰিংশত্তম সংখ্যা, ২০১৬-১৭ বৰ্ষ

# খেলৰ তত্ত্ব, দোদুল্যমান কয়দী আৰু এটা সুন্দৰ মন

শুভাশীষ গগৈ
সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ

শিৰোনামে ইতিমধ্যে নিশ্চয় পাঠকৰ মনত কিঞ্চিত কৌতূহলৰ সৃষ্টি কৰিছে। অথবা সংগতিহীনতাত বিৰক্ত হৈছে। অৰ্থনীতিক বিষয় হিচাপে লৈ অধ্যয়ন কৰাসকলে হয়তো উমান পাইছে যে এই খেল সেই খেল নহয়। ওপৰৰ এটাও নহ'লে সেয়া এই জধলা লেখকৰ অৱধাৰিত ব্যৰ্থতা বুলি ধৰি লওঁক আৰু।

খেল-শব্দটোৱেই মনলৈ এক প্ৰতিচ্ছবি আনে। হৰা-জিকাৰ মধুৰ উত্তেজনা, প্ৰতিযোগিতা, সাধনা, শাৰীৰিক তথা মানসিক সক্ষমতাৰ সমন্বিত প্ৰদৰ্শন, খেলপথাৰ অথবা ট্ৰেকত দুভৰিৰ বা শৰীৰৰ ছন্দোময় কবিতা। এয়া খেল। কিন্তু কেৱল ইয়াতেই সীমাবদ্ধনে খেলৰ সংজ্ঞা? মানুহৰ চিন্তাৰ দিগন্ত প্ৰসাৰিত হোৱাৰ লগে লগে খেলাৰ সংজ্ঞাই প্ৰসাৰ লাভ কৰিছে। এতিয়া অৰ্থনীতিটো খেল হয়। কাজেই সৃষ্টি হয় খেল তত্ত্বৰ (Game Theory) প্ৰথমতে আহকচোন গমি চাওঁ কি এই খেল তত্ত্ব।

**খেল তত্ত্ব (Game Theory):** অতি চমুকৈ কবলৈ গ'লে খেল তত্ত্ব হৈছে বুদ্ধিমান, বিবেচক সিদ্ধান্ত গ্ৰহণকাৰীৰ মাজত হোৱা দ্বন্দ্ব (Conflict) আৰু সহযোগিতা (Cooperation) ৰ গাণিতীয় আৰ্হি (Mathematical Model)। অৰ্থনীতিৰ বাহিৰেও ৰাজনীতি বিজ্ঞান, মনোবিজ্ঞান, দৰ্শন, কম্পিউটাৰ বিজ্ঞান আৰু জীৱবিজ্ঞানতো ইয়াৰ প্ৰয়োগ হয়। আমি চিন্তা কৰো এখন খেলত কি হয়। তীব্ৰ প্ৰতিদ্বন্দ্বিতা আৰু শেষত এটা দল বা এজন ব্যক্তিৰ বিজয়। ঠিক সেইদৰে খেল তত্ত্বইও বৰ্ণনা কৰে কিদৰে কোনো অৰ্থনৈতিক কাম কাজত মুনাফা আৰু সুবিধা আদায়ৰ বাবে দুটা তাতোধিক দল, প্ৰতিষ্ঠান বা ব্যক্তিৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হয় আৰু শেষত এটা দল, প্ৰতিষ্ঠান বা ব্যক্তিয়ে মুনাফা বা সুবিধা আদায় কৰে। ইয়াত এজন ব্যক্তি বা এখন প্ৰতিষ্ঠানৰ লাভ বা সুবিধা মানেই অৱধাৰিত ভাবে আনজনৰ বা আনখন প্ৰতিষ্ঠানৰ লোকচান বা অসুবিধা। ঠিক যেন এখন খেল। কোনোবা জিকিলে কোনোবাটো হাৰিবই। এয়াই খেলৰ চিৰন্তন নিয়ম। খেল তত্ত্বৰ এই দৃষ্টিভংগীকে কোৱা হয় শূণ্য ফলাফল খেল (Zero sum Game) অৰ্থাৎ এজনৰ যদি এটকা লাভ আনজনৰ এটকাটো লোকচান। লাভ লোকচানে মিলাই (+১ আৰু -১) ফলাফল শূণ্য। ঠিক যেন এজনৰ জিকাৰ আনন্দ আৰু আনজনৰ পৰাজয় বিষাদ। ফলাফল শূণ্য।

পিছে ৰ'ব, এয়া খেল তত্ত্বৰ আৰম্ভণিৰ ব্যাখ্যাহে। আধুনিক ব্যাখ্যাই ইয়াৰ চেহেৰাৰ সালসলনি ঘটালে। অৰ্থনৈতিক কামকাজত এজনৰ লাভ হ'লে আনজনৰ লোকচান হ'বই লাগিব বুলি ভবা ধাৰণাৰ পৰিবৰ্তন হ'ল। সঁচাসচি খেলত এজন জিকিলে আনজন হাৰিবই। কিন্তু অৰ্থনীতিৰ এই খেলত দুয়োজন বা আটাইকেইজন বিজয়ী হ'ব পাৰে। হয়, এয়া সম্ভৱ। ই অৰ্থনীতিত প্ৰতিযোগিতাৰ লগতে সহযোগিতাৰ এক নতুন দিগন্ত মুকলি কৰিলে। সৃষ্টি হ'ল এক নতুন ধাৰা। অশূণ্য ফলাফলৰ খেল (Non-zero sum Game)ৰ লগতে এক নতুন ফলাফল। Win Win Situation মানে দুয়োদলতে জিকাৰ আনন্দ।

**ইতিহাস ঃ** আচল খেলৰ ইতিহাস যিদৰে বহু পুৰণি, খেল তত্ত্বৰ ইতিহাসো কিন্তু সিমান নতুন নহয়। ইতিহাসৰ পাত লুটিয়ালে পোৱা যায় প্ৰথম খেল তত্ত্বৰ আলোচনা কৰিছিল এজন বৃটিছ কূটনীতিবিদে ১৭১৩ চনত। তেওঁ এখন চিঠিত এই বিষয়ে আলোচনা কৰিছিল। তথ্যপাতি ঢুকি পোৱা উৎস তেওঁৰ পৰা আৰম্ভ। খেল তত্ত্বৰ আলোচনা ইয়াতকৈ পুৰণি হ'লেও আচৰিত হ'বলগা একো

নাই। তাৰ পাছৰপৰাই বিভিন্ন সময়ত, বিভিন্ন বিষয়ত, বিভিন্ন উপলক্ষ্যত আলোচনা,নতুন তত্ত্ব আৰু মতবাদৰ সৃষ্টি আৰু বাদ-বিবাদ তথা নতুন ব্যাখ্যা। খেলপথাৰত খেলৰ যিদৰে শেষ নাই, চিন্তাবিদৰ মগজুত খেল তত্ত্বৰ ব্যাখ্যাৰো শেষ নাই। এক অন্তহীন পৰিক্ৰমা বিভিন্ন সময়ত। অৱশ্যে খেল তত্ত্বই এক সুকীয়া বিষয়বস্তু হিচাপে স্বকীয় ৰূপ পাইছে জন ভন নিউমেনে (John Von Neumann) ১৯২৮ চনত প্ৰকাশ কৰা এখন গৱেষণাপত্ৰৰ পিছৰ পৰাহে। তেওঁ আগবঢ়োৱা খেল তত্ত্বৰ ব্যাখ্যাই গাণিতীয় অৰ্থনীতিৰ (Mathematical Economics) মানসম্পন্ন বিষয় হিচাপে ব্যৱহৃত হৈ আছে। পিছে খেল যেনেকৈ এলামূলা বস্তু নহয়, খেল তত্ত্বও সৰুসুৰা বস্তু নহয়। বৰ্তমানলৈকে এঘাৰজন খেল তত্ত্বৰ অধ্যাপকে (Game Theorist) অৰ্থনীতিত নোবেল পুৰস্কাৰ লাভ কৰিছে।

**দোদুল্যমান কয়দী ঃ (Prisoner's Dilemma)** আগতে নুশুনাসকলৰ বাবে ই এক আচহুৱা নাম। কয়দীৰ আকৌ কি দোদুল্যমামন অৱস্থা আৰু হ'লেই যেনিবা তেনে অৱস্থা, আমাৰ কি আহে যায়। তাৰ লগতে খেল তত্ত্বৰ কি এনে সম্পৰ্কে যে কথাৰ জেৰ ইয়ালৈ টানি অনা হৈছে? সম্পৰ্ক নিশ্চয় আছে। খেল তত্ত্বৰ লগত অতি ঘনিষ্ঠভাৱে জড়িত এই দোদুল্যমান কয়দী। ইয়াক এক সাঁথৰ হিচাপেও অভিহিত কৰা হয়। চমুকৈ ক'বলৈ গ'লে ই হৈছে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত দুজন বা ততোধিক ব্যক্তিয়ে সম্মুখীন হোৱা এক দোদুল্যমান অৱস্থা য'ত নিজৰ ভালটো কৰিবলৈ যাওঁতে শেষত দুয়োজনৰে বেয়াহে হয়গৈ। অতি আকৰ্ষণীয় আৰু মজাৰ এই তত্ত্ব বা সাঁথৰ দুজন কয়দীৰ মনোভাৱকলৈ ব্যাখ্যা কৰা হৈছিল আৰু সেই সূত্ৰেই ব্যাখ্যাটোক এই নাম দিয়া হ'ল। বেছি জটিলতালৈ নগৈ পোনপটীয়াভাৱে কথাখিনি ব্যাখ্যা কৰিব পাৰি।

ধৰা হওক বেংক ডকাইতিৰ সন্দেহত দুজন মানুহক ধৰি পুলিচে জিম্মাত ল'লে। সন্দেহৰ বাহিৰে পুলিচৰ ওচৰত একো বিশেষ প্ৰমাণ নাই। যেনে তেনে কয়দী দুজনৰ মুখেৰে কথাখিনি স্বীকাৰ কৰাই ল'ব পাৰিলেহে কেছটোত অগ্ৰগতি লাভ কৰিব পৰা যাব। তাকেই কৰিবলৈ পুলিচে দুয়োজন অভিযুক্তক নিজৰ মাজত আলোচনা কৰাৰ সুবিধা নিদিয়াকৈ পৃথকে পৃথকে জেৰা আৰম্ভ কৰিলে আৰু জেৰাত তলত দিয়া চৰ্তকেইটা আগবঢ়ালে-

যদি কয়দী 'ক' ই দোষ স্বীকাৰ কৰে আৰু 'খ' ই নকৰে, 'ক'ক ১ বছৰ কাৰাদণ্ড আৰু 'খ'ক দহ বছৰ কাৰাদণ্ড দিয়া হ'ব। কথাখিনি ওলোটাকৈ 'খ'ৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। অৰ্থাৎ স্বীকাৰ কৰা জ'নে নকৰাজনতকৈ বহু বেছি সুবিধা পাব।

যদি দুয়োজন স্বীকাৰ কৰে দুয়োকে পাঁচ বছৰৰ কাৰাদণ্ড দিয়া হ'ব।

**ক) কেচুঁৱাৰ প্ৰতিষেধক ব্যৱস্থা গ্ৰহণ কৰোঁতে খাদ্যপ্ৰাণ ক অৰ্থাৎ ভিটামিন এ ৰ খোৱাকী খুৱাবলৈ নাপাহৰিব।** জন্মতে মাকৰ তেজৰ পৰা পোৱা খাদ্যপ্ৰাণ ক ই কেচুৱাটোক সমৃদ্ধ কৰি ৰাখে। তাৰ পাছত মাকৰ গাখীৰ খাই থকা পৰ্যন্ত পৰ্যাপ্ত খাদ্যপ্ৰাণ ক কেচুৱাটোৱে পাই থাকে। বিপদ হয় ন মাহ মান বয়স হোৱাৰ পৰা। সাধাৰণতে এটা কেচুৱাই এই সময়তে মাকৰ গাখীৰ খাবলৈ এৰে। সি ঘৰুৱা আহাৰ খাবলৈ আৰম্ভ কৰে। এই ঘৰুৱা আহাৰত যদি পৰ্যাপ্ত খাদ্যপ্ৰাণ ক নাথাকে তেন্তে কেচুৱাটোৰ এই খাদ্যপ্ৰাণৰ অভাৱ হ'ব পাৰে। সাধাৰণ মধ্যবিত্ত পৰিয়াল এটাত এনে অভাৱ নঘটে। চাহবাগিচাৰ শ্ৰমিক সকলৰ ঘৰত বা চৰচাপৰিত থকা খিলঞ্জীয়া অসমীয়া পৰিয়াল বিলাকৰ শিশুবোৰে এই অভাৱত ভুগিব লগীয়াত পৰে। ইয়াৰ প্ৰতিকাৰ ব্যৱস্থা হিচাপে দেশৰ সকলো স্বাস্থ্য কেন্দ্ৰত ন মাহৰ পৰা কেচুৱাক ভিটামিন এ ৰ প্ৰতিষেধক খোৱাকী দিয়াৰ ব্যৱস্থা আছে। প্ৰতি ছমাহৰ মূৰে মূৰে এই ভিটামিনৰ এটা খোৱাকী শিশুটো পাঁচ বছৰ বয়স হোৱালৈকে দি থকা হয়। এই ভিটামিন পালি খুৱাই থাকিলে শিশুৰ কেতিয়াও খাদ্যপ্ৰাণ ক ৰ অভাৱ হ'ব নোৱাৰে। পাঁচ বছৰ বয়সৰ পৰা আমাৰ দেহৰ লিভাৰ বা যকৃতে খাদ্যপ্ৰাণ ক সাঁচি ৰাখিবলৈ আৰম্ভ কৰে। গতিকে তেতিয়া আৰু এই ভিটামিনৰ অভাৱ নহয়। বহুত মানুহৰ ধাৰণা আছে যে খাদ্যপ্ৰাণ ক কেৱল সেউজীয়া শাক-পাছলিতহে আছে। আচলতে মাছ, মাংস, কণী, গাখীৰ, হালধীয়া ৰঙৰ ফলমূল -এই সকলোবোৰ উপাদানতে প্ৰচুৰ খাদ্যপ্ৰাণ ক থাকে। গতিকে সেউজীয়া শাক পাছলি শিশুটোৱে নাখালে বুলিয়েই অযথা উদ্বিগ্ন হ'ব নালাগে। খাদ্যপ্ৰাণ ক তকৈ সেউজীয়া শাক-পাছলি খোৱা প্ৰয়োজন তাত থকা আঁহবোৰৰ বাবেহে। বৈজ্ঞানিক ভাৱে প্ৰমাণিত হৈছে যে কলনৰ কেন্সাৰকে ধৰি কেইবাবিধো কেন্সাৰ এই আঁহ জাতীয় খাদ্যই বাধা দিব পাৰে।

**খ) ৪০ বছৰ পাছত গ্লুক'মা আছে নেকি এবাৰ পৰীক্ষা কৰক।** চকুৰ অসুখবোৰৰ ভিতৰত আটাইতকৈ বিপদজনক হ'ল গ্লুক'মা। এই অসুখটো এই বাবেই বিপদজনক যে ই যে দেহত থিতাপি লৈছে এই বিষয়ে একো গম গতি নিদিয়ে। মানুহজনে কেতিয়াবা চকুৰ ডাক্তৰৰ ওচৰলৈ সাধাৰণ চশমা সলাবলৈ যাওতে বা কেতিয়াবা অকস্মাত এটা চকু বন্ধ কৰিব লগীয়া হ'লেহে ৰোগটো ধৰা পৰে। দ্বিতীয়তে এই ৰোগটোৱে চকুৰ অপ্তিক নাৰ্ভ নামৰ মূল স্নায়ু ডাল আক্ৰান্ত কৰে। আমি সকলোৱে জানো যে স্নায়ু এবাৰ নষ্ট হ'লে ই পুনৰজীৱিত নহয়। গ্লুক'মাৰ ক্ষেত্ৰত এবাৰ অপ্তিক নাৰ্ভ নামৰ স্নায়ু ডাল নষ্ট হ'লে মানুজনে চিৰদিনলৈ দৃষ্টি হেৰুৱায়। এই অসুখটো সাধাৰণতে চল্লিছ বছৰৰ পাছত আৰম্ভ হয়। যিবিলাক পৰিয়ালত মাক দেউতাকৰ এই অসুখ আছে তেওঁলোকৰ সতি সন্ততিৰ হোৱাৰ সম্ভাৱনা বহুত বেছি। পৰিয়ালত গ্লুক'মা থাকক বা নাথাকক প্ৰত্যেক ব্যক্তিয়ে চল্লিছ বয়সৰ অন্ততঃ এবাৰ এজন চকুৰোগ বিশেষজ্ঞ ওচৰলৈ গৈ চকুযোৰত গ্লুক'মা আছে নেকি পৰীক্ষা কৰোৱাতো অতিশয় গুৰুত্বপূৰ্ণ। গ্লুক'মা পৰীক্ষা কৰোতে এপ্লেনেশ্যন টন'মিটাৰ নামৰ এবিধ সঁজুলিয়ে চকুৰ আভ্যন্তৰিন চাপ পৰীক্ষা কৰে আৰু চকুৰ মণিটো বহল কৰি অপ্তিক নাৰ্ভ ডাল পৰীক্ষা কৰে। এই দুবিধ সুবিধা থকা চকু চিকিৎসালয় বা চকুবিশেজ্ঞৰ হতুৱাইহে চকু পৰীক্ষা কৰোৱাব।

**গ) দীপাৱলীত ফটকা ফুটোৱাওতে সৰু সৰু ল'ৰা ছোৱালীৰ লগত এজন প্ৰাপ্তবয়স্ক মানুহ দায়িত্ব লৈ থাকক।** দীপাৱলী পোহৰৰ উৎসৱ। কিন্তু দুৰ্ভাগ্যবশত অভিভাৱকৰ অসাৱধানতাৰ বাবে এই পোহৰৰ উৎসৱে বহু শিশুৰ জীৱনলৈ অন্ধকাৰ নমাই আনে। শিশুৱে জীৱনটো দেখাই নাই, গতিকে সিহঁতে নাজানে সাধাৰণ বোমা ফুটুৱাৰ আনন্দই সিহঁতৰ মহা মূল্যৱান চকুযুৰি যে ধ্বংস কৰি দিব পাৰে। মাক দেউতাক বা অভিভাৱকে এই কথা জনা উচিত। দীপাৱলীৰ দিনা সৰু ল'ৰা ছোৱালীক কেতিয়াও অকলে বোমা, কলগছ, ৰকেট ইত্যাদি ব্যৱহাৰ কৰিবলৈ দিব নালাগে। সকলো সময়তে সিহঁতৰ সৈতে এগৰাকী দায়িত্বশীল অভিভাৱক থাকিব লাগে যাতে বিপদৰ আগজাননী পালে সৰ্তকমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

**ঘ) চূণৰ পেকেটৰ সৈতে সৰু ল'ৰা ছোৱালীক খেলিবলৈ নিদিব।** চূণ চকুত পৰিলে ই এচিডতকৈও দহগুণ বেছি চকুৰ ক্ষতি কৰে। আজিকালি অসমীয়া মানুহৰ ঘৰলৈ তামোলৰ লগত খাবলৈ চূণ প্লাষ্টিকৰ সৰু সৰু পেকেটত আনে। পেকেটটো সৰু ল'ৰা ছোৱালীয়ে পিতিকি মেলি খেলি থাকিবলৈ ভাল পায়। তেনে কৰোতে একোবত পেকেটটো ফাটি জুলীয়া

চূণ খিনি জোৰেৰে চুকুৰ ভিতৰলৈ সোমায় যায়। অকল যোৰহাটতে প্ৰতিবছৰে এনে ভাৱে চূনৰ দ্বাৰা আঘাতপ্ৰাপ্ত হৈ প্ৰতিবছৰে পাঁচ ছটা শিশুৱে চকুৰ দৃষ্টি হেৰুৱায়। চূণ চকুত পৰিলে লগে লগে পানীৰে চকুদুটা ধুৱাই দিব লাগে। আঘাতপ্ৰাপ্ত ব্যক্তি বা শিশুটোক বিচনাত বা মজিয়াত শুৱাই লৈ এজনে হাতেৰে চকু এটা মেলি ৰাখিব লাগে। আন এজনে দীঘলীয়া কেটলীৰ নলেৰে চকুত ওপৰৰ পৰা অন্ততঃত, প্ৰতিটো চকুত আধাঘণ্টা পানী ঢালি থাকিব। তাৰ পাছতহে চিকিৎসালয়লৈ নিব। এইটো এটা অতিশয় গুৰুত্বপূৰ্ণ কথা। কাৰণ চূণখিনি চকুৰ ভিতৰত থাকিলে ই চকুত থকা লিপিডৰ সৈতে ক্ৰিয়া কৰি ভিতৰলৈ সোমায় যায়।

**ঙ) স্কুললৈ যোৱাৰ আগতে শিশুটোৰ চকু পৰীক্ষা কৰিব।** শিশুটোৰ দৃষ্টি শক্তি এই সময়ত পৰীক্ষা কৰিলে কেইবাটাও সুবিধা আছে। প্ৰথম কথা হ'ল শিশুটোৰ চশমাৰ প্ৰয়োজন হ'ব পাৰে। ব'ৰ্ডৰ আখৰবোৰ ভালদৰে নেদেখিলে তাৰ পঢ়াশুনাত ক্ষতি হ'ব। বহুতো শিশুৱে চকুৰে নেদেখাটো অভিযোগ কৰিব নাজানে। তেওঁ ভাৱে যে বাকীবোৰেও তেওঁৰ নিচিনাকৈ দেখে। দ্বিতীয়তে এমব্লায়'পিয়া বা লেজী আই বুলি এবিধ চকুৰ অসুখ আছে য'ত শিশুটোৱে এটা চকুৰে ভালদৰে নেদেখে। যিহেতু সি আনটো চকুৰে ভালদৰে দেখি থাকে সেই বাবে সি কথাটো গমেই নাপায়। এই ক্ষেত্ৰত চশমা দিলেও চকুটোৱে দেখা নাপায়। ভাল চকুটো ঢাকোন দি বেয়া চকুটোক জোৰ জবৰ্ষ্টি কামত লগালেহে সেই চকুটোৱে বহুদিনৰ মূৰত কাম কৰিব পৰা হয়। ইংৰাজীত ইয়াক অক্লুশ্যন থেৰাপী বুলি কোৱা হয়। এই চিকিৎসা ব্যৱস্থাই শিশুটোৰ সাত বছৰ বয়স মানলৈকেহে কাম দিয়ে। তাৰ পাছত হাজাৰ চেষ্টা কৰিলেও ইয়ালৈ দৃষ্টি ঘূৰি নাহে। সেয়েহে স্কুললৈ যোৱাৰ আগতে শিশুৰ চকু পৰীক্ষা কৰা অতিশয় প্ৰয়োজন। ৰেল্‌ডিং কৰোতে সদায় আয়না ব্যৱহাৰ কৰিব।

**চ) ডায়েবেটিছ ৰোগ থাকিলে চকুৰ ৰেটিনা আক্ৰান্ত হৈছে নেকি জানিবলৈ চকু পৰীক্ষা কৰাওক।** দীৰ্ঘদিনীয়া ডায়েবেটিছ ৰোগত দেহৰ অন্যান্য অঙ্গৰ লগতে চকুৰ ৰেটিনা নামৰ স্নায়বিক পৰ্দাখন আক্ৰান্ত হয়। দীৰ্ঘদিনীয়া ডায়েবেটিছৰ উপৰিও তেজত থকা চুগাৰৰ নিয়ন্ত্ৰণ সঠিক বা নিয়মীয়া ন'হলেও ৰেটিনা আক্ৰান্ত হ'ব পাৰে। এটা সময়ত ডায়েবেটিক ৰেটিন'পেথিৰ কোনো চিকিৎসা নাছিল। আজিকালি লেজাৰ চিকিৎসাৰ দ্বাৰা এই ৰোগ ভালেখিনি নিয়ন্ত্ৰিত ৰাখিব পৰা যায়। লেজাৰৰ উপৰিও অপাৰেশ্যন, ইঞ্জেক্‌শ্যন ইত্যাদিও প্ৰয়োজন অনুসৰি প্ৰয়োগ কৰা হয়। গ্লুক'মাৰ দৰে এই ৰেটিন'পেথীৰ বিপদ হ'ল এয়ে যে প্ৰাৰম্ভিক অৱস্থাত ৰেটিনা যে আক্ৰান্ত হৈছে এই কথা ৰোগী জনে অলপো গম নাপায়। একমাত্ৰ চকুৰোগ বিশেষজ্ঞইহে চকুৰ মণি বহল কৰি ৰেটিনা পৰীক্ষা কৰিলে গম পায়। এই পৰীক্ষাৰ বাবে ইন্‌ডাইৰেক্ত অপ্‌থেল্‌ম'স্ক'প নামৰ এবিধ সঁজুলিৰ প্ৰয়োজন। এবাৰ ৰেটিনা আক্ৰান্ত হ'লে এজন ৰেটিনা বিশেষজ্ঞৰ পৰামৰ্শ ল'ব লাগে আৰু গোটেই জীৱন তেখেতৰ পৰামৰ্শমতে চলি থাকিব লাগে। ৰেটিনাৰ চিকিৎসা বহুত আমনিদায়ক। এঞ্জিঅ'গ্ৰাফী, অ'চিটি, আল্ট্ৰাচাউণ্ড, লেজাৰ, এভাষ্টিন, আই ভি টি এ, ভিট্ৰেক্ত'মী ইত্যাদিৰে চিকিৎসাৰ ৰুটিন ভৰি থাকে। ৰোগীয়ে ইমানবোৰ চিকিৎসা আৰু পৰীক্ষাৰ পাছতো সন্তুষ্টি নাপায়। কাৰণ ৰেটিন'পেথী হ'লে ইতিমধ্যে যি খিনি দৃষ্টি হেৰাল সেয়া ঘূৰাই পোৱা নাযায়। বৰঞ্চ চিকিৎসাৰ পাছত আগতকৈ কমহে হয়। এই ৰোগী সকলে জানিব লাগে যে এই গোটেই খিনি পৰীক্ষা আৰু চিকিৎসাৰ অৰ্থ হ'ল মানুহজনক অন্ধতাৰ পৰা ৰক্ষা কৰা। সেয়া নকৰিলে মানুহজন অচিৰেই অন্ধ হৈ পৰিব। গতিকে চিকিৎসা নকৰি একেবাৰে অন্ধ হোৱাতকৈ চিকিৎসা কৰি মোটামুটিকৈ দেখা পাই থকাতো নিশ্চয় হাজাৰ গুণে শ্ৰেয়।■



# দেহ মানসিক স্বাস্থ্য সুৰক্ষাৰ মহৌষধ যোগ সাধনা আৰু সাম্প্ৰতিক কালত ইয়াৰ প্ৰয়োজনীয়তা

**প্ৰদীপ দত্ত**
সহকাৰী অধ্যাপক

দুৰ্লভ মনুষ্য জীৱনটো পৰিপূৰ্ণভাৱে উপভোগ কৰাৰ গুৰুত্বপূৰ্ণ উৎসটোৱে হৈছে ৰোগবিহীন দৈহ মানসিক স্বাস্থ্য। আমাৰ শৰীৰ আৰু মন যেতিয়া সবল আৰু যন্ত্ৰনা মুক্ত হৈ থাকে তেতিয়াহে আমি সুখাদ্য খাই ভাল পাওঁ, আমোদ প্ৰমোদ কৰিবলৈ উৎসাহ জাগি উঠে, সংগীত আমাৰ কাণত বেছি মধুৰ হৈ বাজে, বন্ধু বান্ধৱীৰ সংগ উপভোগ কৰো, পৃথিৱীখন সুন্দৰ দেখোঁ আৰু এক দুঃচিন্তা বিহীন জীৱন যাপন কৰাৰ অবকাশ বিচাৰি পাওঁ। কিন্তু যেতিয়া শৰীৰটোৰ লগতে মনটোও ৰুগীয়া আৰু দুৰ্বল হৈ পৰে তেতিয়া এই সকলোবোৰেই বিস্বাদ, বিবৰ্ণ আৰু বিৰক্তিদায়ক হৈ পৰে। সুস্বাস্থ্যৰ অভাৱে আমাক জীয়াই থকাৰ আনন্দকণৰ পৰা বঞ্চিত কৰে। জীৱনটোত আউল লাগে আৰু ইয়াৰ ফলত আনৰ বোজা বা কৰুণাৰ পাত্ৰ হৈ এক দুবিসহ জীৱন পাৰ কৰিব লগা হয়। আমাৰ কাণত যেন বাৰে বাৰে অনুৰণণ হয়, 'দেহা থাকিলেহে বেহা,' 'অনুমাত্ৰ সুখ নাই চিৰৰুগীয়াৰ' 'স্বাস্থ্যই পৰমধন' ইত্যাদি ইত্যাদি ...।

আজি সমগ্ৰ বিশ্বতে স্বাস্থ্য সুৰক্ষাৰ হেতু এক অভিনৱ আন্দোলন গঢ়ি উঠা পৰিলক্ষিত হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই আন দিশ সমূহৰ লগতে চিকিৎসা বিজ্ঞানলৈও যথেষ্ট পৰিবৰ্তন আনিছে। কিন্তু দেখা গৈছে যে সৰহ সংখ্যক জটিল ৰোগৰে স্থায়ী চিকিৎসা পদ্ধতি আজিও উদ্ভাৱন হোৱা নাই। কেন্সাৰ, উচ্চ ৰক্তচাপ, হৃদৰোগ, এইড্চৰ নিচিনা ৰোগসমূহ সাধাৰণ ৰোগৰ নিচিনাকৈ মানুহৰ মাজত বিয়পি পৰিছে। এনে ৰোগ সমূহৰ বাবে যি বিলাক ঔষধ বা নিদান দিয়া হয় সেইবিলাকে সাময়িক ভাবেহে উপশম দিয়ে, ঔষধ ব্যৱহাৰ কৰিবলৈ এৰি দিয়াৰ লগে লগে পুনৰ এনে ৰোগ সমূহে মূৰ ভাঙি উঠে। ফলত ৰোগী সকলে প্ৰায় আজীৱন ঔষধৰ ওপৰত নিৰ্ভৰশীল এক অনিশ্চিত জীৱন সাবটি ল'ব লগা হয়। তাতোকৈ পৰিতাপৰ কথা হ'ল এইয়ে যে কেৱল শাৰীৰিক স্বাস্থ্যই নহয় বৰ্তমানৰ জীৱনযাত্ৰাত ক্ৰমাগতভাৱে বাঢ়ি আহিছে মানসিক ৰোগীৰ সংখ্যা। অতিমাত্ৰা ব্যস্তময় জীৱন, মানসিক চাঁপ, অবাঞ্চিত প্ৰতিযোগিতা, যন্ত্ৰকেন্দ্ৰিক জীৱন শৈলী, সামাজিক জীৱনৰ পৰা বিছিন্ন হৈ থকা, পোৱা-নোপোৱা, সাংসাৰিক সমস্যা আদিয়ে বৰ্তমানৰ পৃথিৱীখনত এক জটিল ৰূপ ধাৰণ কৰিছে। হতাশাব্যৰ্থতা, নৈৰাশ্য, মানসিক অৰ্ন্তদ্বন্দ আদিবোৰ যেন জীৱন প্ৰক্ৰিয়াত ছাঁৰ দৰে ঘূৰি ফুৰিছেঁ। এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কথা হ'ল এইয়ে যে মানসিক ৰোগৰ চিকিৎসা প্ৰণালী আজিও বহুলোকে গুৰুত্ব সহকাৰে লব পৰা নাই। বহুলোকে মানসিক চিকিৎসকৰ ওচৰলৈ মুক্ত মনেৰে যাবও নিবিচাৰে। শাৰীৰিক স্বাস্থ্যৰ নিচিনাকৈ মানসিক স্বাস্থ্যৰ যে পৰীক্ষা কৰাই থাকিব লাগে সেই কথাও নাজানে। এচাম ব্যক্তিয়ে আকৌ লোক চক্ষুৰ ভয়ত মানসিক চিকিৎসকৰ ওচৰলৈ যাব নোখোজে। আন এচাম লোকে মানসিক ৰোগৰ প্ৰকৃত কাৰণ বা ৰোগ সৃষ্টিৰ প্ৰকৃত উৎস নজনাকৈ অযথা মন্তব্য কৰে। ফলত বহুলোক কবিৰাজি চিকিৎসা বা অন্ধবিশ্বাসৰ বলি হয়। এনে এক পৰিস্থিতিয়ে মানৱসমাজ খনত বিভ্ৰান্তিৰ সৃষ্টি কৰি তোলাত বহুলোকৰ দৈহমানসিক স্বাস্থ্যক পংগু কৰি তোলে। আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোক সকল এনে ৰোগ সমূহৰ চিকাৰ হ'লে অদৃশ্যজনৰ ওপৰত নিৰ্ভৰ কৰাৰ বাহিৰে আন উপায় নাথাকে, কিয়নো প্ৰায় সৰহ সংখ্যক ৰোগৰে চিকিৎসাৰ বাবে যথেষ্ট অৰ্থৰ প্ৰয়োজন হয়, আনহাতে আৰ্থিক ভাৱে স্বচ্ছল বহুলোকৰ চিকিৎসা ব্যয়ৰ ক্ষমতা থাকে যদিও তেওঁলোকৰ মাজত বহুজনৰে মানসিক প্ৰেৰণা যোগাব পৰা ব্যক্তি বা উৎসৰ অভাৱ পৰিলক্ষিত হয়। সৌজন্যতাৰ খাটিৰত দুই এজনে কিছুদিনে খা-খবৰ লয় যদিও বেমাৰৰ সৈতে যুঁজ দিবৰ বাবে প্ৰেৰণা

যোগাবলৈ সঘনে অহা-যোৱা কৰিব পৰা লোকৰ অভাবে ক্ৰমাগতভাৱে ৰোগীক মানসিক ভাবে অধিক দুৰ্বল কৰি পেলায়। তথাপি সৃষ্টিকৰ্ত্তাৰ অপাৰ মহিমা, তেওঁযেন কোনোবা এটা কোণত এনে কিছুমান নিদান মানব সমাজলৈ আশীৰ্বাদ স্বৰূপে প্ৰদান কৰি আহিছে যাৰ সফল প্ৰয়োগে সকলো শ্ৰেণীৰ ব্যক্তিক জীয়াই থকাৰ অদম্য হেঁপাহ তথা শক্তিৰ যোগান ধৰে। সেই নিদান সমূহৰ ভিতৰত আজি সৰ্বত্ৰে আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হোৱা আৰু দৈহ মানসিক স্বাস্থ্য সুৰক্ষাৰ এক মহৌষধ হিচাপে চিনাক্ত হোৱা এটি নিদান হ'ল ''যোগসাধনা বা যোগভ্যাস কৰা''।

উদ্বেগবিহীন জীৱন যাপনৰ বাবে এতিয়া 'যোগ' কৰাটো নিতান্তই প্ৰয়োজনীয়। এসময়ত অতি ভোজন কৰি ৰোগীয়া হোৱা আমেৰিকান বোৰে এতিয়া যেন সৰ্বৰোগৰ মহৌষধ হিচাপে বিছাৰি পাইছে একমাত্ৰ যোগাভ্যাসক।·এই কথাৰ সত্যতা পাৰিসাংখ্যিক তথ্যইও প্ৰদান কৰিছে। আমেৰিকাৰ 'Yoga Journal' নামৰ আলোচনী এখনৰ মতে ২০০৩ চনত আমেৰিকাত নিয়মিত ভাবে যোগাভ্যাস কৰা মানুহৰ সংখ্যা আছিল প্ৰায় ১ কোটি ৫০লাখ জন। যোগাভ্যাসৰ সঁজুলি কিনিবৰ বাবে ধনী আমেৰিকান সকলে বহুত ডলাৰ খৰচ কৰে। ২০০৪ চনত যোগাভ্যাসৰ সঁজুলিৰ চাহিদা (অৰ্থাৎ কঁঠ, সঁজুলি কান্ধত লৈ ফুৰিব পৰা সুদৃশ্য মহাৰ্ঘ্য মোনা আদি) বৃদ্ধি পাইছে ৯৮ শতাংশলৈ। একে আষাৰে কবলৈ গ'লে আমেৰিকাৰ মানুহ যোগৰ লগত বা যোগৰ নামত যেন বলিয়া হৈছে। এই কথাই প্ৰমান কৰিছে বৰ্তমান সময়ত যোগাভ্যাসৰ প্ৰয়োজন কিমান বেছি।

ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰে পৰা যোগচৰ্চাৰ পৰম্পৰা চলি আহিছে। বহুতো পণ্ডিতৰ মতে প্ৰায় ৫০০০ বছৰ আগৰ পৰাই আমাৰ দেশত সাত্বিক ঋষিমুণি সকলে যোগ-চৰ্চা কৰি আহিছে। গীতা শাস্ত্ৰতো যোগৰ মহিমা সম্পৰ্কে উল্লেখ কৰা পৰিলক্ষিত হৈছে। কুৰুক্ষেত্ৰ মহাৰণৰ অন্যতম মহাযোদ্ধা অৰ্জুনে আত্মীয় কুটুম্বাদিৰ সৈতে যুদ্ধি নকৰো বুলি গাণ্ডীৱ পৰিত্যাগ কৰিব খোজা অস্বাভাৱিক ক্ষণটিত ভগৱান শ্ৰীকৃষ্ণই বিশ্বব্ৰহ্মাণ্ডৰ বিভিন্ন দিশৰ জ্ঞান প্ৰদান কৰোতে যোগৰ জৰিয়তে আত্মউপলব্ধি কৰাই যুদ্ধত অৱতীৰ্ণ কৰোৱাৰ বাবে চেষ্টা কৰিছিল। প্ৰায় ১৫০০ বছৰমানৰ পাছত মহৰ্ষি পতঞ্জলীয়ে মানুহৰ মন আৰু শৰীৰত যোগাভ্যাসৰ প্ৰভাৱ সম্পৰ্কে জ্ঞান প্ৰদান কৰিছিল। প্ৰাচীন কালত বহুতো ঋষিমুণিয়ে যোগসাধনাৰ জৰিয়তে অলৌকিক কাৰ্য্য সম্পাদন কৰাৰ কাহিনী আজিও শুনিবলৈ পোৱা যায়। ভাৰতবৰ্ষত যোগচৰ্চা বহুত পুৰণি যদিও পশ্চিমীয়া দেশ সমূহত প্ৰায় ১৯ শতিকাৰ পৰাহে ই জনপ্ৰিয়তা লাভ কৰে। এই ক্ষেত্ৰত ভাৰতবৰ্ষৰ বিভিন্ন যোগ সিদ্ধ পুৰুষসকলে বিশেষ ভূমিকা গ্ৰহণ কৰি পশ্চিমীয়া দেশসমূহত যোগ সাধনা প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আগভাগ লৈছিল। উল্লেখযোগ্য যে ভাৰতবৰ্ষত যোগচৰ্চাৰ পৰম্পৰা চলি আহিছে যদিও এই সাধনা সাধু-সন্যাসী আৰু অধ্যাত্মিক ভাবাপন্ন লোকৰ মাজতে সৌ সিদিনালৈকে সীমাৱদ্ধ আছিল। সৰ্বসাধাৰণ লোকৰ মাজত খুব কম সংখ্যক ব্যক্তিয়েহে যোগচৰ্চাক গুৰুত্ব দিছিল। কিন্তু কুৰি শতিকাৰ শেষৰ দুটা দশকত ''বাবা ৰামদেৱে'' দৈহ মানসিক স্বাস্থ্য সুৰক্ষাত যোগসাধনৰ সু-প্ৰভাৱ সম্পৰ্কে খুব সুন্দৰকৈ জনসাধাৰণ মাজত যোগচৰ্চাক ব্যৱহাৰিক ভাৱে কৰা উপস্থাপনে প্ৰায় সমগ্ৰ জনতাক যোগ সাধনাৰ প্ৰতি আকৰ্ষিত কৰি তোলে। যোগ চৰ্চা এতিয়া যেন সকলো শিক্ষানুষ্ঠান আৰু জনতাৰ ঘৰে ঘৰে প্ৰত্যক্ষ বা পৰোক্ষভাবে বিৰাজমান। এইক্ষেত্ৰত 'ৰামদেৱ'ৰ লগতে প্ৰচাৰ মাধ্যম সমূহক বিশেষভাৱে কৃতজ্ঞতা জনাব লাগিব।

'যোগ' শব্দৰ অৰ্থ হ'ল সংযোগ বা এক গোট কৰা। এই সংযোগ হৈছে শৰীৰ আৰু মনক একাত্ম কৰি লৈ সাধনা কৰা। অৰ্থাৎ যোগ সাধনাত মন বা আত্মাই শৰীৰক অনুধাৱন কৰে আৰু শৰীৰটোক পৰিচালনা কৰে। শৰীৰ আৰু মনৰ এই অলৌলিক বান্ধোনেই হৈছে 'যোগ'। যোগ সাধাৰণতে দুই প্ৰকাৰৰ 'হঠযোগ' আৰু 'ৰাজযোগ' দেহৰ ইন্দ্ৰিয়বোৰক শক্তি আৰু দৃঢ়তাৰে পৰাভূত কৰি যি যোগ সাধনা কৰা হয় তাক 'হঠ' যোগ বোলা হয়। এই 'হঠ' যোগে আমাৰ দেহৰ 'সপ্ত ধাতু', গ্ৰন্থি ৰস, তেজ আদি শক্তিশালী কৰে। আনহাতে মনক সুসংগঠিত আৰু একাগ্ৰ কৰি কৰা যোগক ৰাজযোগ বোলা হয়। ৰাজযোগে এক সুন্দৰ অধ্যাত্মিক জীৱন শৈলী গঠন কৰি আমাৰ শৰীৰৰ পুষ্টি সাধন কৰাৰ লগতে বহুতো ৰোগৰ পৰা আমাক ৰক্ষা কৰে। যোগৰ লগতে আন তিনিটা বিশেষ দিশ সন্নিবিষ্ট হৈ থাকে। সেয়া হ'ল 'আসন', প্ৰাণায়াম আৰু ধ্যান।

'প্ৰাণায়াম' দুটা শব্দত বিভক্ত হৈ আছে প্ৰাণ আৰু আয়ম। প্ৰাণ হ'ল আমাৰ শৰীৰ আৰু মনৰ মূল চালিকা শক্তি আৰু আয়ম মানে হল নিয়ন্ত্ৰণাধীন কৰা। গতিকে প্ৰাণায়াম হ'ল এনে এক শক্তি যাৰ দ্বাৰা আমাৰ শৰীৰৰ সঞ্জীৱনী শক্তিক উদ্দীপিত আৰু প্ৰাণবন্ত কৰা হয়। ইয়াৰ লগতে প্ৰাণায়ামে শৰীৰৰ ভিতৰত থকা মূল চালিকা শক্তিক বা 'প্ৰাণক' নিয়ন্ত্ৰণ কৰে। প্ৰকৃততে প্ৰাণায়াম এক বিজ্ঞান সন্মত পদ্ধতি। 'প্ৰাণায়াম' ক্ৰিয়াত নিৰ্দিষ্ট নিয়ম অনুসৰি নিয়ন্ত্ৰিত গতিত উশাহ নিশাহ লোৱা হয় আৰু মনক উশাহ নিশাহৰ লগত একাত্ম কৰা হয়। প্ৰাণায়ামৰ তিনিটা বিশেষ অংশ আছে। সেইকেইটা হ'ল এনেধৰণৰ ঃ—

১) পূৰক ঃ—ই হৈছে উশাহ সম্পূৰ্ণৰূপে ভিতৰলৈ টানি লোৱা অৱস্থা।
২) কুম্ভক ঃ—ই হৈছে উশাহ শৰীৰৰ ভিতৰত ৰুদ্ধ কৰি ৰখা অৱস্থা।
৩) ৰেচক ঃ—ই হৈছে নিৰ্দিষ্ট নিয়ম অনুসৰি উশাহ এৰি দিয়া অৱস্থা।

**প্ৰাণায়াম কৰাৰ স্থান আৰু সময় ঃ—**

প্ৰাণায়াম কৰিবৰ বাবে এটি সুন্দৰ পৰিবেশৰ প্ৰয়োজন। ধোঁৱা আৰু ধূলি বৰ্জিত দুৰ্গন্ধমুক্ত, মুকলি বতাহ আহিব পৰা স্থানতহে প্ৰাণায়াম কৰিব লাগে। নিৰিবিলি সময় বিশেষকৈ ৰাতিপুৱা আৰু সন্ধ্যা সময় প্ৰাণায়ামৰ বাবে বেছি উপযোগী। প্ৰতিদিনে অতি কমেও আধাঘণ্টা মান সময় প্ৰাণায়াম কৰিব লাগে। প্ৰাণায়াম কৰাৰ সময়ত খৰধৰ কৰিব নালাগে আৰু দুঃশ্চিন্তাও মনলৈ আহিবলৈ দিব নালাগে। নিজৰ আয়ত্বৰ বাহিৰৰ কোনো ধৰণৰ প্ৰাণায়াম কৰিব নালাগে। নিজৰ সাধ্য অনুসৰি লাহে লাহে নিয়ম অনুসৰিহে প্ৰাণায়াম সমূহ কৰিব লাগে। কোনো ৰোগ থাকিলে 'যোগ' বিশেষজ্ঞ বা চিকিৎসকৰ পৰামৰ্শ লৈহে কৰিব লাগে। এই আলোচনাৰ লগত সঙ্গতি ৰাখি তলত দুটিমান প্ৰাণায়াম আৰু এই বিলাকে আমাৰ দেহমনত পেলাব পৰা সুপ্ৰভাৱ সম্পৰ্কে ব্যাখ্যা কৰা হ'ল।

**সহজ প্ৰাণায়াম ঃ—**সহজ প্ৰাণায়ামে শৰীৰৰ উৰ্দ্ধাংগ আৰু নিম্নাংগৰ লগত সংলগ্ন স্নায়ুবিলাকক বিশেষভাবে সবল কৰে। এই প্ৰাণায়মে হাত আৰু ভৰিত হোৱা 'বাত' ৰোগৰ আক্ৰমণ ৰোধ কৰে। হৃদযন্ত্ৰ আৰু হাঁওফাও যথোচিত ভাবে কাৰ্যক্ষম কৰি তোলে। ছাত্ৰ-ছাত্ৰীৰ যেতিয়াই তেতিয়াই হোৱা পানী লগা, কাঁহৰ আক্ৰমণৰ আশংকা নোহোৱা কৰে প্ৰাণায়মে।

**সূৰ্য্যভেদে ঃ—**সূৰ্যভেদ প্ৰাণায়ামক উজ্জায়ী প্ৰাণায়াম বুলিও কোৱা হয়। এই প্ৰাণায়ামে শৰীৰ সবল কৰে আৰু বাতবিষ দূৰ কৰে। শ্লেষ্মা উৰ্দ্ধগামী কৰে। অনিচ্ছাকৃত ধাতুস্খলন ৰোধ কৰে। শুক্ৰধাতুক উৰ্দ্ধলৈ তুলি উৰ্ধৰেতী হোৱাত সহায় কৰে বাবেই ইয়াক উজ্জায়ী প্ৰাণায়াম বুলিও কোৱা হয়।

**চিৎকাৰী প্ৰাণায়াম ঃ—**এই প্ৰাণায়ামে মনক সুদৃঢ় কৰে আৰু শৰীৰ সবল কৰে। কণ্ঠস্বৰ শুৱলা কৰে আৰু জিভাৰ জুটি লোৱাত হোৱা সমস্যা দূৰ কৰে।

**শীতলী প্ৰাণায়াম ঃ—**এই প্ৰাণায়ামে তেজ পৰিস্কাৰ কৰাৰ লগতে প্ৰাণশক্তিক সুদৃঢ় কৰে। অৱশ্যে শীত কালত অধিক শ্লেষ্মা থকা লোকে এই প্ৰাণায়াম কৰিব নালাগে।

**ভস্ত্ৰিকা প্ৰাণায়াম ঃ—** ভস্ত্ৰিকা প্ৰাণায়ামে বায়ু, পিত্ত, কফ এই তিনিবিধ ধাতু সুষম অৱস্থাত ৰাখে। এই তিনি ধাতু সুস্থিৰ অৱস্থাত থাকিলে দেহ সতকাই ৰোগাক্ৰান্ত নহয়।

**ভ্ৰামৰি প্ৰাণায়াম ঃ—**ভ্ৰামৰি প্ৰাণায়ামে মনক একাগ্ৰ কৰে। মানসিক দুঃচিন্তা অৱসাদ, বিশৃংখল চিন্তা আদি লাহে লাহে নোহোৱা কৰে।

**প্লাৱিনী প্ৰাণায়াম ঃ—** প্লাবিনী প্ৰাণায়ামে হাঁওফাও সবল কৰে। হাঁওফাওৱে বহু সময় ধৰি বায়ুধৰি ৰাখিব পৰা কৰি তোলে।

**বৈদিক প্ৰাণায়াম ঃ—**বৈদিক প্ৰাণায়মে চিত্তক একাগ্ৰ কৰি তোলে। মন বা চিতক এক নিৰ্দিষ্ট বিন্দুত কেন্দ্ৰীভূত কৰাত গুৰুত্ব দিয়ে। ইয়াৰ ফলত আবেগিক উত্তেজনা লাহে লাহে নোহোৱা হৈ পৰে।

**ৰাজযোগ প্ৰাণায়াম ঃ—** ৰাজযোগ প্ৰাণায়াম প্ৰকৃততে যোগী সাধক সকলৰ বাবেহে বেছি উপযুক্ত। ছাত্ৰ-ছাত্ৰী তথা বিবাহিত নৰ নাৰীৰ বাবে এই প্ৰাণায়াম নিষিদ্ধ। প্ৰাণায়াম সমূহ যদিও শ্বাস-প্ৰশ্বাস নিয়ন্ত্ৰণৰ ব্যায়াম বুলি কোৱা হয় তথাপি ৰাজযোগ কিছু পৃথক। ইয়াক অতি সাৱধানতাৰে কৰা উচিত।

ৰাজযোগে মনক অধিক শক্তিশালী কৰে। ৰাজযোগে আত্মা আৰু পৰমাত্মাৰ সংযোগৰ জৰিয়তে কেনেকৈ আত্ম উপলব্ধি কৰিব পাৰি, সেই বিষয়ে জ্ঞান দিয়ে।

ৰাজযোগে চিত্তৰ চঞ্চলতা, আবেগিক অস্থিৰতা, উদ্বেগ, মানসিক বিশৃংখলতা নোহোৱা কৰে।

**আসন ঃ—**

প্ৰাণায়ামৰ লগতে যোগৰ লগত জড়িত আন এটা দিশ হ'ল আসন। আসনৰ দ্বাৰা শৰীৰটোক ইয়াৰ অঙ্গ প্ৰত্যঙ্গ সমূহক জড়িত কৰি, নিৰ্দিষ্ট কিছুমান ভঙ্গীমাত ৰখা হয়। আৰু এই ভঙ্গীমা বিলাকে মন আৰু শৰীৰ দুয়োটাকে নিয়ন্ত্ৰণ কৰি ৰাখে। বৰ্তমান বিজ্ঞানেও এই কথা স্থিৰ কৰিছে যে শৰীৰটো এক যন্ত্ৰ বিশেষ ইয়াৰ কাম কাজ ভালকৈ চলাবলৈ হলে শৰীৰৰ ভিতৰৰ

বিভিন্ন অংগ সমূহ নিয়াৰিকৈ চলিব লাগিব। সেয়েহে সামগ্ৰীক ভাবে শৰীৰটো কৰ্মঠ কৰি ৰখাৰ অন্যতম কৌশল হৈছে 'আসন'। 'আসনে' দেহ মনক স্থিৰ কৰে, চঞ্চলতা দূৰ কৰে। আমাৰ শৰীৰৰ প্ৰায় প্ৰতিটো অংশ বা অংগ সক্ৰিয় কৰি ৰাখিব পৰা আসন বা ব্যায়াম আছে। অৱশ্যে জীৱিকা আহৰণৰ বাবে যি সকলে লোকে কঠোৰ শাৰীৰিক পৰিশ্ৰম কৰিব লগা হয় তেওঁলোকে আন আসন নকৰিলেও হয়। জীৱিকা আহৰণৰ বাবে শাৰীৰিক পৰিশ্ৰম কৰিব নলগা সকলো শিশু তথা ব্যক্তিয়েই প্ৰতিদিনে কিছু সময়ৰ বাবে হ'লেও আসন কৰাটো প্ৰয়োজন। স্বাস্থ্য ৰক্ষাৰ বাবে কঠিন তথা কষ্টসাধ্য যোগাসন কৰাৰ প্ৰয়োজন নাই। যোগাসন সম্বন্ধীয় পুথি সমূহ ভালকৈ অধ্যয়ন কৰি তাক হৃদয়ঙ্গম কৰি লৈ নিজৰ শৰীৰৰ বাবে প্ৰয়োজনীয় বুলি ভবা দুটিমান আসন বাছি ললেই হ'ল। কিন্তু গুৰুত্বপূৰ্ণ কথা হ'ল যে দুদিনমান আসন কৰি স্বাস্থ্যটো ভাল হোৱা যেন ভাবি বাদ দিলে ইয়াৰ পৰা একো সুফল পোৱা নাযাব। গোটেই জীৱন যদি নিয়ম অনুসৰি প্ৰাণায়ামৰ লগতে আসনো কৰি থকা যায় তেতিয়া ইয়াৰ ধনাত্মক প্ৰভাৱ আজীৱন লাভ কৰা যাব। স্বাস্থ্য সুৰক্ষাৰ বাবে থকা আসনবোৰৰ নাম আৰু ইয়াৰ উপকাৰিতা সম্পৰ্কে কবলৈ গ'লে লিখনিৰ কলেবৰ মাত্ৰাধিক্য হবগৈ। তথাপিও আলোচনাটিৰ প্ৰতি লক্ষ্য ৰাখি মাথোন দুটিমান আসনৰ নাম আৰু ইয়াৰ উপযোগিতাৰ সম্পৰ্কে আলোচনা কৰা হ'ল।

**পদ্মাসন ঃ—** এই আসনে ৰাজহাড়, পিঠি, ভৰিৰ লগতে হাঁওফাও সক্ৰিয় কৰি ৰখাত সহায় কৰে। মনলৈ দৃঢ়তা আনে। ইয়াৰ বাহিৰেও পদ্মাসনৰ আন বহুতো পৰোক্ষ উপকাৰিতা আছে।

**মুণ্ডুকাসন ঃ—** মুণ্ডুকাসনে পেট আৰু নিতম্বৰ অতিৰিক্ত চৰ্বি নোহোৱা কৰে আৰু আঁঠুৰ কাষৰ আৰু উৰুৰ পেশীবোৰ শক্তিশালী কৰে। নিতম্ব আৰু আঁঠুৰ ঘিলাৰ বিষ নোহোৱা কৰে আৰু পাচন ক্ৰিয়া সবল কৰে, কোষ্ঠকাঠিন্যতাৰ লগতে বহুমূত্ৰ ৰোগ নিৰাময়ত সহায় কৰে।

**শশকাষন ঃ—** এই আসনত আমাৰ শৰীৰৰ সন্মুখভাগ ভালদৰে মেল খাই যায়। ৰাজহাঁড় পিছলৈ বেকা কৰাৰ ফলত ইয়াৰ নমনীয়তা বাঢ়ে। আঠু নিতম্বৰ জোৰা আৰু কান্ধৰ জোৰা কেইটাও নমনীয় হৈ সুচল হয়।

**সিংহাসন ঃ—** এই আসনে কণ্ঠ পৰিস্কাৰ আৰু শুৱলা কৰে। মাইৰ'ছ গ্ৰন্থিৰ ৰোগ নিৰাময় কৰে।

**উৰ্দ্ধতাৰাসন ঃ—** এই আসন কৰিলে ভৰিৰ কলাফুল, উৰুৰ পিছফালৰ আৰু পিঠিৰ পেশীবোৰ সম্প্ৰসাৰিত আৰু সবল কৰে।

**সূৰ্য নমস্কাৰ ঃ—** সূৰ্য নমস্কাৰত প্ৰতিটো গাঁঠি আৰু পেশীৰ সঞ্চালন হয়। ফলত গাঁঠিবোৰ নমনীয় আৰু সুচল হয়। পেশীবোৰ সবল হয়। হৃদপিণ্ড আৰু হাঁওফাওৰ ক্ৰিয়া ত্বৰান্বিত হয়। শৰীৰৰ বিভিন্ন তন্ত্ৰসমূহৰ ক্ৰিয়াত সবল হয়।

ইয়াৰ বাহিৰেও আৰু বহুতো আসন আছে যি বিলাকৰ উপকাৰিতাও পৰিলক্ষিত হয়।

**ধ্যান ঃ—** ধ্যান হ'ল যোগ সাধনৰ সবাতোকৈ জটিল অথচ উৎকৃষ্ট পৰ্য্যায়। ধ্যান হৈছে কোনো এটা বিষয়বস্তুৰ ওপৰত মনক একাগ্ৰ আৰু নিৰবিছিন্ন ভাবে নিবদ্ধ কৰা, অৰ্থাৎ মনৰ গভীৰ অনুশীলনেই ধ্যান। গতিকে যেতিয়া একেটা বস্তুৰ ভাৱতে অবিৰাম ভাবে আৰু বহু সময় জুৰি মন, আত্মা নিমগ্ন হৈ থাকে তেতিয়া সেই অৱস্থাকে আমি ধ্যান বুলি কওঁ। ধ্যানৰত ব্যক্তিয়ে অলৌকিক শক্তি লাভ কৰে বুলিও শুনা যায়। ঋষি বাল্মিকী, গৌতম বুদ্ধৰ জীৱনত ধ্যানে পেলোৱা প্ৰভাৱৰ বিষয়ে আমি সকলোৱে শুনিছো। প্ৰকৃত ধ্যানৰ সময়ত ব্যক্তিয়ে নিজৰ 'মনস্থিত' বস্তুৰ বাহিৰে আন একো দেখা নাপায় বা আন একো শুনিও নাপায়। তেওঁৰ মন সম্পূৰ্ণ ৰূপে এক বিন্দুত বিলীন হৈ যায়। আৰু ধ্যানৰ অন্তত মন পূৰ্বস্থানলৈ ঘূৰি আহে এক অফুৰন্ত শক্তি লৈ। ধ্যানৰ অভ্যাস কৰাটো যথেষ্ট জটিল। কিন্তু এবাৰ আয়ত্ব কৰিব পাৰিলে তাৰ পৰা পোৱা সুফলে মানুহৰ জীৱনটো বহু পৰিমানে সলনি কৰি দিব পাৰে।

সাম্প্ৰতিক সময়ছোৱাত এটা গুৰুত্বপূৰ্ণ সমস্যা হ'ল মানসিক হেঁচা (Stress)। যেতিয়া বিৰামহীন মানসিক হেঁচাই মানুহৰ দেহ মন ভাঙি তাক ধ্বংসস্তুপত পৰিণত কৰে তেতিয়াই মানুহৰ জীৱনলৈ হতাশা, ব্যৰ্থতা, নৈৰাশ্য নামি আহে। মানসিক হেঁচা আচলতে নিজৰেই সৃষ্টি, সীমাহীন লোভ, ৰুদ্ধশ্বাস ব্যস্ততা অস্বাভাৱিক জীৱন পদ্ধতি ইয়াৰ মূল কাৰণ। মানসিক হেঁচাৰ কবলৰ পৰা নিজকে নিজেইহে ৰক্ষা কৰিব পাৰো। এই মানসিক হেঁচা নিয়ন্ত্ৰণৰ এটা সহজ আৰু ফলদায়ক উপায় হ'ল প্ৰতিদিনে অতি কমেও আধা ঘণ্টা সময় গভীৰ ভবে ধ্যান কৰা। মাত্ৰ এসপ্তাহ বা এমাহতে ধ্যানৰ কৌশলবোৰ আয়ত্ব কৰিব পৰা নাযায়। কিন্তু অশেষ ধৈৰ্য্য ধৰি অভ্যাস কৰি থাকিলে ছয়মাহ মানৰ ভিতৰত একান্ত গভীৰ ধ্যানৰ সুফলবোৰ লাভ কৰিব পৰা যায়। ধ্যান মানেই হ'ল এক নিৰ্দিষ্ট সময়ৰ বাবে মনটোক নিষ্ক্ৰিয়, নিৰাসক্ত আৰু নিৰ্বিকাৰ কৰা। মাত্ৰ আধাঘণ্টা কৰা গভীৰ ধ্যানে

দিনটোৰ বাবে মনটোক শান্ত কৰি ৰাখে। ধ্যান কৰাৰ সাধাৰণ কৌশল সমূহ হ'ল এনেধৰণৰ –

১) গভীৰ উশাহ নিশাহ লোৱাৰ অভ্যাস কৰা।

২) এনে এটুকুৰা ঠাই নিৰ্বাচন কৰি ল'ব লাগে য'ত অন্তত আধাঘণ্টাৰ বাবে কোনেও আমনি দিব নোৱাৰে। এনে এখন চকী ল'ব লাগে য'ত সম্পূৰ্ণ আৰামত বহিব পাৰে আৰু দৈহিক অস্বস্তিয়ে ধ্যান ভংগ কৰিব নোৱাৰে।

৩) বুকু ভৰাই দীঘলকৈ আৰু খুব ধীৰে ধীৰে উশাহ ল'ব লাগে আৰু তেনেকৈয়ে খুব ধীৰে ধীৰে উশাহ এৰিব লাগে।

৪) উশাহ নিশাহৰ শব্দৰ বাহিৰে আন চিন্তা মনলৈ আনিব নেলাগে।

৫) চকুমুদি বাহিৰৰ সমস্ত জগত খনক চেতনাৰ পৰা বাহিৰ কৰি দিব লাগে। প্ৰশান্ত আৰু নিৰাসক্ত ভাবে মনটোক আছন্ন কৰি ৰাখিব লাগে।

৬) কিবা এটা মন্ত্ৰ বা শব্দ নিজৰ পচন্দমতে বাছি লৈ মনৰ ভিতৰতে তাক আওৰাই থাকিব লাগে সম্পূৰ্ণ নিৰৱতাৰে। শব্দটো নহয়, শব্দটো অখণ্ড মনোযোগেৰে আওৰাই থকাটোহে বেছি গুৰুত্বপূৰ্ণ।

এইদৰে নিতৌ 'ধ্যান' অভ্যাস কৰি থাকিলে সততে সন্মুখীন হোৱা মানসিক তথা শাৰীৰিক যন্ত্ৰনাৰ পৰা বহু পৰিমাণে উপশম লাভ কৰিব পাৰি। সেয়েহে হয়তু ৰোমান সম্ৰাট, দাৰ্শনিক 'মাৰ্কাছ অৰেলিয়াছে কৈছিল "সাংসাৰিক অশান্তি আৰু জ্বলা–যন্ত্ৰনাৰ কৰা নিস্তাৰ পাবলৈ নিজৰ আত্মাতকৈ শান্তিপূৰ্ণ স্থান আন একোৱেই নাই। মানুহে সদায় অন্তত কিছু সময়ৰ কাৰণে নিজৰ আত্মাৰ মাজত অৰ্থাৎ ধ্যান আৰু নিৰৱতাৰ মাজত আশ্ৰয় বিছাৰিব লাগে।"

ওপৰৰ আলোচনাই মানুহৰ দেহ মানসিক স্বাস্থ্য সুৰক্ষাত যোগ সাধনা বা যোগাভ্যাসৰ গুৰুত্ব সম্পৰ্কে জানিবলৈ দিছে। প্ৰাচীন কালৰে পৰা চলি অহা যোগসাধনা বৰ্তমান সময়ছোৱাত অধিক জনপ্ৰিয় হৈ উঠিছে আৰু অনাগত দিনতো হয়তু ইয়াৰ চৰ্চা চলিয়ে থাকিব। আচলতে স্বাস্থ্য সুৰক্ষাৰ মূল মন্ত্ৰ হৈছে সুস্থ দেহত এটা সুস্থ মনৰ জন্ম দিয়া। সুস্থ মনৰ প্ৰধান লক্ষণ হ'ল প্ৰশান্তি আৰু নিৰ্মলতা। দৈহিক স্বাস্থ্য উন্নত হৈ আহিলে, শক্তিসামৰ্থ্য বৃদ্ধি পালে মনলৈ আপোনা আপুনি আত্মবিশ্বাসৰ ভাব আহে, আৰু মন স্বাভাৱিকতে আনন্দিত হয়। কিন্তু কেতিয়াবা মানুহৰ জীৱনত দুৰ্ভাগ্যই লগ এৰা নিদিয়ে। এনে মানুহক দুভাৰ্গ্যৰ বিৰুদ্ধে যুঁজ দিবলৈ তেওঁলোকক আটাইতকৈ বেছি মানসিক শক্তি আৰু দৃঢ়তা লাগে। এই দৃঢ়তাৰ মূল উৎস হৈছে ইচ্ছাশক্তি। একমাত্ৰ ইচ্ছা শক্তিৰ দ্বাৰাহে বাহিৰৰ বাধা বিঘিনি আৰু নিজৰ ভিতৰৰ নানাবিধ দুৰ্বলতা জয় কৰি স্বাস্থ্য সাধনাত সিদ্ধিলাভ কৰিব পাৰি আৰু এই ইচ্ছা শক্তি জগাই তুলিব পৰা একমাত্ৰ শক্তিটোৱে হৈছে যোগসাধনা কৰা।■

প্ৰসংগ পুথি ঃ—

১) জীয়াই থকা আনন্দৰ প্ৰধান উৎস স্বাস্থ্য– হোমেন বৰগোহাঞিঃ
২) সুস্বাস্থ্যৰ বাবে যোগাসন আৰু প্ৰাণায়াম– ডা° ভূপেন্দ্ৰ নাৰায়ন শৰ্মা
৩) শিক্ষাৰ দাৰ্শনিক ভিত্তি (স্নাতক মহলাৰ)– ড° বেদ কুমাৰ চলিহা, তৰুণ শইকীয়া, ৰণু বৰা শইকীয়া
৪) আলোচনী – 'স্বাস্থ্য', স্বাস্থ্য আৰু দীৰ্ঘজীৱন, ডিচেম্বৰ ২০১৫, এপ্ৰিল ২০১৬, ফেব্ৰুৱাৰী ২০১৭
৫) সাফল্যৰ কাৰ্যকৰী দৰ্শন
অনুবাদ — আমিনুৰ ৰহমান



# এক বৃহৎ প্ৰশ্নবোধক

**হিমা দাস**
স্নাতক পঞ্চম ষান্মাসিক

দৈনন্দিন সমাজত ধ্বংসকাৰী বিবেকমুক্ত হৃদয়হীন লোকসকলৰ দ্বাৰা সংঘটিত হোৱা অনিয়ম, অপশাসন, শোষন, লুণ্ঠন, অন্ধবিশ্বাস, অপপ্ৰচাৰ, অমানৱীয় তথা নৈতিক কাৰ্য, দায়িত্ববোধহীনতা, তথা অকৰ্মণ্যতাই মোক এক নিদ্ৰাহীন জগতলৈ ঠেলি দিয়ে আৰু সেই নিদ্ৰাহীন জগতখনত ভৱিষ্যত পৰিকল্পনা কৰিলেই চকুৰ আগত ভাহি উঠে এক বৃহৎ প্ৰশ্নবোধক। যাৰ প্ৰায়বোৰ উত্তৰেই নঞৰ্থক বুলিব পাৰি।

প্ৰথমেই মোৰ মনত উদয় হয় 'আমি কেতিয়াবা মানুহ হ'ব পাৰিম নে তথা প্ৰকৃত মানুহৰ সংজ্ঞা কি?'

আমি বাৰু সেইখন সমাজক মানৱযুক্ত সমাজ বুলি পৰিচয় দিব খোজোঁ নেকি--- য'ত এজন ব্যক্তিয়ে আনজনক মানুহ হিচাপে গণ্য নকৰি গণ্য কৰে অন্য গ্ৰহত বাস কৰা কোনো মাৰাত্মক জন্তু হিচাপে? যিখন সমাজত এজনে আনজন ব্যক্তিক মানুহ হিচাপে বিবেচনা নকৰি বিবেচনা কৰে হিন্দু মুছলমান, শিক্ষিত নিৰক্ষৰ, বগা-ক'লা, ধনী-দুখীয়া, উচ্চ-নীচ, ধুনীয়া-এলাগী আদি কিছুমান সস্তীয়া শব্দৰে সেইখন জানো প্ৰকৃতাৰ্থত মানৱ সমাজ?

নে সেইসকলক আমি প্ৰকৃত মানুহ বুলিব খুজিছোঁ---যিয়ে জীৱনত কোনো দিনেই স্বাৰ্থ পুৰণৰ বাদে সমাজবাসীৰ আৰ্থ-সামাজিক, মানসিক বা অন্যান্য সমস্যাৱলী সুবিধা-অসুবিধা, দুখ-বেদনা, আদিৰ বিষয়ে জ্ঞান আহৰণ কৰিবলৈ সময়ৰ অভাৱ? মোৰ দৃষ্টিভংগীত সেইসকল কেতিয়াও প্ৰকৃত মানুহ হব নোৱাৰে--- যিয়ে নিজৰ জীৱনত কেৱল এবাৰৰ বাবে হ'লেও সমাজবাসীৰ দুখ-বেজাৰ, কষ্ট, অভাৱ আদিক মূল্য নিদিয়ে, যাৰ হৃদয়ত এবাৰৰ বাবে হ'লেও নৈতিকতা, মানৱীয়তা তথা কৰ্তব্যবোধ নজন্মে। সেইসকল ব্যক্তিক প্ৰকৃত মানুহ হিচাপে পৰিচয় দিয়াটো এক প্ৰকাৰৰ যুক্তিহীন কাৰ্য্য। সেইফালৰপৰা চাবলৈ গ'লে আমাৰ সমাজৰ ৯৯.৯ % মানুহেই হয়তো অমানুহ। তেনে স্থলত প্ৰশ্ন হয় আজিৰ যুগত প্ৰকৃত মানুহ কোন?

যিয়ে সমাজবাসীৰ হকে নিজৰ সকলোবোৰ ত্যাগ কৰি এক সংগ্ৰামত ভৰি দিছে সেইসকল নে সেইসকলক আমি প্ৰকৃত মানুহ আখ্যা দিব খোজো যি এই সমাজত এক্ষনৰ বাবেও জীয়াই থকাৰ উপযোগী নহয়। যিয়ে এই সমাজত ধৰ্মপ্ৰদূৰ্ষণ তথা দিবাস্বপ্নৰ খেতি কৰি আহিছে? অথচ আমি এই কাৰ্যক তীব্ৰতৰ বাবে সমৰ্থন কৰি আহিছো।

অন্য জীৱ জন্তুৱে আমাক মানুহ হিচাপে জ্ঞাত যদিও আমি আজি পৰ্যন্ত নিজকে এজন প্ৰকৃত মানুহ হিচাপে পৰিচয় দিবলৈ সক্ষম হোৱা নাই। আন এক পক্ষই জীৱ শ্ৰেষ্ঠ মানুহ' বুলি দাবী কৰি আহিছে। মই নাজানো সেয়া কাৰ যুক্তি তথা কিহৰ ভিত্তিত কিন্তু মোৰ পক্ষে এই দাবী একেবাৰেই যুক্তিহীন তথা অগ্ৰহণযোগ্য। যিখন সমাজত আজিও ডাইনী হত্যা, নৰবলি আদিৰ দৰে অন্ধবিশ্বাসে স্থান দখল কৰিছে, য'ত নিতৌ বিভিন্ন নিৰীহ জীৱ-জন্তুৱে প্ৰাণ দিব লগা হয় কেৱল আমাৰ ধ্বংসকাৰী বিবেকৰ বাবে সেইখন কেতিয়াও জীৱশ্ৰেষ্ঠ সমাজৰ পৰিচয় হ'ব নোৱাৰে।

দ্বিতীয়তে প্ৰশ্ন উত্থাপন হায় --- স্বাধীনতা দিৱসৰ দিনাখন ভয়ত পেপুৱা লাগি ঘৰৰ ভিতৰত সোমাই থকা চৰিত্ৰটো বাৰু এখন স্বাধীন দেশৰ পৰিচয় হ'ব পাৰে নেকি? নিশ্চিতভাৱে নহয়। তেনে স্থলত আমাৰ একাংশই নিজকে স্বাধীন বুলি কোৱাৰ কথাষাৰেই যেন যুক্তিহীন। এই সমাজখন ইংৰাজৰ পৰা স্বাধীন হ'ল যদিও স্বাধীন নহ'ল। তেওঁলোকৰ আইনী ব্যৱস্থাৰ পৰা আমি আজিও পৰাধীন সেই শোষিত

পুঁজিবাদী তথা ধৰ্ম প্ৰদূষণবাদী গোষ্ঠীৰ হাতত আমি আজিও পৰাধীন কৰ্তৃত্বৰ অধিকাৰী দ্ৰোহীগোষ্ঠীৰ আগত। বাক স্বাধীনতা, অৰ্থনৈতিক স্বাধীনতা, সকলো খৰ্ব হোৱাৰ পিছতো যেন একাংশই নিজকে স্বাধীন দেশৰ বাসিন্দা বুলিহে গৰ্ব কৰে। অথচ সেইখন স্বাধীন দেশতেই অন্যায় তথা অপশাসনৰ বিৰুদ্ধে কোনোৱে মাত মাতিবলৈ গৈ হৈ পৰে একোজন মাৰাত্মক দেশদ্ৰোহী।

তৃতীয়তে প্ৰশ্ন হয়---আধুনিকতা কাক বোলে?

সমাজত প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰ, অনিয়ম আদিক সংশোধনীৰ জৰিয়তে এক ক্ৰটিহীন সমাজ গঢ় দিয়াক আধুনিকতা বোলে নে পশ্চিমীয়া সংস্কৃতি গ্ৰহণ কৰি নিজস্বক পাহৰা তথা নিজৰ বিবেক আৰু আত্মাক বিক্ৰী কৰাৰ কাৰ্যকহে আধুনিকতা বোলে?

আনহাতে যদি নিজৰ কৃষ্টি-সংস্কৃতি সকলো পাহৰি বাহিৰাগতৰ ভাষা আৰু জীৱন ধাৰণ প্ৰণালীক গ্ৰহণ কৰাকেই আধুনিকতা বোলে তেন্তে আমাৰ বাবে ইংলেণ্ড, ফ্ৰান্স, জাৰ্মান, আমেৰিকা আদিবোৰ বাৰু ক্ৰটিহীন মানসিকতাৰ দেশ নেকি?

আকৌ কেতিয়াবা প্ৰশ্ন হয়---আমাক বাৰু যোগ্যতাৰ প্ৰয়োজন নে অৰ্হতাৰ?

যোগ্যতা আৰু অৰ্হতা দুয়ো এটি আনটিৰ পৰিপূৰক যদিও কেতিয়াবা দক্ষতা অবিহনেও যেন আমি কোনো এক পদ তথা কাৰ্য সম্পাদনৰ বাবে যোগ্য হৈ পৰোঁ। অনুভৱ হয় আমাৰ সমাজত দক্ষ লোকৰ অভাৱ নাই ঠিকেই পিছে সকলো ক্ষেত্ৰতেই যেন যোগ্য প্ৰাৰ্থীৰহে অভাৱ ঘটিছে।

এনেধৰণৰ বহুতো প্ৰশ্নইহে মোক নিতৌ মাত্ৰ এটা প্ৰশ্ন কৰিবলৈ বাধ্যত পেলায়---''আমাৰ ভৱিষ্যৎ প্ৰজন্ম আজি কোন দিশে গতি কৰিছে?''

যদিও আমি এই সমাজৰ একো একোজন শিক্ষিত বাসিন্দা। হ'ব পাৰোঁ দক্ষতাৰ অধিকাৰী। কিন্তু আমি যেন বৰ্তমান পৰ্যন্ত এই সমাজত জীয়াই থাকিবলৈ এজন যোগ্য মানুহৰ স্থান দখল কৰাত ব্যৰ্থ, সেয়েহে লিখনিটিৰ শেষত সমূহ বন্ধুবৰ্গ তথা পঢ়ুৱৈক নিজকে একো একোজন প্ৰকৃত মানুহ হিচাপে গঢ় দিবলৈ অনুৰোধ থাকিল।■



# বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰতিফলন বা উন্মেষ

হীৰকজ্যোতি খাখলাৰী
স্নাতক ষষ্ঠ ষাণ্মিসিক

বৰ্তমান যুগটো বিজ্ঞানৰ যুগ বুলি কোৱা হয়। আজিৰ দিনত সমাজৰ সকলো মানুহেই কিবা নহয় কিবা প্ৰকাৰে বিজ্ঞানৰ উপভোক্তা হৈ পৰিছে। বিজ্ঞানৰ আৱিষ্কাৰবোৰৰ কাৰণে মানুহৰ জীৱন ধাৰণৰ মান সম্প্ৰতি যথেষ্ট উন্নত হৈছে। আনফালে আমাৰ সমাজত বিজ্ঞানৰ আধুনিক উপকৰণ ব্যৱহাৰ কৰিলেই বা বিজ্ঞানৰ ডিগ্ৰী-ডিপ্লমা থাকিলেই বৈজ্ঞানিক মানসিকতা থকা বুলি দাবী কৰিব নোৱাৰোঁ, কিয়নো বৈজ্ঞানিক চিন্তা-চৰ্চা বা বৈজ্ঞানিক মানসিকতা যি হাৰত গঢ় লব লাগিছিল, লোৱা নাই। ফলত অনেক কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ কবলত পৰি আজিও সমাজৰ কিছুমান লোকে পৰম্পৰাগত ধ্যান-ধাৰণাৰে পৰিচালিত হৈ বিভিন্ন অপকৰ্ম কৰি আহিছে। এনে অপকৰ্মৰ এটি নিদৰ্শন হ'ল ডাইনী হত্যা। বৰ্তমান সমাজৰ সৰ্বসাধাৰণ মানুহ এজনৰ বাবে বৈজ্ঞানিক চিন্তাধাৰা বা দৃষ্টিভংগীৰ কিবা গুৰুত্ব আছেনে? ই এক বহু চৰ্চিত আৰু গুৰুত্বপূৰ্ণ বিষয়।

আমি সাধাৰণতে পৰিচিত বিজ্ঞানৰ উপকাৰবোৰ যে সমস্যাৰ সমাধান আৰু সত্য আৱিস্কাৰৰ বাবে বৈজ্ঞানিক পদ্ধতিৰ দ্বাৰাহে সম্ভৱ হৈছে, সেইটো কিন্তু সৰ্বসাধাৰণৰ বাবে পৰিষ্কাৰ নহয়। মানুহে সদায় নজনা কথা জানিব বিচাৰে, নুবুজা কথা বুজি লব খোজে। একেবাৰে আদিম মানুহৰপৰা এতিয়াৰ আধুনিক মানুহলৈ প্ৰত্যকৰে এই অনুসন্ধিৎসা আছে। এই অনুসন্ধিৎসাৰ বাবেই মানুহ উন্নতিৰ পথেৰে আগুৱাই গৈ আছে, তাৰ বলতেই মানুহে প্ৰকৃতিৰ নানা সত্য, নানা ৰহস্য উদঘাটন কৰিছে। আমাৰ বিশ্বব্ৰহ্মাণ্ডখনৰ ৰহস্য উটঘাটনৰ ব্যৱস্থাটোৱেই হ'ল বিজ্ঞান। বিজ্ঞানীসকলে কৰা পৰীক্ষা-নিৰীক্ষাৰ সুফলৰ বাবেই মানুহৰ আহাৰ, আশ্ৰয় আৰু বস্ত্ৰৰ সমস্যা সমাধানৰ পথ সুগম হৈছে।

বৰ্তমানৰ যুগটো মন মুকলি কৰি ৰখা যুগ। আঁকোৰগোজ হৈ অযুক্তিকৰ পুৰণি কথাবোৰত লাগি নাথাকি বিজ্ঞানসন্মত নতুন কথা, নতুন সিদ্ধান্ত গ্ৰহণ কৰিব পৰাজনে সমাজৰ প্ৰগতিত অৰিহণা যোগাব পাৰে। ধৰ্ম, বদ্ধমূল বিশ্বাস, আচাৰ, ঐতিহ্য, পৰম্পৰা আদিৰ নিৰ্দেশবোৰ কোনো বিচাৰ নকৰাকৈ গ্ৰহণ কৰাৰ ফলত মানুহে অন্ধবিশ্বাস আৰু অতিপ্ৰাকৃতিক কথাত গভীৰভাৱে বিশ্বাস কৰিবলৈ লয়। ই বৈজ্ঞানিক চিন্তাধাৰাত হেঙাৰ হৈ পৰিছে। আগতে, যেতিয়া বহুতো কথাৰ কাৰ্য-কাৰণ সম্পৰ্কে মানুহে জনা নাছিল তেতিয়া সেইবোৰ দেব-দেৱতাৰ, ভূত-পিশাচৰ কাণ্ড বুলি, কোনো অদৃশ্য শক্তিৰ কাৰ্য মানি লৈছিল। বসন্ত আদি ৰোগ শীতলা দেৱী আদি অপেস্বৰীৰ ৰোষত হোৱা বুলি বিশ্বাস কৰিছিল। কিন্তু আধুনিক চিকিৎসা বিজ্ঞানীয়ে প্ৰমাণ কৰিলে আই বা বসন্ত ৰোগ একোবিধ ক্ষুদ্ৰ ভাইৰাছ বা বীজাণুৰ দ্বাৰা সৃষ্টি হোৱা ৰোগহে। আতিচমক প্ৰদভাৱে বিজ্ঞানীসকলে গোটেই পৃথিৱীৰ পৰা বৰআই নিৰ্মূল কৰিলে।

আগতে যেতিয়া আমি আই ওলোৱাৰ কাৰণ ভালদৰে বুজি পোৱা নাছিলো, তেতিয়া কথাষাৰ বেলেগ আছিল। এতিয়া ভাইৰাছ আৰু এই ৰোগৰ পোনপটীয়া সম্বন্ধৰ কথা জনাৰ পিছতো আমি পূৰ্ব আচৰণ সলাব নোৱাৰোনে? আমাৰ দাঁতত পোকে ধৰে, সেই পোক আমি বহুতে ভবাৰ দৰে বিৰাট বিৰাট কিবা একো নহয়, সেইবোৰ অনুজীৱহে চকুৰে নমনি। এই কথা জনাৰ পিছত, কোনোবা বেজ আহি কলপাত-কচুপাতৰ ওপৰত আমাৰ দাঁতৰ পৰা পোক উলিয়াই দেখুৱালে বাৰু আমি বিশ্বাস কৰিমনে? তেনেযাদু খেল দেখুওৱা বেজৰ হাতত আমাৰ দাঁতৰ যত্ন এৰি দিব নোৱাৰোঁ। আধুনিক দন্ত চিকিৎসাৰ জ্ঞানেৰে সমৃদ্ধ ডাক্তৰৰ সহায় লোৱা প্ৰয়োজন।

কিছুমান মানুহে হঠতে ৰাতি সপোনত কোনো শক্তিৰ পৰা মানুহৰ ৰোগ নিৰাময়ৰ দৰৱ বা মন্ত্ৰ লাভ কৰা বুলি দাবী কৰে। আন দুই এজন মানুহ হঠতে কোনো অদ্ভুত শক্তিৰ অধিকাৰী হৈ পৰা বুলি, ভূত-ভৱিষ্যতৰ কথা কব পৰা আনকি ভৱিষ্যৎ নিৰ্ণয় কৰি দিব পৰা হোৱা বুলি আৰু প্ৰায় সকলো ৰোগ নিৰাময় কৰিব পৰা বুলি দাবী কৰে। এনে দাবীৰ কোনো ভিত্তি নাই আৰু সময়ত এইবোৰ মিছা বুলিও প্ৰমাণিত হয়। কিন্তু অন্ধবিশ্বাসী এচাম মানুহৰ পৃষ্ঠপোষকতাতে এইবোৰ ঘটনা ঘটি থাকে। এইবোৰ ঘটনাই ব্যক্তি আৰু সমাজৰ কেনে অনিষ্ট কৰে অলপ ভাবি চালেই অনুভৱ কৰিব পাৰি। সেইদৰে মানুহৰ দৈনন্দিন জীৱনৰ লগত জড়িত বহুতো ৰীতি-নীতি, পৰম্পৰাগত অন্ধবিশ্বাস জড়িত হৈ আছে। ভূত-প্ৰেত, দেৱতা-অপদেৱতা বিশ্বাস কৰা নিষ্ঠুৰ মানুহ কিছুমানে সম্প্ৰতি 'ডাইনী' বুলি সন্দেহ কৰি দৰিদ্ৰ, নিঠৰুৱা তিৰোতা কেতবোৰক অতি নিষ্ঠুৰভাৱে হত্যা কৰি আছে। এয়া অকল ঘৃণনীয়ই নহয়, দণ্ডনীয় অপৰাধো।

আমি যদি উন্নত সমাজ তথা দেশ কামনা কৰোঁ, তেন্তে আমাৰ মন মস্তিষ্কত বৈজ্ঞানিক চেতনা বা মানসিকতা গঢ় লব লাগিব। অন্যথা আমাৰ সভ্যতাৰ যাত্ৰা পথ বহুদূৰ পিছুপৰি ৰ'ব। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীৰ মনৰ পৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰাই বৈজ্ঞানিক যুক্তি বা চিন্তা-চৰ্চাৰ বীজ ৰোপণ কৰাটো অতি প্ৰয়োজন। কাৰণ ছাত্ৰ-ছাত্ৰীসকলেই সমাজ আৰু দেশৰ ভৱিষ্যৎ। সমাজৰ প্ৰগতিৰ বাবে ছাত্ৰ-ছাত্ৰীসকল বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হোৱা উচিত।■



# BROADENING OUR MINDS

**Nibedita Debnath**
H.S. 2nd year (Arts)

What is exactly the purpose of education? As we all know it is all about creating a right kind of mind enlightened, open, broad and free. But this is more easily said than done. We are hardly aware of the fact that our knowledge is always constructed by certain dominant standards which we take to be objective and absolute. These standards, we must remember questions that haunnt the present day thinker is, "can we at all have access to any 'objectieve' knowledge?" Without going into much details we would like to state that a perfect system of education should always aim at producuing a flexible state of mind that can open itself to as many points of views as possible.

Certain facts should always be taken into consideration whenever discussing the "objectivity" of knowledge. Every age looks upon its own system of knowledge as absolute and universal rejecting those of the preceding ones as false. This immediately foregrounds the status of all our "Knowledge" as relative. The fact remains that is order to parade itself as 'Knowledge' such a system should always be acknowledged as such by the social power structure of a given period. For example, mediaeval Christiasn Europe help its idea of Theo-centric universe as absolute amd unquestionable. This was replaced by the 'Renaissance model of a homo centric one where Man occupied the central position. 'Man' created his own God and was the master of his face. Hence there was a constant attempt to provide a new definition of man as a being complete in himself as opposed to a mere creature of God. Today even the Renaissance notion of 'Man' as homogeneous, essential, unified being has been rejected since it is grounded a certain unpardonable exclusions. The Renaissance Man was actually constructed according to the ideology of the white bourgeois male Europeans and it did not take into consideration factors like class, gender and race-factors which never allow a single definition of humanity. This means that there is no 'Man' but 'men' since the definition of humanity varies according to these factors. An Indian, a Nigerian or a Latin American will not define himself in the same terms as a Pico, a Castiglione or a Da Vinci. In fact the Renaissance ideology did not consider the other races like the blacks as even human beings. Within Europe itself the lower classes or even human women were exclusions to this definition. Hence all our knowledge systems are subjects to replacement and change. What we know as 'truth' or reality will

be rejected as fiction tomorrow.

At present we are under the colonial yoke. It does not necessarily mean political colonization but the mental. All our system of knowledge have a Euro-centric bias. As we know "Knowledge" is constructed according to our conceptual framework. This means that our perception and cenception of the world around is determined by the way we categorize things, define them and relate them to each other. The standards which determine our way of categorozation, definition and conceptealization are larly Euro-centric. In fact we tend to conceive of our own-cultlure, tradition and heritage with a mind informed with the ideas of the West. we are not an exception to this since all the theories with which we analyze our own experiences are derived from the west though the fact ramains that my experiences are essentially Indian geographically and culturally.■

**To climb steep hills Requires slow pace at first.**

**William Shakespeare**



# আধুনিকতা আৰু যুৱ প্ৰজন্ম

বিপুল ডেকা
চতুৰ্থ ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান আধুনিক যুগ। একবিংশ শতিকাৰ যুৱক-যুৱতী আমি। গতিকে যুগৰ লগে লগে খাপ খোৱাকৈ আমিও নিজকে আধুনিক ভাৱে প্ৰস্তুত কৰিব লাগিব বা কৰিছোঁ। কিন্তু কিমান আধুনিক আমি? সেয়া চিন্তা কৰাৰ প্ৰয়োজন আহি পৰিছে।

আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ নাগৰিক। একেদৰে আজিৰ নবীন, কাইলৈ প্ৰবীণ। গতিকে আমি নিজকে এজন ভাল মানুহ হিচাপে, সুনাগৰিক হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব। আমাৰ জীৱিকা, পেচা (Profession) যিয়েই নহওক, প্ৰথম হ'ব লাগিব সু-নাগৰিক।

যুৱ-প্ৰজন্মক সাধাৰণতে এটা বদনাম দিয়া হয় যে পশ্চিমীয়া দেশসমূহৰ আৰ্দশই সকলোকে গ্ৰাস কৰি চৰিত্ৰৰ স্খলন ঘটাইছে। সাজ-পোছাকৰ ক্ষেত্ৰতো একে বদনাম দেখা যায়। উক্ত তথ্যটো একেবাৰে সত্যও নহয় বা অসত্যও নহয়। আমি পশ্চিমীয়া সংস্কৃতি, আদৰ্শ ল'ব লাগিব। কিন্তু সঠিক নিৰ্বাচন কৰি। সজাগ হোৱাৰ প্ৰয়োজন আছে এইক্ষেত্ৰত। উদাহৰণস্বৰূপে,. সাজ-পোছাকৰ ক্ষেত্ৰত পশ্চিমীয়া সংস্কৃতিক অনুকৰণ কৰি নগ্নতা প্ৰকাশ কৰা পোছাক পিন্ধা দেখা যায়। কিন্তু পোছাক অনুকৰণ কৰাতকৈ উক্ত দেশসমূহে কেনেধৰণে উন্নতিৰ শিখৰত উঠিছে, এই কথা অনুকৰণ কৰাটো বা অধ্যয়ন কৰাটো বেছি প্ৰয়োজন। একেদৰে ডিস্ক' বাৰত গৈ মদ খাই অশ্লীল নৃত্য প্ৰদৰ্শন কৰাও হৈছে পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণ।

আমি আধুনিক হ'ব লাগিব অন্তঃ দৃষ্টিভংগীৰে , কেৱল বাহ্যিকতাৰে নহয়। স্থান, কাল, পাত্ৰ ভেদে আমি চলিব পৰাকৈ সাজ-পোছাক, ব্যৱহাৰ, আচৰণ আদিৰ সঠিক প্ৰয়োগ কৰিব লাগিব। উদাহৰণস্বৰূপে- আগৰ দিনত ধূতী-কামীজ পিন্ধিছিল, বৰ্তমান জিন্স (Jeans), টি-চাৰ্ট (T-Shirt) প্ৰধান পোছাক যুৱক বা পুৰুষৰ। এয়া যুগৰ পৰিৱৰ্তন, সেইবুলি নিজকে আধুনিক দেখুৱাবলৈ গৈ নামঘৰ বা অন্য ভক্তিপূৰ্ণ অনুষ্ঠানত এইবোৰ পিন্ধাটো আধুনিক নহয়। একেদৰে যুৱতীসকলেও এইক্ষেত্ৰত মন কৰিবলগীয়া আছে।

আমি নিজকে প্ৰশ্ন কৰা দৰকাৰ, আধুনিকতাৰ দৌৰত আমি আমাৰ সংস্কৃতিক বিসৰ্জন দিছে নেকি? যদি আনৰ সংস্কৃতি নিজৰ কৰি লওঁ ভৱিষ্যতে আমাৰ নিজৰ বুলি কিবা থাকিবগৈ নে? আমি প্ৰশ্ন কৰা দৰকাৰ, নিজৰ জাতীয় উৎসৱ, পৰম্পৰা যেনে বিহু, গুৰুদুজনাৰ আৱিৰ্ভাৱ বা তিৰোভাৱ তিথি আদিতকৈ ১ জানুৱাৰী বা তেনে অন্য উৎসৱত বেছি গুৰুত্ব দিয়াটো আধুনিকতাৰ সংজ্ঞা হয় জানো?

আধুনিক যুগ তথ্য প্ৰযুক্তিৰ যুগ। বৰ্তমান যুগৰ যোগাযোগ ব্যৱস্থাৰ অন্যতম আহিলা হ'ল ম'বাইল। কিন্তু ম'বাইলৰ ব্যৱহাৰ সঠিক ভাৱে নকৰাৰ ফলত বহুতৰ জীৱনলৈ কাল অমানিশা নামি আহিছে। একেদৰে বৰ্তমান ইণ্টাৰনেটৰ জৰিয়তে যুৱক-যুৱতীৰ মনৰ ভাব প্ৰকাশ কৰিব পৰা অন্যতম জনপ্ৰিয় মাধ্যম হ'ল- ফে'চবুক (Facebook) আৰু ৱাটচ্এপ (Whatsapp)। কিন্তু ইয়াৰ ফলত যুৱক-যুৱতীৰ নৈতিক স্খলন ঘটিছে। ইয়াৰ বাবে ফে'চবুক বা তেনে Social media দোষী হয় জানো? নিশ্চয় নহয়। কাৰণ সৎ ব্যৱহাৰ নকৰাৰ ফলতেই এনে হৈছে। বৰ্তমান প্ৰযুক্তিৰ যুগত এইসমূহৰ যথেষ্ট প্ৰয়োজন আছে। যাৰ সৎ ব্যৱহাৰে সমাজৰ বাবে এক সুস্থ বাতাৱৰণ আনিব পাৰে।

আজিৰ প্ৰায় যুৱ প্ৰজন্মই শিক্ষাত আগবঢ়া। কিন্তু বিদ্যালয় বা মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ কিতাপ সমূহৰ শিক্ষাৰ বাহিৰে অন্য শিক্ষা যেনে- নৈতিক, আধ্যাত্মিক শিক্ষা বৰ প্ৰয়োজন বুলি বহুতে নাভাবে। বৰ দুখৰ বিষয়। জীৱনত এজন সৎ মানুহ হ'বলৈ কেৱল আনুষ্ঠানিক শিক্ষাই যথেষ্ট নহয়। শিক্ষাতৰ এক সূত্ৰ হৈছে -"Education is the creation

of a sound mind in a sound body'' গতিকে আমি শিক্ষা গ্ৰহণ কৰি উদণ্ড হ'লে শিক্ষা গ্ৰহণ কৰাৰ অৰ্থ নাথাকিব। আমি আধুনিক শিক্ষাৰে শিক্ষিত বুলি ক'ব নোৱাৰিম।

আজি বহু যুৱক-যুৱতী ড্ৰাগছ, সুৰা আদি নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্ত। বহু শিক্ষিত যুৱ-প্ৰজন্মও ইয়াৰ প্ৰতি আসক্ত হৈ বিভিন্ন সমাজৰ অনিষ্টকাৰী, অৰ্থনৈতিক, কামত লিপ্ত হয়। এইসকল আধুনিক শিক্ষাৰে শিক্ষিত বুলি ক'ব পৰা নাযায়। একেদৰে মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ অহা-যোৱা কৰিবলৈ পিতৃ-মাতৃক মানসিক চাপ প্ৰয়োগ কৰি এখন মটৰ চাইকেল কিনি দিবলৈ বাধ্য কৰোৱাও আধুনিক শিক্ষা বা আধুনিক মানসিকতা বুলি ক'ব নোৱাৰি।

যুৱ সমাজ ধ্বংসৰ পথত নামিলে কেতিয়াও দেশৰ উন্নতি নহয়। কাৰণ বৰ্তমানৰ দেশৰ ভৱিষ্যৎ যুৱ প্ৰজন্মৰ ওপৰতে। সমাজ এখনৰ প্ৰগতিশীল ধ্যান ধাৰণা তথা সাংস্কৃতিক চেতনাই এটা জাতিক সু-গঠিত কৰি বিকাশৰ পথত যিদৰে আগবঢ়াই নিয়ে, ঠিক সেইদৰে এখন দেশৰ ক্ৰমবৰ্দ্ধিত যুৱচিন্তা শক্তিয়ে দেশখনৰ মেৰুদণ্ড পোণ কৰি তোলে। গতিকে যুৱ প্ৰজন্মই আধুনিকতাৰ বস্তুবাদ বা ভোগবাদৰ দৌৰত উটি গৈ চিগাৰেট খোৱাৰ দৰে মহান সকলৰ আদৰ্শ, নৈতিক আদৰ্শ উকুৱাই দিয়াটো আধুনিকতাৰ বৈশিষ্ট্য নহয়।

গতিকে আমি যুগৰ লগত খাপ খাব পৰাকৈ আধুনিক হ'ব লাগিব। কিন্তু নিজৰ সাহিত্য, ভাষা, সংস্কৃতি ৰক্ষা কৰি। ভাল আদৰ্শ অনুকৰণ কৰিব লাগিব, বেয়াবোৰ বাদ দিব লাগিব, যাতে আজিৰ নবীনে ভৱিষ্যতে প্ৰবীণ হৈ কাইলৈৰ নবীনক সঠিক দিশেৰে আগুৱাই নিব পাৰে।■



ডিগবৈ মহাবিদ্যালয়
আলোচনী
অষ্টাত্রিংশত্তম সংখ্যা, ২০১৬-১৭ বৰ্ষ




# ডিগবৈ মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমঃ এক নতুন যুগৰ সূচনা

ড০ ৰশ্মি পাটোৱাৰী
মুৰব্বী অধ্যাপিকা, পদাৰ্থ বিজ্ঞান বিভাগ

২০১৫ চনৰ ডিগবৈ মহাবিদ্যালয়ৰ নাক (NAAC) মূল্যায়ণৰ সময়ত দি থৈ যোৱা পৰামৰ্শৰ ভিতৰত এটা আছিল মহাবিদ্যালয়খনিৰ কেইটামান বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা, আৰু সেই বিভাগ কেইটাৰ ভিতৰত এটা পদাৰ্থ বিজ্ঞান। গতিকে এদিনাখন যেতিয়া অধ্যক্ষ মহোদয় ডঃ দীপ শইকীয়া আহি আমাক কলেহি — ''এম এছ চি খুলিব লাগিছিল নহয়,'' আমাৰ মুৰব্বী অধ্যাপক ডঃ অৰুণ শৰ্মা ছাৰে তপৰাই উত্তৰত দিলে — ''আমি সাজু আছোঁ''। আমিও সমস্বৰে হয়ভৰ দিলোঁ।

গতিকে যাৱতীয় তথ্যৰে খৰ-খেদাকৈ শেষ তাৰিখৰ আগে আগে বেছ মূৰা-মূৰি কৈ প্ৰপত্ৰ প্ৰস্তুত কৰি, আবেদন দখিল কৰা হ'ল। তাৰ পাছত বিষয়টো কিছুদিন তাপ মাৰি থাকিল আৰু হঠাৎ এদিন খবৰ আহিল — দুদিনৰ পাছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ পাঠ্যক্ৰম খোলাৰ উপযোগিতা সম্পৰ্কত নিৰীক্ষণ কৰিবৰ বাবে এটি দল আহিব।

আমাৰ হুৰ-দুৰা লাগিল। তেওঁলোকে চাবলৈ বিচৰা অসংখ্য খুটি-নাতিৰে ভৰা তথ্য-পাতি দুদিনৰ ভিতৰত প্ৰস্তুত কৰি উলিওৱা সহজ নাছিল। তথাপি লাগি ভাগি কাম খিনি কৰা হ'ল। বিশেষকৈ লেবৰেটৰীটো ছাত্ৰ-ছাত্ৰী সকলে ৰাতি লৈকে কাম কৰি যি এক চিনিব নোৱৰা ৰূপত সজাই পেলালে তাত আমি অভিভূত হলোঁ।

তাৰিখঃ ২৭-০২-২০১৬, ইনস্পেকছনৰ দিনা। চিনাকি মানুহ কেইজন সেই দিনা যেন অত্যাধিক গম্ভীৰ। তেওঁ লোকৰ নানান ওজৰ আপত্তিৰপৰা আমাৰ এনে ভাব হ'বলৈ ধৰিলে যেন তেওঁলোকে আমাক কোনোপধ্যেই অনুমতি দিবলৈ বিচৰা নাই। আমাৰ মনবোৰ লাহে লাহে মৰি আহিল। সকলো কষ্ট পানীত পৰা যেন ভাব হল। পদাৰ্থ বিজ্ঞানৰ লগতে ইলেক্ট্ৰনিক্ছ বিভাগৰ সমূহ শিক্ষকেও আমাক সেইদিনা লগ দিলে।

সেইদিনা কিবা এটা বিষয়ৰ পূৰ্বে নিৰ্ধাৰিত ইন্টাৰভিউ আছিল। গতিকে অধ্যক্ষ ব্যস্ত। ছেগ চাই মাজে-মাজেহে আমাক লগ দিছে। আমাৰ এন্ধাৰ মুখকিখন দেখিয়েই নেকি-তেখেতে কৈ উঠিল — ''দিয়ক আৰু ছাৰ। এওঁলোকে বৰ আশা কৰিছে।'' ঠিক যেন ল'ৰা-ছোৱালীহালক পিকনিকলৈ যাবলৈ অনুমতি নিদিয়া খঙাল দেউতাক এজনকহে অনুৰোধ জনাইছে!

তাৰিখঃ ২৭-০৪-২০১৬, এমোকোৰা হাঁহি লৈ অধ্যক্ষ মহোদয়ৰ প্ৰৱেশ। হাতত এখন চিঠি। প্ৰথম বাৰৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ পাঠ্যক্ৰম দুখন মহাবিদ্যালয়ে খোলাৰ অনুমতি দিছে- যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (পূৰ্বতে যোৰহাট ছাইন্স কলেজ বুলি জনাজাত) আৰু আনখন ডিগবৈ মহাবিদ্যালয়। দুয়োখন মহাবিদ্যালয়ত পোন্ধৰটাকৈ ছীট। ডিব্ৰুগড়-বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত মুঠ ত্ৰিছটা ছীট। ৭-৫-২০১৬ তাৰিখ। অধ্যক্ষৰ কোঠালীত প্ৰথম খন মিটিং অনুষ্ঠিত হল। ছাৰে আমাক ক'লে — ''সাজু হ'বৰ হ'ল। ইফালে আকৌ আমাৰ মুৰব্বী অধ্যাপক শৰ্ম্মা ছাৰৰ

আমাৰ চুবুৰীয়া কলেজত অধ্যক্ষৰ ইন্টাৰভিউ আৰু তাৰ পৰৱৰ্ত্তী কালত অধ্যক্ষ হিচাপে নিযুক্তিয়ে স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ প্ৰশ্নটো কিছু তল পেলালে। মনলৈ কিছু অনিশ্চয়তা আহিল — পাৰিমনে ইমান সোনকালে? মাত্ৰ এই কেইজন শিক্ষকেৰে?

কিন্তু ইতিমধ্যে অসমৰ বিভিন্ন স্থানৰপৰা অসংখ্য ফোন — "এম এচ ছি খুলিব বোলে?" "কাট অফ কিমান?" "এডমিচন ফি কিমান?" "এণ্ট্ৰেন্স পৰীক্ষা হব নেকি?" "মোৰ পঢ়াৰ খুব ইচ্ছা।" "প্লিজ মোক চান্স এটা দিব" ইত্যাদি।

এক বেলেগ ধৰণৰ পুলক অনুভৱ কৰিলোঁ। আৰম্ভ নহওঁতেই যি পাঠ্যক্ৰমৰ বাবে অসমৰ চুক-কোণৰ মানুহে ইমান আগ্ৰহেৰে বাট চাই আছে — যি পাঠ্যক্ৰমৰ দ্বাৰা পঢ়িবলৈ ইচ্ছুক কিছু ছাত্ৰ-ছাত্ৰীক পঢ়াৰ সুবিধা দিব পৰা যায়, তেনে পাঠ্যক্ৰমৰ অনুমতি পায়ো আৰম্ভ নকৰাৰ প্ৰশ্নই থাকিব নোৱাৰে।

অধ্যক্ষ মহোদয়ে আচলতে পদাৰ্থ-বিজ্ঞান বিভাগৰ ফালৰপৰা এটা উত্তৰলৈকে হয়তো বাট চাই আছিল। আমাৰ ইতিবাচক উত্তৰ পাই তেওঁ স্বভাৱ-গত ক্ষীপ্ৰতাৰে কাম আৰম্ভ কৰি দিলে। ইতিমধ্যে জুলাইৰ মাজ-ভাগ পাইছিলেগৈ। অথচ আগষ্টৰ প্ৰথম ভাগতে পাঠ্যক্ৰম আৰম্ভ কৰিব লাগে। যুদ্ধ-কালীন তৎপৰতাৰে, বাতৰি কাকতত বিজ্ঞাপন, নাম-ভৰ্তিৰ বাবে প্ৰপত্ৰ, বিজ্ঞাপন দি ইন্টাৰভিউ পাতি দুজন শিক্ষকৰ নিযুক্তি। বিভিন্ন বিষয়ত আলোচনা আৰু তাৎক্ষনিক ভাৱে সিদ্ধান্ত ল'ব লগা হৈছিল।

যেনে নাম-ভৰ্তিৰ মাচুল কিমান হ'ব ? কাৰণ এই পাঠ্যক্ৰমৰ বাবে আমি কোনো অনুদান নাপাওঁ। ইতিমধ্যে স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হোৱা মহাবিদ্যালয় সমূহৰ লগত ফোনেৰে আলোচনা, ডিব্ৰুগড়-বিশ্ববিদ্যালয়ৰ পৰা ইনস্পেক্‌ছনত আহোঁতেই আমাক নাম-ভৰ্ত্তিৰ মাচুল সম্পৰ্কত দিয়া পৰামৰ্শ, পাঠ্যক্ৰমটো প্ৰথম বছৰ চলাই নিয়াৰ যাৱতীয় খৰছ, এই সকলো বিলাক কথা বিবেচনা কৰি নাম-ভৰ্ত্তিৰ মাচুল নিৰ্ধাৰণ কৰা হ'ল।

তাৰ পাছত আহিলা শ্ৰেণী-কোঠাৰ প্ৰশ্ন। এনেয়েই কলেজখনত শ্ৰেণী কোঠাৰ অভাৱ। কিন্তু আচলতে, মন কৰিলেই হ্‌ন। পদাৰ্থ বিজ্ঞানৰ মেজৰ প্ৰজেক্টৰ প্ৰকাণ্ড সজুলিৰে ঠাহ খাই থকা এটা ৰিচাৰ্ছ লেবৰেটৰী আছিল। সঁজুলি সমূহ দুকাষে সজাই, কিছু চুণ-তেল সানি দুখন ব'ৰ্ড, কেই যোৰমান ডেস্ক-বেঞ্চ, ভৰাই দিওঁতে হৈ পৰিল এক আটোম-টোকাৰী শ্ৰেণী-কোঠা।

এইবাৰ আহিল ঐক্য-সাজৰ কথা। ঐক্য-সাজ দিয়া হ'বনে? যদি হয় কেনেকুৱা হ'ব? স্থানীয় সাজ-পোছাকৰ দোকানত গৈ বিভিন্ন ধৰণৰ কাপোৰৰ নমুনা সংগ্ৰহ কৰা হ'ল আৰু অৱশেষত ছাত্ৰ-ছাত্ৰীয়ে ক্ৰয় কৰিব পৰাকৈ ঐক্য-সাজৰ নিৰ্ধাৰণ কৰা হ'ল। ছাত্ৰীৰ শুধ বগা সালৱাৰ-কূৰ্টাৰ ওপৰত গাঢ়-নীলা দুপাট্টা খনিত বগা ফুট-ফুট, ছাত্ৰৰ, কলা পেণ্ট, পাতল-নীলাত গাঢ়-নীলা মিহি ঘন-ঘন আঁছ টনা ছাৰ্ট।

নামভৰ্ত্তিৰ বাবে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীৰ তালিকা প্ৰস্তুত কৰা, দুজন শিক্ষকৰ নিযুক্তি, শ্ৰেণী-কোঠা সজোৱা, এই সকলোবোৰ কাম সমান্তৰালভাৱে চলিল আৰু অৱশেষত ২-৪ তাৰিখে ডিগবৈ মহাবিদ্যালয়ৰ সৰু এটি শ্ৰেণী কোঠাত- পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰথম বেট্‌ছৰ ছাত্ৰ-ছাত্ৰীৰ নাম-ভৰ্ত্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ল। ফোনত মাত শুনি-শুনি চিনাকি হৈ পৰা কেইজন মানে ছিট নাপালে।

পাঠ্যক্ৰমৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ল ০৫-০৮-২০১৬ তাৰিখে। উদ্বোধক কটন কলেজ ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ধ্ৰুৱজ্যোতি শইকীয়া। চুটি চাপৰ পিঠিত বেগ এটা লৈ অহা, স্বল্পভাষী, নম্ৰ, পদাৰ্থ-বিদ শইকীয়া ছাৰে কম্পলগিৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ বাবে এক উচ্চ পৰ্যায়ৰ পৰ্যালোচনাৰে অনুস্থানটিৰ গাম্ভীৰ্য বঢ়ালে। উদ্বোধনী অনুষ্ঠানলৈ আমন্ত্ৰণ কৰা প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, আৰু গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত, পদাৰ্থ বিজ্ঞানত অনাৰ্ছ পাঠ্যক্ৰমৰ ৰূপালী-জয়ন্তী বৰ্ষত, পদাৰ্থ বিজ্ঞানত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হ'ল।

আন্তঃগাঠনিৰ অভাৱ, শিক্ষকৰ অভাৱ, সময়ৰ অভাৱ। স্নাতকোত্তৰ পাঠ্যক্ৰম পঢ়োৱাৰ অভিজ্ঞতাৰ অভাৱ। তদুপৰি মনৰ ভিতৰত এক উৎকণ্ঠা, স্নাতক আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকল যেন অৱহেলিত নহওক। গতিকে মাজে-মাজে থমকি ৰওঁ। কিবা দিব পাৰিছোঁনে? পাৰিমনে?

কিন্তু শ্ৰেণী-কোঠাত উজ্জ্বল মুখ একোখন লৈ বহি থকা ছাত্ৰ-ছাত্ৰীখিনিৰ সন্মুখীন হোৱাৰ লগে-লগে মনলৈ এক দৃঢ়তা আহি পৰে। নিশ্চয় পাৰিম। পাৰিবই লাগিব। আমাৰ লগত আছে নলবাৰী, কলিয়াবৰ, লক্ষীমপুৰ, যোৰহাট, শিৱসাগৰ, আদি দূৰ-দূৰণিৰপৰা এই চুকৰ মহাবিদ্যালয় খনিলৈ অহা এই ল'ৰা-ছোৱালী খিনিৰ সপোন, আৰু আছে অধ্যক্ষ মহোদয়ৰ সীমাহীন উদ্যম আৰু সহকাৰী সকলৰ প্ৰেৰণা।

২০১৭ চনৰ ৮ আগষ্টত পঞ্চান্নৰৈ খন প্ৰপত্ৰৰ মাজৰপৰা পোন্ধৰখন বাছি উলিয়াই দ্বিতীয়টো বেৎছ আৰম্ভ হ'ল। আজি সেই দিনটোৰ কথা কল্পনা কৰিব পাৰোঁ যি দিনটোত আমাৰ মহাবিদ্যালয় খনিৰ প্ৰতিটো বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হ'ব। কাৰণ চকুৰ আগত দেখিলোঁ কিদৰে কল্পনাবিলাক, পৰিকল্পনালৈ আৰু পৰিকল্পনা বিলাক বাস্তৱত পৰিণত হয়।■



# ডিগবৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃ মহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা... এটি অনুভৱ

প্ৰদীপ দত্ত
সহকাৰী অধ্যাপক, শিক্ষাতত্ব বিভাগ

প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ ডিগবৈ মহাবিদ্যালয় উজনি অসমৰ উচ্চ শিক্ষাৰ অন্যতম অনুষ্ঠান। সমাজ জীৱনক উচ্চ শিক্ষাৰ বন্তিৰে উজ্বলাই তোলাৰ সংকল্প লৈ তৈলনগৰী ডিগবৈত গঢ়ি উঠা মহাবিদ্যালয়খনে ইতিমধ্যে সোণালী বৰ্ষ অতিক্ৰম কৰিলে। সময়ৰ পৰিৱৰ্ত্তনৰ লগে লগে এই মহাবিদ্যালয়খনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ ভিতৰত এখনি আগশাৰীৰ মহাবিদ্যালয় হিচাপে আগবাঢ়ি যাব ধৰিছে। সেয়েহে হয়তো উচ্চ শিক্ষা গ্ৰহণৰ অভিপ্ৰায়েৰে অসমৰ বিভিন্ন স্থানৰ লগতে অৰুণাচল, নাগালেণ্ড আদি ৰাজ্যৰপৰাও ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটি আহিছে। অসমৰ সীমামূৰীয়া অঞ্চলত অৱস্থিত হোৱা সত্বেও পৰ্যাপ্ত সুবিধা দানেৰে মহাবিদ্যালয়খনে জন্মলগ্নৰেপৰা প্ৰজ্ঞা সাধনাৰ সৌধ গঢ়ি তোলাৰ এক বিনম্ৰ প্ৰয়াস কৰাৰ লগতে এক সুস্থ শৈক্ষিক আৰু সাংস্কৃতিক বাতাৱৰণ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীসকলৰ কলা-সংস্কৃতি সাধনাৰ হেতু নিৰন্তৰ প্ৰচেষ্টা চলাই আহিছে। ইয়াৰ ভিতৰত মহাবিদ্যালয়খনে হাতত লোৱা এটি উৎকৃষ্ট কাৰ্য্যসূচী হৈছে যোৱা ২০১৭ বৰ্ষত অনুষ্ঠিত কৰা সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতা। আজি হয়তো অসমৰ সত্ৰীয়া সংস্কৃতি সমগ্ৰ বিশ্বতে স্বকীয় ৰূপত উজ্বলি উঠিছে। ইতিমধ্যে ধ্ৰুপদী নৃত্যৰ মৰ্যাদা লাভ কৰা গুৰুজনাৰ মহান সৃষ্টি 'সত্ৰীয়া নৃত্য'ক শুদ্ধ ৰূপত আগবঢ়াই লৈ যোৱাৰ গধূৰ দায়িত্ব আহি পৰিছে নৱ প্ৰজন্মৰ হাতত। এনে এক সন্ধিক্ষণত অসমৰ নৱ প্ৰজন্মক সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি ডিগবৈ মহাবিদ্যালয়ে বিশেষ ভাৱে উদ্যোগ লৈ ২০১৭ বৰ্ষৰ জানুৱাৰী মাহৰ ২২ আৰু ২৩ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে এখনি সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় সত্ৰীয়া নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰি ইয়াক সুন্দৰভাৱে সমাপন কৰে। প্ৰতিযোগিতাৰ প্ৰথম দিনটোৰ শুভাৰম্ভ হৈছিল টিংৰাই বৰ নামঘৰৰ চেমনীয়া দলটিয়ে প্ৰদৰ্শন কৰা এক দৃষ্টিনন্দন গায়ন বায়নেৰে। মাঘ মাহৰ সেই পুৱাটোত এক আধ্যাত্মিক ৰসৰ নিজৰা যেন চৌদিশে উপচি পৰিছিল। ইয়াৰ পাছতে অসমৰ বিভিন্ন ঠাইৰ মহাবিদ্যালয়সমূহৰপৰা অহা প্ৰতিযোগী (ছাত্ৰ-ছাত্ৰী) সকলে অতি সুন্দৰভাৱে প্ৰদৰ্শন কৰা নৃত্যশৈলীয়ে সকলো দৰ্শকক মুগ্ধ কৰিছিল। এই প্ৰতিযোগিতাৰ বিচাৰক হিচাপে অহা সত্ৰীয়া সংস্কৃতিৰ সাধক টংকেশ্বৰ হাজৰিকা বৰবায়ন (তিতাবৰ), অঞ্জলি বৰবৰা বৰঠাকুৰ (যোৰহাট) আৰু শিৱপ্ৰসাদ হাজৰিকাই (ডিব্ৰুগড়) অতি নিখুঁত ভাৱে কৰা বিচাৰে প্ৰতিযোগিতাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। প্ৰতিযোগীসকলৰ ভুল ত্ৰুটিসমূহ তেওঁলোকে আঙুলিয়াই দি ভৱিষ্যতে তেওঁলোকক সুন্দৰ নৃত্য বিশাৰদ হ'বৰ বাবে আশিস প্ৰদান কৰোঁতে দৰ্শকসকলো যেন অভিভূত হৈ পৰিছিল। তীব্ৰ প্ৰতিযোগিতাৰ শেষত উৎকণ্ঠিত প্ৰতিযোগী আৰু দৰ্শকসকলৰ আগত বিচাৰক বৰবায়ন হাজৰিকাদেৱে বিজয়ী প্ৰতিযোগী সকলৰ নাম ঘোষণা কৰোঁতে হৰ্ষ-বিষাদ জড়িত এটি পৰিবেশ সৃষ্টি হৈছিল। প্ৰতিযোগিতাখনিৰ প্ৰথম পুৰস্কাৰ বিজয়ী আছিল মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ চয়নিকা গগৈ। গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা জনাই এই প্ৰথম পুৰস্কাৰটি আগবঢ়াইছিল ডিগবৈ মহাবিদ্যালয়ৰ ইলেক্ট্ৰনিকচ্ বিভাগৰ সহযোগী অধ্যাপক প্ৰদীপ কুমাৰ খাউণ্ড দেৱে নগদ ২০,০০০ টকাৰে এই পুৰস্কাৰটি তেখেতৰ পিতৃ স্বৰ্গীয় যোগেন চন্দ্ৰ খাউণ্ড দেৱৰ সোঁৱৰণত আগবঢ়াইছিল। দ্বিতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল

কাকজান মহাবিদ্যালয়ৰ ৰিংকুমণি মহন্ত আৰু তৃতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল ডিগবৈ মহাবিদ্যালয়ৰে শ্ৰেষ্ঠ গায়ক তথা নৃত্যশিল্পী জ্যোতিস্মান মৰাণে। দ্বিতীয় পুৰস্কাৰত আছিল নগদ ১০,০০০ টকা নৰেন্দ্ৰ নাথ বৰুৱাৰ সোঁৱৰণত আৰু তৃতীয় পুৰস্কাৰ আছিল নগদ ৮,০০০ টকাসহ চেনীৰাম বৰা স্থায়ী বঁটা। এই দ্বিতীয় আৰু তৃতীয় দুয়োটি বঁটা আগবঢ়াইছিল ডিগবৈ মহাবিদ্যালয়ৰে বাণিজ্য বিভাগৰ সহযোগী অধ্যাপক ড০ বিকাশ কুমাৰ বৰুৱাই। বঁটা প্ৰদানকাৰী দুয়োজন শিক্ষকৰ মহানুভৱতাক সকলোৰে শলাগ লৈছিল। বঁটা বিতৰণ অনুষ্ঠানটিত দীপশিখা বৰুৱাৰ সম্পাদনাত প্ৰকাশিত ডিগবৈ মহাবিদ্যালয়ৰ মুখপত্ৰ খনি বিশিষ্ট শিক্ষাবিদ হিতেন্দ্ৰ নাথ শৰ্মাদেৱৰ দ্বাৰা উন্মোচিত হৈছিল। উন্নত মানদণ্ডৰে প্ৰকাশিত হোৱা মুখপত্ৰখনিয়ে গোটেই অনুষ্ঠানটি অধিক জীপাল কৰি তুলিছিল। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দীপ শইকীয়াৰ সভাপতিত্ব আৰু সহকাৰী অধ্যাপক প্ৰদীপ দত্ত আৰু পৱন গগৈয়ে যুটীয়া আহ্বায়ক দায়িত্ব লৈ অনুষ্ঠিত কৰা প্ৰতিযোগীতাখনিক সকলোৰে শলাগ লৈছিল। মহাবিদ্যালয় পৰ্য্যায়ত সত্ৰীয়া নৃত্য প্ৰতিযোগিতা হয়তো ডিগবৈ মহাবিদ্যালয়তে আছিল প্ৰথম।

গুৰুজনাৰ অমৰ সৃষ্টি সত্ৰীয়া নৃত্যক মঞ্চলৈ আনি প্ৰতিযোগিতাৰ সৃষ্টি কৰোঁতে বোধহয় অনেক ভুল ভ্ৰান্তি ৰৈ গৈছিল। সেয়েহে আহ্বায়ক পৱন গগৈয়ে অনুষ্ঠানৰ শেষত সকলোৰে ওচৰত মাৰ্জনা বিচৰাৰ লগতে অনুষ্ঠানটি সম্পাদন কৰোতে সহযোগ আগবঢ়োৱা মহাবিদ্যালয় খনৰ অধ্যক্ষ, উপাধ্যক্ষ শিক্ষক কৰ্মচাৰী আৰু বিচাৰক, প্ৰতিযোগীৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক শলাগৰ শৰাই আগবঢ়াইছিল। সকলোৰে বিনম্ৰ প্ৰচেষ্টাত সুকলমে অনুষ্ঠিত হৈ যোৱা এই প্ৰতিযোগিতাৰ অন্তত অনুভৱ হৈছিল কঠোৰ নীতি-নিয়মৰ আৱেষ্টনিত থকা সত্ৰীয়া নৃত্যক শুদ্ধৰূপত পোহৰলৈ উলিয়াই অনাটো অতি জটিল কাম। আজিৰ প্ৰজন্মই সত্ৰীয়া নৃত্যৰ গূঢ়াৰ্থ ভালকৈ নুবুজিলে ভৱিষ্যতে ই বিকৃত ৰূপ লোৱাৰ সম্ভাৱনা থাকিব। অসমৰ প্ৰতিজন ব্যক্তিয়ে এই নৃত্যৰ শুদ্ধ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে দৃঢ় প্ৰতিজ্ঞ হ'ব লাগিব। সেয়েহে সত্ৰীয়া নৃত্যক বিশ্ব দৰবাৰক বিশেষ স্থান দিবৰ বাবে আজিৰ প্ৰজন্মই প্ৰতিযোগিতাৰ জৰিয়তে হ'লেও ইয়াক মহিমামণ্ডিত কৰিব লাগিব। আমাৰ আশা – অনাগত দিনবোৰতো ডিগবৈ মহাবিদ্যালয়ে সত্ৰীয়া নৃত্যক 'প্ৰতিযোগিতা'ৰ জৰিয়তে অসমৰ ৰাইজৰ মাজত জীপাল কৰি ৰাখিব....।■



# The Opportunity that 'NSS' gave me...

**Pranjumoni Nath**
H.S. 1st year

I joined 'NSS' 6 month ago thankfully got a great chance of attending one of the most prestigious camp organised by NSS; 'Pre-Rebublic Day camp' Pre-R.D.C 2017-2018 in Orissa from 7th- 16th Nov. 2017

A month ago our programme Instructor 'Mr Rajiv Rudra Toriang' sir informed me about the camp. I imidiatly agreed but sir told me that to attend the 'camp' I first needed to crack a competitive round which to be held in 'Dibrugarh University' on 12th Oct. There were 30 students including me who came for the selection round. Out of 30 only 9 students got selected they were I and 8 others from 'Dibrugarh University'. Their were other 'Universities' too like 'Bodoland University.' 'Assam Agriculture University.' and 'Gauahati University' These four 'University' represented 'Assam' in the 'camp'. Our team is volunterees met each other at the train for the first time. We were all total 20 students from different 'Universities' who were one as a team. We were taken to Orissa in a long and tiredy train journey with our Progromme officer Mr. Hasmat Ali sir. We started our journey on6th Nov. from Ghy. After a one and half day travelling finally we reached our destiny; 'Kalinga Stadium' where the camp was held. Their we got a heart warming welcome from the Organising committee. We reached the station on 7th Nov. at 1:20 pm which was lunch time so, we had lunch and then we were alloted our respective rooms. We the girls had a separate room which we shared with the 'West Bengal', 'Manipur' and 'Meghalaya' girls. Similar was with the boys also. Then we freshed up and rested for a while. Around 6 or 6:30 pm We heard a bell and we were informed to get ready in our traditional dress for the inaugaration meeting and come down to the coference hall in just 15 mint's. Everyone was in a rush. 15 mints later we all were in the hall. 200 volunteers together. from Arunachal, Manipur, Meghalaya, West Bengal, Orissia, Sikkim, Tripura, Nagaland, Mizoram and Assam. There are met our organiser and sub-judge 'Mr. M. Ramakrishna Sir. At the meeting we were welcomed by the comittee, We were informed the rules and regulations to be followed during the camp and they also disclosed the judgement day's. 13th and 14th of Nov. The meeting ended around 9 'o' clock. After



the meeting was over, everyone went for dinner. The some night around 11:45 pm the Manipur team and arrived and the Manipur girls were to accompany us in our room were almost alseep, only me and one of the our team mater Archita di were awake. So we opened the door for them, helped them to settle, then took them to the dinning area for dinner. The night was very special one for me because it taught me sharing and carring and I made some awesome friends too! Next morning, we were to wake up at 5:30 and get ready and assmble for the morning prayer to be held at 6:15 am sharp. That day we got over daily routine. It was as follows :-

| | | | |
|---|---|---|---|
| i] | 6:15am – 6:30 | am | Morning Prayer |
| ii] | 6:30 – 7:00 | am | Yoga Session |
| iii | 7:00 – 8:00 | am | Breakfast |
| iv] | 8:00 – 10:30 | am | Drill practise |
| v] | 10:30 – 11:00 | am | Break time |
| vi] | 11:00 – 12:00 | pm | Drill practise |
| vii] | 12:00 – 1:00 | pm | Break time |
| viii] | 1:00 – 2:00 | pm | Lunch Break |
| ix] | 2:00 – 4:00 | pm | Conference |
| x] | 4:00 – 5:30 | pm | Drill practise |
| xi] | 6:00 – 6:15 | pm | Tea Break |
| xii] | 6:15 – 9:00 | pm | Cultural Night |
| xiii] | 9:00 – 10:00 | pm | Dinner |
| xiv] | 10:00 pm | | Bed time. |

Every morning till night we were to follow this routine. The starting day's were a headace for me. But later as the time passed all my headaces turned to a funful time. In this routine, my best time was 'Yoga' session's gave me such energy that it lasted for the whole day. The conference session gave me motivation and positive vibes and the cultural nights. They were just awesome. They made me learn about the rich culture of different states in just a few mints. During this 10 days' camp my best day was the 5th days; 11th of Nov. When we were taken for a vist to 'Konark Sun Temple' Santi Stupa, Chandra Bhaga Beach' and 'Jaganatha Temple'. We all enjoyed there a lot. That day our NSS team had also organised a 'Swach Bharat' rally even we cleanedth sournding of the 'Konark Temple.' It was fun.

After a whole day enjoyment we returned back and again started the daily routine. Then came the judgement day 13th of Nov. That day the judgement was based on cultural talent so everyone had to perform solo. We were given 'chest nos'. My chest no.16'. I sang an Assamese prayer. Next day on 14th Nov. We were to 3 judgement rounds, firstly, Drill where we had to show group parade and self command own self and show drill, Secondly, We had a viva where the joudge would ask us question's test our 'I.Q. and lastly the cultural night where we have to give group performances. After Drill and Viva our team had very little time to prepare for the cultural show but till somehow we managed to prepare a group dance; 'Zeng Bihu' by the girls and the boy's prepared a group Songs. Before this our team performed a group Bihu dance where I was the lead singer. After all this the rest 2 day's were really very sad moments because after 16th no one could meet each other as the camp to ending.

This camp has taught me some serious chapter's of life, like – sharing, caring, cooperation, team work, time, friendship, compition and humanity and many more and thanks to management NSS for giving me this opportunity. I would never forgot these moments in my life. No matter, If I get selected or not for the 'Republic day camp' but the lessons's that it taught me, I would never forgot.■

# SWACHH BHARAT ABHIYAN




**Amit Biswakarma**
B.Com 3th Sem

*"Sanitation is more important than Independence"* - **Gandhiji.**

**These words of Gandhiji have laid the foundation for Swachh Bharat Abhiyan.** He very well understood that sanitation and cleanliness are integral parts of healthy and peaceful lives. **Clean Indian Campaign is one of its kind in the history of India led by** Honorable **Prime Minister Narendra Modi on a perfect day of 145" Gandhi Jayanti** in 2014 at Rajghat, New Delhi. This will be our tribute to Mahatma Gandhi on his 150th birth anniversary to be celebrated in the year 2019.

**The objective**

The objective of the mission is to cover all the rural and urban areas of the country to present this country as an **ideal country** before the world.

The mission has targeted aims like eliminating the open defecation, Construct individual, cluster and community toilets, eradicating manual scavenging, complete disposal and reuse of solid and liquid wastes, bringing behavioral changes to people and motivate health practices, spreading cleanliness awareness among people, strengthening the cleanliness systems in the urban and rural areas as well as creating user friendly environment for all private sectors interested for investing in India for cleanliness maintenance.

**Need for Swachh Bharat Abhiyan** : Swachh Bharat Mission is very necessary to run continuously in India until it gets its goal. It is very essential for the people in India to really get the feeling of physical, mental, social and intellectual well being. It is to make living status advance in India in real means which can be started by bringing all over cleanliness. Below I have mentioned some points proving the urgent need of Swachh Bharat Abhiyan in India:

1 It is really very essential to eliminate the open defecation in India as well as making available toilets facility to everyone.
2 It is needed in India to convert the insanitary toilets into flushing toilets.
3 It is necessary in order to eradicate the manual scavenging system.
4 It is to implement the proper waste management through the scientific processes, hygienic disposal, reuse, and recycling of the municipal solid wastes.
5 It is to bring behavioral changes among Indian people regarding maintenance of personal hygiene and practice of healthy sanitation methods.

6 It is to create global awareness among common public living in rural areas and link it to the public health.
7 It is to support working bodies to design, execute and operate the waste disposal systems locally.
8 It is to bring private-sector participation to develop sanitary facilities all through the country.
9 It is to make India a clean and green India.
10 It is necessary to improve the quality of life of people in rural areas.
11 It is to bring sustainable sanitation practices by motivating communities and Panchayati Raj Institutions through the awareness programmes like health education.

It is to bring the dream of Bapu to really come true.

**Swachh Bharat Mission in Urban Areas**

The swachh bharat mission of urban areas aims to cover almost 1.04 crore households in order to provide them 2.6 lakhs of public toilets, 2.5 lakhs of community toilets together with the solid wastes management in every town. Community toilets have been planned to be built in the residential areas where availability of individual household toilets is difficult and public toilets at designated locations including bus stations, tourist places, railway stations, markets, etc.

**Gramin Swachh Bharat Mission**

Gramin swachh bharat mission is a mission implementing cleanliness programmes in the rural areas. Earlier the Ninnal Bharat Abhiyan (also called Total Sanitation campaign, TSC) was established by the Government of India in 1999 to make rural areas clean however now it has been restructured into the Swachh Bharat Mission (Grarnin).

Following are the objectives of Swachh Bharat Mission (Gramin):

- To improve quality of life of people living in the rural area.
- Motivate people to maintain sanitation in rural areas to complete the vision of Swachh Bharat by 2019.
- To motivate local working bodies (such as communities, Panchayati Raj Institutions, etc) to make available the required sustainable sanitation facilities.
- Develop advance environmental sanitation systems manageable by the community especially to focus on solid and liquid waste management in the rural areas.

To promote ecologically safe and sustainable sanitation in the rural areas.

We can say Swachh Bharat Abhiyan, a nice welcome step to the clean and green India till 2019. As we all heard about the most famous proverb that "Cleanliness is Next to Godliness", we can say surely that clean India campaign (Swachh Bharat Abhiyan) will really bring godliness all over the country in few years if it is followed by the people of India in effective manner. So, the cleanliness activities to warm welcome the godliness have been started but do not need to be ended if we really want godliness in our lives forever. A healthy country and healthy society need its citizens to be healthy and clean in every walk of life.■

# INDIA : A SOFTWARE SUPERPOWER

**Sourav Gupta**
B. Com 2nd sem.

Two mighty streams flow through India – the spiritual and the technological. They converge at Banglore. When Chinese Premier Wen Jiabao visited India his first stop was not the political capital New Delhi but the IT super-hub Banglore. He was following in the footsteps of his Predecessor Zhu Rongji who, in his 2002 trip to India, made a point to visit the Banglore headquaters of Infosys, one of the world's most successful software companies. Addressing a around of 4000. IT professionals, Zhu delighted those present by promoting a new era in Sino-Indian co-operation "You are no 1 in software, we are no 1 in hardware," he said, "If we put these together, we are the worlds no1." Zhu was given a standing ovation. This statement encapsulates the emergence of India as a Software Power in the 21st century. Today, the Americans feel theratened with the Indian Brains taking up leading position in their country. India is fast becoming the boiling pot of all the IT and Software Professional.

Today Software revolution is at its peak in India. Computers are spreading in the country at a breakneck speed. No one can deny that computers have replaced even the television. Today computers are a common commodity in every home with small children playing games on computers or surfing the internet. Computers have converted the world into a small cybervillage. A kind of computer consciousness is fast developing amogst the youth of India.

Banglore is popularly known as India's Silicon Valley. Cyber cafe's have sprung up all over the city as well as over the nation. The IT park comprising three huge tower blocks named Innovator, Creator and Discoverer and second Electronics city complex represent the leading edge of India's information technology revolution. They have helped turn the nation into software superpower in the words of Bill Gates of Microsoft.

Leading Software companies, such as Infosys and wipro technologies, are among Indians wealthiest Private sector concerns, overtaking traditional heavy industries. Some 250 Hi-Tech companies are located at Bangalore. The IT Park, built and owned by a consortium of Singapore bussiness as well as Tatas and the State Government of Karnataka, was officially opened by Singapore's visiting Prime Minister.

India's Software whiz kids have won world-wide acclaim in rectifying the millemium computer bug. They are less prone to mistakes than their western counter parts, especially in writing long and complicated Software programmes. And they take advantage of the 24 hour clock; white European and American multinationals sleep, Indian experts fix their Software glitches overnight. A third of Bill Gates employees are of Indian orgin and upto 5000 Indian technicians make their way to Silicon Valley each year. The former Chancellor of Germany, Gerhard Schroder had appealed for upto 30000 IT engineers to come from India to bridge Germany's skill shortage. Indian Politicians are also eager to back the IT revolution. The central government gives IT companies tax incentives and has slashed import duties on computer Hardware and Software. A number of other IT centres are fast developing such as Hyderabad, Gurgaon, Noida, Chandigarh, Pune, Delhi, Indore, Kolkata, Chennai and Trivandrum.

India has successfully developed an indigenous super computer Parm-1000 and with it, we have become a software superpower today. The increasing demand of Indian Software engineers is a sure signal that even the world accepts India as a Software super-power to reckon in the present era.■

# Role of Social Networking Sites in our Society




**Nabin Aryal**
B.Com. 4th sem

The World is transforming very rapidly. World has now turned to be a global village. In the era of globalisation, communication is playing a vital role in our Society. Social Networking sites has proved to be the most radical Source of Communication. Social Networking sites has given a new outlook to our Society. We can connect with anybody, living anywhere in the world. Some social networking sites are like – Facebook, Twitter, Websites of Indivitual organisation, Whatsapp etc. Facebook has been growing as the most using sites around 30 trillion people have Facebook id. A large section of our society, mostly young generation are involved there. Social Networking sites has made the world more easier than before. With the onset of time, new opportunites, hope has rised. Social Networking are good all aspect but sometime every good thing also has sometime bad. Social Networking has mainly help marketers, Social Networking are now the market place. Through which, anyone can buy anything by sitting in anyplace. Online business communication, News and portal, Videos, anything now can be transmitted anywhere. Social Networking are mainly for parsuing information. Sometime these information which are harmful for the Society, takes place and creats a disturbance among the masses. Evolution of Social Networking sites are a kind of 'Digital information Revoluation', and upliftment of every section of society through various scope like – Jobs, Work, Talent etc.

Social Networking sites has its own history, with help of it a country and their youth has started a Revolution, 'Egypt revolution' firstly Started in Social Networking.

It also helps to popularise many issues where govt have not shown any intrest.

Social Networking has now become the need of the people. We are addicted to it and has importance in our life.■

# ডিগবৈৰ সাতে সম্পৃক্ত দুজন বিশেষ ব্যক্তি



**চিত্ৰলেখা বৰা**
বিশিষ্ট সাহিত্যিক, ডিগবৈ

ডিগবৈৰ সমাজ জীৱনৰ ইতিহাসত বহুতো জ্ঞানী ব্যক্তিৰ নাম সন্নিবিষ্ট হৈছে। তেখেতসকলৰ কোনোজনে হয়তো চাকৰি কৰিবলৈ আহি ডিগবৈত স্থায়ীভাবে ঘৰ-দুৱাৰ সাজিছে। কোনোজনে অস্থায়ী ভাৱে থাকি পুনৰ আঁতৰি গৈছে। আমি যদি ডিগবৈৰ সমাজ জীৱনৰ এখন ইতিহাস লিখিব খোজো তেনেহ'লে এনে বহুতো ব্যক্তিৰ নাম আমি উল্লেখ কৰিব লাগিব। বিশেষকৈ সাহিত্য ক্ষেত্ৰত স্বনামধন্য ব্যক্তিয়ে ডিগবৈত থাকিয়ে অসমীয়া সাহিত্যলৈ বলীষ্ঠ অৱদান আগবঢ়াইছে। 'অসীমত যাৰ হেৰাল সীমা' নামৰ জনপ্ৰিয় উপন্যাসখনৰ লেখক কাঞ্চন বৰুৱাৰ (ভূৱন মোহন বৰুৱা) নাম বিশেষভাৱে উল্লেখযোগ্য অৱশ্যে পিছত তেখেত ডিগবৈ চহৰ এৰি আঁতৰি গৈছিল আৰু শ্বিলঙত বসবাস কৰিবলৈ লৈছিল। ডিগবৈৰ স্মৃতিৰ সৈতে নাম সাঙোৰ খাই থকা দুজন বিশেষ ব্যক্তিৰ বিষয়ে কিছু কথা লিখিব খুজিছো। তাৰে এজন হ'ল বিশিষ্ট কথা শিল্পী প্ৰয়াত মেদিনী চৌধুৰী। মেদিনী চৌধুৰীৰ জন্ম হৈছিল গোৱেশ্বৰৰ ৰামছা গাঁৱত। বিষ্ণু ৰাভাৰ জীৱন ভিত্তিক উপন্যাস 'ফেৰেঙ্গাদাও' মেদিনী চৌধুৰীৰ অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য অৱদান। ইয়াৰ বাহিৰেও তেখেতৰ উপন্যাস সমূহ হ'ল অনন্য প্ৰান্তৰ, বণ্ডুকা বেহাৰ (মাধৱদেৱৰ জীৱন ভিত্তিক), তাত নদী নাছিল, অৰণ্য আদিম, যাদুঘৰৰ কীৰ্তিমুখ, খোলাকতিৰ তাল, যুগ যুগ গুৱাহাটী, বিপন্ন সময়, সপোন সপোন লাগে আৰু ফাগুণত এজাৰৰ ফুল।

প্ৰৱন্ধ সংগ্ৰহ সমূহ হ'ল লুইত বৰাক আৰু ইছলাম, চীনৰ ছাত্ৰ আন্দোলন, সন্ত্ৰাসবাদ, নিৰন্ধিত অনুভৱ, সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শঙ্কৰদেৱৰ মূল্যায়ন আৰু কীৰ্তন ঘোষা আৰু নামঘোষা। তদুপৰি ইংৰাজী ভাষাত ৰচনা কৰা গ্ৰন্থৰাজি--- Tribes of Assam Plains, The Bodo Dimasas of Assam, The making of leader.

কেইবাখনো গ্ৰন্থ অপ্ৰকাশিত অৱস্থাত আছে বুলি জনা যায়। অসমৰ সকলোৰে নমস্য ব্যক্তিজন চাকৰি সূত্ৰে ১৯৭১ চনৰ পৰা প্ৰায় দুবছৰ কাল মাৰ্ঘেৰিটাৰ ৰাজনৈতিক প্ৰাধিকাৰী (Assam Political officer) ৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। আৰু তেতিয়াই ডিগবৈৰ নগৰসমিতিৰ কাৰ্যালয়লৈ নিয়মিত ভাৱে আহিছিল। লাহে লাহে ডিগবৈৰ সাহিত্য সংস্কৃতিৰ জগতখনৰ সৈতে নিবিড়ভাৱে জড়িত হৈ পৰিছিল। সাহিত্য সেৱা সমিতিৰ অন্তৰ্গত জিৰণি চ'ৰাৰ বৈঠকসমূহত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। শঙ্কৰ জন্মোৎসৱ, ইণ্ডিয়া ক্লাবৰ অনুষ্ঠান সমূহতো যোগদান কৰিছিল। এনেদৰেই তেখেতক অতি ওচৰৰ পৰা পোৱাৰ সৌভাগ্য হৈছিল আৰু তেখেতৰ প্ৰগাঢ় ব্যক্তিত্বই আমাক মুগ্ধ কৰিছিল। তেখেত প্ৰত্নতত্ত্ববিদ নাছিল, ইতিহাসবিদো নাছিল, কিন্তু অসমৰ মঠ মন্দিৰ, অসমৰ চুকে কোণে থকা সকলো ঠাই আছিল তেখেতৰ নখ দৰ্পণত। অসম চৰকাৰৰ ৰেচম আৰু বয়ম বিভাগৰ সঞ্চালক পদত অধিষ্ঠিত হৈ থাকোতে তেখেতে চীন দেশ ভ্ৰমণৰ সুবিধা পাইছিল। চীনৰ পৰা ঘূৰি অহাৰ পিছত তেখেতে দুখন গ্ৰন্থ ৰচনা কৰে। 'য়াংজু নদীৰ পাৰ' আৰু 'চীনৰ ছাত্ৰ আন্দোলন'। এইখিনিতে এটা আমোদজনক কথা উল্লেখ কৰিব খুজিছো। মেদিনী চৌধুৰী মাৰ্ঘেৰিটাত থকা সময়তে ডিগবৈ ইণ্ডিয়া ক্লাবৰ ৰবীন্দ্ৰ জয়ন্তী অনুষ্ঠানলৈ বিশিষ্ট অতিথি ৰূপে আহিছিল পশ্চিমবঙ্গৰ প্ৰথিতযশা লেখক সুনীল গঙ্গোপধ্যায়। সুনীল গঙ্গোপধ্যায় জাগুণৰ ফালে ফুৰিবলৈ ওলাল। সহযাত্ৰী হ'ল মোৰ স্বামী প্ৰবীণ বৰা। মাৰ্ঘেৰিটা পাই তেখেতে ক'লে ''শুনিছো ইয়াত মেদিনী চৌধুৰী নামৰ লেখকজন থাকে। মই তেখেতক সাক্ষাৎ কৰিব খুজিছো।'' মেদিনী চৌধুৰীৰ ঘৰ পাই তেওঁলোকে দেখিলে গোটেই ড্ৰইং ৰুমটো কিতাপেৰে ভৰপুৰ। চৌধুৰীদেৱে সেই সময়ত চীনৰ বিষয়ে অধ্যয়ন কৰি আছিল। চৌধুৰীদেৱৰ অধ্যয়নপুষ্টতা আৰু পণ্ডিত্য দেখি গঙ্গোপধ্যায় বিস্মিত হ'ল। সেই

সময়ত গঙ্গোপধ্যায় ডাঙৰীয়াই দেশ পত্ৰিকাত এটা অতি জনপ্ৰিয় কলম লেখি আছিল। চৌধুৰীদেৱৰ জ্ঞানৰ ওচৰত গঙ্গোপধ্যায়ে নিজকে নিস্প্ৰভ অনুভৱ কৰিলে। চৌধুৰীদেৱৰ ঘৰৰ পৰা ওলাই আহি গঙ্গোপধ্যায় ডাঙৰীয়াই হেনো কৈছিল ''বাপৰে বাপ! বেতে গেলাম।''

মেদিনী চৌধুৰী আছিল অসম চৰকাৰৰ এজন উচ্চপদস্থ বিষয়া। কিন্তু তেখেতৰ ব্যৱহাৰত, আচৰণত কোনো ভেম বা ঔৰ্দ্ধত্য নাছিল, আছিল জনসাধাৰণৰ সুখ দুখৰ সতে মিলি যোৱাৰ প্ৰয়াস, দুনীতিৰ সতে আপোচ কৰা নাছিল তেওঁ। এটা সৃষ্টিশীল মনৰ অধিকাৰী আছিল এই বিশাল ব্যক্তিত্বৰ মানুহজন। সেয়েহে ৰচনা কৰিব পাৰিছিল ইমানবিলাক বিচিত্ৰতাৰে ভৰা উপন্যাস, প্ৰবন্ধ সঙ্কলন, আলোচনামূলক গ্ৰন্থ। আলোচনীৰ পাতে পাতে চৌধুৰীদেৱৰ বহুতো গল্প সিঁচৰতি হৈ আছে। মধুৰ হাস্যৰসেৰে পৰিপূৰ্ণ আছিল বাবেই এই গল্পবিলাক বৰ সুখপাঠ্য আছিল। যদিওবা তেখেতৰ জীৱিত অৱস্থাত এখনো গল্প সংকলন প্ৰকাশ হোৱা নাছিল। আজিৰ প্ৰজন্মৰ বহুতে হয়তো নাজানে যে অসমৰ এই বিশিষ্ট সাহিত্যিকজনাই ডিগবৈৰ নগৰ সমিতিৰ মুখিয়াল হৈ কাৰ্য্য নিৰ্বাহ কৰিছিল। ডিগবৈ সামাজিক, সাংস্কৃতিক, শৈক্ষিক সমস্যাবোৰৰ সতে নিজকে জড়িত কৰি এক মধুৰ সোঁৱৰণ ৰাখি থৈ গৈছে। আনজন ব্যক্তি প্ৰয়াত পূৰ্নানন্দ শইকীয়াৰ বিষয়ে লিখিব খুজিছো। গুৱাহাটী কৰ্মাচ কলেজৰ অধ্যক্ষৰ পদত অধিষ্ঠিত আছিল তেখেত। ইংৰাজী বিষয় পঢ়াইছিল। মাধবদেৱৰ নামঘোষাখন ইংৰাজীলৈ অনুবাদ কৰাৰ দুঃসাহস কৰিছিল শঙ্কৰী সাহিত্যৰ উপাসক শইকীয়াদেৱে। শইকীয়াদেৱৰ জন্ম হৈছিল ডিগবৈত। বৰ্তমান পৰাগধৰ চলিহা প্ৰেক্ষাগৃহ থকা ঠাইখিনিত এটা পাথৰ ভঙা মেচিন আছিল। সেয়েহে এই ঠাইখিনিৰ নাম এতিয়াও পাথৰ মেচিন হৈয়েই আছে। এই পাথৰ মেচিনৰ ওচৰৰে এটি কোৱাৰ্টাৰত আছিল পূৰ্নানন্দ শইকীয়াৰ পিতৃ মাতৃ আৰু ভাতৃ দেৱানন্দ শইকীয়া। সেই সময়ত ডিগবৈৰ স্কুলকেইখনৰ ফলাফল খুব ভাল আছিল। দুয়ো ভাতৃয়ে সপোন দেখিছিল তেল কোম্পানীৰ বিদ্যালয়ত পঢ়ি ভাল ৰিজাল্ট কৰিবলৈ সমৰ্থ হব। কিন্তু কালৰ কুটিল গতিয়ে এই সপোন সামৰ্থ হবলৈ নিদিলে। সময়ৰ পাকচক্ৰত এই পৰিয়ালটিয়ে ডিগবৈ এৰিবলৈ বাধ্য হল। সেই সময়ত ডিগবৈত বৃটিছ বিষয়া সকল আছিল। কোনো কোনোজন বৃটিছ বিষয়াই ভাৰতীয় শ্ৰমিকসকলক দমন কৰি ৰাখিব খুজিছিল। এই দমননীতিৰে বলি হৈছিল পূৰ্নানন্দ শইকীয়াৰ পিতৃ। পিতৃবিয়োগৰ বাবে চুলি খুৰাব লগীয়া হোৱাত মূৰত এটা টুপী পিন্ধি চাকৰিলৈ গৈছিল। বগা চাহাবে এই কথা সহ্য নকৰিলে। বগা বঙালৰ আগত ভাৰতীয় শ্ৰমিকে টুপি পিন্ধিব নোৱাৰে। কিন্তু শইকীয়াদেৱৰ পিতৃয়ে চাহাবে টুপী খুলিবলৈ দিয়া আদেশ মানি নল'লে। ধৰ্মীয় পৰম্পৰামতে চুলি খুৰাইছে। সেইবাবেই টুপী পিন্ধা কাৰ্য অপৰাধ হ'ব নোৱাৰে। বৃটিছৰ গোলামী নকৰো বুলি চাকৰি ইস্তফা দিলে। শিশু পূনাৰ্নন্দ দুখত ভাগি পৰিল। মোমায়েক এজন আছিল। ভাবিছিল মোমায়েকৰ ঘৰত থাকি পঢ়িব কিন্তু মোমায়েকে দায়িত্ব লবলৈ সম্মত নহল। বাধ্য হৈ ডিগবৈৰ স্কুল এৰি ঢকুৱাখনাৰ বিদ্যালয়ত নাম লাগালেগৈ। তাৰ পিছত খোৱাঙত স্থায়ীভাবে থাকিবলৈ ল'লে। তেল কোম্পানীৰ চাকৰি ইস্তফা দিয়াৰ পিছত আৰ্থিক অনাটনত ভুগিছিল তেওঁলোক। অতি মেধাবী ছাত্ৰ আছিল দুই ভাতৃ। স্কুলত দুইজনকে জনাইছিল ডিগবৈৱালাৰ পুতেক বুলি। প্ৰধান শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দেশ দিছিল পূৰ্নানন্দ আৰু দেৱানন্দক সহায় কৰিবলৈ। কাৰণ তেখেতে জানিছিল এই দুই ভাতৃয়ে স্কুললৈ সুনাম কঢ়িয়াই আনিব। সুনাম আহিছিল। অখ্যাত খোৱাং হাইস্কুল বিখ্যাত হৈছিল। পূৰ্নানন্দ শইকীয়াই কেইবাটাও বিষয়ত লেটাৰ নম্বৰ লৈ পাছ কৰিছিল। দেৱানন্দ শইকীয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম হৈছিল। আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ত অঙ্ক বিষয়ৰ অধ্যাপনা কৰা দেৱানন্দ কিন্তু খুব কম বয়সত এই পৃথিৱীৰ পৰা আঁতৰি গৈছিল। ভাতৃক অকালতে হেৰুৱাই ভাগি পৰিছিল শইকীয়াদেৱ। হিতেশ্বৰ বৰবৰুৱাৰ চকুলো কাব্যত যেন নিজক বিচাৰি পাইছিল আৰু এই কবিতাপুথিখনৰ ওপৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী পাইছিল। শঙ্কদেৱৰ ৰচনাৰাজি বিস্তৃতভাবে অধ্যয়ন কৰিছিল। এই বিষয়ে বহুতো গবেষণামূলক প্ৰবন্ধও লিখিছিল। এবাৰ ব্যক্তিগতভাবে লগ পাওঁতে তেখেতে মোক কৈছিল ''আজন্ম বুকুত কঢ়িয়াই লৈ ফুৰিছো ডিগবৈত থাকিবলৈ নোপোৱাৰ বেদনা।''

ডিগবৈৰ সামাজিক ইতিহাসৰ সৈত সম্পৃক্ত? এই দুয়োগৰাকী বিদ্বান ব্যক্তিলৈ আমাৰ ভক্তি ভৰা অঞ্জলি অৰ্পন কৰিলো।■

# Manavendra Nath Roy's concept on New Humanism

**Firdosh Javed**
B.A.5th Sem

M.N. Roy is considerd as one of the most systematic thinkers of modern India, who took keen intrest in Indian National Movement and advocated untraditional methods of struggle. Originally named Narendra Nath Bhattacharya, he was born in Bengal in 1893.

In 1928 Roy developed serious differences with the communist Internationals in which he was a member, since then he developed a new social philosophy known as Radical Humanism, New Humanism or Scientific Humanism. In evoluing this new social philosophy, Roy was influenced by different thinkers like Marx, Hobbs and lenin. M.N. Roy, however, considered himself as a radical and not an orthodox in between 1940 to 1947. Towards the later part of his life, he changed from Radicalism to what he called 'New Humanism'. In the past man had a blednd faith in the existence of an supernatural power like 'God' and he found himself helplessness against the forces of nature. But after several hundred years of stuggle man could understand the illusion of his relation with God. In Europe, man revolted against the authoritarianism of religion and liberated from the tyranny of theology. In such a situation Roy felt the need of a new philosophy primarily concered with human life-a philosophy which would explain the expericences of Human life without reference to supernatural power.

Humanism is not a new ideal. It is perhaps as old as human philosophy. Human is derived from the Latin word 'Humans' which means a system of thought concerned with human affair in general. Humanism is an attitude which attaches primary importance to man and his facilities, affairs and aspirations. Human had to pass through a process of development and change but its main idea was that man must remain the supreme Being. To the majority of humanist thinkers, Humanism simply meant a study of man. From that attitude, humanism could be defined as an attitude of mind which give primary importance to man and his facilities. Man was the centre of consideration in all walks of life. Humanism was not confined to Europe alone and had its impact also in Asian countries. New ideas and beliefs developed in humanism during the nineteenth century. One important idea was that man must be soverign and there should be no dogmatic authority over the life and thought of man. There were fast changes in humanist philosophy in the 20 th century. It took different lines- progmatism, existenalism and Marxism.

The modern Humanist believe that Humanism can mean two things. It may mean that is the supreme value and an end by himself. Another meaning is that man is all the time outside himself. It is in projecting himeself and losing himself, beyond himeself that he makes man to exist. As man is

self-surpassing, he is himself the heart and centre of transcendence. There is no other universe except the human universe. The real problem for man is not to seek God. But to seek himself again to understand that nothing can save him from himself.

The humanists assert that man by nature is good and capable of indefinite advance towards perfection. These exists no insuperable barrier to future progress of human civilisation. Man must be able to realize the heaven of comfort and happiness here in this physical world.

Roy's humanism however rejected all theories which consider the evolution of human history as an inevitable and automatic. It is radical humanism evoleves round man who is the man who creates society, state and isntitutions and values for his own welfare, Roy argued. The fundamental principle on which Radical Humanism stands are sovereignty of man and freedom of man. It does not presuppose any authority over man. To differentiate his humanism form other humanist philosophies, Roy's uses the qualifying 'Radical' or 'New.' It is new because it is humanism enriched and reinforced by the scientific knowledge and social. experience gain by modern civilisation. He refers the idea of 'radical' because it goes to the root of the phenomenon and builds axiology on this foundation deducing values from it.

Thus it seems obvious that Roy's humanism rests its ethics on the rationality of man. Conscious of his innate, rationality of man. as man can be moral. Political activity can therefore be guided by moral Principles. Humanism in the words of Roy is the old doctrine of human sovereignty an dignity reformed by modern science. Scientific knowledge liberates man from the time – honored prejudices about the essence of his being and purpose of life.■



# সমাজ সংস্কাৰক হিচাপে বি আৰ আম্বেদকাৰ



অনুজ প্ৰতীম বৰা
স্নাতক পঞ্চম ষাণ্মাসিক

ভীমৰাও ৰামজী আম্বেদকাৰ ১৮৯১ চনত মহাৰাষ্ট্ৰৰ ৰত্নগিৰি জিলাৰ আম্বেদ গাঁৱত এক অস্পৃশ্য পৰিয়ালত জন্ম গ্ৰহন কৰিছিল। অস্পৃশ্য পৰিয়ালত জন্ম গ্ৰহণ কৰাৰ বাবেই তেওঁ সমাজত অমানৱীয় ব্যৱহাৰৰ সন্মুখীন হৈছিল। তৎসত্ত্বেও মেধাৱী আম্বেদকাৰে জীৱনত বহু ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি বিদেশত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈয়ো সক্ষম হয়। ভাৰতীয় সংবিধানৰ পিতৃ স্বৰূপ ভীমৰাও ৰামজী আম্বেদকাৰ বাবা চাহেব আম্বেদকাৰ হিচাপেও খ্যাত। এই বিৰল প্ৰতিভাধাৰী মনিষীজনে আধুনিক ভাৰতৰ কাৰণে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু বৌদ্ধিক দিশত বহু অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ আগবঢ়াই থৈ যোৱা সামাজিক ন্যায় আৰু ৰাজনৈতিক সমতাৰ ধাৰণাবোৰ ভাৰতীয় গণতান্ত্ৰিক কাঠামোৰ এক মাইলৰ খুটি হিচাপে প্ৰতিষ্ঠিত। আম্বেদকাৰ কেৱল ভাৰতীয় পিছপৰা শ্ৰেণীৰ ত্ৰাণকৰ্তাই নহয়, তেওঁ আধুনিক ভাৰতৰ ৰাজনীতিৰ ভেটি নিৰ্মাতা আৰু ভাৰতীয় জাতীয় জীৱনৰ একতা আৰু সংহতিৰ পথ পদৰ্শক। ড০ আম্বেদকাৰে ভাৰতীয় সমাজ ব্যৱস্থা পৰিৱৰ্তনৰ কাৰণে গোটেই জীৱন উৎসৰ্গা কৰিছিল। আনকি আম্বেদকাৰে আগবঢ়োৱা নতুন সামাজিক শৃংখলা বা সমাজ ব্যৱস্থা আৰু পিছপৰা শোষিত অস্পৃশ্যসকলৰ তাত্বিক ব্যাখ্যাবোৰক গান্ধীজীয়ে সহমত জনাইছিল। তলত আম্বেদকাৰৰ সমাজ সংস্কাৰৰ ক্ষেত্ৰত অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ল।

বিদেশত উচ্চ শিক্ষা গ্ৰহণ কৰি আম্বেদকাৰে প্ৰথম অৱস্থাত চাকৰিত যোগদান কৰি পিছলৈ নিজকে এজন সমাজ সংস্কাৰক তথ্য বুদ্ধিজীৱি হিচাপে প্ৰতিষ্ঠা কৰিছিল। বিশেষকৈ তেওঁ ভাৰতীয় সমাজত প্ৰচলিত জাতি প্ৰথাৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিছিল। তেওঁ যিহেতু এজন অস্পৃশ্য জাতিৰ লোক আছিল, গতিকে ভাৰতীয় জাতি প্ৰথাৰ ঋণাত্মক দিশবোৰৰ সম্পৰ্কে তেওঁৰ নিজৰেই অভিজ্ঞতা আছিল। কিয়নো সৰুতে তেওঁ অস্পৃশ্য হোৱাৰ কাৰণেই তেওঁক ব্ৰাহ্মীণসকলে ঘৃণাৰ চকুৰে চাইছিল। গৰু গাড়ীৰ চালকে তেওঁক গৰুগাড়ীত উঠিবলৈ দিয়া নাছিল। নাপিতে চুলি কাটিবলৈ অমান্তি হৈছিল। স্কুলত শিক্ষকে তেওঁৰ বহী স্পৰ্শ কৰা নাছিল। তদুপৰি তেওঁ চাকৰি কৰি থকা অৱস্থাতো তলতীয়া কৰ্মচাৰীৰপৰা দুৰ্ব্যৱহাৰৰ সন্মুখীন হৈছিল। গতিকে সেই সময়তে তেওঁ উপলব্ধি কৰিছিল যে তেওঁৰ দৰে আৰু হাজাৰ হাজাৰ পিছপৰা অস্পৃশ্য লোকেও এনেধৰণৰ দুৰ্ব্যৱহাৰৰ সন্মুখীন হৈ আহিছে। সেয়েহে তেওঁ ইয়াৰপৰা পৰিত্ৰাণ পাবলৈ তথা সমাজখন সংস্কাৰ কৰি এনেবোৰ কু-প্ৰথা সমাজৰপৰা নিৰ্মূল কৰিবলৈ এক আন্দোলনৰ প্ৰয়োজন অনুভৱ কৰিছিল। অৱশ্যে এই ক্ষেত্ৰত তেওঁ বুদ্ধ, কবীৰ আৰু জ্যোতিৰা ফুলেৰ চিন্তা-দৰ্শনৰ দ্বাৰাও যথেষ্ট প্ৰভাৱিত হৈছিল। বুদ্ধ আৰু কবীৰৰ দৰ্শনে তেওঁক মানৱীয় সমতাৰ ক্ষেত্ৰত আন্দোলন কৰিবলৈ উদগনি যোগাইছিল। জ্যোতিবা ফুলেৰ পৰা তেওঁ শিক্ষা আৰু অৰ্থনীতিৰ বিকাশেহে সমাজৰ পৰা জাতি, বৰ্ণ, উচ্চ-নীচ, বৰ্ণ বৈষম্য নাইকীয়া কৰি এখন স্বাধীন সমাজ প্ৰতিষ্ঠা কৰিব পাৰি, তাৰ আভাস পাইছিল। তেওঁলোকৰ চিন্তা-ধাৰণাৰে অনুপ্ৰাণিত হৈ আম্বেদকাৰে সমতা, স্বাধীনতা আৰু ভ্ৰাতৃত্ববোধেৰে এখন নিকা ভাৰতীয় সমাজ গঢ়িবলৈ সংকল্প লৈছিল। তেওঁ সমাজৰ নিম্ন শ্ৰেণীৰ

লোকৰ জীৱন ধাৰণৰ মান, সমাজত তেওঁলোকৰ স্থান উচ্চ কৰিবলৈ তেওঁলোকলৈ কিছুমান পৰামৰ্শ আগবঢ়াইছিল। সেইবোৰ হ'ল-

১) নিম্নশ্ৰেণীৰ লোকসকলে জীৱনধাৰণৰ শৈলী পৰিৱৰ্তন কৰিবলৈ চেষ্টা কৰিব লাগে।

২) নিম্ন শ্ৰেণীৰ লোকে মৰা গৰু বা জীৱ-জন্তু কঢ়িয়াই নি গাঁৱৰ বাহিৰত পেলোৱাৰ অভ্যাস বাদ দিয়া।

৩) মৰা জীৱ-জন্তু, গেলা-পচা মাংস ভক্ষণ নকৰা।

৪) মাদক দ্ৰব্য সেৱন নকৰা।

৫) তেওঁলোকৰ ভিক্ষা প্ৰবৃত্তি বাদ দিয়া।

৬) জীৱন ধাৰণৰ ক্ষেত্ৰত সম্পূৰ্ণ পৰিস্কাৰ পৰিচ্ছন্নতা অৱলম্বন কৰা।

৭) হিন্দু আইনৰ বিৰুদ্ধে সকলো পিছপৰা লোকে থিয় দি অহিংস নীতিৰে আন্দোলন আৰম্ভ কৰা।

আম্বেদকাৰে হিন্দু ধৰ্মীয় গ্ৰন্থসমূহক ভাৰতৰ জাতি প্ৰথাৰ বাবে দায়ী কৰিছিল। যাৰ বাবে ১৯২৯ চনৰ ২৫ ডিচেম্বৰৰ দিনা আম্বেদকাৰে বহুতো পিছপৰা জাতিৰ লোক তথা অস্পৃশ্য সকলক একগোট কৰি হিন্দু ধৰ্মৰ 'মনুস্মৃতি' গ্ৰন্থখন জ্বলাই দিছিল, যিখন গ্ৰন্থই অস্পৃশ্যসকলক সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় আৰু ৰাজনৈতিক দিশত দাসস্বৰূপে বান্ধি ৰাখিছিল।

সমাজ সংস্কাৰক হিচাপে আম্বেদকাৰৰ আন এক উদাহৰণ হ'ল ১৯৩০ চনত তেওঁ মহাৰাষ্ট্ৰৰ নাচিকত অৱস্থিত কলাৰাম মন্দিৰত প্ৰৱেশ কৰিবলৈ সত্যাগহ আন্দোলন আৰম্ভ কৰিছিল। কাৰণ উক্ত মন্দিৰত অস্পৃশ্যসকলৰ প্ৰৱেশ নিষিদ্ধ আছিল। এই আন্দোলনত প্ৰায় ১৫০০০ পুৰুষ আৰু ৫০০ মহিলা সত্যাগ্ৰহীয়ে অংশ লৈছিল। পিছত এই মন্দিৰত সকলোৰে বাবে মুক্ত কৰি দিয়া হৈছিল।

বি.আৰ. আম্বেদকাৰে হৰিজন বা অস্পৃশ্যসকলৰ ৰাজনৈতিক অধিকাৰৰ বাবেও বহু দিন ধৰি আন্দোলন কৰিছিল। ১৯৩০ চনৰ প্ৰথম ঘূৰণীয়া মেজমেলত আম্বেদকাৰে অস্পৃশ্যসকলৰ প্ৰতিনিধি হিচাপে যোগদান কৰিছিল। তাত তেওঁ ভাৰতৰ অস্পৃশ্যসকল কেনেকৈ উচ্চ বৰ্ণৰ হিন্দু ব্ৰাহ্মণসকলৰ দুৰ্ব্যৱহাৰ আৰু নিৰ্যাতিনৰ সন্মুখীন হৈছিল তাৰ প্ৰতিচ্ছবি দাঙি ধৰিছিল। লগতে তেওঁ প্ৰথম ঘূৰণীয়া মেজমেলতে ভাৰতৰ শোষিত শ্ৰেণী তথা অস্পৃশ্যসকলৰ কাৰণে পৃথক নিৰ্বাচনী গোটৰ দাবী উত্থাপন কৰিছিল।

আম্বেদকাৰে কৈছিল হিন্দু আৰু অস্পৃশ্য সকলৰ মাজত কোনো বৰ্ণগত পাৰ্থক্য নাই। এই ব্যৱস্থা মাত্ৰ এটা জাতিয়ে অন্য এটা জাতিৰ ওপৰত আৰোপ কৰা ব্যৱস্থাহে। সেইবাবে আম্বেদকাৰে ইয়াৰ সম্পূৰ্ণ বিৰুদ্ধাচৰণ কৰি ভাৰতবৰ্ষত এনে ব্যৱস্থা নিৰ্মূল কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছিল।

অস্পৃশ্যসকলৰ উপৰিও তেওঁ ভাৰতৰ শ্ৰমিকসকলৰ শ্ৰম ব্যৱস্থাতো সংস্কাৰ আনিবলৈ সক্ষম হৈছিল। ব্ৰিটিছ-ভাৰত চৰকাৰৰ শ্ৰমিক সদস্য হিচাপে তেওঁ শ্ৰমিক সকলৰ বহুতো আইনি সংশোধন কৰি শ্ৰমিক সকলৰ দৰমহা, জিৰণিৰ সময়, খাদ্য, বস্ত্ৰ, বাসস্থান আদিৰ ওপৰত প্ৰস্তাৱ আগবঢ়াইছিল। গতিকে তেওঁক শ্ৰমিকসকলৰ পথ প্ৰদৰ্শক বুলিও অভিহিত কৰিব পাৰি।

আম্বেদকাৰে নাৰীসকলৰ সৱলীকৰণৰ ক্ষেত্ৰতো উঠিপৰি লাগিছিল। নাৰী সৱলীকৰণৰ জৰিয়তে মহিলাক পুৰুষৰ সমানে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক অধিকাৰ প্ৰদানৰ পোষকতা কৰিছিল তেওঁ। আম্বেদকাৰে হিন্দু ক'ড বিলৰ দ্বাৰা নাৰীক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছিল। তদুপৰি স্বাধীন ভাৰতৰ আইনমন্ত্ৰী হিচাপে হিন্দুসকলৰ মাজত একতা বজাই ৰাখিবলৈ এখন ইউনিফৰ্ম চিভিল ক'ড আইনৰ প্ৰস্তাৱ আগবঢ়াইছিল। লগতে তেওঁ জন্মগত অধিকাৰ নোহোৱা কৰিবলৈ, মহিলাক সম্পত্তিৰ অধিকাৰ প্ৰদান, বিভিন্ন জাতি-গোত্ৰৰ মাজত বিবাহ আৰু বিবাহ বিচ্ছেদ আদিক লৈ সংসদত এখন হিন্দু ধৰ্মীয় আইন উত্থাপন কৰিছিল। কিন্তু দুৰ্ভাগ্যৱশতঃ উক্ত বিলখন আইনত পৰিণত নহ'ল। যাৰ বাবে তেওঁ নেহৰু মন্ত্ৰী পৰিষদৰ পৰা পদত্যাগ কৰিছিল।

ওপৰৰ আলোচনাৰপৰা দেখা গ'ল যে আম্বেদকাৰে ভাৰতত অতীতৰপৰা প্ৰচলিত কিছুমান কু-প্ৰথাৰ বিনাশ কৰি ভাৰতৰ সমাজখনক সংস্কাৰ কৰি এক নতুনত্ব আনিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল আৰু কিছু কিছু ক্ষেত্ৰত সফলো হৈছিল। তদুপৰি ভাৰতৰ সংবিধান সভাৰ খচৰা সমিতিৰ সভাপতি ৰূপে তেওঁ ভাৰতৰ বাবে প্ৰস্তুত কৰা নতুন সংবিধানখনত সমাজৰ নিম্ন শ্ৰেণীৰ লোতে যাতে সকলো অধিকাৰ লাভ কৰে তাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ জৰিয়তে তেওঁ ভাৰতৰ সমাজ ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিবলৈ আশা কৰিছিল। সি যি নহওক ভাৰতৰ ত্ৰুটিপূৰ্ণ সমাজৰ সংস্কাৰ সাধনৰ বাবে কৰা আশাসুধীয়া প্ৰচেষ্টাৰ বাবে ড° বি. আৰ. আম্বেদকাৰ চিৰস্মৰণীয় হৈ ৰ'ব।■

ডিগবৈ মহাবিদ্যালয়
আলোচনী
অষ্টাত্ৰিংশত্তম সংখ্যা, ২০১৬-১৭ বৰ্ষ

# স্ব-নিৰ্ভৰশীল হোৱাৰ যাত্ৰা

ৰাজুৰাজ সোনোৱাল
প্ৰাক্তন ছাত্ৰ

ডিগবৈৰ উত্তৰ দিশে ৰামনগৰত মোৰ ঘৰ। এটা সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰি বোকা পানীৰ লগত খেলি ডাঙৰ দীঘল হ'লোঁ। এ.অ.ডি প্ৰাইমেৰী স্কুলত শিক্ষাৰ পাতনি মেলি এ.অ.ডি হায়াৰ ছেকেণ্ডেৰি স্কুলৰপৰা মেট্ৰিক পাছ কৰি ডিগবৈ কলেজত শিক্ষাৰ বাবে ২০০২ চনত নাম ভৰ্তি কৰিলোঁ। কলেজীয়া শিক্ষা সামৰি এটা মাল্টিনেচনেল কোম্পানীত নিজৰ কৰ্ম জীৱনৰ পাতনি মেলিলোঁ ২০০৭ চনত আৰু অতি সোনকালে প্ৰমোচন লাভ কৰি বিদেশ ভ্ৰমণৰ সুবিধা লাভ কৰিলো কিন্তু কিছুমান ঘৰুৱা অসুবিধাৰ বাবে মই বৰ বেছি দিন এই কোম্পানীৰ লগত জড়িত থাকিব নোৱাৰিলোঁ। ঘৰৰ মানুহৰ কথা পেলাব নোৱাৰি মই পুনৰ পঢ়িবলৈ তিনিচুকীয়া আই টি আই ত নামভৰ্তি কৰিলোঁ। আই টি আই শিক্ষা সামৰি বিভিন্ন প্ৰতিষ্ঠানত চাকৰি সূত্ৰে আবেদন জনালোঁ কিন্তু কপালত হয়তো চাকৰি নাছিল, কিন্তু মই কাহানিও নিজকে নিবনুৱা বুলি পৰিচয় দিব বিচৰা নাছিলোঁ কাৰণ মই ভাবো এলেহুৱা মানুহেহে নিজকে নিবনুৱা বুলি চিনাকি দি ভাল পায় আৰু মই এলেহুৱা নহয়। মোৰ হাতত এটা বিদ্যা আছিল সেইটো হৈছে কম্পিউটাৰ। মই অৱশেষত থিৰাং কৰিলো ডিগবৈত প্ৰেছ খোলাৰ কথা আৰু সেই অনুপাতে সুৰভী ফ্লেক্স প্ৰিণ্টাছ নামৰ এটা প্ৰতিষ্ঠান জন্ম দিলোঁ আৰু আগবাঢ়ি গ'লো এখন নতুন সংগ্ৰামলৈ। মই প্ৰথমে এটা ফ্লেক্স প্ৰিণ্টীং মেছিন আনিলো, প্ৰথম প্ৰথম অলপ অসুবিধাৰ সন্মুখীন হৈছিলোঁ যদিও যিমানেই দিন বাগৰি গ'ল অসুবিধাবোৰো নোহোৰা হ'ল। এই ব্যৱসায়ৰ দ্বাৰা কেৱল মই লাভান্বিত হোৱা নাই ডিগবৈৰ ৰাইজৰ তথা ওচৰৰ অঞ্চলবোৰ, অৰুণাচল আদি ৰাইজৰো যথেষ্ট সুবিধা হ'ল বুলি ভাবো। আজি এই ব্যৱসায় কৰা প্ৰায় দুবছৰ হ'ল আৰু এতিয়া কেইবাটাও মেছিন সংযোজন কৰিবলৈ সক্ষম হৈছোঁ। বৰ্তমান এটা অফ্‌ছেট প্ৰিণ্টীং মেছিন নতুনকৈ আনি কাম আগবঢ়ালোঁ। মোৰ এই প্ৰচেষ্টাত বিভিন্ন জনৰ উৎসাহে মোক অনুপ্ৰাণিত কৰিছে।

নতুনকৈ উঠি অহা যুৱ প্ৰজন্মলৈ মোৰ এটাই অনুৰোধ চাকৰি চাকৰি বুলি হাবাথুৰি খাই নিজকে পঙ্গু নকৰে যেন। সমাজত জীয়াই থাকিবলৈ বা নিজকে প্ৰতিষ্ঠা কৰিবলৈ কেৱল চাকৰিয়েই একমাত্ৰ উপায় নহয়। মোৰ বিশ্বাস যে সৎ সাহস, সৎ চিন্তা, ধৈৰ্য্য, শক্তি, বুদ্ধিৰে মই নিশ্চয় আগুৱাই যাব পাৰিম।

আৰু শেষত ডিগবৈ মহাবিদ্যালয়, যিখন মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিবলৈ হেতা-ওপৰা, মহাবিদ্যালয় সপ্তাহত খেল-ধেমালি, লগৰ-সমনীয়া, নিৰ্বাচন আদিবোৰ মোৰ বাবে চিৰস্মৰণীয়। ডিগবৈ মহাবিদ্যালয়ৰ প্ৰত্যেকজন শিক্ষকে মোক উৎসাহ দি আহিছে। ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত মনেশ্বৰ বৰ্মন ছাৰ, বৰ্ত্তমানৰ অধ্যক্ষ ড° দীপ শইকীয়া ছাৰ, মহাবিদ্যালয়ৰ প্ৰবক্তা ৰাজীৱ ৰুদ্ৰ টাৰিয়াং ছাৰ, জিতু বড়া ছাৰ, চেনি চন্দ্ৰ বৰুৱা ছাৰ, অৰুণ দত্ত ছাৰ।

অৱশেষত, মই পঢ়ি অহা কলেজ, ডিগবৈৰ গৌৰৱ, ডিগবৈ মহাবিদ্যালয় আৰু আগুৱাই যাওক ঈশ্বৰৰ ওচৰত তাৰেই প্ৰাৰ্থনা জনাইছোঁ।■

# স্ব-নিৰ্ভৰশীল "জাগৃতি প্ৰকাশন এণ্ড প্ৰিণ্টাৰ্ছ্'ৰ স্বত্বাধিকাৰী

নবীন গগৈ
প্ৰাক্তন ছাত্ৰ

ধোন্দানাহৰ-কপহুৱা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰি লক্ষীপথাৰত আল্‌ফা বিচাৰি চলোৱা বজৰংগ, ৰাইনো অপাৰেচনৰ সময়চোৱাতে লক্ষীপথাৰৰ মধ্য ইংৰাজী বিদ্যালয়ত মাধ্যমিক আৰু উচ্চ শিক্ষা গ্ৰহণ কৰিছিলোঁ। শিক্ষা জীৱনৰ পাকচক্ৰত ১৯৯৬ চনৰ শিক্ষাবৰ্ষৰ আৰম্ভণিৰ কোনো এটি দিনত উচ্চ শিক্ষা গ্ৰহণৰ উদ্দেশ্যে ডিগবৈ মহাবিদ্যালয়ত আন বহুতো শিক্ষাৰ্থীৰ লগতে আমাৰো প্ৰৱেশৰ সৌভাগ্য ঘটিছিল। সেই সময়ত লক্ষীপথাৰৰ পৰা ডিগবৈ সংযোগী পথছোৱা অতি দুৰ্গম। কেৱল দুখন বাছ গাড়ী আৰু ব্যক্তিগত দুই-এখন সৰু গাড়ী চলিছিল। বাছত অহা-যোৱা কৰাৰ বিপৰীতে আমি চাইকেলৰেহে ডিগবৈ মহাবিদ্যালয়লৈ আহিছিলোঁ। বাট-পথ হাবি-জংঘলেৰে ভৰি থকা হেতুকে প্ৰায়ে ৰাস্তাত বনৰীয়া হাতীৰ লগত মুখামুখী হৈছিলোঁ। তেনেদৰেই স্মৰণীয় পাঁচবছৰীয়া কলেজীয়া শিক্ষা জীৱনৰ অন্ত পৰিছিল।

স্কুলীয়া শিক্ষা জীৱনৰ লগতে অসমীয়া লোক-সংস্কৃতি চৰ্চাৰ প্ৰতি আমাৰ ধাউতি আছিল। গাঁৱৰ জ্যেষ্ঠসকলৰ পৰা অনুপ্ৰেৰণা আৰু নিজৰ একাগ্ৰতাৰ জৰিয়তে সৰুকালতেই ঢোল-খোল বজোৱাৰ কিছু শিক্ষা লাভ কৰিছিলোঁ। যৌৱনৰ কালছোৱাত গাঁৱৰ 'কলা-বিকাশ মঞ্চৰ হুঁচৰি দল'ৰ হৈ বিভিন্ন মঞ্চত বিহু প্ৰদৰ্শন, গাঁৱৰ নামঘৰৰ কাৰ্যসূচীসমূহত যোগদানৰ উপৰিও ডিগবৈত প্ৰতি বছৰে অনুষ্ঠিত কৰি অহা 'শ্ৰীশ্ৰী শঙ্কৰদেৱৰ জন্মোৎসৱ'ত গীত-মাত প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত কোনো দিনে পিচ পৰি থকা নাছিলো। আজিও ঢোল-খোলৰ প্ৰতি থকা হেঁপাহ আমাৰ মাজত বিদ্যমান। তাৰেই পৰিপ্ৰেক্ষিতত ডিগবৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীবৰ্ষৰ উদযাপনৰ শোভাযাত্ৰাৰ কাৰ্যসূচীত গায়ন-বায়ন ৰূপত অংশগ্ৰহণ কৰাৰ আমাৰ সৌভাগ্য ঘটিছিল।

মহাপুৰুষ শ্ৰীশ্ৰী শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ মাগদৰ্শনৰ মাজতে আমাৰ জীৱনৰ কৰ্মসূচী লিপিবদ্ধ হৈছিল মোৰ মা-দেউতাৰ অনুপ্ৰেৰণাত। তাকে সাৰথি হিচাপে লৈ জীৱনৰ কৰ্মসূচীত ছয় ৰিপু — লোভ, মোহ, কাম, ক্ৰোধ, দম্ভ আৰু অহংকাৰক নিজৰ কৱলত ৰখাৰ চেষ্টা সৰু কালৰ পৰাই কৰিছিলোঁ। লগতে সত্য, শৌচ, দয়া আৰু ক্ষমাক প্ৰাধান্য দি নিজৰ ব্যক্তিগত জীৱনৰ কাম-কাজত আগুৱাই যোৱাৰ দৰ্শন লাভ কৰিছিলো আমাৰ ধৰ্মীয় সমাজখনৰ মাধ্যমেদি।

এজন ব্যক্তিৰ সফলতাৰ আঁৰত একোগৰাকী নাৰীৰ মাহাত্ম্য অতিকে গুৰুত্বপূৰ্ণ। সময়ৰ গতিত আমাৰ জীৱনলৈ আহিছিল নাৰী প্ৰেমৰ এক অনন্য সুবাস। আমাৰ অতিকে প্ৰিয় খোল বাদ্য প্ৰশিক্ষণৰ হেতু পেঙেৰীলৈ ৰাওনা হৈছিলোঁ ২০০৬ চনৰ কোনোবা এটা দিনত। তাতেই আমাৰ বৈবাহিক জীৱনত হ'বলগীয়া সু-যোগ্যা পত্নী 'জ্যোৎস্না'ক লগ পাইছিলোঁ। বৈবাহিক জীৱন সুন্দৰ কৰাৰ পৰিপেক্ষিততে উপাৰ্জনৰ পথ নিশ্চিত কৰাৰ গাভৰু কালছোৱাত আমাৰ পত্নীয়ে স্বাধীনচিতিয়া কৰ্মৰ প্ৰতি পৰামৰ্শ আৰু অনুপ্ৰেৰণা দিছিল। যিটো সময়ত শিক্ষিত যুৱক-যুৱতীৰ জীৱন-জীৱিকাৰ বাবে চাকৰিৰ প্ৰতি স্পৃহা জাগে বা বিচাৰে, সেই সময়ত কিন্তু জীৱিকাৰ সমলৰ পৰিপেক্ষিতত আমাৰ জ্ঞান লাভ কৰাৰ স্পৃহা জাগিছিল। সেই হেতুকে ডিব্ৰুগড় কৌস্তভ প্ৰকাশন', তিনিচুকীয়াৰ শ্যাম অফ্‌ছেট', 'প্ৰকাশ অফ্‌ছেট', 'সৃজন প্ৰকাশন', 'গোলাঘাটৰ জাগৰণ প্ৰিণ্টাৰ্ছ্'ত ছপাশালৰ সামূহিক জ্ঞান লাভৰ বাবে আত্মনিয়োগ কৰিছিলোঁ। বহুতো ঘাত-প্ৰতিঘাতৰ মাজৰে সৰ্বপ্ৰথমে ডিব্ৰুগড়ৰ কৌস্তভ প্ৰকাশনত দৈনিক মজুৰীৰ বিনিময়ত মাহৰ শেষত পোৱা পোন্ধৰ শ টকাৰে নিজৰ খোৱা-বোৱা, ৰুম ভাড়াৰ বিপৰীতে কম্পিউটাৰ শিক্ষা (DCA) গ্ৰহণ কৰাত মনোনিৱেশ কৰিছিলোঁ। পিছৰ পৰ্যায়ত তিনিচুকীয়াৰ ছপাশালত পোৱা মাহিলী দৰমহাৰ পৰা তিনিচুকীয়া এপিটম্‌ত (PGDCA) কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰিছিলোঁ। ছপাশালৰ বাবে প্ৰয়োজনীয় অভিজ্ঞতা আৰু জ্ঞানৰ যোগেদি মাহিলী দৰমহা প্ৰায় ১২,০০০ টকালৈ বৃদ্ধি হৈছিল। সেই সময়ছোৱাত তিনিবছৰীয়া প্ৰেমৰ অন্তত বৈবাহিক জীৱনৰ পাতনি মেলাত স্বাৱলম্বী জীৱন-জীৱিকাৰ তাড়নাত

গোলাঘাটৰ জাগৰণ প্ৰিণ্টাৰ্ছলৈ ৰাওনা হৈছিলো ২০০৯ চনত।

২০০৯ চনৰ পৰা ২০১১ চনলৈ গোলাঘাটৰ জাগৰণ প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী কৌস্তভমণি, লাটু, প্ৰবীন আৰু ধ্ৰুৱ দাৰ সান্নিধ্যত নিজৰ একাগ্ৰতাৰ যোগেদি দিন-ৰাতি একাকাৰ কৰি ছপাশালৰ সকলো দিশ খুটি-নাতি মাৰি জ্ঞান অৰ্জন কৰাত আত্মনিয়োগ কৰিছিলো আৰু তেখেতে সৰ্বপ্ৰকাৰে আমাক সহায়ৰ হাত আগবঢ়াইছিল। গোলাঘাটত অতিক্ৰম কৰা দুটা বছৰৰ ভিতৰতে প্ৰয়োজনীয় কম্পিউটাৰ শিক্ষা, মেচিনসমূহৰ কাৰিকৰী জ্ঞান, কিতাপ-পত্ৰ বন্ধোৱাকে আদি কৰি প্ৰায়সমূহ দিশৰ জ্ঞান সম্পূৰ্ণ কৰাত সফল হৈছিলোঁ আৰু তাতেই নিজাববীয়াকৈ এটা কম্পিউটাৰ আৰু কিছু সামগ্ৰী ক্ৰয় কৰিছিলোঁ। পিছৰ পৰ্যায়ত তাকেই সমল হিচাপে লৈ স্বাৱলম্বী জীৱিকা গঢ়ি তোলাৰ উদ্দেশ্যে ডিগবৈৰ সমীপৰ টিংৰাইত সাধাৰণভাৱে ''জাগৃতি প্ৰকাশন এণ্ড প্ৰিণ্টাৰ্ছ'' নামেৰে এটি ক্ষুদ্ৰ ছাপাশাল প্ৰতিষ্ঠা কৰিলোঁ। ২০১১ চনৰ মাজভাগত ধৈৰ্য, সাহস আৰু আত্মবিশ্বাসেৰে গঢ়ি তোলা এই প্ৰতিষ্ঠানটি লাহে লাহে অঞ্চলটোত আৰু ক্ৰমান্বয়ে ডিগবৈৰ লগতে সমগ্ৰ তিনিচুকীয়া জিলাখনতে ছপাশালৰ প্ৰতিষ্ঠান হিচাপে ৰাইজৰ মাজত প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হ'ল। এই ক্ষেত্ৰত আৰম্ভণিতে অঞ্চলটোৰ ছাত্ৰ নেতা টংকেশ্বৰ শইকীয়া, ককাইদেউ গল্পকাৰ নিযুত মৰাণ দেৱে অতি বিশ্বাসেৰে ছপাশালত কৰিবলগীয়া কামসমূহ যুগুতাই আনি দিয়াৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে সাহস আৰু প্ৰেৰণা যোগালে। সম্পূৰ্ণ ছটা বছৰ অতিক্ৰম কৰা ছপাশালটো বৰ্তমান ব্যস্ততাপূৰ্ণ। সময়ৰ তাগিদাত কোনোসময়ত বিভিন্নজনৰ কাম-কাজ সময়ানুযায়ী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত অপাৰগ হোৱাও পৰিলক্ষিত হৈছে। ইতিমধ্যে আমাৰ চাৰিজনীয়া পৰিয়ালটি পোহ-পালৰ ক্ষেত্ৰত স্বাৱলম্বী হোৱাৰ উপৰিও এই ছপাশালত শিক্ষা গ্ৰহণ কৰাৰ লগতে নিজৰ উপাৰ্জনৰ পথ মুকলি কৰিবলৈ সক্ষম হৈছে। আনহাতে দুজন শিক্ষিত যুৱকে এই ছপাশালত শিক্ষা গ্ৰহণ কৰি এজন ডিগবৈ আৰু আনজন দুলীয়াজানত আন আগশাৰীৰ ছপাশালত নিজৰ কৰ্মসংস্থাপন লাভ কৰিবলৈ সক্ষম হ'ল।

বৰ্তমানৰ সমাজব্যৱস্থাত মানৱীয় প্ৰমূল্যবোধ গতানুগতিকভাৱে হেৰাই যোৱা যেন আমাৰ অনুমান হয়। দৈনন্দিন জীৱনৰ কৰ্মৰাজিত একো একোজন ব্যৱসায়ীয়ে কেৱল ব্যৱসায়ৰ মাজেৰে পাওনা-দেনাৰ হিচাপতে যেন মগ্ন হয়। কিন্তু তাৰ বিপৰীতে পাওনাৰ প্ৰতি কোনো ধৰণৰ আশা নকৰাকৈয়ে আজি এই অভাজনে ব্যৱসায়ত আন এটা দিশ উন্মোচনৰ চেষ্টাত ব্ৰতী হৈছো- যাতে গ্ৰাহকৰ হৃদয়ত আমাৰ প্ৰতি প্ৰেমৰ ভাব জাগৃত হওক আৰু সেই গ্ৰাহকে আমাৰ প্ৰেমত উৎফুল্লিত হৈ দেনাৰ প্ৰতি অগ্ৰসৰ হওক। মানৱীয় প্ৰেমৰ সান্নিধ্যই এতিয়া মোৰ বাবে সময় তেনেই তাকৰ হৈ পেৰা যেন অনুমান হয়।

বৰ্তমান সময়ত নিৱনুৱা সমস্যাৰে জৰ্জৰিত হোৱাৰ সময়ত প্ৰকৃততে নিজৰ চেষ্টা, ধৈৰ্য্য, একাগ্ৰতা, নিষ্ঠা আৰু সহনশীলতাৰ গুণেৰে এনেধৰণৰ কাম-কাজ যোগেদি নিজৰ জীৱিকাৰ পথ মুকলি নিশ্চয়কৈ কৰিব পাৰি। সেই হেতুকে ক'ব পাৰি যে — উঠি অহা শিক্ষিত যুৱক-যুৱতীসকলে নিজকে এনেধৰণৰ বিভিন্ন কাৰিকৰী শিক্ষাত মনোনিৱেশ কৰিলে নিজৰ লগতে আন এজনো স্বাৱলম্বী হোৱাত অৰিহণা যোগাব পাৰিব।■



# NSS Digboi College
# Unit Activities at a glance

**Mr. RajibRudraTariang**
Programme Officer
NSS Unit, of Digboi College&
Asst. Professor, Department of Zoology &
Coordinator, Wildlife Conservation Biology Course
Digboi College

NSS Digboi College Unit with its student volunteers is the axillary body of the National Service Scheme under the Ministry of Youth Affairs & Sports Govt. of India, popularly known as NSS was launched in Gandhiji's Birth Centenary Year 1969, by the government of India. The primary focus of the NSS is on the development of personality of students through community service, where NSS Digboi College Unit had never exhausted towards achieving its goals. Currently, NSS has more than 3.2 million student volunteers on its roll spread over 298 Universities and 42 (+2) Senior Secondary Councils and Directorate of Vocational Education all over the country. From its inception, more than 3.75 crores students from Universities, Colleges and Institutions of higher learning have benefited from the NSS activities, as student volunteers. Each college under UGC runs NSS Activities through a Programme officer of the college that has 100 student volunteers to assist. However, there is also provision to add another 100 student volunteers with an additional Programme ofties with the following objectives, NSS Digboi College Unit had covered almost all the objectives within the session 2016-2017. The main objectives of National Service Scheme (NSS) are:

i) understand the community in which they work
ii) understand themselves in relation to their community
iii) identify the needs and problems of the community and involve them in problem-solving
iv) develop among themselves a sense of social and civic responsibility
v) utilise their knowledge in finding practical solutions to individual and community problems
vi) develop competence required for group-living and sharing of responsibilities
vii) gain skills in mobilising community participation
viii) acquire leadership qualities and democratic attitudes
ix) develop capacity to meet emergencies and natural disasters and
x) practise national integration and social harmony

With the Motto of NSS ***"Not Me But You"***, reflects the essence of democratic living and upholds the need for self-less service. NSS helps the students develop appreciation to other person's point of view and also show consideration to '/other living beings. Two Asst. Programme Officers of NSS was appointed to Mr. KishorHaloi and Ms.SampreetiBoruah of Digboi College to assist in the NSS activities of Digboi College, Digboi. Different student volunteers were selected in various NSS Activities within, outside Digboi College Campus and also at Regional and National Level so that maximum participants get the chance to participate and explore.

Some of the milestone activities of the NSS Digboi College Unit are as follows:-

1. Celebration of **World Environment Day, 5th June, 2016**, with tree plantation and training to forest, police and Indian armypersonnel to curb illegal wildlife trade with the theme ***"Zero Tolerance for the Illegal Wildlife Trade"***. A joint programme with the NSS, Digboi College Unit, IQAC of Digboi College & Aaranyak. Mr. Rahul Dutta, Wildlife Crime Specialist and Mr. Ajoy Kr. Das, Advocate, Gauhati High Court were the Resource person for the programme.

2. NSS Digboi College Unit, celebrated the **67thVan Mohotsav, 2016**, from 1st to 7th July, 2016 in the Digboi College Campus by tree plantation programme and field visits to Dehing Patkai Wildlife Sanctuary with the Vivekananda Kendra Vidyalaya, of Borgolai, Margherita, Tinsukia.

3. Participation of the **Digboi College Campus Cleaning** on 5th August, 2016 with the involvement of the NSS Digboi College Unit volunteers.

4. Participation of the **70th Independence Day, 2016** with the Digboi College NSS Volunteers.

5. Participation of the Programme Officer in the **Social and Behavioural Change Communication for Open Defecation Elimination**, Dibrugarh University, Dibrugarh, dated on 19th September, 2016, held at Dibrugarh University, Dibrugarh.

6. Organizing a **Workshop on Earth Quake and Fire Mock Drill in Digboi College**, organized by NSS Digboi College in collaboration with the Tinsukia District Disaster Management Authority for the general students of Digboi College, Digboi dated on 23th August, 2016.

7. Celebration of the **NSS Day, 2016** on 24th September, 2016 by a general orientation on the NSS activities.

8. Celebration of the **62nd Wildlife Week, 20176** from 1st – 7th October, 2016 at Digboi College, Digboi High School, and Saraipung Forest Village with the NSS Digboi College Unit.

9. Celebration of **147thGandhi Jayanti on 2nd October, 2016** at L.P. School, Saraipung, Digboi as a joint programme with the school children of Saraipung forest village and the NSs Digboi College Unit.

10. Awareness programme on **Wildlife Conservation and Impacts of Climate Change,** for the school children of Bhadoi Passali High School, Dibrugarh, approx. 40 km from Digboi dated on 16/11/2017

11. Participation of the **Digboi College Campus Cleaning** on 17th October, 2016 with the involvement of the NSS Digboi College Unit volunteers and Department of Commerce, Digboi College.

12. Awareness Programme on **Biodiversity Conservation and Impacts on Climate Change** on 29th October, 2017, organized by NSS Digboi College Unit and Department of Zoology, Digboi College, Digboi.

13. NSS Digboi College Unit participated in the **College Beautification Programme** on 18th November, 2017.

14. Participating in the **7 days Special Camp at Saraipung Forest Village**, a model village of Digboi College, Digboi. A Socio-economic Survey was carried out among the villagers and a day long medical health check-up was carried out for the needy ones from 1st to 7th December, 2017 with 25 student volunteers and two physicians.

15. NSS Digboi College Unit volunteer, Mr. Jotishman Moran participated in the **National Integration Camp**, held at Ranch, from 14th to 20th December, 2017.

16. A weeklong of **Digboi College Campus Cleaning & Beautification** from 1st to 7th January, 2017 with active involvement of the NSS Digboi College Unit volunteers.

17. Five student volunteers NSS Digboi College Unit, participated in the **NSSNorth East Youth Festival** held from 5th to 9th January, at Gauhati University, Guwahati. Ms,\. Krishna Mech, NSS volunteer of Digboi College stood first in the Extempore Speech in the NSS Youth Festival.

18. The volunteers of the NSS Digboi College Unit took active participation in organizing and helping the **Satriya Nitra Competition Committee** of Digboi College on 22nd and 23rd January, 2017.

19. Participation of the **68th Republic Day, 2017** with the Digboi College NSS Volunteers.

20. Participation in the **Workshop on Cashless Transaction by Digital Software**, organized by the NSS Digboi College Unit association with the State Bank of India, Digboi Branch, Digboi on 26th January, 2017.

21. NSS Digboi College Unit took an active participation in the "**DigiDhanMela**" held on 29th January, 2017 at Industrial Training Institute Field, Tinsukia, organized by Tinsukia District, Tinsukia.

22. Four student volunteers of NSS Digboi College Unit participated in the **Training of Volunteers on Search & Rescue' workshop**, organized by District Disaster Management Authority (DDMA), Tinsukia from 14th to 15th February, 2017, held at Tinsukia Deputy Commissioner Training Hall.

23. NSS Digboi College Unit initiated the **Self-defence Training** for girl students under a theme **BetiApneAapBachao** from 09/03/2017 to 06/04/2017 on each consecutiveday under guidance of Mr. PromodeBhuyan, expert of ShitoRyu Karate of Pangeeri, Tinsukia.

24. NSS Digboi College Unit organized basics in the **Physical Fitness Techniqueson** 7th April, 2017.

25. Participation of the **International Water Conservation Day** was celebrated in Digboi College jointly organised by NSS and NCC Digboi College on 22nd March, 2017.

26. As **Programme Officer and Resource Person**, College of Horticulture and Forestry, Pasighat, Arunachal Pradesh had organized a day long motivational programme to NSS volunteers of the college, dated on 5th May, 2017.

27. Participation of the **Orientation of the Programme Officers**, held at Dibrugarh University from 18-19th May, 2017.

28. Celebration of **World Environment Day,** on 5th June, 2017, by the NSS volunteers in the programme. NSS Programme Officer of Digboi College was also invited to deliver a talk with the theme, Connecting People with Nature at Margherita College, Margherita.

29. On the occasion of **Blood Donation Day,** 14th June, 2017, NSS Digboi College Unit Took active participation in the blood donation with assistance from the Tinsukia Blood Bank.

30. Celebration of **International Yoga Day**, on 21st June, 2017, by the NSS Digboi College Unit, 2017 for the students and teachers of Digboi College, Digboi.

31. Celebration of **Van Mohotsav** 2017 at 8th Mile Jagun High School, Jagun with Digboi Forest Division and PoribeshSanrasanSamity, Jagun for the local people and school children in the Motivational Awareness Programme for Nature Conservation on 7th July, 2017.

32. Four NSS student volunteers participated in the Life Skills, Personality Development and Leadership Training, organized by Dibrugarh University, from 17th to 21st August 2017.

33. NSS Digboi College Unit organized the **Post Flood Relief Programme** at SumoniGaon, Kakopathar, Tinsukia, Assam on 23rd August, 2017.

34. NSS Student Volunteers of Digboi College took **Cleanliness Drive** outside Digboi College Campus and reached out the common public to make their premises neat and clean on 5th September, 2017.

35. NSS Student Volunteer Mr. KhemBahadurChetry participated in the **Northeast NSS Festival**, held at Agartala from 11th to 15th September, 2017.

36. Ten girls NSS volunteers of Digboi College Unit attended a **Workshop on Advocacy And Communication**, held at Digboi MahilaMahavidyalaya on 19th September, 2017.

37. Workshop on the **Objectives ofSwachh Bharat Mission**, organized by NSS Digboi College Unit in collaboration with the Tinsukia District Community Health and Service Centre, for the NSS volunteers of Digboi College, Digboi on 22nd September, 2017.

38. Celebration of **NSS Day on 24th September, 2017**, by inviting Dr.BhanuHazarika, CMO, Physician of the AOD Hospital, Digboi to deliver a motivational talk on Substance Abuse, Adolescent Health and Preventive Strategies for the students of Digboi College, Digboi.

39. Celebration of **148th Gandhi Jayanti** on 2nd October, 2017, by organizing essay competition among the student volunteers and small programme on Swachh Bharat Mission & ODF by NSS Volunteer Bikash Newar at Brahmajan M.E School, Pengree.

40. Celebration of **Wildlife Week from 1st to 7th October, 2017** at Digboi College campus for the students of Digboi College, Digboi, by organizing a wildlife quiz on the occasion.

41. Two student volunteers of NSS were selected to attend **One Day Pre Republic DaySelection Camp 2017-18** at Dibrugarh University campus on 16thOctober 2017 (Monday).

42. Student volunteers of the NSS Digboi College Unit participated in the **Oath Taking Ceremony against Anti-Corruption under the Vigilance Awareness Week** jointly organized by the NSS Digboi College Unit and IOCL (AOD), Digboi on 29th October, 2017.

43. Student Volunteers of NSS Digboi College Unit organized a **Slogan Contest and Street Slogan Procession against Anti-Corruption** in the Digboi Town on 30th October, 2017.

44. Celebration of **RastriyaEkkta Devas** on the National Unity Day, on 31st October, 2017 with the NSS Volunteers of Digboi College Unit.

45. One NSS student volunteers, Ms PranjumoniNath, attended 10 days **NSS Pre Republic Day Camp 2017-18**at Kalinga Stadium, Odisha from 7th to 16th November, 2017.





'NOT ME BUT YOU'




# Can Money buy you Happiness

**Junali Baruah**
B.A. 3rd sem

In such a costly and competitive society and world, no one of us can live without money. Money is very much required in our life which is just helpful in fulfilling our outer need of life and not the inner needs of life like true love.

How much money do you think you would need a year to be happy? Do you think more money would make you more happy?

But the fact is that "there are plenty of people around the world who seems to have very little money and lots of happiness."

We can understand that not having money to cover our basic needs causes stress but we have to deal with the reality that there exist plenty of people who have very little money at their hands but their family is filled with lots of happiness.

To be happy one doesn't need to be rich. Happiness is something that cannot be bought. Money cannot buy your happiness. To be happy, you need to have your loved ones.

There are many rich family that aren't happy even if they have money, their lives are filled with hatred for each other. Parents sent their kids to expensive boarding school. There is no feeling of love among them that would unite them together into a family.

On the other hand the poor families though they don't have enough money to support their life but they know how to value their family with their life.

They live a peaceful and a happy life as they have their family and the one's whom they would love.

Money cannot buy happiness but it can only support to live our life like if we didn't have money we would be staring for food to eat and had no clothes to wear.

Money can buy you happiness only when, as long as you support your family and have them what they want.

As long as you and your family is happy then YES, Money can make you happy.■

# Early Rising

**Priya Pradhan**
H.S. 1st year



Early rising is the habit of getting up from bed early in the Morning. We should get up from bed before sun-rise.

Early-rising has many benefits. If we get up early in the morning, we feel calm and quite in our mind. This cheerfulness helps us to do our work properly. Morning is a very good time to study. We can also prepare our lesson early in the morning. We can also easily remember what we learn. So the habit of rising early from bed should be cultivated by all students.

Early-rising helps us to improve our health. The air is fresh and pure early in the morning. Walking in the open air in the cool morning weather is very pleasant. It soothes the body and refreshes the mind. Early-rising sets the tone of work for the whole day. An early-riser gets plenty of time to do all his work. He never runs short of time.

Late riser always complain of want of time. They are late in doing everything. They are always nagging with other. They also do not enjoy good health.

Early-rising is good for one and all. All should cultivate the habit of rising early from bed. We should remember the wise saying, 'Early to bed and early to rise makes a man healthy, wealthy and wise.'■

# Know yourself: Key to Success

**Bikromjit Bhattacharjee**
B.Com. 1st sem

There is a well known quote by Swami Vivekannda i.e "Talk to yourself at least once in a day otherwise you may miss a meeting with an EXCELLENT person in this world"

Once who have understood the depth of this quote understand everything and can conquer the whole world. Actually the main problem, which reside in us is that we don't know, who we are and for what purpose we are here. So in order to achieve the immense success in life first of all, we have to know ourselves. Beacause without knowing our own identity we won't find our purpose of life. And this is the only reason why most of our youth are going on wrong direction, because they have no purpose to do anything in life. And a person without a partiuilar purpose will only lead to wrong direction. Because a mind without purpose in it is a devil's mind. Therefore we need a purpose to achieve anything in life.

Secondly come our mind which travels faster than the speed of light. Mind is something which is the reason of both success and failure in a human life. The things is that in order to gain suceess we have to direct our mind in good direction and should know how to control our mind. If a person is dominated by his/ her mind then he/ she can't avail success in his/ her whole life, it is so because our mind is not constant at one thing. That's why we should control our mind to control us.

Therefore these are the simple things which we ignore but it matters a lot.■



# Winners of Slogan Competition



*Just be honest and raise voice against corruption*

**Sourav Choudhury**
1st Position, HS 1st Year

দুনীতি হৈছে শোষণৰ সূত্ৰ, ইয়াক ৰোধ কৰাটো আমাৰ দায়িত্ব।

**Pubali Saikia**
1st Position, HS 2nd Year





*Anticorruption starts from you*

**Sujata Das**
2nd Position, HS 1st Year

*Raise your voice against corruption*

**Supriya Sharma**
2nd Position, HS 2nd Year





ভাৰতৰ দুনীতি ধ্বংস কৰা আৰু সমাজক ফোঁপোলা হোৱাৰ পৰা ৰক্ষা কৰা।

**Siba Borah**
3rd Position, HS 1st Year

उठे सोचे एक विश्वास जगाये, भ्रष्टाचार मुक्त जीवन जीने की कसम खाये।

**Roshan Gupta**
3rd Position, HS 2nd Year





Republic Day Celebration

# Photos of Various Events



Celebration of Rabha Devas at Digboi College




College Level Youth Parliament Affairs at Digboi College with support from Tinsukia District Administration



Digboi College Students along with other colleges performing District Level Youth Parliamentary Affairs Competion at Tinsukia




Celebration of Big Bird Day by Digboi College Students




HS 2nd Students prepared various models on the ocassion of World Environment Day 2017



Syeda Akela Khanam Memorial Lecture - 25th August, 2017 inaguration of Assamese Departmental Magazine 'Manjari' by Dr. Nagen Saikia




Inter-Departmental Seminar Competition, Organized by Digboi College Students' Science Club



Mr. R. R Tariang, Asst. Prof., delivering lecture on Importance of Biodiversity Conservation and Sanke Identification Techniques and their conservation

# Photos of Various Events



Freshers' social and Felicitation to the Academic achievers 10th August, 2017



Mr. Rajib Rudra Tariang, Asst. Prof., Department of Zoology delivering lecture on Nature Conservation to the teachers of KKHSOW at Digboi College



Nature Trailing at Dehing Patkai WLS with students during the 62nd Wildlife Week Celebration



Nature Trailing within Digboi College Campus by Kishor Haloi, Asst. Prof., Zoology Dept., Digboi College



NSS Activities On NSS DAY_Dr. Bhanu Hazarika, IOCL(AOD) Hospital delivered talk on Substance Abuse, Adolescent Health and Preventive Strategies



On spot demonstration of various wildlife animals importance among the School Childrens from Various Different School at Digboi College



Orientation Programme towards Supporting Swatchh Bharat Mission towards ODF in GPs by Tinsukia District Administration



RUSA INSPECTION

# Photos of Various Events




Special Talk on National Unity Day Rastriya Ekkat Devas by Mr. Subhashish Gogoi, Asst. Prof. of Economics of Digboi College



Students of Digboi College performing cultural dance during the Namami Brahmaputra Festival



Workshop on GIS (Geographic Information Systems)



Water Sampling Analysis by the students of COC, Wildlife Conservation Biology Course



Students performing Drama on the ocassion of Independance Day



Saraswati Puja Organized by Digboi College Students' Union



Short Field Course in Conservation Biology & Global Health by Dr. Randall C. Keys




All Assam Inter College Xatriya Dance Competition 22nd and 23rd January, 2017




# অতিথি দেৱো ভৱ

পবন গগৈ
সহকাৰী অধ্যাপক, শিক্ষাতত্ত্ব বিভাগ

ঘৰ এটা লাগে। তাকো অচিন-অবান চহৰ এখনত। কোনোকালে আহি-মেলি নোপোৱা ঠাই। দেখাত টাউন খন সৰু যদিও ভিতৰখনৰ তলা-নলা পাবলৈ সময় লাগিব যেন পালোঁ। ফতকৈ মনত পৰি গল ৰত্নলৈ। তাৰো ঘৰ সেইফালে কৰবাত আছিল। ডিগবৈ নে দুলিয়াজান এনেকুৱা কিবা এটা। ডিব্ৰেশ্বৰলৈ ফোন কৰিলোঁ কিবা এটা উপায় দিয়েইবা। উপায় সি দিলে। হোষ্টেলৰ পাৰ্টিং চছিয়েলত জুনিয়ৰসকলে উলিওৱা সোঁৱৰণীৰ সুগন্ধি পখিলাখন উলিয়াই ল'লোঁ। এফালৰ পৰা চাই গ'লো। ৰত্নভূষণ ৰাজখোৱা। বি ফাৰ্ষ্ট ফ্লৰ। নিকনেম ডেমকেয়াৰ। ব্লাড গ্ৰুপ বি পজিটিভ। প্ৰিয় খাদ্য যিকোনো পানীয়। মোবাইল নম্বৰ ...। মোবাইল লাগিলগৈ কোনোবা বিহাৰী ভদ্ৰলোকৰ তাত। বাৰেৰহনীয়া ভাষাৰ আতিশয্যত কানেকশ্যনটো কাটি দিবলৈ বাধ্য হ'লো। সাৰাংশ বুলি যিকণ বুজিলো তাৰ অৰ্থ হয়তো এনেকুৱা ধৰণৰ হ'বগৈ পাৰে... ৰত্নৰ আগৰ ছিমটো নাই। সেইটো হেনো তেওঁক বিক্ৰী কৰি নতুন চিম ল'লে। নতুন নম্বৰটো তেওঁৰ জ্ঞানৰ পৰিধিৰ বাহিৰত। যি হয় হ'ব বুলি ভাবি সোণটিকে লগত লৈ ওলালোঁ। মায়ে কান্দিয়েই পেলালে। অচিন-অবান জেগা। হাতত এড্ৰেছ এটা নাই। ক'ত বা ওলাবগৈ।

মাক বুজাবলৈ যত্ন কৰিলোঁ। ক'তনো বাৰু লাগ বুলিলেই ঘৰৰ গৰম ভাত খাই কৰিম বুলি চাকৰি এটা পাওঁ। চাকৰিটো পাইছোঁ যেতিয়া মূৰটো গুজি লওঁচোন প্ৰথমে। পাছে-পৰে-ট্ৰেন্সফাৰ-চেন্সফাৰ লৈ এইফালে আহিব পাৰি নেকি চাম নহয়। মাক এতিয়া বুজাইহে কোনে? মা নাচোৰবান্দা। শেষত যেনিবা পৰিস্থিতি শাম কাটিলে ঘেলোদাইৰ হস্তক্ষেপত। মাৰ পাঠদান প্ৰক্ৰিয়া কিন্তু চলি থাকিল। কৰণীয়-অকৰণীয়, পথ্য-অপথ্যৰ তালিকাৰে ভাৰাক্ৰান্ত এখন দীঘলীয়া উপদেশৰ তালিকা। শেষৰ ফালে চকুকেইটা সেমেকি উঠা যেন লাগিল। বেয়া লাগিবৰে কথা। ঘোলোদাইৰ খুহুতীয়া কথাকেইটাইহে পৰিবেশটো কোনোমতে পাতলাই দিলে।

মইতো প্ৰথমতে আচৰিত হৈ গৈছিলোঁ। ঠিক ৰত্নই হয়তো এইটো। সেই একেই হোৱাং চাৱনি। হাঁহো-নাহাঁহো কৰি থকা এখন মুখ। উখহি থকা এহাল চকু। যেন এইমাত্ৰ শোৱাপাটিৰ পৰা উঠি আহিছে।

পুৰা এসপ্তাহ তাৰ ঘৰতে বাহৰ পাতিলোঁ। হেজাৰ হ'লেও লোকৰ ঘৰ। ৰাখিলে বুলিয়েইতো থাকিব নোৱাৰি। তাকে ভাড়াঘৰ চোৱাৰ দায়িত্ব দিলোঁ। বেছি একো নহয়। কোনোমতে দুকুঠলীয়া এটা ঘৰ। লেট্ৰিন-বাথৰুম এটাছ্দ আৰু ভাল। ভাড়া খুউব বেছি সাতশ বা আঠশ। পালেও সেইমতে। ৰামনগৰৰ ফালে। বাহৰ চকুৱা দিয়া দুকুঠলীয়া এটা ঘৰ। অন্য ভাড়াতীয়াও আছে। লেট্ৰিন-বাথৰুম কমন। চলি যাব। বেছেলৰ মানুহ। নতুনকৈ জইন কৰা নাৰ্জাৰীকো পলোঁ। সিও ঘৰ বিচাৰি ফুৰিছিল। কোকৰাঝাৰৰ ফালৰ ল'ৰা। অল্পভাষী। বৰ ভদ্ৰ ল'ৰা যেন লাগিল। ভালেই হ'ল। সদ্যহতে একেলগে থাকিব পৰা যাব।

টালি-টোপোলাৰে সোমাই দিলোগৈ। নাৰ্জাৰীয়ে চিলিণ্ডাৰ এটা যোগাৰ কৰিলে কোনোমতে। নতুন ঘৰত কৰিব লগা বহুত কাম আছে যেন লাগে। অথচ কামবোৰ অকণো আগ-গুৰি

নোপোৱা যেন লাগিল। অটব্য অৰণ্য। অথচ কাটিবলৈ বুলি খৰি এডাল বিচাৰি নোপোৱা যেন লাগিল। ৰুম দুটাকে সদ্যহতে চাফ–চিকুণ কৰা যাওক বুলি মনস্থ কৰিলো। তলে-ওপৰে চকুত পৰা মকৰাজালৰ আধিপত্যই প্ৰমাণ কৰিলে ৰুমকেইটাই বহুদিন মানুহৰ সংস্পৰ্শ লাভ কৰা নাই। নাৰ্জাৰীয়ে চাহ পাতি দিলে।

ঃ দাদা দেখিলেনে বেৰখনৰ অৱস্থা

ওপৰলৈ চালোঁ। এফাল নায়েই। নাই মানে ভাড়াঘৰত এইবোৰ হয়েই। কলেজীয়া জীৱনত তেনে কত ঘটনাৰ সাক্ষী হ'লো। কিছুমানেতো জেওৱা কামিলৈকে শৰাধ পাতিছিল। আটাইতকৈ ডাঙৰ কথা এই যে চিলিঙাৰবোৰ। সময়মতে যোগান ধৰে জানো।

মালিকে কোৱামতে ৰুমকেইটাৰ আগৰ বাসিন্দা কেইজন বোলে আমাৰ কলেজৰে ছাত্ৰ আছিল। প্ৰথম দুমাহ ঠিকেই থাকিলে। মাজে সময়ে মাত্ৰ অকণমান স্ফুৰ্তি কৰা যেন লাগিবলৈ ধৰিলে। স্ফুৰ্তিবাজ ল'ৰা। তৃতীয় মাহ মানৰ পৰা তেওঁলোকৰ স্বমহিমা উজলি উঠিল। ক্ৰমশঃ স্ফুৰ্তিৰ মাত্ৰা বাঢ়ি যাবলৈ ধৰিলে। স্ফুৰ্তি মানে ৰাতি দুই বজাতো গগণ ফলা কোৰাছ। তাকো বেসুৰা। কোনোবাই উচ্চগ্ৰামলৈ গৈ টানিব নোৱাৰি বৈ যোৱা বিধৰ। উপায় নাপায় মালিকে খেদিবলৈ বাধ্য হ'ল। ল'ৰাসবৰ গুণৰ কীৰ্তিচিহ্ন দুটামানৰ বিচনাখনৰ তলতে পৰি আছিলেও। নাৰ্জাৰীয়ে উলিয়াই আনিলে। হয় ল'ৰাকেইটা সঁচায় গুণৱন্ত। মালিকজন অৱশ্যে বেয়া লগা নাই। তথাপি মালিকীসুলভ বক্তৃতা এটা দিবলৈ কিন্তু নাপাহৰিলে। কীৰ্তিমান ল'ৰাসবৰ পূৰ্বসূৰী দুজনমানৰ কাহিনীবোৰ শুনোৱাই থাকোতে এনে লাগিল যেন কথাবোৰ আমাৰ ফাললৈকে পোনাইছে। চাবা তোমালোকেও তেনেকুৱা নকৰিবা। চকুত এনেকুৱা এটা ইংগিত। ভাড়াঘৰৰ মালিকৰ এনেধৰণৰ উদ্বোধনী ভাষণ থাকেই।

নাৰ্জাৰী ল'ৰ মাৰিলে চাহপাত আনিবলৈ। নতুন ঘৰ। থান–ঠিত লগালে অলপ সময় লাগিবই। ঘূৰি আহি চাহ বাকিবলৈ লওঁতেই দেখিলোঁ এইবাৰ চেনীৰ টোপোলাটো বিচাৰি পোৱা নাই। থাকোতে আছে কোনোবা এটা বেগত। মায়ে চেনীৰ টোপোলা এটা বান্ধি দি পঠোৱাটো খাতাং মনত আছে। অচিন–অবান জেগা। ক'ত সেইবোৰ ফৎকে বিচাৰি পাবি। নাৰ্জাৰী আকৌ দৌৰ মাৰিলে।

হাত ভৰি মেলি বহি পৰিলো বিচনাখনতে। দিনটোৰ ভাগৰখিনিয়ে হেচাঁ মাৰি ধৰা যেন লাগিল। নাৰ্জাৰীয়ে ভূজিয়াৰ পেকেট এটা উলিয়ালে। চাহত প্ৰথমটো সোহা মাৰিলো কি নামাৰিলোঁ দুৱাৰ মুখত দেখোন এজন অভ্যাগত। কিমান হ'ব খুউব বেছি দহ বা বাৰ বছৰ।

ঃ দাদা পাৰ্টি দিয়ক নতুন ঘৰ...

কথাটো ভৱাই হোৱা নাছিল। চকুৰে ইংগিত দি কাষলৈ মাতিলোঁ। হেজাৰ হওক নতুন ঘৰৰ প্ৰথমজন আলহী। বিমুখ কৰাৰ কথাই নাহে। ভূজিয়াৰেই আলহী অপ্যায়নৰ দিহা কৰিলোঁ। সি হেনো জুনুকা। মালিকৰ পিছফালৰ গেৰেজ যেন লগা ঘৰটোত সিহঁত থাকে। কাষতে। একে মালিকৰ আন্দাৰত থকা ভাড়াতীয়া যেতিয়া আগলৈ পাছলৈ বুলি কথা এটা আছে। জুনুকাই পৰম আগ্ৰহেৰে ভূজিয়া খাবলৈ ধৰিলে।

জুনুকাই হাঁহি দুৱাৰ মুখৰ ফালে চাই থকা যেন লাগিল। ঘূৰি চালোঁ। হয়। আমাৰ গৃহৰ দুৱাৰডলিত দেখোন আন এজন অতিথি। এখন হাত পেন্টৰ গাঠিত। আনখন হাত ব্যস্ত নাকৰ ফুটা দুটাৰে ক্ৰমে চুচৰি আহিব খোজা শেঙুনৰ টোপা দুটাৰ অবাধ গতিৰ সতে মৰণপণ যুঁজত। আমাৰ এটা ইচাৰা পালেই যেন সি সোমাই আহিব। নাৰ্জাৰীৰ গ্ৰীন চিগনেলত সি চুচুক-চামাককৈ সোমাই আহিল। মুখত অকণ অকণ লাজ ভাব। নাৰ্জাৰীয়ে ভূজিয়াৰ পেকেটটোৰ পৰা অলপমান উলিয়াই তাৰে আলহী দিহা লগালে। দুয়োটাই পৰম তৃপ্তিত ভূজিয়া খাবলৈ ধৰিলে। পিছত অহাজনৰ চকুত ঈৰ্ষাৰ ফিৰিঙতি স্পষ্ট। জুনুকাই আগতীয়াকৈ আহি কোনেবাকৈ বেছি সা-সুবিধা কৰিলেহি নেকি? মনত এইজাতীয় সন্দেহ এটা। তাৰ নাকেৰে বৈ অহা হিমানীখণ্ড মুখগহ্বৰস্থিত ভূজিয়া উপত্যকাত মিলি গলেই ইতিমধ্যে। জুনুকাৰ চকুত কিন্তু কিছু পৰিমাণে অভিভাৱকৰ সুৰ। নাৰ্জাৰীয়ে চাহকণ খাই তামোলৰ টোপোলাটো বিচৰাত লাগিল।

হঠাৎ জাঁপ মাৰি কিবা এটা আমাৰ ফালে সোমাই অহা যেন লাগিল। ভালকৈ চোৱাতহে ওলাল। কিবা এটা মানে? আৰু এটা পেন্দুকণা। একবস্ত্ৰ পৰিহিত পেন্দুকনাটো দুৱাৰ-ডলিত উজত খাই একেবাৰে মজিয়াত লুটি খাই পৰিছেহি। লাজ লাজ ভাবেৰে কোনোমতে উঠিল সি। সি মানে। সি নহয়। তাইহে। খোজ কাঢ়িবলৈ লৈছেহে ছাগে। থুপুক–থাপাক খোজ। কোনোমতে থিয় হৈ চৌপাশে এবাৰ সতৰ্ক দৃষ্টি দিলে তাই। এইবাৰ পেন্দুকণাৰ দৃষ্টি নিবদ্ধ হ'ল ভূজিয়াৰ পেকেটটোৰ ওপৰত। চকুযোৰ ভূজিয়াৰ পেকেট হৈ আহি মোৰ ফাললৈ পোনোৱা যেন লাগিল। চকুত আকুতি। সেই পেকেটটো মোক চুই চাবলৈ দিবি। চকুত এই ভাব। গ্ৰীন চিগনেল দিবলৈ পালেকি নাপালে। এক্সিলাৰেটৰ ডবাই দিলে

তাই। ভূজিয়াৰ পেকেটটো থাপ মাৰি লৈ বাহিৰলৈ কোনোবা নিৰাপদ স্থানলৈ দৌৰিবলৈ কুৰুং-কাৰাং কৰা যেন লাগিল। বাকী দুটাই কিন্তু ইমান পৰে আলেখ-লেখ চাইহে আছিল। কথা ইমানখিনিলৈকে যাবলৈ দিব নোৱাৰি। দুয়োটা জঁপিয়াই পৰিল তাইৰ ওপৰত। ঠেলা-হেঁচা, গতিয়া-গতিৰ মাধ্যমেৰে ভূজিয়া বিজয় অভিযান আৰম্ভ হৈ গ'ল। গতিয়া-গতিয়ে চূড়ান্ত ৰূপ লোৱাৰ উপক্ৰম হ'ল। নাজৰী আৰু মই চাই থকাতে ৰ'লো। ভূজিয়াকাণ্ডত আমাৰ কৰণীয় কি হ'ব পাৰে ভাৱি নাপালো। এটা সময়ত ভূজিয়া কাণ্ড গৈ শীৰ্ষবিন্দু পালেগৈ। কোনোবা এটা পাকত আটাইতকৈ পিছত অহা পেন্দুকনাটো ওফৰি পৰিলগৈ চিলিঙাৰটোৰ ওপৰত। প্ৰথমে বহুদেৰি মাত-কথাই নাই। কেনেবাকৈ সিফলীয়া হোৱা নাইটো। নাই লৰচৰ কৰিছে। লৰচৰেই নহয়। প্ৰথমে ফেকুৰি ফেকুৰি। তাৰ পাছতে আৰম্ভ হৈ গল গগনফলা আৰ্তনাদ। কাণ তাল মাৰি ধৰা চিঞৰ। যেন কোনোবাই নলীয়া কটাৰী এখন লৈ তাইৰ ডিঙিৰ ওচৰতহে ৰাখিছে। এই কাটিম। বাকী দুটা কেনিবা ফৰিং ছিটিকা দিলে। নাৰ্জাৰী আগবাঢ়ি গ'ল। এইবাৰ নলীয়া কটাৰীখন যেন ডিঙিৰ ওচৰত নহয় একেবাৰে ডিঙিত ৰেপ পৰিলেই। নাৰ্জাৰীৰ উদ্ধাৰ মনোভাৱৰ আশ্বাসেও কামত অহাৰ উমঘাম নাই। এইমাত্ৰ উশাহ বন্ধ হৈ যাব যেন। চিঞৰ সপ্তমত উঠিল।

হঠাৎ দুপদুপাই কিবা এটা আমাৰ ফাললৈকে অহাৰ উমান পালো। চিনেমাত দৈত্যকায় ডাইন'চৰ এটা আহিলে যিটো দুপদুপনি উঠে তেনেকুৱা হিল-দ'ল ভাঙি মহতিয়াই অহাৰ দৰে এটা ভয়ংকৰ আৱাজ। ভালকৈ চোৱাত দেখিলো আমাৰ দুৱাৰডলিত এক নাৰীমূৰ্তি। নাৰীমূৰ্তি বোলাতকৈ কংকালমূৰ্তি বুলিলেহে যথাযথ হ'ব। গাত তেজ মঙহৰ সঁচ নাই। কোনোমতে চোঁচোৱাই লৈ ফুৰিব পৰা এটা দেহ। চকু কোটৰগত। মুখৰ হনুকেইডাল এইমাত্ৰ ওলাই আহিব যেন লাগিল। চকুদুটাত এটা ভয়ংকৰ হিংস্ৰতাই খেলা কৰি থকা যেন লাগিল। এইমাত্ৰ নাৰ্জাৰী আৰু মোক মুচৰি পেলাব যেন লাগিল। প্ৰথম দিনা আহিয়েই মোৰ ল'ৰাৰ ওপৰত হাত দিলি। তইঁতক আজি আজি মই... কেঁচাই কেঁচাই...। চকুদুটাই তেনেকৈ কোৱাটো খাতাংকৈ দেখিলোঁ। এইবাৰ মূৰ্তিটো ফোঁপাবলৈ ধৰিলে। দীঘল দীঘল উশাহ টানি কোনোমতে কংকালটোৱে ভাৰসমতা ৰাখি থিয় দি আছে আমাৰ দুৱাৰডলিত। তেনেই সাধাৰণ এখন মলিয়ন শাৰী। মূৰ্তিটোৰ শৰীৰটোলৈ চাই মোৰ চকু স্থিৰ হৈ গ'ল। মোৰ স্থিৰ চকু দেখি কংকালটোৰ মুখেদি লাজৰ টৌ এটা দৌৰ মৰা যেন লাগিল। মূৰ্তিটো হঠাৎ সঁচকিত হৈ ক্ৰমাৎ স্পষ্ট হৈ আহিব খোজা সত্যটো ঢাকিবৰ কাৰণে মলিয়ন শাৰীখন টানি বৃথা চেষ্টা এটা কৰিলে। নাৰ্জাৰীয়ে মোৰ মুখলৈ চালে। নাৰ্জাৰীৰ চকুলৈ চোৱাৰ সাহস মোৰ নহ'ল।■



# The Silent Change

**Violina Lahon**
B.A. 1st sem

There is no doubt that time changes everything. But then I belive 'Change' should be for something good and productive. 'Change' should take with it learning, wisdom, love and Kindness. 'Change' because life is book and you can't stay on the same page. 'Change' because life is a journey and you can't stop in the middle, 'Change' because life is all about growing up 'within'. But then whatever 'change' is all about, it doesn't counts some traditions of humanity. But then technology took over some purest kind of happiness and traditions that we follow no more.

'Human relationships' and 'Frienship' is the first and foremost thing that technology had changed. But then, it didn't change it for good. It bended on the wrong side. No doubt it shortened time, distances, and it is the fastest means to deliver a message and stay connected over space. But less of us know how to make a purposeful use of it. And it seems that people now-a-days are losing the real purpose of life while running after 'success' and totally after meterialistic desires.

Recently, I was reading a book of one of the finest writers of India – 'Robin Sharma' and the name of the book is 'Who'll cry, when you Die?"

From that book I have noted down some very special and beautiful lines. One of which says that – "We live in an age when we have forgotten what life is all about. we can easily put a person on the Moon, but we have trouble walking across the street to meet a new neighbour. We can fire a missile across the world with pinpoint accuracy, but we have trouble keeping a date with our children to go to the library. We have e-mail, fax machines and digital phones so that we can stay connected and yet we live in a time where human beings have never been less connected. We have lost touch with our humanity. We have lost touch with our purpose."

So this makes you clear, what I'am talking about. Let me share with you some very common, day to day things which are very significant affects of the 'silent change.' There used to be a time when special days were celebrated with cakes, greatings cards, gifts and bands. When celebrations were never posted in social media but were kept as treasured memorics in an album. When we cousins met for fun and play and not to take selfies to show to the world that we were together, no metter if we have shared any love or not. Remember slam books? And Autograph copies? There wasn't COC and Polo, there wasn't virtual ludo games. The world changed, but it shouldn't have changed the human traditions. A greeting card carries more feelings and warmth of love them a virtual wish in my timeline. A belated letter or e-mail was for more worth a wait then all those second by second blindly forwarded dare games in whatapp.

We are getting so deep in the virtual world that now we are losing track of real life's real purpose. The small tit / bit happinesses are missing somewhere. Our circumstances

of living life has so much nerrowed just to the social media – like, comments and share. I feel so bad and I feel shame. We are limited now and we are continuning a cycle of virtuality. We do everything just to show off to the world and it doesn't have a root in the depth of reality.

And 'time'? We are timeless now. we don't have time for little happiness in our lives. We are so damn busy running after nothing but success. But remember success never comes to you untill you value human relationships and know how to because a human. And to become a human you need to follow the human traditions of love and care. And give time and space to the one's who need it the most. Stop falling prey to the 'silent change'. Worship human traditions and then SUCCESS IS ALL YOURS.■





# এক হাঁহিৰ মুহূৰ্ত

প্ৰজ্ঞানজ্যোতি কাত্যায়ণ
স্নাতক ১ম ষান্মাসিক (কলা)

আগষ্ট মাহ!!! প্ৰথম ১৫ দিনটো কামৰ অন্তই নাই যেন কলেজৰ কোনো লোকৰে এষাৰ মাত মাতিবলৈকো সময় নাই। কাৰণ এইকেইদিন কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ কলেজৰ অফিচত ৰিচিপ্ট লোৱা, আইডিণ্টি কাৰ্ড লোৱা, ৰেজিচট্ৰেশ্বন ফৰ্ম চাবমিট কৰা আদি কামৰ বাবে কলেজৰ অফিচ চৌহদ ভিৰ হৈ থাকে। যেন ৰন্ধন গেছৰ চিলিণ্ডাৰ আনিবলৈ যোৱা মানুহৰ চিলিণ্ডাৰক লৈ লাইন পাতি থকাৰ পৰাই চিলিণ্ডাৰ টনা-আজোৰা, এনে এক হুল-হুলীয়া পৰিৱেশৰেই সৃষ্টি হয়।

ইফালে আকৌ লাইব্ৰেৰী। লাইব্ৰেৰী কাৰ্ড ল'বলৈও আকৌ ফৰ্ম ফিলাপ কৰিব লাগে। যদিও লাইব্ৰেৰী বেৰ-খুটা আদি সকলোতে 'কিপ চাইলেন্স' বুলি লিখা আছে, তথাপিও এই কেইটা দিন কমকৈ হ'লেও অলপ হুল-হুল হয়েই।

আমাৰ কলেজৰ লাইব্ৰেৰীটো বৰ ধুনীয়া। সকলো কিতাপ-পত্ৰ বৰ আটক-ধুনীয়াকৈ সজাই-পৰাই ৰাখিছে। কলেজলৈ অহা সকলো লোককে আমাৰ লাইব্ৰেৰীটোৱে মুহিত কৰি পেলায়। তাতে আকৌ লাইব্ৰেৰীৰ লাইব্ৰেৰীয়ান ছাৰ জন, তেওঁ বৰ ৰসাল মনৰ। যদিও তেওঁ বয়সিয়াল তথাপিও তেওঁ কলেজৰ সকলো ছাত্ৰ-ছাত্ৰীক ধেমালি-ধোমোছা কৰে আৰু কৰিও ভাল পায়। লাইব্ৰেৰীয়ান ছাৰে মোক ভালদৰে চিনি পায়। সেয়ে মই যেতিয়াই লাইব্ৰেৰীলৈ যাওঁ, তেওঁ মোক প্ৰায়েই ধেমালিৰ সুৰত কিবা এষাৰ কয়েই।

সেই দিনাখন ১২ আগষ্ট আছিল। মই লাইব্ৰেৰী কাৰ্ডখনৰ পাবৰ বাবে লাসব্ৰেৰী ফৰ্ম খন ফিলাপ কৰিবলৈ গৈছিলো। যেতিয়া ফৰ্মখন ফিলাপ কৰি মই লাইব্ৰেৰীয়ান ছাৰৰ সন্মুখত থিয় দি ফৰ্মখন আগবঢ়াই দিলো, তেতিয়া মোক ছাৰে দেখি ধেমালিৰ সুৰত মোক মোৰ উপাধিতে ধৰি সুধিলে ''বোলো আমুকা, ভালে আছনে?'' ''মই ক'লো, 'ভালে আছোঁ ছাৰ।'' ছাৰে তেতিয়া মোৰ ফৰ্ম খন চাই তেওঁৰ চহীটো মাৰিছে। তেতিয়াই তেওঁক মই মাত লগালো ''ছাৰ লাইব্ৰেৰী কাৰ্ডখন কেতিয়া দিব।'' তেতিয়া ছাৰে মোক ক'লে ''প্ৰথমে দেশক স্বাধীন হ'বলৈ দে, তাৰ পাছতহে তই তোৰ লাইব্ৰেৰী কাৰ্ডখন পাবি।'' প্ৰথমে ছাৰৰ কথাষাৰ মই ধৰিবই পৰা নাছিলো। ওচৰতে থকা সকলোৱে ছাৰৰ কথাষাৰ শুনি হাঁহি দিয়াত মই বুজি উঠিলো, ১৫ আগষ্টৰ পাছতহে মই মোৰ লাইব্ৰেৰী কাৰ্ডখন পাম।■

# দায়িত্ব

দিপিকা ভূঞা
স্নাতক প্ৰথম বৰ্ষ



গাঁৱৰ পৰিৱেশ ৰাতিপুৱা সূৰ্য উদয় হোৱাৰ লগে লগে শোৱাপাটী এৰি শ্যামলিয়ে খৰখেদাকৈ চোতালখন সাৰি হাঁহ-কুকুৰাৰ গড়ালটোৰ দৰ্জাখন খুলি দিছে। দাঁত মুখ ধুই পঢ়িবলৈ বহিল। তেতিয়ালৈকে তাইৰ ঘৰৰ মানুহবোৰ শুই উঠিছেহে মাত্ৰ। নকুল সন্দিকৈ আৰু ৰোহিনী সন্দিকৈ তাইৰ মাক দেউতাক, শান্তা হৈছে তাইৰ একমাত্ৰ বায়েক আৰু চুপু তাইৰ ভায়েক। সেই সময়তে মাকে লৰালৰিকৈ সিহঁতলৈ আৰু দেউতাকলৈ ভাতৰ যোগাৰ কৰিছে। কাৰণ অলপ পাছত সকলোৱে নিজৰ নিজৰ কামত ওলাই যাব। পেচাত সিহঁতৰ দেউতাক এজন হাইস্কুলৰ চকীদাৰ। শান্তা আৰু শ্যামলি তেখেতৰ প্ৰথম পত্নীৰ কন্যা আৰু চুপু হৈছে তেখেতৰ বৰ্তমানৰ পত্নীৰ পুত্ৰ চুপু। মাক-দেউতাকে ছোৱালী দুজনীৰ তুলনাত চুপুক অলপ বেছি গুৰুত্ব দিয়ে কাৰণ চুপুয়েহে তেওঁলোকৰ বংশ অটুট ৰাখিব। সেই ৰাতিপুৱা সময়খিনিতে মাকে চুপুক চিঞৰি কয়—

মাক ঃ ঐ চুপু তই কলেজ যোৱাৰ আগে আগে গেছ এজেঞ্চিত চিলিণ্ডাৰটো দি আহিবিগৈচোন।

চুপু ঃ নাই, মই এইবোৰ কৰি থাকিব নোৱাৰো।

মাক ঃ পাঁচ মিনিটৰ বাটহে কিয় নোৱাৰিবি? দি আহ গৈ যা।

চুপু ঃ নোৱাৰো মই। (অলপ কঠোৰ ভাৱে কয়)

শ্যামলী ঃ (পঢ়াৰ টেবুলৰ পৰাই চিঞৰি কয়) সি নোৱাৰে যদি ময়েই দি আহিমগৈ মা।

মাক ঃ আহ লৈ যাহি তেতিয়াহ'লে।

(তাই খৰখেদাকৈ উঠি যায়, কাৰণ দি আহি আকৌ কলেজ যোৱাৰ কথা। শ্যামলি ডিগ্ৰীৰ ষষ্ঠ বৰ্ষৰ ছাত্ৰী। তাই কামবোৰক সৰু বৰ নাভাৱে। কৰিব পৰা কাম হ'লে হ'লে কৰি যায়। সাহস, ধৈৰ্য্য, একাগ্ৰ, মানসিক শক্তি ইত্যাদি গুণ তাইৰ গাত আছে। সেইবাবেই হয়তো দেউতাকৰ পৰা হৃদয় ভগা গালি শুনিও ধৈৰ্য ধৰি থাকে। দেউতাকে তাইক প্ৰায়েই গালিৰ সুৰত শুনাই থাকে যে— ''জন্ম হৈয়েই মাৰৰ মূৰতো খালি এতিয়া ঘৰৰ মানুহবোৰৰ মূৰটো খাবলৈ জীয়াই আছ কুলক্ষণি।'' তাই কেতিয়াবা এটা সামান্য ভুল কৰিলেও মাক দেউতাকৰ পৰা শাৰিৰীক, মানসিক অত্যাচাৰৰ সন্মুখীন হ'ব লাগে।)

শ্যামলী ঃ (চিলিণ্ডাৰটো দাঙিবলৈ চেষ্টা কৰি) বাইদেউ আহচোন এইটো অলপ ধৰি দিবি।

শান্তা ঃ মাক কচোন মই কিবা এটা কৰি আছো।

শ্যামলীয়ে কাৰোৱে পৰাই সহায় নিবিচাৰি দেউতাকৰ স্কুটাৰত চিলিণ্ডাৰটো উঠালে আৰু ভূ-ভূৱাই স্কুটাৰখন লৈ গুচি গ'ল। অন্য ছোৱালীৰ বাবে স্কুটাৰ চলোৱাটো সংকোচজনক কাম যদিও তাইৰ বাবে এইটো সাধাৰণ কাম।

এদিন কথা পাতি থাকোতে মাকে দেউতাকক কৈছে—

মাক ঃ শান্তাই বাৰু ক'ৰবাত থানঠিত লাগিব। কিন্তু শ্যামলী... আমাৰ বোজা হৈ নপৰেতো?

দেউতাক ঃ তাই মোৰ মূৰতো খাইছে আৰু ক'ৰবাত কনা-কুঁজা এটা পালেও গতাই দিম।

মাক ঃ ওম মইয়ো ভাবিছো।

শ্যামলীয়ে নিজৰ কোঠাটোৰ ভিতৰতে সোমাই এই কথাবোৰ শুনি আছে। কিন্তু কাকো একো ক'ব পৰা নাই। তাই থৰ লাগি নিজৰ সামান্য বেকা হাত দুখনলৈ চাই আছে। তাইৰ যে মাক নাই মাহী মাকহে আছে মাক-দেউতাকৰ এনেবোৰ কথাই সোঁৱৰাই থাকে। আনকি দেউতাকে তাইক দেউতা বুলি মতাৰ অনুমতিও নিদিলে। তাইৰ বুকুত উমি উমিকৈ জ্বলি থকা জুইকুৰাৰ কথা ক'বলৈও কোনো নাই। কোনে বুজিব তাইৰ কথা ভাবি ভাবিও পাৰ নাপালে। সিদিনা তাই নিজকে অকলশৰীয়া অনুভৱ কৰিছে। সকলো নিজক লৈয়ে ব্যস্ত। তাই ডিগ্ৰী পঢ়াটো দেউতাকে একেবাৰে বিচৰা নাছিল। দেউতাকে তেতিয়াই কৈছিল ''শাৰীৰিক অক্ষমতাৰ বাবে একো কামৰেই তই যোগ্য নহয়। পঢ়া-শুনা কৰি মোৰ পইচা কেইটা নষ্ট কৰিব নেলাগে।'' সেই কথামতে দেউতাকে তাইক ডিগ্ৰীৰ নামভৰ্ত্তি কৰিবৰ বাবে পইচাও নিদিলে তথাপি তাই শতাশ ন'হল। ডিগ্ৰী পঢ়াটো তাইৰ সৰুৰ পৰাই আশা আছিল। কিন্তু নামভৰ্ত্তি কৰিবৰ বাবে তাইৰ হাতত পইচা নাছিল। তাইৰ ভাগ্য ভাল আছিল যে তাই এগৰাকী শিপীনিও। পঢ়াৰ মাজতে আজৰি সময় পালে তাই বোৱা কটাও কৰে। এনেদৰে বৈ থোৱা অলপ কাপোৰ আছিল। সেইখিনিকে বিক্ৰী কৰি তাই উপাৰ্জন কৰা পইচাৰে ডিগ্ৰীৰ নামভৰ্ত্তি কৰিলে।

দেউতাক ঃ আমাৰ চুপো উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰাৰ পাছত বাহিৰলৈ পঠিয়াই দিম। তাক বাহিৰত পঢ়াই ইঞ্জিনীয়াৰ কৰাৰহে মোৰ ইচ্ছা।

মাক ঃ সি বা কি ভাবি থৈছে।

সেইসময়তে চুপুৰে ক'ৰ'বাৰ পৰা আহি ঘৰ সোমায়। সোমায়েই বায়েকক গালি পাৰিছে। সি কৈছে ''য'ত থৈছিলো তাতেই থাকিব লাগিব। নহ'লে এইবোৰ চব ভাঙি দিম।'' চুপু ল'ৰাটো খঙাল কাৰো কথা নুশুনে সকলোবোৰ নিজৰ ইচ্ছামতেই কৰে। ভুলেই হওক বা শুদ্ধই হওক। কিন্তু মাক দেউতাকে তাৰ ওপৰতেই আশা কৰি থাকে।

দিন বাগৰি গ'ল এদিন হঠাৎ সিহঁতৰ ঘৰৰ ডাঙৰ ছোৱালী শান্তা ঘৰৰ পৰা নোহোৱা হ'ল। পাছত গম পোৱা গ'ল যে তাই মাৰাঠী ল'ৰা এজনৰ লগত বিয়া হৈ গ'ল। ইয়াৰ পিছত আৰু তাইৰ কোনো সন্মান নোলালে। তাই ঘৰৰ ডাঙৰ ছোৱালী যদিও দায়িত্ব নামৰ বস্তুটো আয়ত্ব কৰিব নোৱাৰিলে। ঠিক কেইমাহমানৰ পিছতে চুপুৰে অনিচ্ছা স্বত্বেও দেউতাকৰ কথাত ইঞ্জিনীয়াৰিং পঢ়িবলৈ বাহিৰলৈ গ'ল। এতিয়া ঘৰত কেৱল মাক দেউতাক আৰু শ্যামলী।

শ্যামলী এটা কথাই সদায় বিৰক্ত তোলে। তাই জন্ম হোৱাৰ পিছৰ দিনাই মাক ঢুকায়। এইটো কথাত তাইতো দায়ী নহয়। এই কথাটোকে দেউতাকে নুবুজে। ইয়াৰ বাবে তাইকে দুখ দিব খুজে দেউতাকে। সিহঁতৰ দেউতাক জন আকোঁৰগোজ স্বভাৱৰ, অন্ধবিশ্বাসত সহজে পতিয়ন যায়। এই কথা তাই ভালদৰে বুজে। সিদিনা তাইৰ দেউতাকে কাম কৰা স্কুলখনলৈ অহা এজন ব্যক্তিৰ লগত চিনাকি হওঁতে ঘৰৰ কথা কওঁতে দেউতাকে তেওঁৰ পৰিবাৰ অৰ্থাৎ ৰোহিনী সন্দিকৈ আৰু চুপুৰ কথাহে কয়। এনেধৰণৰ কথাই শ্যামলীক কেইবাদিন বৰ আমনি দি আছে। তথাপি তাই ঘৰৰ সকলোকে ভাল পায়। কাকো অন্তৰৰ পৰা বেয়া নেপায়। চুপুক বেছি গুৰুত্ব দিয়া কথাটো ঘৰৰ সৰু বাবে তাক বেছি মৰম কৰে বুলি ধৰি লয়। ভায়েকে তাইক যিমান গালি পাৰিলেও বেয়া নাপায়। এইবোৰ সি নজনাকৈ কৈছে, বুজিব পৰা হ'লে এইবোৰ নকয় বুলি ভাবি লয়। কিন্তু বৰ্তমান সমাজত সন্তানে মাক-দেউতাকক বৃদ্ধ বয়সত কৰিবলগীয়া লালন-পালনৰ অভাৱ দেখিবলৈ পোৱা যায়। এই কথাত তাইৰ ভায়েকৰ ওপৰতো বিশ্বাস নহয়। সেয়েহে তাই মাক-দেউতাকক এৰি আন এখন ঘৰলৈ যাবলৈ ইচ্ছা নকৰে।

সময়ৰ লগে লগে তাইৰ আইন পঢ়াও শেষ হ'ল আৰু এসময়ত চৰকাৰী অধিবক্তা হিচাপে কামত নিয়োজিত হয়। ঠিক সময়তে মাক মাৰাত্মক ৰোগত আক্ৰান্ত হয়। ডাক্তৰে জানিবলৈ দিয়ে যে মাক আৰু তিনিমাহ এই পৃথিৱীত থাকিব। মাকে চুপুক চাবলৈ খুব ইচ্ছা কৰাত এই সম্বন্ধে শ্যামলীয়ে চুপুক কৈ তাক ঘৰলৈও মাতে। কিয়নো সেই সময়ত সি বাহিৰতেই আছিল। মাকৰ এই অৱস্থাৰ কথা জানিও সি ঘৰলৈ আহিবলৈ ইচ্ছা কৰা নাছিল। ইটো সিটোকৈ বিভিন্ন আজুহাত দেখুৱাই ঘৰলৈ নাহিল আৰু তিনিমাহ পাৰ হোৱাৰ পিছত মাকৰ মৃত্যু হ'ল। পিছত ছমাহৰ ভিতৰত সি ঘৰলৈ আহোতে এগৰাকী ছোৱালী লগত লৈ আহে আৰু সিয়েই জানিবলৈ দিয়ে যে যোৱা ১১ মাহৰ আগতে তাইৰ লগত বিয়া পাতিছে। ঘৰৰ একমাত্ৰ ছোৱালী হোৱাৰ বাবে দুয়োকে তাতে থকাৰ বাবে ব্যৱস্থা কৰি দিছে।

চুপুৰে ইঞ্জিনীয়াৰিং পঢ়িবলৈ বাহিৰলৈ যাবলৈ প্ৰথমতে অলপো মন কৰা নাছিল। কিন্তু দেউতাকৰ কথাত পৰি যাবলগীয়া হৈছিল। সেইসময়ত তাৰ মাক দেউতাকৰ লগত এই সম্বন্ধে মতবিৰোধ হৈছিল আৰু সি কয় যে ''মোৰ অমতত কাম কৰিলে যিকোনো কাম কৰি দিন।'' তথাপি সি যাবলৈ মাক-দেউতাকে বাধ্য কৰাইছিল। তাৰেই ফলাফলস্বৰূপে দেউতাকে দেখিবলৈ পালে এনেধৰণৰ ঘটনা। যিটো সি পঢ়িবলৈ গৈ তাতেই এজনী ছোৱালীৰ লগত বিবাহ পাশত আৱদ্ধ হয়। তিনদিন থকাৰ পিছত সি পুনৰ যাবলৈ ওলালে। যোৱাৰ আগতে দেউতাকৰ বিছনাত টকা অলপ থৈ যায়, এই ঘটনাটো শ্যামলীয়ে চকুৰ আগতে দেখা পালে। দেউতাকৰ প্ৰতি থকা দায়িত্ব চুপুৰে কেনেধৰণে পালন কৰিলে তাক ভালকৈ বুজি উঠিলে শ্যামলীয়ে।

ঠিক এমাহৰ পিছতে তাইক বিয়া কৰিবলৈ এজন পুলিচ বিষয়া সিহঁতৰ ঘৰলৈ আহে আৰু এই সম্বন্ধে দেউতাকৰ লগতো কথা পাতে। কিন্তু এই কথাটোত দেউতাকে গা-এৰা দিলে। এই বিষয়ে তাই নিজে সিদ্ধান্ত ল'ব বুলিহে কৈ পঠিয়ালে। কিন্তু তাই মনে মনে আগতেই সিদ্ধান্ত লৈছিল যে মাক-দেউতাকৰ যত্ন লৈ এইখন ঘৰতে থাকিব। তেনে এটা সময়ত ষাঠি বছৰীয়া বৃদ্ধ দেউতাকে এৰি যাবলৈ অলপো ইচ্ছা নকৰিলে। কিন্তু দেউতাকে তাইক তেতিয়াও বুজি নেপালে। তাই দেউতাকক স্বৰ্শ কৰিও পোৱা নাই আৰু দেউতা বুলি মতাৰ অধিকাৰ তেতিয়ালৈকে নিদিলে। তথাপি তাই নিজৰ স্বাৰ্থ ত্যাগ কৰি আজীৱন দেউতাকৰ লগত থাকি দায়িত্ব পালন কৰাৰ ওপৰত গুৰুত্ব দিলে। ইয়াৰ পিছতো তাইক দেউতাকে গালি পাৰি থাকে সম্পত্তিৰ লোভত বিয়াত বহিবলৈ নকৰ বুলি।

যি কি নহওক তাই নিজক লৈ গৌৰৱ অনুভৱ কৰে। মোৰ দৰে কিমান সন্তানে নিজৰ স্বাৰ্থ ত্যাগ কৰি মাক-দেউতাকৰ যত্ন ল'ব পাৰিছে। দেউতাকৰ বিভিন্ন ধৰণৰ গালি শুনিও এইবোৰ দেউতাই দিয়া আৰ্শীবাদ হিচাপে লৈ নিজৰ পথত আগবাঢ়ি গৈছে। ইয়াৰ লগে লগে তাই সমাজৰ, গাঁৱৰ জনসাধাৰণৰ উন্নয়নৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আহিছে।■





# জীৱন বাটত এখোজ

কুখেশ্বৰ গোহাঁই
স্নাতক ষষ্ঠ ষান্মাসিক (কলা)

ফাগুণ মাহৰ এটি কোমল পুৱা। আকাশ বৰুৱাই বিছনাৰ পৰা উঠি বাৰান্দাত বহিছে। পুৱাতে বলা পচোৱাজাকত যেন আকাশৰ দেহ–মন জুৰ পৰি গৈছে। আকাশে চাহৰ কাপটো হাতত লৈ বাতৰি কাকতখন পঢ়িবলৈ আৰম্ভ কৰিছে। পুৱাৰ ৰদৰ তাপত চৰাইবোৰে চিঞৰিবলৈ আৰম্ভ কৰিছে। কপৌজনীয়ে ওচৰৰ গছজোপাৰ ডালত পৰি কুৰুলীয়াবলৈ আৰম্ভ কৰিছে। আকাশে কাকতখন মেলিয়েই দেখিছে আগৰ দৰে একেই পথ দুৰ্ঘটনা, বিস্ফোৰণ ইত্যাদি খবৰবোৰ। কিন্তু বাতৰিখনত পোৱা এটা খবৰে আকাশক চমকিত কৰি তুলিছে, খবৰটো শুনিয়েই তাৰ মনত যেন অতীতৰ স্মৃতিবোৰ ভাঁহি আহিবলৈ ধৰিলে। জীৱনত যে এনে কিছুমান ঘটনা ঘটিব পাৰে আকাশে কোনো দিনেই ভাবিবই পৰা নাছিল। কিন্তু আকাশে এটা কথা উপলব্ধি কৰিব পাৰিছিল যে জীৱনটো কিছুমান পোৱা নোপোৱাৰ এক সৰল অংক। য'ত সুখবোৰ যোগ হয়, দুখবোৰ বিয়োগ হয়, আনন্দবোৰ পূৰণ হয়, বেদনাবোৰ হৰণ হয় আৰু বাকী থাকে আশা যি কেতিয়াও শেষ নহয়।

সময় সদায় গতিশীল। ইয়াক কোনেও ধৰি ৰাখিব নোৱাৰে। আকাশে গমেই পোৱা নাছিল যে সময়বোৰ ইমান সোনকালে অতিবাহিত হ'ব। সিদিনা আছিল বুধবাৰ, সেইদিনাই দিছিল মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট। আকাশ আৰু তাৰ দুজনী বায়েক একেলগে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। আকাশে ভাবিছিল যে যদি তিনিওটা ৰিজাল্ট বেয়া হয় তেতিয়া কি হ'ব। তেওঁলোকে সমাজৰ আগত কিদৰে মুখ উলিয়াব। কিন্তু আকাশে ৰিজাল্ট পালে তিনিওজনৰেই ৰিজাল্ট ভাল। আকাশ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে আৰু বয়েক দুগৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'ল। আকাশৰ দেউতাক আদিত্য বৰুৱাই সেইদিনা বহুত ফুৰ্টী কৰিছিল আৰু ৰাতিলৈ পাৰ্টিৰ আয়োজন কৰিছিল।

আকাশৰ দেউতাক আছিল এজন সাধাৰণ খেতিয়ক। তেওঁলোকৰ ঘৰৰ আৰ্থিক অৱস্থা আছিল একেবাৰে বেয়া। সেইবাবে আকাশ আৰু তেওঁৰ দুগৰাকী বায়েকে একেলগে ওচৰৰ এখন জুনিয়ৰ কলেজত নামভৰ্তি কৰিলে। কলেজলৈ যোৱাৰ দিন ধৰি আকাশে মনত বহুত আনন্দ উপভোগ কৰিছিল। কলেজৰ অধ্যক্ষ আৰু শিক্ষকসকলৰ সৈতে আকাশৰ এক সু–সম্পৰ্ক গঢ়ি উঠিছিল। কলেজৰ অধ্যক্ষ গৰাকী আকাশৰ ঘৰৰ ওচৰৰে আছিল সেয়েহে তেওঁ আকাশৰ ঘৰৰ কথা ভালদৰে গম পাইছিল। আকাশে একাদশ শ্ৰেণীৰ ৰিজাল্টৰ পিছত দ্বাদশ শ্ৰেণীত নামভৰ্তি কৰিছিল। কিছুদিনৰ পিছতে নতুন একাদশ শ্ৰেণীৰ নামভৰ্তি আৰম্ভ হ'ল।

কলেজত ক্লাচ আৰম্ভ হৈ গ'ল। কেইদিনমানৰ পিছতে কলেজলৈ নতুনকৈ অহা ছাত্ৰ–ছাত্ৰীৰ নবাগত আদৰণি সভা আয়োজন কৰিবলৈ সাধাৰণ সম্পাদক মনোজৰ সৈতে আকাশে অধ্যক্ষৰ সৈতে আলোচনা কৰিলে। সিদিনা কলেজত আদৰণি সভা অনুষ্ঠিত হৈ গ'ল। কিন্তু আকাশৰ মনত যেন এক খোকোজা ৰৈ গ'ল। আকাশে গমেই পোৱা নাছিল যে তাইৰ সেইদিনা এনে অৱস্থা হ'ব। আকাশে সেইদিনা সভাৰ কামৰ মাজত ব্যস্ত থাকোতেই হঠাৎ ৰৈ গ'ল। আকশে দেখিলে তাৰ কাষত এগৰাকী সুন্দৰ পৰী। নতুনকৈ নামভৰ্তি কৰা ছোৱালীজনী দীঘল চুলিটাৰী, সুন্দৰ চকুজুৰী, মেখেলা চাদৰৰ সৈতে যেন একেবাৰে সৰগৰ পৰী যেন লাগিছিল। হঠাৎ মনোজে মাত দিয়াত আকাশ উচপ খাই পুনৰ কামত ব্যস্ত হ'ল। আকাশে মনে মনে ভাবিছিল যে তাইৰ সৈতে চিনাকী হ'ব। ক'ৰ হয় তাই। কিন্তু আকাশে চিনাকী হ'বলৈ সাহস গোটাব নোৱাৰিলে। শেষত সভাৰ চিনাকী পৰ্বত আকাশে গম পালে ছোৱালীজনীৰ নাম জয়শ্ৰী, আকাশহঁতৰ ওচৰৰ এখন গাঁৱৰে। কেইদিনমানৰ পিছত সুবিধা বিচাৰি অকাশে ছোৱালী জনীৰ সৈতে চিনাকী হ'ল। আকাশে তাইৰ লগৰ কেইজনীৰ আগত তাইক ভালপোৱাৰ কথা প্ৰকাশ কৰি

ক'বলৈ কলে। প্ৰথমে তেওঁ একো কোৱা নাছিল যদিও পিছলৈ মান্তি হয়। আকাশে তেওঁৰ জীৱনৰ প্ৰথম প্ৰেমিকা হিচাবে জয়শ্ৰীক ক'ব নোৱাৰাকৈ ভাল পাই পেলাইছিল। এদিন তাই লগৰ সৈতে আকাশহঁতৰ গাঁৱলৈ ফুৰিবলৈ আহিছিল। সেইদিনা আছিল আকাশৰ বৰদেউতাকৰ ঘৰত ন-খোৱা। আকাশৰ বৰদেউতাকৰ ছোৱালী মাইনা তাইৰ লগতে পঢ়িছিল সেয়েহে তাই সিহঁতৰ ঘৰলৈ আহিছিল। সিদিনাই আকাশৰ মাক, বায়েক, ভনী সকলোৰে সৈতে তাই চিনাকী হৈছিল আৰু তেওঁলোকে আকাশ আৰু জয়শ্ৰীৰ সম্বন্ধৰ কথা ভালদৰে গম পাইছিল। কেইদিনমানৰ পিছত আকাশৰ দ্বাদশ শ্ৰেণীৰ ফাইনেল পৰীক্ষা আৰম্ভ হ'ল। পৰীক্ষা শেষ হোৱাৰ পিছত আকাশে জয়শ্ৰীহঁতৰ ঘৰলৈ গৈছিল। ফাইনেল পৰীক্ষাৰ ৰিজাল্টৰ পাছত আকাশ আৰু তেওঁৰ বায়েকে একেখন কলেজত নামভৰ্তি কৰিলে আৰু সৰু বায়েকে পঢ়া সামৰণি মাৰিলে। আকাশে তাৰ নিজৰ ঘৰৰ আৰ্থিক অৱস্থা বুজি সেইবছৰে নিজে খেতি কৰি উপাৰ্জন কৰা টকাৰে কলেজত নামভৰ্তি কৰিছিল, আকাশে নতুন কলেজত নতুন লগৰবোৰৰ সৈতে ভাল সমন্ধ গঢ়ি তুলিছিল, কিন্তু সি জয়শ্ৰীকেই অন্তৰ খুলি ভাল পাইছিল। কিছুদিনৰ পাছতেই জয়শ্ৰীৰ ফাইনেল পৰীক্ষা আৰম্ভ হ'ল। প্ৰথম পৰীক্ষাৰ দিনা আকাশে তাইক লগ ধৰি ভালদৰে পৰীক্ষা দিবলৈ কৈছিল। ৰিজাল্টৰ পাছত তাই অন্য এখন কলেজত নামভৰ্তী কৰিলে। ক্লাছ আৰম্ভ হোৱা কিছুদিনৰ পাছতেই আকাশে তাৰ লগৰ অমলৰ সৈতে লগ কৰিবলৈ গৈছিল, সেই একেদিনাই আকাশৰ তৃতীয় ষাণ্মাসিকৰ ৰিজাল্ট দিছিল। আকাশ আছিল ৰাজনীতি বিজ্ঞান বিভাগৰ। সি মেজৰত ৭০ শতাংশ পাইছিল যদিও কমিওনিকেশ্যন স্কিলত বেক পাইছিল। আকাশৰ মন সেমেকি গ'ল। কি কৰিম নকৰিম ভাবি আতঁ নোপোৱা হ'ল। আকাশে প্ৰথম কলেজত খোজ দিয়া দিনাই ভাৱিছিল ডিগ্ৰীটো ভালদৰে পাছ কৰিব পাৰিলেই হ'ব, সেয়েহে সি অশেষ কষ্ট কৰিছিল। কিন্তু জীৱনৰ বাটত বাধা ...

বিচ্ছেদ কিমান বিষাদময় হ'ব পাৰে। পাৰেনে মৃত্যুতকৈও? আকাশে তাৰ ৰিজাল্টৰ সমস্যাত ভুগি থকা অৱস্থাতেই সেইদিনা তেওঁৰ প্ৰেমিকা জয়শ্ৰীয়ে ফোন কৰি কৈছিল পাৰা যদি তুমি মোক পাহৰি যোৱা। মই তোমাৰ হ'ব নোৱাৰো। যিজনী প্ৰেমিকাই সিদিনা নৈৰ পাৰত দুচকুত চকু থৈ কৈছিল মই তোমাক এৰি থাকিব নোৱাৰো। সেইদিনা তাই আকাশৰ দুবাহুত সাবতি ধৰিছিল। কিন্তু আজি হঠাৎ এনে এটা কথা শুনি আকাশ থমকি ৰ'ল। আকাশে তাইক বুজাবলৈ চেষ্টা কৰিছিল যদিও তাইক বুজাব নোৱাৰিলে। তাই যেন একেবাৰে আকাশৰ কথা শুনিবলৈ নুখোজে। শেষত আকাশে তেওঁৰ প্ৰেমিকাক এৰিব লগা হ'ল। এফালে পৰীক্ষাৰ ৰিজাল্ট আৰু আনফালে প্ৰেমিকাৰ বিশ্বাসঘাটকতাত আকাশ একেবাৰে আবেগিক হৈ পৰিল। আকাশৰ পেটলৈ ভাত পানী নোসোমোৱা হ'ল। কেৱল মন মাৰি বিছনাত পৰি থাকে। লগৰবোৰে তাক বুজাবলৈ চেষ্টা কৰিছিল যদিও আকাশে নিজৰ মনটোক একেবাৰে বুজাব পৰা নাছিল।

কেইদিনমানৰ পিছতেই আকাশ বেমাৰত ভুগিল। ডাক্তৰে চাই কলে এপেণ্ডিক্স হৈছে, সোনকালে অপাৰেশ্যন কৰিব লাগিব। নহ'লে বিপদ হ'ব পাৰে। আকাশে ভাবি ভাবি একো আঁত নোপোৱা হ'ল। তাতে চতুৰ্থ ষাণ্মাসিক পৰীক্ষালৈ মাজত মাত্ৰ এটা মাহ বাকী। আকাশে অপৰেশ্যন পিছত কৰিম বুলি ভাবিছিল যদিও বিষ সহ্য কৰিব নোৱাৰি ঘৰলৈ ফোন কৰি টকা যোগাৰ কৰিবলৈ কলে। আকাশৰ দেউতাকে তেওঁৰ কেইটিমান সাঁচতীয়া টকা আৰু ওচৰৰ এঘৰ পৰা কিছু টকা ধাৰ লৈ ডাক্তৰক লগ ধৰিলে। ডাক্তৰে আকাশক কেইটামান তেজৰ পৰীক্ষা কৰিবলৈ কৰি অপাৰেশ্যনৰ দিন ঠিক কৰিলে।

আকাশৰ অপাৰেশ্যন হৈ গ'ল। তেওঁৰ লগৰ সকলোৱে খবৰ ললে, কিন্তু তাৰ প্ৰেমিকা, যাক সি নিজতকৈ বেছি ভাল পাইছিল তাই খবৰ পায়ো আকাশৰ কোনো খবৰ নললে। আকাশে সেইদিনা কান্দিছিল। সেই সময়ছোৱাত আকাশে অনুভৱ কৰিছিল যে তাই সেই সময়ত যদি ফোন কৰি এটা খবৰ লোৱা হ'লে বহুত সাহস পালোহেঁতেন। পিছদিনা তেওঁৰ লগৰ মানৰে জয়শ্ৰীলৈ ফোন কৰিছিল। কিন্তু তাই যেন আকাশৰ কথা একোকে শুনিব নোখোজে। আকাশে ফোন কাটি দিবলৈ কলে। হাস্পিটেলৰ পৰা ছুটী হোৱা কেইদিনমানৰ পিছতেই আকাশ চতুৰ্থ ষাণ্মাসিকৰ পৰীক্ষাত বহিল, কিন্তু আকাশৰ এটা ডাঙৰ চিন্তা হ'ল যে তাৰ তৃতীয় ষাণ্মাসিকৰ কমিউনিকেশ্যন স্কিলৰ পৰীক্ষা। সি পঞ্চম ষাণ্মাসিকত কমিউকেশ্যন স্কিলৰ পৰীক্ষা দিছিল যদিও ৰিজাল্ট ভাল নহল। আকাশৰ মন একেবাৰে ভাগি পৰিল। তাৰ পঢ়াত একেবাৰে মন নবহা হ'ল। সি ভাবিছিল যে কলেজলৈ প্ৰথম অহাৰ দিনা লোৱা সিদ্ধান্ত তাৰ যেন পূৰ্ণ নহ'ল।

এবছৰ হ'ল আকাশে জয়শ্ৰীৰ খবৰ নোপোৱা। আকাশে ফেচবুকত চাইছিল তাই ডলি নামেৰে ফেচবুক খুলিছে। কেতিয়াবা আকাশে ফেচবুকত তাইৰ ফটোখন চাই নিজকে সন্তনা দিব খোজে। আকাশে এবছৰ পিছত সিদিনা তাইলৈ ফোন কৰিছিল। আকাশে তাইৰ খবৰ সুধি, তেওঁলোকৰ আগৰ কথাবিলাক সুধিছিল। তাই কৈছিল মই তোমাৰ জীৱনলৈ আৰু ঘূৰি যাব নোৱাৰোঁ। তুমি ইমান ভাগি পৰিলে নহ'ব। অলপ নিজক বুজাবলৈ চেষ্টা কৰা। আকাশে কৈছিল তুমি মোৰ নোহোৱা নালাগে, কিন্তু মই মাথো তুমি সুখী হোৱাতো বিচাৰো। তুমি সুখী হলেই হ'ব আৰু মোক একো নালাগে। কিন্তু এটা কথা

তোমাৰ অবিহনে মোৰ জীয়াই থাকিবলৈ বৰ কষ্ট হৈছে অ'। এই এবছৰ দিন মই বহু কষ্টৰে পাৰ কৰিলো। আকাশে সেইদিনা কান্দিছিল। সেইদিনা আকাশৰ মাজনিশালৈ টোপনি নাহিল। কিছুসময়ৰ পিছত আকাশে চিলমিল টোপনিতে সপোন দেখিছিল যে জয়শ্ৰীয়ে লগৰ এগৰাকীক কৈছে। আকাশৰ ঘৰত নো কি আছে তিনিটা কাঠৰ বাটাম মৰা সৰু–সৰু কোঠা আৰু এটা বাঁহৰ পাকঘৰ, য'ত বাৰিষাৰ বৰষুণত মজিয়াত পানী পৰে। তেনে এজন ঘৰলৈ মই বিয়া সোমাই কিদৰে সুখী হ'ম। আকাশ হঠাৎ টোপনিৰ পৰা সাৰ পালে, আকাশে ভাবিছিল তাই সঁচা কথাই কৈছিল। মোৰনো কি আছে। মই যে একেবাৰেই ভবাই নাছিলোঁ যে আজিৰ দিনত কাৰোবাক ভাল পাবলৈ টকাৰ প্ৰয়োজন। আকাশৰ দুচকু উপচি পৰিল, পিছদিনা আকাশ কলেজলৈ বুলি ওলাল। তেওঁ ৰাষ্টাৰ কাষেদি গৈ থাকোতে যেন তাৰ আগৰ স্মৃতিবোৰ বুকুত খুন্দা মাৰিছে। কথাবোৰ ভাবি গৈ থাকোতে আকাশে চিঞৰি উঠিল মা ...। আকাশৰ পিছফালৰ পৰা অহা এখন তীব্ৰবেগী গাড়ীয়ে আকাশক খুন্দা মাৰিলে। আকাশ মাটিত বাগৰি পৰিল। ওচৰৰ দোকান কেইখনত থকা মানুহ কেইজনমান কাষ চাপি আহিল। ক'ৰ ল'ৰা ক'ৰ হয়। অলপ পিছত গম পালে লৰাটো ঘৰ পেঙেৰীত। আকাশ সেই সময়ত অচেতন হৈ পৰি আছিল। অকাশক হস্পিটেললৈ লৈ গ'ল। কিছু সময়ৰ পিছত আকাশৰ চেতনা পুনৰ ঘুৰি আহিল। ভাগ্যক্ৰমে আকাশৰ জীৱন ৰক্ষা পৰিল। হঠাৎ আকাশৰ ভণীয়েক ৰশ্মিয়ে মাতাত আকাশ উচপ খাই উঠিল। ইমান পৰে তেওঁ বাতৰিখন চাই মনলৈ কি ধাৰণা আহিছিল নিজেই গ'ম পোৱা নাছিল। ভনীয়েকে কলে দাদা মায়ে ভাত দিছে খাই লোৱাগৈ বলা। আকাশ লাহেকৈ বহাৰ পৰা উঠি পাকঘৰলৈ বুলি খোজ ল'লে। হঠাৎ এটা শব্দ হোৱাত গছৰ ডালত পৰি কুৰুলিয়াই থকা কপৌ জনী উৰা মাৰিলে। গছৰ ডালটো বহুপৰলৈকে লৰি থাকিল। ◘



*Failure comes only when we forget our ideals and objectives and principles.*

*- Jawaharlal Nehru*



# শেষ হাঁহি

চুমী চাউৰক
স্নাতক প্ৰথম ষান্মাসিক (কলা)

দূৱৰি বনবোৰ নিয়ৰৰ টোপালত শীতল হৈ পৰিছে। এজাৰ ফুলৰ গছজোপাৰ পাতবোৰো নিস্তব্ধ হৈ লৰি আছে। প্ৰকৃতিৰ চাৰিওদিশ মৃদু বতাহজাকত প্ৰাণ পাই উঠিছে। কৌশিকৰ টোপনি এতিয়াও শেষ হোৱা নাই। পুৱাৰ কাঁচিয়লি ৰ'দজাক খিৰিকীৰ ফাঁকেৰে সোমাই কৌশিকৰ দুচকুত পৰিছেহি। তেওঁৰ পত্নী লিপিকা ৰন্ধা বঢ়া কৰাত ব্যস্ত। পাপৰিয়েও গা-পা ধুই গোসাঁই ঘৰত চাকি এগছি দিবলৈ গৈছে। কৌশিক আৰু লিপিকাৰ একমাত্ৰ সন্তান পাপৰি। তাইৰ আজি কলেজত ফাংচন আছে। লিপিকাই জলপানৰ বাটিটো হাতত লৈ ডাইনিং টেবুলৰ এচুকত থয়।

ঃ মাইনা, অ' মাইনা, জলপান খাই লোৱাহি।

ঃ অ' মা ৰ'বা গৈ আছো।

পাপৰিয়ে গোঁসাই ঘৰৰ পৰা আহি জলপানৰ বাটিতো হাতত লৈ ডাইনিং টেবুলৰ চকীখন টানি আনি বহে।

ঃ মা, পাপা শুই উঠাই নাই নেকি?

ঃ নাই উঠা মাইনা।

লিপিকাই অলপপৰ পাপৰিৰ ফাললৈ থৰ হৈ চায় ৰয়। পাপৰি সিহঁতৰ একমাত্ৰ সন্তান হ'লেও কৌশিকে যে ছোৱালী ভাল নাপায়, সেই কথা পাপৰিয়ে জানে। তথাপিও দেউতাকৰ খবৰ লোৱা দেখি লিপিকাৰ মনটো অলপ ভাল লাগে।

ঃ মা, মই যাওঁ। বাই।

ঃ যোৱা সোনকালে আহিবা।

পাপৰিয়ে জলপান খাই কেতিয়া শেষ কৰিলে, লিপিকাই গমেই নাপালে। লিপিকাই আগফালৰ দুৱাৰখন বন্ধ কৰি কৌশিকৰ ৰুমৰ ফালে আগুৱাই যায়। কৌশিক এতিয়াও বিছনাত। আজি অফিচ বন্ধ হোৱাৰ বাবে অলপ দেৰিলৈকে শুই আছে। লিপিকাই অলপ সময় কৌশিকৰ ফাললৈ চাই ৰয়। তাৰ চকুৰ পতাযুৰি লাহে লাহে মেল খাইছে।

ঃ কি হ'ল ? দহ বাজিলে কৌশিক। তোমাৰ উঠিবৰ হোৱাই নাই নেকি?

লিপিকাই কথাষাৰ কৈ ৰুমৰ পৰা ওলাই আহে। কৌশিকো বিছনাৰ চাদৰখন অলপ ঠিক কৰি বাথৰুমৰ ফালে আগুৱাই যায়। হাতত গামোচাখন লৈ ডাইনিং টেবুলৰ চকীখন টানি আনি বহে। লিপিকায়ো চাহৰ কাপটো আনি কৌশিকৰ হাতত তুলি দিয়ে। ক্ষন্তেক সময়ৰ পিছত কৌশিকৰ চেল ফোনটো ৰাজি উঠিল।

ঃ হেল্ল'

ঃ হেল্ল মিঃ বৰুৱা

ঃ হয়। আপুনি কোন?

ঃ মি ঃ বৰুৱা, আপুনি এতিয়াই চিটি হাস্পতাললৈ আহক। আপোনাৰ ছোৱালী পাপৰি চিৰিয়াছ।

ঃ হেল্ল, হেল্ল।

কৌশিকে কিবা ক'বলৈ লওঁতেই ফোনটো কাট খাই যায়। অলপ সময়ৰ পিছতেই দুয়ো গৈ হস্পিটেলত উপস্থিত হয়।

পাপৰিৰ এক্সিডেণ্টৰ খবৰ শুনি কৌশিকৰ মনটো বেজাৰেৰে ভৰি গ'ল। লিপিকাইও তাক দেখি আচৰিত হৈ উঠে।

ঃ মি ঃ বৰুৱা। পাপৰিয়ে আপোনাক এবাৰ লগ কৰিব বিচাৰিছে।

ডাঃ পাঠকৰ পিছে পিছে দুয়ো পাপৰিৰ ওচৰলৈ আগবাঢ়ে কৌশিকক দেখি পাপৰিৰ মুখত শেষৰবাৰলৈ এটা হাঁহি বিৰিঙি উঠে। লাহেকৈ মুৰটো ঘূৰাই কৌশিক আৰু লিপিকাৰ ফালৈলে পাপৰিয়ে চাই ৰ'ল।

ঃ পাপা ...

কৌশিকে হঠাৎ তাইৰ হাতত ধৰি উচুপিবলৈ ধৰে।

ঃ আই এম চৰি পাপৰি। লভ ইউ

ঃ লভ ইউ পাপা এণ্ড মা।

লিপিকাই শেষবাৰলৈ এটা হাঁহি মাৰি নিথৰ হয়।

ঃ পাপৰি, পাপৰি।

কৌশিকে কেইবাবাৰো পাপৰিক চিঞৰিল যদিও তাই আৰু একো নামাতিলে।

ঃ মিঃ বৰুৱা, চি ইজ ন' ম'ৰ।

কথাষাৰ কৈ ড০ পাঠক ৰুমৰ পৰা ওলাই গ'ল।■



# শিক্ষা

লুনা মেছ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

অনিল আৰু মলিন দুয়ো ভাল বন্ধু, সিহঁতে প্ৰথম শ্ৰেণীৰ পৰা একেলগে পঢ়ি আহিছে। সিহঁতৰ ঘৰ একেখন গাঁৱতে। সদায় সিহঁতে মিলিজুলি থাকে।

অনিলৰ দৰে মলিন পঢ়াত ভাল নাছিল। অনিলে তাক সদায় পঢ়িবলৈ কৈছিল আৰু পঢ়াৰ ক্ষেত্ৰত তাক সদায় সহায় কৰিছিল। স্কুললৈ গৈ অনিল আৰু মলিন সদায় একেলগে বহে আৰু শিক্ষকে যেতিয়া শ্ৰেণীকোঠাত পঢ়াই তেতিয়া অনিলে শিক্ষকৰ কথা মনোযোগ দি শুনে, কিন্তু মলিনে শিক্ষকে পঢ়াই থাকিলে সি বহীত কিবা-কিবি আঁকি থাকে নাইবা আন ল'ৰাৰ লগত কথা পাতি থাকে নাইবা বাহিৰলৈ চাই থাকে।

এদিন মলিনে শিক্ষকে পঢ়াই থকাৰ সময়ত বাহিৰলৈ চাই আছিল। এনেতে শিক্ষকে তাক দেখা পাই শ্ৰেণী কোঠাত তাক সকলোৰে আগত কাণত ধৰাই থৈ দিলে। আৰু তাক সকলোৰে আগত এচাৰিৰে কোবালে।

এই কথাৰ বাবে লাজ পাই সি পিছদিনাৰ পৰা স্কুল যাবলৈ এৰিলে। কিন্তু তাক অনিলে বহুত বুজাই স্কুল যাবলৈ মান্তি কৰালে। আগৰ দৰে তাৰ শ্ৰেণী কোঠাত মন নবহে সি বাহিৰলৈ চাই থাকে। শিক্ষকৰ কথা মনোযোগ দিবলৈ সি যত্ন নকৰে। পৰীক্ষাৰ সময়ত সি অনিলৰ পৰা চাই নাইবা শিক্ষকে নেদেখাকৈ নকল কৰি পাছ কৰি যায়।

এইবাৰ সিহঁত দশম শ্ৰেণীত। আৰু ২ মাহৰ পিছত সিহঁতে মেট্ৰিক দিব। অনিলে সদায় ভাল দৰে পঢ়া শুনা কৰে কিন্তু মলিন আগৰ দৰে পাছ কৰিম বুলি ভাবি থাকে।

এদিন-দুদিন কৈ মেট্ৰিক পৰীক্ষাৰ দিন কাষ চাপিল কিন্তু আগৰ দৰে অনিল আৰু মলিন একেলগে বহিব নাপালে। আৰু প্ৰথম দিনাখনে নকল কৰাৰ বাবে শিক্ষকে দেখা পাই পৰীক্ষাস্থলীৰ পৰা উলিয়াই পঠালে। তাৰ মনত কিন্তু পৰীক্ষা দিবলৈ নোপোৱাৰ বাবে বেজাৰ নেলাগিল বৰঞ্চ আনন্দহে লাগিল। কাৰণ আজিৰ পৰা পৰা সি পঢ়িব নেলাগে।

মলিনৰ মা-দেউতাক পঢ়া-শুনা নকৰা মানুহ সেইবাবে মা-দেউতাকে পঢ়াৰ ক্ষেত্ৰত মলিনক একো নকয়।

অনিলে মেট্ৰিক পৰীক্ষা পাছ কৰি কলেজলৈ পঢ়িব গ'ল কিন্তু মলিন! সি ৰাস্তা-ঘাটে ঘূৰি ফুৰে নাইবা সি দিনটো ঘৰতে বহি থাকে। মলিনৰ মাক দেউতাকে মলিনক সদায় এনেকৈ থকা দেখি গালি শপনি পাৰিবলৈ ধৰিলে। আৰু তাক কৰবাত কাম কৰিবলৈ যাবলৈ কলে।

মাকৰ গলি শপনি শুনি সি এদিন কাম কৰিবলৈ গ'ল আৰু কাম কৰিবলৈ যাবৰ সময়তে তাৰ লগত সমনীয়াবোৰ আৰু তাৰ বন্ধু অনিলক সি সদায় লগ পায়। সি যায় কামলৈ আৰু তাৰ সমনীয়া যায় পঢ়িবলৈ।

সি তাৰ সমনীয়াবোৰক দেখি তাৰ নিজকে লাজ লাগে আৰু সি সিহঁতক দেখিলে নমতাকৈ যায় বা কৰবাত লুকাই দিয়ে।

এদিন দুদিনকৈ যেতিয়া তাৰ কাম কৰি আমনি লাগিবলৈ ধৰিলে আৰু এদিন যেতিয়া তাৰ ভাল বন্ধু অনিলে তাক দেখিও নামাতিলে তাৰ মনত বৰ বেজাৰ লাগিল আৰু সি ৰাতি বিচনাত বহি ভাৱিবলৈ ধৰিলে।

''অনিলে বাৰু আজি মোক কিয় নামাতিলে আগতে মোক দেখিলে কেতিয়াও নমতাকৈ থকা নাছিল।''

আৰু তাৰ মনত এটাই প্ৰশ্ন উদয় হ'ল ''মই কিয় নপঢ়িলো? মই কিয় পঢ়াৰ দিন কেইটা এনেয়ে পাৰ কৰিলোঁ? মই কিয় শিক্ষকৰ কথা নুশুনিলো? মই যদি অনিলৰ দৰে পঢ়ি গৈ থকা হ'লে আজি মই কাম কৰিবলৈ যাব লগীয়া নহ'ল হেতেন। মই কিয় নপঢ়িলো।'' ■



# দোমোজা

**মনোজ মৰাণ**
স্নাতক ১ ম ষান্মাসিক (কলা)

উখল-মাখল পৰিৱেশ ঘৰখনৰ চাৰিওফালে। সকলোৰে মুখত কেৱল হাঁহি আৰু আনন্দ। বিয়া-ঘৰখনত গাঁৱৰ জীয়ৰী, বোৱাৰী, ডেকা-বুঢ়া সকলো ভৰি পৰিছে। সৰুমনৰ লগৰবোৰো আহি বিয়াঘৰখনৰ পৰিৱেশেই সলনি কৰি দিছে। ছোৱালীবিলাকে কইনা সজোৱাকে আদি কৰি আলহি অতিথিৰ আলপৈচান ধৰিছে। বুঢ়াসকলে সুকীয়া ৰভাত তেওঁলোকৰ নিয়ম-নীতিৰে ৰভাখন সজাইছে। গাঁৱৰ ডেকাসকলে ৰান্ধনীৰ কাম কৰিছে। সৰুমনহঁতৰ গাঁওখনত বিয়া-বাৰুত টকা খৰচ কৰি বাহিৰৰ কাৰিকৰ নানে, গাঁৱৰ ডেকাসকলেই ৰন্ধা-বঢ়াৰ কামফেৰা কৰে। তাৰ অৱশ্যে কাৰণো আছে। গাঁৱৰ ডেকাসকলে ৰান্ধিলে সকলোৱে খাব পাৰে আৰু চহৰৰ পৰা কাৰিকৰ আনি ৰান্ধিলে সকলোৱে নাখায়। গাঁৱৰে সৰুমনৰ বন্ধু সুজিত ৰন্ধা-বঢ়াত ব্যস্ত। ব্যস্ততাৰ মাজতো সি ছোৱালী এজনীক দেখি লগৰটোক সুধিলে, ''ঐ এই আলহী ছোৱালীজনী ক'ৰ অ'?'' লগৰজনে ''তাই আলহী ছোৱালী নহয়, একেখন গাঁৱৰে হয়'' বুলি কৈ সকলো ঠিকনা দিলে। সুজিতৰ মন খেলি-মেলি হৈ গ'ল। কোনে সহায় কৰি দিব তাক? কোনে বান্ধি দিব তাৰ প্ৰেমৰ জৰীডাল? গাৱঁৰে ছোৱালী বুলি জানি সুজিতে বেছি আনন্দহে পালে। তাৰ গুণগণাব মন গ'ল —

মাটি কলহৰ পানী খাবা
দেহা শীতল পৰিব,
গাঁৱৰ ডেকাক ভাল পাবা
ফেচেলিটি বাঢ়িব।

ক'ব নোৱাৰাকৈয়ে সুজিতৰ কথাষাৰ সকলোৰে কাণত পৰিলেগৈ। আনকি বিয়াঘৰখনত প্ৰথম দেখিয়েই প্ৰেমত পৰি যোৱা ছোৱালীজনী, অৰ্থাৎ মণিৰ কানতো কথাষাৰ পৰিলগৈ। সুজিতে অৱশ্যে মনে মনে ভালেই পালে। তদুপৰি কেইবাজনকো সহায় কৰিবলৈ ক'লে সি। তাৰ বন্ধু কেইজনমানে মণিক কৈছেও। কেৱল মণিয়েহে একো উত্তৰ দিয়া নাই। সুজিতক দেখিলেই মনি আঁতৰি যায়। লাজত নে ভয়ত সি ভাবিয়েই নাপায়। সি কেৱল জানে যে মণি সদায় তাৰ, কেৱল তাৰ। সি তাইক অইন কাৰো হ'বলে দিব নোৱাৰে। এনেদৰে বহুদিন গ'ল। কিন্তু সি মনিৰ মনৰ কথা জানিব নোৱাৰিলে। সি ভাবিলে তাৰ এবছৰ চেষ্টাৰ কোনো ধনাত্মক দিশ নাই। মনৰ আশা মনত লৈ সি মনিৰ জীৱনৰ পৰা আঁতৰি অহাৰ সিদ্ধান্ত ল'লে।

প্ৰেম হেনো কেতিয়া, কিদৰে হয়, ক'ব নোৱাৰি। সুজিতৰ ক্ষেত্ৰতো তেনেকুৱাই হ'ল। সৰস্বতী পূজাত সুজিতে লগ পায় তাৰ লগৰ এজনীৰ ভণীয়েক তৰাক। প্ৰথম দেখাতে দুয়োজনৰ মাজত আপোন ভাৱ জাগ্ৰত হ'ল। শেষত ক'ব নোৱাৰাকৈয়ে দুয়ো বান্ধ খাই পৰিল প্ৰেমৰ বান্ধোনত।

মানুহ হয়তো এনে সময়তে বলীয়া হয়। এফালে মণি আৰু আনফালে তৰা। তাৰ লগত সম্পৰ্ক আৰম্ভ হোৱাৰ কেইদিনমানৰ পিছত মণিৰ মনৰ শুনি সুজিত বলীয়াৰ দৰে হ'ল।

মণিয়ে আহি সুজিতক ক'লে ''ভয়াতুৰ, নিজে মনৰ কথা এবাৰো ক'ব নোৱাৰিলা। তুমি নিজে ক'বা বুলি ৰৈ থাকি আমনি লাগিল। আজি মইয়ে কওঁ I Love you...'' সুজিতে কি ক'ব একোকে ভাবি নাপালে।

সুজিত আজি দোমোজাত। সি কাৰ প্ৰেমৰ মৰ্যদা দিব? মণিক নে তৰাক? শেষত সি সিদ্ধন্ত ল'লে যে সি কাৰোৱে পৰা আঁতৰি নাযায়। সি এদিন দুয়োজনীৰ আগত সত্যটো উডঙাৱ। কিন্তু সুজিতৰ বাবেও আহিল বিপদ। মণি আৰু তৰা সম্বন্ধীয় আছিল। তৰাই মণিৰ কথা আৰু মণিয়ে তৰাৰ কথা কৈ পাগল কৰি দিবলৈ ল'লে।

এনেদৰে আৰু কিমান দিন চলিব? শেষত তৰাই সিদ্ধান্ত ল'লে যে মণি আৰু সুজিত সুখী হওঁক । তৰা আঁতৰি আহিল সুজিতৰ জীৱনৰ পৰা এক বুজাব নোৱৰা বেদনা বুকুত লৈ।

সুজিত আৰু মণিৰ প্ৰেম ভালদৰেই চলি থাকিল। ইজনে-সিজনৰ লগত এদিনো কথা নপতাকৈ থাকিব নোৱাৰা হ'ল। কিন্তু প্ৰেম আৰু বেদনা একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। সুজিত আৰু মণিৰ বেদনাৰ অন্য এক নাম হৈ পৰিল মণিৰ পেহীয়েক। পেহীয়েকে মণিক বুজাই বুজাই সুজিতৰ পৰা আঁতৰাই আনিলে আৰু সুজিতকো সাৱধান কৰি দিলে। সুজিতৰ প্ৰেমৰ গভীৰতাই আঁতৰ কৰিব নোৱাৰিলে মণিৰ প্ৰতিচ্ছবি। কিন্তু কেতিয়াবা জয়ী হৈও পৰাজয় স্বীকাৰ কৰিবলগীয়া হয় প্ৰেমৰ যুদ্ধত। পেহীয়েকৰ ধমকণিত মণিৰ মন সলনি হ'ল। মণিৰ বুকুত থকা সুজিতৰ প্ৰতিচ্ছবিৰ ঠাইত আহিল অচিনাকী কাৰোবাৰ ছবি আৰু অচিন-চিনাকীজনৰ বুকুত ঠাই ল'লে মণিয়ে।■





# The Honest Friend

**Idrish Ali**
B. A. 2nd sem

Chintu and Banti were good friends. They had great confidence in each other.

Banti was a very honest boy. one day, they decided to enjoy their holidays together. They went out to a hill station for a week.

Both enjoyed their stay at the hill station. After seven days, they planned to return. When they reached the station to board the train, they found a bag lying at the station Platfrom.

Chintu noticed it first and picked it up. He opened it and saw that it contained a lot of cash and Jewellery in it.

Cintu tried to hide it in his suitcase. But Banti suggested, "Cintu, we are honest people. We should not keep it with us. somebody has missed it. We should ask people at the station. If someone claims and is able to tell the exact details, we shall handover this bag to him"

"No, No, You are a fool. Everybody will come to claim it as his own bag. I have found it, so this is mine," Chintu said.

Banti said, "What are you saying? In case you do not want to give it to its owner, We should divide it into two equal parts."

Both of us have found it. We have shared every moment, every food, and every joy here together.

Therefore, we should divide the cash and Jewellery also into two parts to enjoy together."

"I don't agree with you. I saw it first, and so it is mine." saying so Chintu kept the bag in his possession.

Mean while the train arrived at the station. Chintu and Banti boarded it. Once they occupied their seats, they were at ease and began talking to each other.

As the train rolled on, night fell, and they began feeling sleepy.

After sometime the train halted at the next station. Suddenly they saw some policeman entering their compartment. Chintu was frightened to see them. He tried to put his suitcase behind his back.

Chintu whispered in Banti's ear, "we are in great trouble. The police have come. They would arrested us and put us behind bars. You know, we have not stolen the bag."

Banti said in a low voice, "why do you say 'us'– and not 'me'? please don't try to involve me. I have got nothing to do with the bag. You did not listen to me when I asked you to involve me.

I have got nothing to do with the bag. you did not listen to when I asked you to find out the owner and hand over the bag to him. Far from handing it over to the real owner, you ever refused to share it with me, and now when you feel that you are going to land in an unpleasent situation; you want to share the unpleasantness with me, very clever."

The police saw lines of terror in Chintu's face and become suspicious about him. They searched his belongings and found the bag.

This was the bag they had come searching for. They arrested him and sent him to jail.

Now Chintu was repenting that he should have listened to his friend's advice.

The Moral of the story is "Honesty is the Best Policy" ■

# The first Guest

**Kirtinath Tanti**
H.S. 2nd year (Sc.)

The locality is clearly visible from our home. Everyday, the boy visits every house in the locality, early in the morning. He is the first guest at every home. Every one waits for him. Because he brings along a very precious thing for all those people who are eager to know what is happening in the world. Unlike the other guests, people do not invite him home, they do not offer him tea. He just walks upto the gate gives them that precious things and leave.

Who is he? The newspaper hawker- the first guest of the day!

For us, he is this young boy of 13, cute and well-mannered. His family is not financially sound. After the demise of his father, his mother and elder sister have taken up responsibility of running their home. A year ago, he thought he, too, had grown up enough that he could help his small family. So, he started this work. He took up the job of a paper boy. The work is interesting, according to him. Moreover, it does not affect his studies either. So, he enjoys the work very much and always tries to perform his duty without any mistake.

He wakes up early in the morning and goes to the newspaper agency, come rain or shine. He arranges the newspapers there. He also puts in the various pamphlets of schools or institutions into each newspaper. There are about 40 families in the locality. It takes an hour to distribute the papers. I see him riding with two bags filled with newspapers. But, sometimes, he disappers into the grove of bamboo tree. His bicycle is old and needs repair.

It makes a loud, creaky sound. He does not need to ring the bell to let people know that he has come, because the sound of his bicycle is enough for that. He shares all his daily experiences with his mother and sister in the evening.

When he first started his work, he made a couple of mistakes. He got confused and distributed the wrong newspaper at many homes. On rain days, he would throw the newspaper onto the verandahs from the gate in order to save time. If his throw was good, it would reach the spot, but if the paper didnot reach the verandah, that day, that particular family would get a soaked newspaper. The owner of the paper agency and many people scolded him for that. Initially, he complained about it and cried for that in front of his mother and sister. But later, he realised and slowly learnt how to deal with such situations.

Now, he always reached on time, before the people leave for work. When it rains, he hands them the newspaper. He also distributies monthly magazines and weekly newspapers, apart from the duties.

Even today, he is up and about, doing his duty, early in the morning, like any other day. He brings the newspaper to our home at last. He does not go to another house after that. He directly goes inside the house to wear his school uniform. How do I know so much about him? Because he is my friend.■



# ভালপোৱাৰ এনাজৰী

ময়ূৰী কলিতা
স্নাতক প্ৰথম বৰ্ষ (কলা)

প্ৰেম, এক স্বৰ্গীয় অনুভূতি। এই পৃথিৱীৰ সৃষ্টিৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে সকলো ক্ষেত্ৰতে প্ৰেমৰ বহুতো অৱদান আছে। প্ৰকৃতি প্ৰেম, নাচ-গান, খাদ্য সম্ভাৰ, পিতৃ-মাতৃ-পৰিয়াল, বন্ধুত্ব সকলোতে প্ৰেম থাকে। প্ৰেমৰ বাবেই পৃথিৱীত সৃষ্টি হৈছে বহুতো গল্প, কবিতা, গানৰ লগতে ৰোমিঅ-জুলিয়েট, জংকী-পানৈ, সতী-বেউলা, সত্যবান-সাবিত্ৰী আদিৰ দৰে বিশ্ববিখ্যাত কাহিনীৰ। প্ৰেমৰ বহুতো ৰূপ আছে। প্ৰেম স্বৰ্গীয়, প্ৰেম সৃষ্টিৰ উৎস, প্ৰেম মমতাময়ী, প্ৰেম ছলনাময়ী।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰী-নিবাসত এক উলহ-মালহ পৰিৱেশে বিৰাজ কৰিছে। কাৰণ আজি ছাত্ৰীবাসত নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হৈছে। ঘৰত সকলোকে এৰি আহি এটি নতুন পৰিৱেশত খাপ-খাবলৈ সকলোৰে বৰ কষ্ট হয়। তেনে এক পৰিৱেশতে পালন কৰা হ'ল নৱাগত আদৰণি সভা। সকলোৱে মিলা-প্ৰীতিৰে আদৰণি সভা উদ্‌যাপন কৰি মনত এক নতুন আশা লৈ নিজৰ-নিজৰ কামত ব্যস্ত হ'ল।

ৰাতি প্ৰায় ১০ বাজিছে। 'মৌ' ৰে খিৰিকীৰ কাষত বৈ পূৰ্ণিমা নিশাৰ মনোৰম সৌন্দৰ্য উপভোগ কৰিছে। আগষ্ট মাহৰ গৰমতো খিৰিকীৰে বৈ অহা কোমল বতাহজাকে সকলোৰে দেহ-মনত এক অপূৰ্ব শান্তি প্ৰদান কৰিছে।

মৌ, পাহি, অনামি তিনিওজনীয়ে সৰুৰে পৰা একেলগে ডাঙৰ হৈছে। একেলগে স্কুলীয়া জীৱন, কলেজীয়া জীৱন পাৰ কৰি এতিয়া বিশ্ববিদ্যালয়ত ভৰি দিছে। জীৱনৰ প্ৰতিটো কথাই তিনিওজনীয়ে ভগাই লয়। তিনিও জনীয়ে একেলগতে থাকিবলৈ পাই বৰ সুখী।

আজি দেওবাৰ। অনামিয়ে বাথৰুমৰ পৰা মৌক চিঞৰি আছে।

অনামি ঃ মৌ মোৰ টাৱেলখন দেচোন। আজি দেওবাৰ নহয় আমি সবে ডিব্ৰুগড় টাউনলৈ অলপ ওলাই যাম নহয়। জল্‌দি দে চোন।

পাহি ঃ অই তই ইমান কিয় চিঞৰি মৰিছ। তোৰ সব কামেই তেনেকুৱা। কিয় সব বস্তু পাহৰি যাৱ। ৰহ মই দিছোঁ। মৌ ৰে থাপনাত ধূপ-চাকি জ্বলাইছে।

অনামি ঃ আই ঐ পাগলী হ'ব দে।

কিছু সময়ৰ পাছত হোষ্টেলৰ প্ৰায় সকলোৱে নিজৰ-নিজৰ প্ৰয়োজনীয় বস্তু কিনিবলৈ ওলাই গ'ল। মৌ, পাহি আৰু অনামি তিনিওজনীয়ে নিজৰ-নিজৰ বস্তু কিনিবলৈ ওলাই গ'ল।

মৌ ঃ অই বলচোন অলপ ডিব্ৰুগড় মেডিকেল ৰোডত যাও। এবাৰ মাৰ লগত আহিছিলো চাৰি বছৰ মানৰ আগতে। বহুত ভাল লাগিছিলে। বহুত চাফা তাতে গছ-গছনিবোৰ বহুত ৰুইছে। ভাল লাগে পৰিৱেশটো।

পাহি ঃ হব-হব তই এনেও হস্পিতাললৈ গৈ মজা পাৱ। বিশেষকৈ বগা কাপোৰ পিন্ধি থকা কেইজনক বেছি ভাল লাগে চাগে।

অনামি ঃ নকবি আৰু তাইৰ চাগে যাও-যাও লাগিয়েই আছে।

মৌ ঃ হ'ব আৰু তহঁত ভাল বান্ধৱী বুলি অলপ বেছিকেই শুণাৱ। যাহ্ বেয়া পালো।

অনামি ঃ হব হব দে গৈ আছো।

পাহি ঃ অই সঁচাকে ইমান ধুনীয়া হ'ল মেডিকেলখন মজা লাগিছে, এবাৰ বেমাৰ হওঁক, আহিয়েই চাবি।

মৌ ঃ অই পাগলী কিযে কৱ। কিয় বেমাৰ হবি নো, এনেই আহিবি আক'।

তিনিওজনীয়ে নিজৰ প্ৰয়োজনীয় বজাৰখিনি কৰি হোষ্টেললৈ ঘূৰি আহিল।

লাহে-লাহে বিশ্ববিদ্যালয়ৰ শিক্ষা আগবাঢ়িল। প্ৰায় তিনিমাহেই পাৰ হ'ল। সকলোৱে বিশ্ববিদ্যালয়ৰ পৰিৱেশত নিজকে খাপ-খোৱাই ল'লে।

আজিও দেওবাৰ। আজি কিয় জানো 'মৌ'ৰ ওলাই যাবলে অলপো মন নাই। অনামি আৰু পাহিয়ে যাবলৈ মন কৰা নাই। মৌ ৱে কথাটো নজনা নহয়। কিন্তু তথাপিও সুধিলে।

মৌ ঃ আজি তহঁতে ওলাই নাযাৱ নেকি? মানে যদি কৰোবাৰ কিবা জৰুৰী বস্তু কিনিবলৈ আছে।

অনামি ঃ অই প্লিজ বকবকাই নাথাক। যোৱাটো দেওবাৰে ওলাই যাওতে যে মেডিকেল কলেজৰ মহাপুৰুষ সকলেও বজাৰ কৰিবলৈ গৈছিল, মোৰ দেখিয়েই কিবা-কিবি লগা আৰম্ভ হৈ গ'ল।

পাহি ঃ আমাৰ আচল কথা কি জান? আমি তিনিজনী এনেই ভাল বান্ধৱী নহয়, আমাৰ মনৰ সব কথাই মিলে অ।

মৌ ঃ তাকেই ভাবিছো ভালদৰে পঢ়ি-শুনি ডাক্তৰ হোৱাৰ বহুতো মন আছিল। এতিয়া নোৱাৰিলো যদিও সেইটো পেছাৰ প্ৰতি বহুতো আন্তৰিকতা আছে। উফ্‌ফ্‌ কিযে যাদু আছে এই শব্দটোত 'ডাক্তৰ'।

অনামি ঃ হব দে একেবাৰে ট্ৰেজেডিত ফাটি যাব নালাগে। যিটো হ'ব নোৱাৰিলি নাই কিন্তু ভৱিষ্যতে পাই যাবি।

মৌ ঃ তই একেবাৰে ফিল্মি ডাইলগ দি দিলি। হব যা কাম আছে কাপোৰ ধুবলৈ যাঁও।

পাহিয়ে সকলোৰে আগত হাঁহি দেখুৱালেও তাইৰো মনত এক গভীৰ বিষাদ অনুভৱ কৰে। আটাইকেইজনীকে মাক-দেউতাকে খুব বিশ্বাস কৰে। সৰুৰে পৰা একো অভাৱ নোহোৱাকৈ পঢ়াৰ ক্ষেত্ৰত সকলো বস্তুৱেই গোটাই দিয়ে। ডিব্ৰুগড়লৈ অহাৰ সময়ত তাহাঁতি তিনিওজনীয়ে ভালদৰে পঢ়িম বুলি যি প্ৰতিশ্ৰুতি দিছিল সেয়া ৰাখিবই লাগিব।

অসম মেডিকেল কলেজৰ কেম্পাছ হোষ্টেলৰ দুই নং ৰুমত থাকে প্ৰাচুৰ্য শইকীয়া, ৰিকী বৰুৱা আৰু কৌস্তভ বৰা। তিনিওটা বৰ ভাল বন্ধু।

প্ৰাচুৰ্য ঃ ৰিকী আজি অলপ ওলাই নোযোৱা নেকি? মোৰ অলপ প্ৰেক্টিকেলৰ বস্তু কিনিবলৈ আছে।

কৌস্তভ ঃ অই যাম হা। ইউনিভাৰচিটিৰ ফালে যাম।

ৰিকী ঃ কিযে আৰু তহঁত সেইদিনা আমি তিনিওটাৰ লগতে জয়, অনুৰাগ আৰু ঋতুৰাজেও মিলি সেই ছোৱালীকেইজনীক যিহে জোকালো পাছত বেয়াহে লাগিছে।

কৌস্তভ ঃ তই মহাত্মা গান্ধী যে তোৰ সব কথাতে বেয়া লাগে।

প্ৰাচুৰ্য ঃ হ'ব দে আজি পালে নামকেইটা সুধি লম। সেইদিনা আমি অকল গান হে গাইছিলো তাতকে বেছি একো কৰা নাই।

তিনিওটা কিবা-কিবি আনিবলৈ বুলি ওলাই যায়। কিয় জানো সেইদিনা ছোৱালীকেইজনীৰ আগত গান গাই তাহাত কেইটাৰ নিজকে বৰ দোষী-দোষী লাগি আছে। আজি তিনিওতাই ভাবিছে লগ পালে ক্ষমা বিচাৰিব মেডিকেল কলেজৰ ছাত্ৰ হৈ বদনাম লবলৈ মন নাই।

বিশেষ একো বস্তু কিনিবলৈ নাছিল যদিও কিয় জানো তিনিওজনীয়ে ৰুমত সোমাই থাকিব নোৱাৰিলে। তিনিওজনীয়ে ৰুমৰ পৰা ওলাই দুই-এটা বস্তু কিনি নাযাও-নাযাও কৰি থাকিও মেডিকেল কলেজৰ ফালে আগবাঢ়ি গ'ল।

পাহি ঃ অই চা-না আমাৰ আজি দিন বেয়া। কোনো নাই ৰাষ্টাত।

মৌ ঃ তইনো কাক চাম বুলি আহিছিলি। ৰাষ্টাত ইমান মানুহ আছে আৰুনো কি থাকিব লাগে? নে তইয়ো মোৰ দৰে বেলেগ বস্তু চাবলৈ আহ নেকি?

অনামি ঃ অই বলচোন অলপ পাৰ্কতে বহো।

মৌ ঃ সঁচা গৰমত গছৰ ছাঁত বহাৰ মজাই বেলেগ। ডিগবৈ কলেজত পঢ়ি থাকোতে যে যিমান গৰম হ'লেও অনুভৱেই কৰা নাছিলো। গছৰ ছাঁত বহিলেই মনটো ভাল লাগি গৈছিল।

তাহাতি কথা পাতোতে দেখিলে সেইদিনা গান গোৱা মেডিকেল কলেজৰ ল'ৰা তিনিজন আহি আছে।

মৌ ঃ অই তহঁত দুজনীয়ে মিচিক-মাচাক কৰি চাই নাথাক। বেলেগ ফালে চাই থাক্।

তাহাতি কথা পাতি থাকোতে আহি ল'ৰা এজনে মাত দিলে।

ৰিকী ঃ শুনাচোন, তোমালোকে ডিব্ৰুগড়ত নতুন নেকি? মানে আগতে লগ নাপাও।

মৌ ঃ অ হয়। আমি এইবাৰ ইউনিভাৰচিটিলৈ আহিছো।

প্ৰাচুৰ্য ঃ আচলতে সেইদিনা আমি তোমালোকক জোকালো যে তাৰ কাৰণে বেয়া নাপাবা।

অনামি ঃ নাই নাই সেইবোৰ আৰু হয়েই।

ৰিকী ঃ অ তোমালোকৰ নামকেইটা সোধাই হোৱা নাই নহয়,

পাহি ঃ মোৰ নাম পাহি সিংহ। এই অনামি চেতিয়া আৰু তাই মৌ শইকীয়া। আৰু তোমালোকৰ নামবোৰ।

কৌস্তভ ঃ এওঁ ৰিকী বৰুৱা, এওঁ প্ৰাচুৰ্য শইকীয়া আৰু মই কৌস্তভ বৰা।

ৰিকী ঃ আচলতে যেতিয়া বজাৰ কৰিবলৈ ওলাই আহো সদায় তোমালোকক লগ পাওঁ ভাবিলো চিনাকী হৈ লও।

অনামি ঃ হেল্ল মই অনামি আচলতে আমিও তোমালোকৰ লগত চিনাকী হ্ম বুলি ভাবিয়েই আছিলো।

তাইৰ কথা শুনি মৌ আৰু পাহিৰ লাজতে মৰি যাও যেন লাগিলে।

প্ৰাচুৰ্য ঃ তেনেহ'লে আজিৰেপৰা আমি সবে একেলগে ফুৰিব পাৰিম কাৰণ তোমালোকেওঁ আমাক বন্ধু হিচাপে বিচৰা আৰু আমিওঁ তোমালোকক।

তাৰ কথা শুনি আটায়ে হাঁহি দিয়ে আৰু এটি নতুন পৰিৱেশত আৰম্ভ হ'ল এটি নতুন বন্ধুত্বৰ কাহিনী।

ৰুমলৈ আহি মৌ, অনামি আৰু পাহিয়ে একো কামতে ভালদৰে মন বহাব পৰা নাই কিবা এটা মনটো ভাল লাগি আছে।

অনামি ঃ অই বল ভাত খোৱাৰ সময় হ'ল।

মৌ ঃ মোৰ দেখোন ভোক লগাই নাই।

পাহি ঃ মোৰো একেই।

অনামি ঃ আই ঐ এই দুজনীৰ প্ৰথম দিনাই এই অৱস্থা।

মৌ ঃ এহ্ তোৰ পৰা নোৱাৰি আৰু কিযে কৰ, বল গৈছো।

মেডিকেল কলেজ হোষ্টেলৰ ২ নং ৰুমত যেন সকলোৱে মুখৰ মাত নাইকিয়া হৈ গ'ল। সকলোৱে নিৰ্জীৱ বস্তুৰ দৰে কামবোৰ কৰি গৈছে।

কৌস্তৰ ঃ অই ৰিকী মাত মাতিবলে পাহৰিলি নেকি?

অনুৰাগ ঃ আজি আমাৰ হোষ্টেলৰ তিনিজন হিৰোৰ মাত নাই যে।

প্ৰাচুৰ্য ঃ অনুৰাগ, ৰিকীয়ে আজি নাম সুধিহে এৰিলে।

অনুৰাগ ঃ বাহ ৰিকী! বেলেগ আৰু দেই!

সঁচাকৈ ৰিকীৰ মনটো কিবা এটা ভাল লাগি আছে। নকৰো বুলি ভাবিও সি বিচাৰি অনা মৌৰ নাম্বাৰটোলৈ ফোন লগালে।

ঃ হেল্ল মৌ মই ৰিকী।

মৌ ঃ অ কোৱা কি কৰিছা?

ৰিকী ঃ নাই এনেয়ে কিবা এটা ভাবি আছিলো। অস্ তোমাৰ ঘৰত কোন-কোন আছে?

মৌ ঃ মা-দেউতা আৰু মই। তোমাৰ ঘৰত?

ৰিকী ঃ মা-দেউতা, বা আৰু মই। মানে মোৰ তোমাৰ লগত চিনাকী হৈ বহুত ভাল লাগিলে।

মৌ ঃ মই বিচাৰো আমাৰ বন্ধুত্ব চিৰযুগমীয়া হওঁক।

ৰিকী ঃ মই তাতকৈ অলপ বেছিকৈ বিচৰো মৌ। পাৰিবা নে মোৰ হৈ সদায় থাকিবলে।

মৌ ঃ মই আচলতে ইমান সোনকালে একো সিদ্ধান্ত লব নোৱাৰো। তোমাক পাছত কম।

ৰিকী ঃ ঠিক আছে পাছত কবা।

মৌৱেও বিছাৰে ৰিকীক। কিয় জানো মাত্ৰ এদিন লগ পোৱা ল'ৰাটোক তাইৰো বহু দিনৰ আপোন যেন লাগিছে। পাহি আৰু অনামিও উপলব্ধি কৰিছে মৌৰ কথা। মৌৱে ফোনটো লৈ কিবা-কিবি ভাবি থাকোতেই হোষ্টেলৰ চিনিয়ৰ ডলীবা আহিল। বাহ্ মৌ কি তপস্যা কৰি আছা। মই কবলে আহিলো যে এইবাৰ আমি সকলোৱে ইয়াতে দুৰ্গা-পূজা চাম। অৱশ্যে কোনোবাই

যাব বিচাৰিলে যাবও পাৰে।

মৌ ঃ নাই বা ঘৰলৈ নাযাওঁ। আমিও তোমালোকৰ লগতেই চাম।

আজি দুৰ্গাপূজা। ইউনিভাৰচিটিৰ সকলো একেলগে পূজা চাবলৈ ওলাইছে। মৌ, অনামি, পাহি, ডলীবা, পাৰিজাতবা সকলোৱে একেলগে পূজা চাবলৈ ওলাইছে। মৌৰ মনটো কিন্তু আজি অলপো ভাল নহয়। মানে কালি অনামিয়ে কাপোৰ ধুই থাকোতে মৌ ৱে আনামিৰ ডায়েৰী খন পঢ়ি সকলো কথা বুজি পালে। তাই ঠিক কৰিলে যদি অনামিৰ কথাবোৰ সঁচা হয় তাই ৰিকীক কব যে আজিৰে পৰা আৰু সিহঁতে কোনো সম্পৰ্ক নাৰাখে। কাৰণ নিজৰ স্বাৰ্থৰ বাবে তাই বন্ধুত্ব হেৰুৱাব নোৱাৰে।

আনফালে ৰিকী, প্ৰাচুৰ্য আৰু কৌস্তভ বহুত সুখী। কাৰণ এইবাৰ সিহঁতেও ডিব্ৰুগড়তে পূজা চাব।

জীৱনৰ প্ৰথম প্ৰেমত উজুতি খোৱা প্ৰাচুৰ্যই অনামিক লগ পোৱাৰে পৰা অনুভৱ কৰিছে জীৱনৰ প্ৰকৃত অৰ্থ। সি তাৰ মনৰ কথা অনামিক ক'লে অনামিয়ে আজি কোৱাৰ কথা আছে। তাকে ভাৱি তাৰ আজি আনন্দ লাগি থকাৰ লগতে অলপ ভয়ো লাগিছে। আনফালে ৰিকীৰ ঘৰত সকলোৱে গম পাইছে মৌৰ কথা। সকলোৱে সন্মত মৌক আপোন কৰি ল'বলৈ ৰাজী। আজি ৰিকীয়ে তাৰ ঘৰৰ কথা মৌক ক'ব। পাহি বেংগলী সম্প্ৰদায়ৰ ছোৱালী কেনেবাকৈ যদি তাৰ ঘৰত পাহিক গ্ৰহণ নকৰে সি বাৰু কি ক'ব পাহিক। কিন্তু কৌস্তভৰ ঘৰত সকলোৱে তাৰ পচন্দৰ পাহিক আপোন কৰি লবলৈ ৰাজী। যিটো কাৰণে সি আজি বহুত সুখী।

পূজাথলীত তাঁহাত তিনিওটা ৰৈ আছিল। সিহঁত তিনিজনী গৈ পোৱাৰ পাছতে অনামিয়ে ক'লে।

অনামি ঃ আমি যিহেতু পূজা চাবলৈ আহিছো, সেইবাবে পূজাতো চামেই তাৰ আগতে মোৰ কিবা এটা ক'বলৈ আছে। আচলতে মই ৰিকীক বহুত ভাল পাওঁ কিন্তু সেয়া কেৱল বন্ধু হিচাপেহে। তই পাগলী কিহৰ কাৰণে আত্মবলিদান দিবলৈ ওলাইছিলি।

অনামিৰ কথা শুনি মৌৱে কি হৈছে একো ধৰিবকে নোৱাৰিলে আৰু তাঁহাত তিনিও অবাক হ'ল।

অনামি ঃ মানে মোৰ ৰিকীক ভাল লাগিছিল তাকে মৌৱে গম পাই আজি তোমাক কবলৈ আহিছিল যে আজিৰেপৰা তাই তোমাৰ লগত সম্পৰ্ক নাৰাখে। কিন্তু মই যে প্ৰাচুৰ্যৰ নামত চাকি-বন্তি জ্বলাই থাকো তাই গমকে নাপায়।

প্ৰাচুৰ্য ঃ ভালেই কৰিলা। সকলোবোৰ ভালদৰে কৈ দিলা অনামি। এতিয়া সকলোৱে শান্তিৰে পূজা চাব পাৰিম।

অনামি আৰু প্ৰাচুৰ্যৰ কথা শুনি সবে হাঁহি দিলে। সকলোৱে দেৱীৰ চৰণত আশীষ লবলৈ আগবাঢ়িল।

আজি যেন ভগৱানে পৃথিৱীক অপূৰ্ব সৌন্দৰ্য প্ৰদান কৰিছে। শৰতৰ সন্ধিয়া পৃথিৱীলৈ নামি অহা চিপ্-চিপ্ বৰষুণজাকে সকলোৰে মনৰ পৰা দুখ-যন্ত্ৰনা ধোৱাই লৈ গৈছে।

প্ৰাচুৰ্য ঃ আনামি চাবা আক' জ্বৰ হ'ব।

অনামি ঃ তোমাৰ এম.বি.বি.এছ ডিগ্ৰীটো মোৰ বাবেও অলপ লগাই দিবা।

কৌস্তভ ঃ পাহি আহা ছাতি এটা কিনি লওঁ।

পাহি ঃ নালাগে, কাৰণ মই তোমাৰ প্ৰথম পেচেন্ট হ'ব বিছাৰো।

ৰিকী ঃ তুমি বৰষুণত তিতি ভাল পোৱা মৌ?

মৌ ঃ তুমি লগত থাকিলে হেজাৰ ধুমুহাতো, বৰষুণতো তিতিব পাৰিম মোৰ ডাক্টৰচাহাব।

মৌৰ কথাত সবে হাঁহিলে। ডলীবাই চিঞৰি আছে আজি হোষ্টেলত কি খাবলে পাওঁ জানো কাৰণ ইয়াত পূজাচোৱাৰ প্লেনিংটোৱে বৰ ভাল কাম কৰিলে।■



# এজন সৈনিকৰ কথাৰে

কংকনা বৰুৱা
প্ৰথম ষান্মাসিক (কলা)

লাহে লাহে ৰেলখন ষ্টেছন এৰি নিজৰ গতি লব ধৰিছে আৰু জীৱনেও নিজৰ দেউতাকৰ পৰা আঁতৰি আহিব ধৰিছে। তাক ষ্টেছনত এৰিবৰ বাবে দেউতাক আহিছে মাক আহিব নোৱাৰিলে। তাৰো মনটো বেয়া লাগি আছে আৰু যিমানেই ৰেলখন দ্ৰুত গতিত আগবাঢ়িছে সিও নিজৰ মনতে বিভোৰ হৈ গল। তাৰ দেউতাক এজন শিক্ষক আৰু সিও সৰুৰে পৰা দেউতাকৰ আদৰ্শ মতে ডাঙৰ হৈছে। জীৱনৰ দেউতাকৰ আশা আছিল যে সি দেশ সেৱাৰ কামত ব্ৰতী হ'ব। দেউতাকৰ আশা মতেই সি স্থলসেনাৰ সীমান্ত সুৰক্ষা বাহিনীত ভৰ্তি হৈছিল। বৰ্তমান জীৱন এজন উচ্চ পদস্থ বিষয়া। দেউতাকে সকলোৰে আগত তাক লৈ গৌৰৱ অনুভৱ কৰে, মাকৰহে মন নাছিল তাক এই পেছাত দিবৰ বাবে। যিমান হওঁক এটাই ল'ৰা, তেওঁৰ মতে ছোৱালীজনীতো আন এঘৰলৈ দিব লাগিব কিন্তু ল'ৰাটো যদি সেই জীৱনৰ কোনো ভৰসা নথকা কামত ব্ৰতী হয়, তেন্তে তেওঁৰ আৰু দেউতাকৰ কি হ'ব? সেয়েহে মাকে দেউতাকৰ ওপৰত অভিমান কৰে আৰু সি কামলৈ যাবৰ সময়ত ইমান বেছি মন বেয়া কৰে।

জীৱনে নিজৰ বস্তুবোৰ নিজৰ ঠাইত ভালদৰে ৰাখি ল'লে। খিৰিকীৰে সি দেখিলে লানি লানি চাহৰ গছ আৰু শাওনৰ সেউজীয়া হালধীয়া পথাৰ, যেন কোনোবা চিত্ৰকৰে অঁকাহে। তাৰ হঠাৎ আকৌ মনত পৰিল মুগাৰ সাজত কপালত ৰঙা ফুট লোৱা নাচনী জোনালীজনীৰ কথা। সৰুৰে পৰা স্কুলত একেলগে পঢ়া তথাপিও কিয় জানো তাৰ কথাটো কবলৈ সাহস নহয়, ভালেই হ'ল সি নকলে তাৰ জীৱনৰ কোনো ভৰসা নাই, তাৰ যদি কিবা হয় তেন্তে তাইৰ কি হ'ব?

তাৰ ডবাটোত কথা পাতিবলৈও কোনো নাই। এগৰাকী আদহীয়া মহিলা উঠিলে এটা ষ্টেচনত। মানুহ গৰাকী হিন্দীভাষী হ'ব লাগে, সি সাজ-পোছাকৰ পৰা অনুমান কৰিলে। সি ভাবিলে তেন্তে তাৰ যাত্ৰা বৰ আমনিদায়ক হ'ব।

বৃহৎ ভাৰত ভূ-খণ্ড। ইমান ধুনীয়া ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য। জাতি গঠন প্ৰক্ৰিয়া অতি সুন্দৰ। উত্তৰ-পূৰ্বাঞ্চলৰ কথাতো কবই নালাগে। অসমৰ এখন গাৰৰ পৰা গৈ কাশ্মীৰৰ ভাৰত-পাক সীমান্তত জীৱনে ভাৰতৰ এক অতি সুন্দৰ অংশৰ সন্মান ৰক্ষা কৰাত ব্যস্ত। তাৰ দৰে কিমান সুন্দৰ যুৱক-যুৱতীয়ে নিজকে নিযুক্ত কৰিছে এই মহান কামৰ বাবে। কিমানে নিজকে আহুতি দিছে এই যজ্ঞৰ অগ্নিত, কিমান মাতৃৰ বুকো শুদা হৈ গৈছে, কিমানৰ কঁপাল উকা হৈ গৈছে। কিমানে নিজৰ দেউতা, ককায়েকক হেৰুৱাইছে, কিমান সন্তানৰ জীৱন গতিহীন গৈছে, এই স্বৰ্গ যেন সুন্দৰ ভূমিত! ভাৱিলে আচৰিত যেন লাগে। কথাতে কয় নহয় ''সুন্দৰেই ধ্বংসৰ কাৰণ।''

জীৱনৰ মতে এই যুদ্ধ-বিগ্ৰহৰ, ৰাষ্ট্ৰৰ বিৰুদ্ধাচৰণ কৰাৰ কিয় দৰকাৰ। ইমান সুন্দৰ মনুষ্য জীৱন লাভ কৰিছো। তাক এই অসৎ কামৰ বাবে কিয় উৎসৰ্গা কৰিব লাগে। সকলো মানুহৰে ভগৱানে প্ৰদান কৰা এই সুন্দৰ জীৱনটো নিজৰ ইচ্ছামতে উপভোগ কৰিব লৈ দিব লাগে। এই সমগ্ৰ পৃথিৱীখনটো মানুহৰে অধীনত তাতনো আকৌ ভাগ কৰা কিহৰ দৰকাৰ। সকলোৱে সুন্দৰ ভাৱে থাকি মনুষ্যত্বৰ উৎকৰ্ষ সাধন কৰিলেই হ'ল। আক্ৰমণ কৰাজনো একেই ভগৱানে সৃষ্টি কৰা তেজ-মঙহেৰে গঢ়া আৰু আক্ৰমণ প্ৰতিৰোধ কৰাজনো একেদৰেই গঢ়া। তাৰ এজনৰ মৃত্যুৱে মাতি আনিব পাৰে কোনোৱা এটা পৰিয়াললৈ

অমানিশা। ৰাজনীতিৰ মেৰপাকত পৰি বা আন কিবা কাৰণতেই হওঁক কোনো দোষ নকৰাকৈ সেই সৈনিকজনৰ পৰিয়ালে পাৰ কৰে এক যন্ত্ৰণাকাতৰ জীৱন।

লাহে লাহে পশ্চিমৰ আকাশত পূৱৰ বেলিটোৱে নিজৰ অস্তিত্বৰ বিসৰ্জন দিব খুজিছে। পক্ষীবোৰে জাক পাতি নিজৰ বাহলৈ উভতিছে। জীৱনৰ মনত পৰিল কেশৱ মহন্ত দেৱৰ 'মন মোৰ উৰি গুচি যায়' কবিতা ফাঁকি। মনত পৰাত সি গুণ গুণালে।

জীৱনে পশ্চিমৰ আকাশখনলৈ চাই ভাৱিলে তাৰ প্ৰাণতো এদিন সীমান্তৰ সেই বিশাল পৰ্বতমালা হঠাতে নোহোৱা হৈ যাব পাৰে। তাৰ এতিয়াও মনত পৰে সেই দিনটোলৈ যিদিনা সেই পাহাৰৰ একাঁ-বেকাঁ পথত তাৰ বন্ধু জশৱন্ত সিঙে সিহঁতক বচাবলৈ গৈ নিজকে আহুতি দিছিল। ঘটনাটো হ'ল — এদিন জীৱনৰ কেম্পৰ কেদাৰসকলে আন এটা কেম্পলৈ গৈ আছিল তেতিয়া হঠাতে উগ্ৰপন্থীৰ এটা দলে সিহঁতৰ ওপৰত গুলী বৰ্ষণ কৰে। তাৰ লগৰবোৰে তৎক্ষণাত প্ৰত্যুত্তৰ প্ৰদান কৰি এক সুৰক্ষিত স্থানত অৱস্থান লয় আৰু ৰেডিঅ' যোগে সহায়ৰ বাবে আহ্বান কৰা হৈছিল। উগ্ৰপন্থীৰ দলটোৱে সিহঁতৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলেহেতেন যদিহে জশৱন্তে সন্মুখলৈ গৈ সেই উগ্ৰপন্থী কেইটাক গুলীৰে থকা সৰকা নকৰিলেহেতেন। সিহঁতৰ প্ৰাণ বচাবলৈ আৰু ভাৰতৰ মান ৰক্ষাৰ বাবে সেই পাঞ্জাৱী যুৱকজনে নিজকে বিৰ্সজন দিলে আৰু শ্বহীদ বুলি ঘোষিত হ'ল। তাৰ শৰীৰটো উগ্ৰপন্থীৰ গুলীত ছিন্ন-ভিন্ন হৈ পৰিছিল। তাৰ মাক যি দৰে আওলি বাওলি হৈ কান্দিছিল জীৱনে কোনো প্ৰকাৰে নিজকে সান্তনা দিব পৰা নাছিল। হঠাৎ তাৰ ধ্যানত আহিল যে জশৱন্তৰ বিয়া ঠিক হৈ আছিল। তাৰ সেই জীৱনৰ আগন্তুকৰ বা কি হ'ল তাইৰ কিজানিবা চকুপানীৰে বাট নেদেখা হৈ গৈছিল আৰু ভৱিষ্যতৰ সপোন দেখাৰ আগতেই ভাগি গৈছিল। জীৱনৰো যদি এনেদৰে হঠাতে দেশৰ বাবে দহৰ বাবে, শ্বহীদ হোৱাৰ সময় আহে! তাৰ মনটো আত্মগৌৰৱেৰে ভৰি উঠিল। নিজৰ দেশৰ তিনিবৰণীয়া পতাকাখন বুকুৰ মাজত লৈ চিৰদিনৰ বাবে চকুমুদাটো কিমান গৌৰৱৰ কথা। ধেৎ! কি যে ভাবিছে সি, তেন্তে তাৰ মাকৰ কি হ'ব, তেওঁতো জীয়াই থাকিব নোৱাৰিব, কিন্তু মই তেওঁক কব খুজিছো যে তুমি তোমাৰ সন্তানক বুকুৰ মাজৰ পৰা উলিয়াই দেশৰ লাখ-লাখ নিমাখিত জনতাৰ প্ৰাণ ৰক্ষাৰ বাবে আগুৱাই দিছা, তুমি মহান মাতৃ আৰু দেউতাক ক'ব খোজো যে তুমি পুত্ৰ গৌৰৱেৰে গৌৰান্বিত হ'ব পাৰিবা যে তোমাৰ পুত্ৰ এজন সাহসী শ্বহীদ। ধন্য মাতৃ-পিতৃ যিয়ে নিজৰ হাতেৰে তুলি-তালি ডাঙৰ-দীঘল কৰি সেই পথত আগবঢ়াই দিব পাৰিছে।

ধেৎ! কি যে মানুহ সি, সি জানে জোনালীয়ে তাক স্কুলত পঢ়াৰ দিনৰ পৰা বেকাকৈ হলেও এবাৰ চায় আৰু তাৰ মনতো কিবা কৰি যায় কিন্তু তাৰ তাইক কথাটো ক'বলৈ যেন সাহসেই নহয়। ইমান ভাল ছোৱালী তাই। মাক-দেউতাকৰ একমাত্ৰ সন্তান। জীৱনৰ মতে, ছোৱালীবোৰৰ ভিতৰত তায়েই কিজানি বেছি ধুনীয়া তাইৰ আগত তাক নিজকে বৰ সৰু যেন অনুভৱ হয়। সি যদি কেনেবাকে শ্বহীদ হয় হয়তো তাই মনে মনে বহুত কান্দিব, ঘৰৰ মানুহৰ পৰা লুকাই লুকাই। সি যেতিয়া সীমান্তলৈ বুলি ওলাইছিল তাইৰ মনটো সেমেকি উঠা সি অনুমান কৰিব পাৰিছিল। জীৱনে জানে তাই তাক ভাল পায় কিন্তু অতি নিষ্ঠুৰভৱে সি তাইক অৱজ্ঞা কৰি আহিছে কাৰণ সি নিবিচাৰে জোনালী দুখত পৰাটো। সিহঁতৰ প্ৰেম দুয়োটাৰে মনত কোনেও নজনাকৈ ৰৈ যাব আৰু সৃষ্টি কৰিব প্ৰেমৰ আৰু ত্যাগৰ এক অলিখিত কবিতা আৰু হেৰাই যাব হিমালয়ৰ শুকুলা পৰ্বতৰ মাজত।

তাৰ দুচকুৰেদি চকুপানী নিগৰি আহিল। তাৰ সেই শত সহস্ৰ শ্বহীদলৈ প্ৰণাম জনাবলৈ মন গ'ল। যুগ-যুগ ধৰি নিজৰ প্ৰাণ, পৰিয়ালৰ গুৰুত্বক পিছ পেলাই দেশৰ আৰু এই পৃথিৱীৰ পৰা হিংসা আতৰাবলৈ স্ব-ইচ্ছাৰে আগুৱাই আহিছে তেওঁলোকলৈ আপোনা-আপুনি মূৰ দো খাই যায়। তাৰ মনটো ফৰকাল হৈ আহিল কাৰণ সিযে এই মহৎ কামৰ এক অংশীদাৰ, তাৰ জীৱন যেন সফল হ'ল। ট্ৰেইনখন দীঘলীয়া উকি মাৰি দ্ৰুত গতিত আগবাঢ়ি গৈ আছে আৰু নিশা ক্ৰমাৎ গভীৰ হৈ আহিছে জীৱনো লাহে লাহে নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় লৈছে। তাক ৰাতিপুৱা ষ্টেচনৰ পৰা গাড়ীৰে সেনা-বাহিনীৰ মুখ্য কাৰ্যালয়লৈ লৈ যাবহি। আকৌ আৰম্ভ হ'ব তাৰ এক ইচ্ছাকৃত জীৱন।

জীৱনৰ দৰে কিমান যে যুৱকে নিজৰ আপোন ঘৰ, গাঁও-চহৰ, মাক-দেউতাক আৰু আত্মীয় স্বজনক এৰি আহি সেই সংগ্ৰামপূৰ্ণ জীৱনত আগবাঢ়ি যায়। কিমানজনৰ যে মনৰ কথা মনতে সাঁচি ৰাখি দেশৰ বাবে সকলো স্ব-ইচ্ছাৰে ত্যাগ কৰিছে। মহান সেই সৈনিকসকল, মহান তেওঁলোকৰ পিতৃ-মাতৃ। ■



# কবিতা কৰণি

# কবিতা

দীপেন কুমাৰ বড়া
প্ৰাক্তন ছাত্ৰ, ডিগবৈ মহাবিদ্যালয়

পথৰুৱা সপোন এটা বুকুত বান্ধি
নামি আহিছে বৰ্ষাস্নাতা এসুখ
চঞ্চল হৈ আহিছে বসন্তৰ বতাহ
ঘনে ঘনে কঁপিছে বিৰিখৰ ডাল–পাত
চপচপীয়া খাল–ডোঙত
ভেকুলীৰ টোৰটোৰণিয়ে
জয়াল হৈ কৰিছে মৌন সন্ধিয়া।

দেউতাই হাবি জোৰি
সিঁচি দিছিল পথাৰৰ বুকু ভৰা ৰঙ
আইৰ পৰিশ্ৰমৰ মুঠিত আঁতৰিছিল
সীৰলুৱা মাটিৰ ভোক
দেউতাৰ শান দিয়া আকুলতাত
জলমলাইছিল চাৰি ঢাপত
আশাৰ কাচিয়ঁলি ৰ'দ।

আই আৰু পিতাইৰ সপোনৰ বাটেৰে
মই আহিছিলো আইৰ কোলালৈ
স্নেহৰ নিজৰাত সাতুঁৰি–নাদুৰি
কৈশোৰ–শৈশৱৰ পোছাক সলাই
গৰখীয়া উকি এটাৰ সতে
এদিন গুচি আহিছিলো তোমাৰ কাষলৈ।

গাতে লাগি থকা পিতাইৰ ঘাম নিগৰা পথাৰৰ
সেউজীয়া পাহাৰটোৰ বুকুৰেদি বওৱা বাই
নামি আহিছিল হেঁপাহৰ চঞ্চলতা
নিশা এপৰলৈ ৰংমনৰ বাঁহীৰ সুৰত
ভাঁহি থাকে বুকুৰ বিননি
এবুকু লুণীয়াৰ সতে পাৰ কৰিছো
বহু উজাগৰী ৰাতি।

নজনাকৈ পাৰ হ'ল বহু ঋতু
নোকোৱাকৈ পাৰ হ'ল বহু কথা
মন চঞ্চল বয়সতে এৰি থৈ আহিছিলো
তোমাৰ বুকুত জেতুকাবুলীয়া সপোন এটা
যি সপোনৰ পাছে পাছে
কোনেও নজনাকৈ আজিও ঘূৰি ফুৰিছো

আবতৰীয়া বৰষুণ জাকত তিতি তিতি
মই গুচি আহিছো তোমাৰ কাষলৈ
তোমাৰ পদূলিৰ মাধুৰিফুলৰ গোন্ধটোৱে
মোক চঞ্চল কৰি তুলিছে
নঙলা খোলাৰ শব্দত জিলিকিবনে
খিৰিকি মুখৰ মোৰ চিনাকি উশাহ।■

# বন্ধুত্ব

প্ৰজ্ঞানজ্যোতি কাত্যায়ণ
স্নাতক প্ৰথম ষান্মাসিক (কলা)

নিমগ্ন একাগ্ৰচিত্তে আমি
আগুৱাই যাওঁ ব'ল,
তাতে কি হ'ল
আমি ককাই-ভাই।

মাতৃ-পিতৃৰ সপোনক
কৰি বাস্তৱত ৰূপায়িত
আনৰ বাবে নহয়
কেৱল নিজৰ
ভৱিষ্যৎ উজ্জ্বল কৰিবলৈ।।

হেৰাই যাবলৈ নিদিওঁ
তোৰে মোৰে এই
বন্ধুত্বৰ দিন-লিপি সদৃশ এনাজৰী
বন্ধুত্বৰ ভাৰেৰে আগুৱাই যাম
তাতে কি হ'ল
আমি ককাই-ভাই।।■



# My Best Friend

**K. Divya Rao**
H.S. 1st year (Commerce)

It was then, when I first went to school,
I was shy and sitting on the last as a fool,
She then, came to me and asked my name
In recess we played a game.
She became a best friend of mine,
Our friendship was so pristine and so divine
Then I was just eight,
We played beside the school gate
Sometimes I felt sad,
She made me laugh
Pretending to be mad.
I just laughed, looked at her
Oh! these days!
Those days were just like a dream.
Days seemed to be better
Because we were toghther
One day She told me very low
I will have to go
I remember....
It was the first day. I saw her crying.
She took my hands in her hands
And said, "We shall always be best friends."
That days I cried a lot
For the diamond, I lost
But now I know
Far away she had gone
Far away she had gone!■

# The World

**Ria Seal**
H.S. 2nd year

The world is like a looking glass;
If you smile it smiles,
If you frown, it frowns back.
If you look through great glass,
All seems red and rosy;
If through a blue, all blue;
If through a smoked one,
All dull and dingy.■

# The Bond of Friendship

**Subham Jaiswal**
B. Sc. 1st sem.

The bond of friendship,
The bond with no boundaries left.
Or the first boundary of depth,
Is really that?

Is friend the next name of trust,
No one can be afar, and its must.
Is it the feeling of sharing?
Or bon that needs caring?

Vast is the relation,
Best ever in creation.
The best Bond in nature,
Above any treasure!

No sorry, No thanks,
Oh! the rules of friends.
The bond of friendship sire like seed,
"The friend in need is a friend indeed."■

# পৰা হ'লে

ঝৰ্ণা ঠাকুলী
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)

পৰা হ'লে ঘূৰাই আনিলোহেঁতেন
হেৰাই যোৱা শৈশৱৰ স্মৃতি
পৰাহ'লে লিখিলোঁহেঁতেন
মনোৰম শব্দৰ এখনি দীঘলীয়া পত্ৰ
নতুবা লিখিলোঁহেঁতেন
বুকুৰ কেঁচা শোণিতেৰে এটি জীপাল কবিতা
পৰা হ'লে লিখিলোঁহেতেন
বেদনাময় জীৱনৰ
এখন দীঘলীয়া ৰচনা। ■

# আঘোণ

অঞ্জুমণি মৰাণ
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)

আঘোণ মানেই যেন
কৃষকৰ বুকুৰ এখন
সোণোৱালী চাদৰ

আঘোণ মানেই যেন
দাৱনীৰ হাতৰ
চিক্‌মিক্ কাঁচিখনিৰ কেঁচ-কেঁচ শব্দ

আঘোণ মানেই যেন
সোণটি ককাইৰ
বিৰিয়াৰ মেটমৰা ডাঙৰি ভাৰৰ
সোণগুটিৰ জিৰিক্-জিৰিক্ নাচোন

আঘোন মানেই যেন
পথাৰৰ-নৰানিত বহি
ৰবাব টেঙা আৰু পকা সুমথিৰাৰ
জুতি লোৱাৰ মুহূৰ্ত

আঘোণ মানেই যেন
নিয়ৰসিক্ত এখন
দূৱৰিৰ দলিচা। ■

# নৈৰ ঘাটত লগ পোৱাৰেপৰা

দীপাংকৰ ফুকন
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)

নৈৰ ঘাটত জোনটি বৈ আছিল
আৰু আনটো মূৰত মই
পছোৱাজাকে চিনাকী কৰি দিয়াৰেপৰা
বিষাদ মিশ্ৰিত এটি উম্মনা সুৰ
সাগৰৰ বুকুৰে অহৰহ বৈ থাকে
কলিজাত এটি চেতন প্ৰতিবিম্ব
হাতৰ তলুৱাত গজি উঠিল বননি
সেই বননিৰ মাজে মাজে
যাযাবৰ হৈ ভ্ৰমি ফুৰোঁ মই
এতিয়া ইয়াত দিন-ৰাতি বুলি একো নাই
সকলো সময়তে আকাশত জোন
আৰু সাগৰৰ ফেনবোৰে
আকাশত জিলিকি
জোনৰ সতে কথা পাতেচোন। ■



# ৰঙাবেলিৰ আবেলি

পল্লৱজ্যোতি মৰাণ
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)

নৈ পাৰত মই
পাখি কোবাই উৰি যোৱা
এহালি শৰালি হাঁহ,
পাখিৰ শব্দৰে শুনো মই
পানীৰ কুলু কুলু শব্দ
ডিঙিমেলি চাও
ক'তা ...!
নিৰব নিস্তব্ধ।
অভিমানে আমুৰাই
অনুভৱে ৰিঙিয়াই,
আকাশৰ ৰং আৰু
তোমাৰ মন
মোক নুবুজায়।
বৰ্ষাবনৰ আবেলি
বিষন্নমনৰ গধূলি
নৈ পাৰৰ মন
হেৰাই যেনিতেনি।
শুনিচানে এটিবাৰ
নদীৰ পাৰে পাৰে ওমলা
টিপ টিপ টিপচি চৰাইৰ শব্দ
য'ত থাকিও নাথাকে হেজাৰ জন
আবেলি হয় নিৰব্ নিস্তব্ধ। ■



# মাতৃভূমি

দিপশিখা বৰুৱা
স্নাতক চতুৰ্থ ষাণ্মাসিক (বাণিজ্য)

সত্বা তুমি আমাৰ
জন্ম হৈছোঁ আমি তোমাৰ কোলাত
তোমাৰ বুকুতে ৰচোঁ আমোঘ স্বপ্ন
তোমাৰ ৰঙেৰে ৰঙীণ আমি
তোমাৰ ধ্বনিৰে ধ্বনিময়
তোমাৰেই সুৰেৰে আমাৰ
জীৱনৰ গান
মানিছোঁ নিজকে ধন্য
জন্ম লাভ এই ভূমিত
কতজন শ্বহীদৰ পবিত্ৰ তেজেৰে
পুলকিত তুমি
নিজ ভূমিপুত্ৰক হেৰুৱাই
দুঃখিত হ'লা তুমি
তথাপি তুমি আজিও পীড়িত
দ্বিখণ্ডিত কিম্বা ত্ৰিখণ্ডিত
কৰিছে সকলোৰে তোমাক বিভাজিত
এতিয়াও তুমি হৈ আছা ধীৰ স্থিৰ
সকলোকে স্থান দিছা হৃদয়ত
মৰমেৰে একতাৰে বান্ধি ৰখাৰ
স্বপ্ন লৈ মনত
মাতৃত্বৰ ডোলেৰে বান্ধি ৰখা
তুমি আমাৰ মাতৃভূমি
সঁচাকৈয়ে অপৰূপা জননী জন্মভূমি। ■

# মোৰ বৰ ভয় লাগে পৰিচয় দিবলৈ

**মাধুৰী মৰাণ**
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)

মোৰ বৰ ভয় লাগে পৰিচয় দিবলৈ
মই যে কঙাল খেতিয়কৰ জী
অতিকে আপোন অসম দেশৰে
বৰ ভয় লাগে মোৰ
পৰিচয় পোৱাৰ পাছত যদি
সৌ দ খাৰৈটোলৈ দলিয়াই পেলোৱা হয়
মোৰ নিষ্প্ৰাণ দেহ
পিতাইক লৈ মই বহুত সুখী
মোৰ কঙাল পিতায়েতো নাজানে
আলু-পিয়াজৰ দৰে বিবেক বেচিবলৈ
মোৰ পিতাইৰ হৃদয়খন সেউজীয়া
সেউজীয়াত ডুব যাব খোজা এজন সাধাৰণ লোক
সেইবাবেই মোৰ বৰ ভয় লাগে
এইখন দেশত
পিতাইৰ দৰে মানুহ জাহ যায়
সন্ত্ৰাসত, শোষণত, দমনত
অথবা অধিকাৰ বিচাৰি গৈ
গণেশগুৰিৰ আবেলিত। ■

# প্ৰতিবাদী কণ্ঠ

**নিৰ্মালী বসুমতাৰী**
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)

সিহঁতৰ আমাৰ নিচিনাই আছে আঁহ-পাহ
অথচ সিহঁতৰ শৰীৰৰ গঠন প্ৰখৰ-উজ্জ্বল
হৃদয়ৰ মাটি ওঁঠৰ জোনাক
সিহঁতে চিনি নাপায়
মৌন হৈয়ে আছোঁ
ওঁঠ কামুৰি সহিছোঁ বিবৰ্ণ অত্যাচাৰ
দুৱাৰ খিৰিকী জপাই শুনিছো
হাত-ভৰি ছিগা মানুহৰ ভয়াৰ্ত চিঞৰ
মৌন হৈয়ে আছোঁ
যদিওবা বাহিৰত প্ৰতিবাদৰ সৰৱ বৰষুণ
ভিতৰি ভিতৰি গুজৰি গুমৰি
কামুৰি আছোঁ কলম
খামুচি আছোঁ অনুভৱৰ স্ফোৰণ
মৌণতা মানেই সকলো অত্যাচাৰ মানি লোৱা নহয়
মৌনতা মানে হ'ব পাৰে প্ৰতিবাদ
ধ্বংসৰ বিৰুদ্ধে সৃষ্টিৰ
হিংসাৰ বিৰুদ্ধে অহিংসাৰ
যুদ্ধৰ বিৰুদ্ধে শান্তিৰ সৰৱ প্ৰতিবাদ।

# My Papa

**Syeda Nurba Hasmin**
H.S. 1st year (Arts)

He's there when I wake
He's there when I sleep
He's there when I am not
He's there when I am

Joy, love, caring is he
Friendly, helpful is he too
Careful, educated he who is
My Papa is all these and more.

Papa's love to me is more than words
Daddy's words are loving ones
Father's love is there when I'm not
Papa is more to me than words can ever say.

Who can take away that bond
Father and daughter
No one at all only he
But will he ? Never

What is it
How can be
But no one knows
Only my papa knows.■



# Home

**Rajnandini Gogoi**
B.A. 6th Semester

Amidst pleasures and places though we may roam
Be it ever so humble, there is no place like home
A charm from the sky seems to follow us there
Although sought the homes, not everywhere

Hence, Home! sweet home
There is no place like home
An exile from home is a tear in the heart

Oh! give me back
The bird's singing
And thatched roof again
Give me the peace of mind
Home! Home! Sweet home
There is no place like home.■

# অনাগত সূৰ্যলৈ

দুৰ্গামায়া ছেত্ৰী
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

পুৱাই যেতিয়া আন্ধাৰ আঁতৰাই
সোৰবৰণীয়া পোহৰেৰে
গোটেই জগত চিকমিকাই তুলিব
তেতিয়াৰ সেই সূৰ্যলৈ মোৰ এটাই প্ৰাৰ্থনা
সি যেন মোৰ দেশৰ বাবে
নিতৌ ন-ন সুখবৰ আনে
সি যেন মোৰ দেশৰ বাবে
নব্য-সুন্দৰ সপোন ৰচে
হে অনাগত সূৰ্য
তুমি কালিলৈ উদয় হওঁতে
তোমাৰ অহিংসাৰ মনোভাবেৰে
সকলোৰে মাজত সমতা প্ৰতিষ্ঠা কৰাঁ
তোমাৰ সোণবৰণীয়া সিন্ধ কিৰণেৰে
জাতি-ধৰ্ম-বৰ্ণ-ভাষাৰ মাজত
একতা প্ৰতিষ্ঠা কৰা
সি, তুমি, তাই, মই
সকলোকে এক কৰি তোলা
এয়ে আহ্বান তোমালৈ
হে অনাগত সূৰ্য।■

# ঘূৰি আহাঁ তুমি

ভৈৰৱী মেছ
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

নিৰৱতা আৰু নিস্তব্ধতাৰ মাজত যেন বৈ আছে সকলো
মাথোঁ তোমাৰ অপেক্ষাত

ৰঙা বেলিয়েও পাহৰি গৈছে নিজৰ ৰং
সাগৰেও নিজৰ সৌন্দৰ্য পাহৰিছে
তুমিতো নাজানা এই পৃথিৱী কিমান উকা
তোমাৰ অবিহনে

সৌ দূৰণিত নিজৰাও বৈ আছে
কাৰোবাৰ পৰশৰ অপেক্ষাত
গছৰ কুমলীয়া পাত যেন মৰহি গৈছে
মৰুময় হৈ পৰিছে আজি প্ৰেমৰ বননি

শৰতৰ দূবৰিত নিয়ৰৰ মুকুতামণি নসৰে
সৰে মাথোঁ বিষাদৰ তপত চকুলো

সেইবাবে
ঘূৰি আহাঁ তুমি
পুৱাই দিয়া এই পৃথিৱী

তোমাৰ পৰশত নাচি উঠক সকলো
বৈ থকা বতাহজাকো ব'বলৈ ধৰক
বসন্ত নামক এই ধৰালৈ
ঘূৰি আহাঁ তুমি-ঘূৰি আহাঁ।■

# এদিন আহিবা

শ্ৰেয়সী পাল
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

হৃদয়ৰ সমস্ত গোপনীয়তাৰে আহিবানে বাৰু
সজাবলৈ মোৰ হৃদয়ৰ কোঠা
এদিনৰ বাবে দিবানে অকণমান জোনাক
হৃদয়ৰ কোঠাত সজাই থ'ম প্ৰেম নামৰ বসন্ত সুবাস।

এদিনৰ বাবে তুমি আহিবানে মোৰ কাষলৈ
ভালপাবানে জানি
তেতিয়াই উঠিব উথলি মোৰ শুভ্ৰতাৰ জোনাক-লাজ
মাথোঁ এদিনৰ বাবে
ব্যগ্ৰতাৰে অপেক্ষা কৰিম তোমাৰ চিঠি
অথবা তোমাৰ ফোনলৈ
তোমাৰ জোনাকত বিচাৰি চাম নিজক
এদিনৰ বাবে মই বাৰে বাৰে তোমাৰ হ'ম
ভাললগা আৰু ভালপোৱা কথাৰে হৃদয়ৰ চিনাকি হ'ম
তোমাৰ চঞ্চলতা, তোমাৰ কোমলতা সকলো সজাম
মোৰ শব্দকাতৰ অনুভূতিৰে
কথা পাতিম সুখ দুখ আৰু জীৱনৰ

মাথোঁ এদিনৰ বাবে মোৰ হৃদয়ৰ ভিতৰলৈ আহিবা
জুমি চাবা আকাশৰ ৰং, নদীৰ গভীৰতা
তুমি অহাৰ পিচত নিজক এবাৰ চুই চাম
কিনো উজ্বলতাত উজ্বলি উঠে হৃদয়ৰ কোণবোৰ
কিনো সুবাসেৰে উন্মনা হয় উকা হৈ পৰা ডায়েৰীৰ পাতবোৰ
মাথোঁ এদিনৰ বাবে দিবানে অকণমান জোনাক
বিচাৰি চাম নিজক ভালপোৱাৰ এমুঠি বিশ্বাস লৈ
আকুল হ'ম মাথোঁ এদিনৰ বাবে
হঠাৎ আৰম্ভ হৈ কেতিয়াও শেষ নোহোৱা এটি কবিতাত■

# MOM'S MAGIC

**Priyanka Sharma**
B.A 4th sem

Nothing like mom's love
Is unique in this universe.
Nothing like mom's blessings
Can protect you from any Curse
Nothing like mom's cooking
Can be so tasty and delicious.
Nothing like mom's words
Can be valuable and precious.
Nothing like mom's hands
Can Soothe when you are unhealthy.
Nothing like mom's advice
Can make you so trustworthy.
Nothing like mom's care
Can help you to grow and prosper.
Nothing like mom's sacrifice
Can lead you to acquire a bright future.■



# বৈ আছোঁ মই

হীনা আহমেদ
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

সন্ধিয়াৰ নিৰ্জনতাত
উৰি ফুৰিব ধৰিছে জোনাকীবোৰ
চৌদিশে আন্ধাৰৰ মাজত
জিলিকি থকা এটি কিৰণৰ দৰে...

জীৱন বাটত অলেখ সপোনৰ খিলখিলনি
বিচাৰি ফুৰিলোঁ পৰিধিবিহীন আকাশৰ মাজত
জীৱনৰ অৰ্থ

কত দিন কত বছৰ
মনত নাই
প্ৰেমৰ তিক্ত শিহৰণে
জোকাৰি যোৱা জীৱনত
বৈ যোৱা উঁহেচীয়া সপোনবোৰ
আজিও বুকুত লৈ
বৈ আছোঁ মই
তোমালৈ বাট চাই।■

# বহাগ জানো আহিব

তৰুণ শইকীয়া
প্ৰাক্তন ছাত্ৰ

হঠাৎ এদিন ভাইটি নোহোৱা হ'ল
ইকাণে সিকাণে শুনিলোঁ
ভাইটি হেনো উগ্ৰপন্থী হ'ল
দেশৰ বাবে হাতত তুলি ল'লে বন্দুক
আৰু এদিন মোৰ তেজাল ভাইটোৰে
কোনোৰে সেনানীৰ হাতত
প্ৰাণ আহুতি দিলে
বিহু দেখোন পালেহিয়েই
গাঁৱৰ পদূলি উদুলি মুদুলি
সমনীয়াৰ মাজত ভাইটিক নেদেখি
আয়ে হিয়া ঢাকুৰি কান্দিলে
পিৰালিতে বহি পিতাই জলকা লাগিল
মৰমৰ ভনীটিয়ে উচুপি-উচুপি কান্দিলে
কাৰ বাবে গামোচাত বাচিলোঁ ফুল
দাদা দেখোন এতিয়াও নাহিল ঘূৰি
উৰুঙা ঘৰত
উকা পদূলিত
আমাৰ বাবে বহাগ জানো আহিব■

# সময়ৰ বোকোচাত হেনো আহিয়ে আছে বেলি

সৌৰভ শইকীয়া
স্নাতক দ্বিতীয় যাণ্মাসিক

পাহাৰটোৰ ওপৰত
ওফোন্দ পাতিছে ৰাতিৰ জোনে
পাহাৰৰ সিটো মূৰত দিনটো হেৰাল
সি উভতি নাহে
একেদৰে উভতি নাহে
ৰ'দে পোৰা মানুহ
ঘামৰ পথাৰ
আৰু ঘামত হেৰোৱা মানুহৰ মাত
প্ৰচণ্ড ৰ'দত তুমৰলি বন্ধা
নীৰৱ দুপৰটো
ঠেঙত গুজি চৰাইৰ
হেপাঁহবোৰ উভতি নাহে।
বোকাত পোত যোৱা ম'হৰ গোঁ-গোঁৱনি
চিফুঙৰ সুৰ হৈ উভতি নাহে
পথাৰৰ মানুহবোৰ হৈ পৰে
একো একোটা পাথৰ
বুকুত পোখা মেলে আঘাতৰ
কাঁইটিয়া লতাই
পেটৰ জ্বলা জুইৰ দুখবোৰ
ৰু-ৰুকৈ জ্বলে
নিজকে হেৰুৱাৰ দুখত
সিহঁতে কান্দে
এতিয়া কেৱল আন্ধাৰ
পথাৰত সেমেকি উঠে
আৱতৰীয়া ধূলি
জোনাকে ওমলাই জোনক
সময়ৰ বোকোচাত উঠি হেনো
আহিয়েই আছে বেলি।■

# Instead

**Pabitra Tamang**
B.A. 4th sem

What I want is to be a little girl who is loved
Insted of abused
A little girl who laughs
instead of cries in the dark because
She is afraid
A little girl who knows she is a Princess
because her daddy is the King of Kings
Instead of the man who visit each
night to molest
A little girl who lives with a family that is kind,
and has dinners together and plays together
But that is just a dream, because that little girl
is no where to be found...
Instead I am fighting moving
forward in my healing because I just
Want to go back and change all the
Ugly memories I have.
To make things right.
But I can't... and it hurts!!! ■



# তৰা

ঝৰ্ণা লিম্বু
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

মই যেতিয়া সৰু আছিলোঁ
তেতিয়া তুমি সম্পূৰ্ণ আছিলা
তোমাৰ বিনন্দীয়া ৰূপটো কেতিয়াবা
আকাশৰ তলত আৰু কেতিয়াবা
খিৰিকিয়েদি চাইছিলোঁ
তেতিয়া তোমাৰ ভৰা মুখখনে
মোক বৰকৈ আকৰ্ষিত কৰিছিল
এতিয়া তুমি
কোন ঠাইৰ জঞ্জালত পৰিলা জানো
তোমাৰ আনন্দময় মুখখনিত
পোহৰৰ তীব্ৰ বিশ্লেষণ ঘটিবলৈ ধৰিছে
আৰু তুমি
আধা জিলিকা উজ্জলতাহীন হৈ পৰিলা

এতিয়া তোমাৰ মুখখন
সম্পূৰ্ণ হৈয়ো আধৰুৱা যেন লাগিছে
তোমাৰ উজ্জ্বলতা যেন
অভেদেৰে যোগ-বিয়োগ হ'ব ধৰিছে

জানো তোমাৰ সকলো ঠাই সহ্য হোৱা নাই
সেইবাবে গুচি যাব ধৰিছা
তথাপিও আশা কৰিছোঁ
তোমাৰ সেই সম্পূৰ্ণ আত্মৰূপটো চাবলৈ।■

# The Counting Nature

**Alisha Pather**
B.Com 6th Sem

What it is to look all around?
The 'flowers' that bloom
And the 'fruits' on the ground.
'Capturing the eyes'
And hearing the sound
"My heart blossoms in the beauty I found"
When I look at the brids chirping!
And the gentle wind that I feel!
What can be more lovelier than this
Than the grass that touches my heel!!
Above the ground that is green and dry
And beneath the sky that is blue and so high
At the midst I stand opening my arms
With the wind that touches me without causing any harm.
I wonder "How can people be so selfish?"
Harming all these !!
When the nature feed them all they want.
And that too without any ease!!■

# সমাজৰ দাপোণত ডিগবৈ মহাবিদ্যালয়

একোখন উচ্চশিক্ষানুষ্ঠানৰ উত্তৰণৰ ইতিহাস ইয়াৰ চৌপাশৰ সমাজখনৰ লগত অংগাংগীভাৱে জড়িত হৈ থাকে। অৰ্দ্ধশতিকা গৰকা ঐতিহ্যমণ্ডিত ডিগবৈ মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নহয়। নৱসংযোজিত এই শিতানটিত সামাজিক দৃষ্টিকোণৰ পৰা আমাৰ মহাবিদ্যালয়খনক পোহৰাই তুলিবলৈ যত্ন কৰা হৈছে। আশা কৰা হৈছে —এই সামাজিক অৱলোকনে মহাবিদ্যালয়খনক যথাৰ্থৰূপত তুলি ধৰাৰ লগতে সঠিক দিকনিৰ্দেশনাও দান কৰিব। আমাৰ এই প্ৰয়াসক সাফল্যমণ্ডিত কৰি তুলিছে ডিগবৈৰ কেইগৰাকীমান সমাজসচেতন, বয়োজ্যেষ্ঠ বিশিষ্ট ব্যক্তিয়ে। আমাৰ নিৰ্দিষ্ট প্ৰশ্নৰ আঁত ধৰি তেখেতসকলে মহাবিদ্যালয়খনৰ সন্দৰ্ভত আগবঢ়োৱা সুচিন্তিত অভিমতসমূহ শ্ৰদ্ধাসহকাৰে প্ৰকাশ কৰা হ'ল।

– সম্পাদক

আমাৰ প্ৰশ্ন ঃ

১। ডিগবৈ মহাবিদ্যালয়ৰ সৈতে দীৰ্ঘদিন জড়িত ব্যক্তি হিচাপে মহাবিদ্যালয়খনৰ উত্তৰণ আপুনি কেনেদৰে লক্ষ্য কৰিছে?

২। ডিগবৈৰ প্ৰাচীনতম উচ্চশিক্ষানুষ্ঠান হিচাপে চৌপাশৰ সমাজখনত মহাবিদ্যালয়খনৰ ভূমিকা কেনেধৰণৰ?

৩। প্ৰত্যাহবানমুখৰ অনাগত দিনবোৰত চৌপাশৰ সমাজখনৰ আশা আৰু সপোন পূৰণ কৰিব পৰাকৈ মহাবিদ্যালয়খনক কেনেদৰে প্ৰস্তুত কৰিব পাৰি বুলি ভাবে?

৪। এগৰাকী সমাজসচেতন ব্যক্তি হিচাপে আপোনাৰ মনৰ দাপোণত মহাবিদ্যালয়খনৰ সামগ্ৰিক ভাবমূৰ্ত্তি কেনেদৰে প্ৰতিবিম্বিত হয়?

অভিমত আগবঢ়াইছে –

অৰুণা দত্ত – প্ৰাক্তন শিক্ষয়িত্ৰী
সৌমাৰ বিদ্যাপীঠ, ডিগবৈ

পুণ্য শইকীয়া – প্ৰাক্তন অধ্যক্ষ
সৌমাৰ বিদ্যাপীঠ, ডিগবৈ
ব্যংগ লেখক, কবি

হিতেন্দ্ৰ নাথ শৰ্মা – প্ৰাক্তন অধ্যক্ষ
মাৰ্ঘেৰিটা মহাবিদ্যালয়
শিক্ষাবিদ, কবি

ৰাধাকান্ত গগৈ – প্ৰাক্তন প্ৰধান শিক্ষক
ডিগবৈ হাইস্কুল
শিক্ষাবিদ

দ্ৰোণকান্ত বৰুৱা – প্ৰাক্তন অধ্যক্ষ
বিবেকানন্দ বিদ্যালয়, ডিগবৈ
ঔপন্যাসিক, কবি

ৰূপালী বৰা – অধ্যক্ষা
সৌমাৰ বিদ্যাপীঠ, ডিগবৈ



# অভিমত (১)

মৰমৰ

দীপাঞ্জল,

প্ৰথমে তোমাক আৰু ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ লগত জড়িত সমূহ ব্যক্তি আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যক মোৰ আন্তৰিক মৰম আৰু শুভেচ্ছা জনালো।

তুমি মোক এনেকুৱা এটা সময়ত এটা লিখনিৰ বাবে অনুৰোধ কৰিলা যেতিয়া বয়সে, স্মৃতিয়ে বাৰে বাৰে প্ৰতাৰণা কৰে। কথাবোৰ পাহৰণিৰ গৰ্ভত হেৰাই যোৱাৰ উপক্ৰম হৈছে।

লিখি গৈছো ক'ৰবাত কিবা তথ্য দাঙি ধৰোতে ভুল হ'লে নিজ গুণে শুধৰাই ল'বা।

১৯৬৫ চনৰ কথা। ডিগবৈৰ কেইজনমান বিদ্যানুৰাগী, উৎসাহী ব্যক্তিৰ প্ৰচেষ্টাত ডিগবৈৰ বহুতদিনৰ উচ্চশিক্ষাৰ এটা অভাৱ পূৰণৰ অভিলাষে ডিগবৈ মহাবিদ্যালয়ৰ জন্ম দিছিল। সৌমাৰ বিদ্যাপীঠত অস্থায়ীভাবে কলেজৰ পাঠদান আৰম্ভ হৈছিল। উচ্চ শিক্ষাৰ প্ৰতি হাবিয়াস থকা কিছু ছাত্ৰ ছাত্ৰী আৰু তেওঁলোকক পঢ়ুৱাবলৈ কেইজনমান মহৎ ব্যক্তিক শিক্ষক ৰূপে ডিগবৈলৈ আমন্ত্ৰণ কৰি আনিলে। তাৰে ভিতৰত মোৰ মনত থকাত–স্বৰ্গীয় বিমল গগৈ, স্বৰ্গীয় কান্তেশ্বৰ ডেকা, স্বৰ্গীয় তৰুণ দাস, শ্ৰী মদন চৌধুৰী, শ্ৰী স্বদেশ কান্তি ৰায়চৌধুৰী আৰু বহুতো।

ডিগবৈ কলেজত তেতিয়া চাকৰি কৰা পুৰুষ মহিলাৰ বাবে নৈশ শ্ৰেণীৰো ব্যৱস্থা কৰা হৈছিল। আৰু আজি মই বৰ আনন্দৰে ক'ব খুজিছো যে, নৈশ শ্ৰেণীৰ মই একমাত্ৰ মহিলা ছাত্ৰী আছিলোঁ।

৮৯ বছৰীয়া তোমালোকৰ আইতা ডিগবৈ মহাবিদ্যালয়ৰে ছাত্ৰী আছিলোঁ।

Down memory lane - তোমালোকে মোক লিখিবলৈ এটা সুযোগ দি মোৰ অতীতৰ সোণালী দিনলৈ ঘূৰি যোৱাৰ এটা সুযোগ দিলা। তাৰ বাবে অশেষ ধন্যবাদ যচিলো তোমালোকলৈ।

মোৰ দৃষ্টিত মহাবিদ্যালয় খনৰ উত্তৰণ উল্লেখনীয়। অস্থায়ী বাসগৃহৰ পৰা আজিৰ এই বিশাল ৰূপ। চকুৰ আগতেই অভূতপূৰ্ব উত্তৰণ। কেৱল বাহ্যিক ৰূপতেই নহয়, শিক্ষাগত অৱস্থাৰো আমূল পৰিৱৰ্তন ঘটিলে। আজি ডিগবৈ কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ বিভিন্ন পৰীক্ষা সমূহত যিদৰে সুনাম অৰ্জন কৰিছে, সেয়া অতি গৌৰৱৰ বিষয়। বিভিন্ন বিষয়ৰ পাঠ্যক্ৰম, নতুন নতুন বিষয়ৰ শিক্ষাদানে মহাবিদ্যালয়খন দেশৰ অন্য বহুতো আগবঢ়া মহাবিদ্যালয়ৰ লগত সমানে যোৰ মাৰিব পাৰিছে। এতিয়া তোমালোক ভৱিষ্যৎ প্ৰজন্মৰ হাততেই আৰু অধিক উত্তৰণৰ দায়িত্ব আহি পৰিছে। ন-ন প্ৰযুক্তি বিদ্যা, ন-ন পাঠ্যক্ৰমো ডিগবৈ মহাবিদ্যালয় যদি কেতিয়াবা ডিগবৈ বিশ্ববিদ্যালয়লৈ উন্নীত হয় তাতকৈ আৰু আনন্দৰ কথা কি হ'ব পাৰে?

ডিগবৈৰ প্ৰাচীন একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান হিচাপে ডিগবৈ মহাবিদ্যালয়ে এটি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ডিগবৈকে কেন্দ্ৰ কৰি ইয়াৰ চৌপাশৰ এক বৃহৎ অঞ্চল - মাৰ্ঘেৰিটা, লিডু, পেঙেৰী, টিংৰাই, বগাপানী, বালিজান, বৰজান, ভাদৈপাঁচ আলি আদি কৰি এক বৃহৎ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে একমাত্ৰ উচ্চ শিক্ষাৰ স্থল আছিল ডিগবৈ মহাবিদ্যালয়। ইয়াৰ পৰা এটা কথা সহজে অনুমেয় যে, ইয়াৰ চৌপাশৰ সমাজখনত এই মহাবিদ্যালয়ৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ। এগছি চাকিয়ে যেনেকৈ দশোদিশ পোহৰাই তোলে ঠিক তেনেকৈ ডিগবৈ মহাবিদ্যালয়ে এক বিস্তৃত অঞ্চল জ্ঞানৰ পোহৰেৰে আলোকিত কৰিছে।

এই মহাবিদ্যালয়ৰে বহুতো ছাত্ৰছাত্ৰীয়ে সমাজত এক উচ্চস্থান দখল কৰিবলৈ সক্ষম হৈছে। এক শিক্ষিত, প্ৰতিষ্ঠিত নাগৰিক হিচাপে চিনাকী দিব পাৰিছে।

জীৱনটোৱেই এক বৃহৎ প্ৰত্যাহ্বান। জীৱনৰ প্ৰতিটো অভিজ্ঞাই শিক্ষা। ''Education is nothing but the continuous reconstruction of experience'' অৰ্থাৎ শ্ৰেণীকোঠাৰ মাজত আবদ্ধ শিক্ষা কেৱল শিক্ষা নহব। এই ক্ষেত্ৰত শিক্ষকৰ ভূমিকা যেনেকৈ অতি গুৰুত্বপূৰ্ণ ঠিক তেনেকৈ শিক্ষা গ্ৰহণ কৰোঁতাৰ ভূমিকাও সমানে গুৰুত্বপূৰ্ণ। শিক্ষাগত অৰ্হতাৰে এজন মানুহ কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। নৈতিক চৰিত্ৰও সমানে বলিষ্ঠ হ'ব লাগিব। এতিয়াৰ অসহিষ্ণু পৃথিৱীখনত নৈতিক ভাবে বলিষ্ঠজনহে টিকিব পাৰিব। প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰিব পাৰিব লাগিব।

একো প্ৰত্যাহ্বানেই অভেদ্য নহয়। কেৱল লাগে অদম্য ইচ্ছাশক্তি আৰু এটা সুনিশ্চিত লক্ষ্য। একো বাহিৰা আকৰ্ষণ আৰু মিছা মৰিচীকাই যেন তোমালোকক তোমালোকৰ লক্ষ্যৰ পৰা অপসাৰিত কৰিব নোৱাৰে, এনে এক মনোবল লাগিব। তোমালোকক যেন পৰমপিতাই সুমতি দিয়ে, সকলো প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ নিজক প্ৰস্তুত কৰিব পাৰা।

মোৰ বাবে ডিগবৈ মহাবিদ্যালয় অতি আপোন। যেনেকৈ মোৰ কৰ্মস্থলী সৌমাৰ বিদ্যাপীঠ মোৰ বুকুৰ আপোন, ঠিক তেনেকৈ ডিগবৈ মহাবিদ্যালয়ো মোৰ অতি শ্ৰদ্ধাৰ আৰু মৰমৰ অনুষ্ঠান। কেৱল এই বাবেই নহয় যে মোৰ পাঁচোটা সন্তানক ডিগবৈ মহাবিদ্যালয়েই গঢ় দিছিল এনে নহয়, এই বিস্তৃত অঞ্চলটোৰ কিমান যে সন্তানক ভৱিষ্যৎ গঢ় দিছিল এই মহাবিদ্যালয়ে তাৰ পৰিসংখ্যা মই দাঙি ধৰিব নোৱাৰো।

এই অতি মহোমোহা প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত অৱস্থিত ডিগবৈ মহাবিদ্যালয়ৰ সৌন্দৰ্য আৰু ধুনীয়া কৰিছে ইয়াৰ শৈক্ষিক পৰিবেশ আৰু শিক্ষক শিক্ষয়িত্ৰীসকলৰ নিৰবছিন্ন প্ৰচেষ্টাই।

তথাপিও মই আকৌ, আকৌ দোহাৰিছো, এখন শিক্ষা অনুষ্ঠানৰ সফলতা-বিফলতা নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰতহে। ডিগবৈ মহাবিদ্যালয়ক জাকতজিলিকা কৰিবৰ বাবে যিমান পাৰি সিমান চেষ্টা কৰা, চেষ্টা কৰা। তোমালোকৰ শিক্ষক শিক্ষয়িত্ৰী সদায় তোমালোকৰ লগত আছে।

ডিগবৈ মহাবিদ্যালয়ৰ অতীত গৌৰব অক্ষুন্ন ৰাখিবলৈ অহৰহ প্ৰচেষ্ঠাত ব্ৰতী হোৱা।

মই জানো তোমালোকৰ সফলতা সুনিশ্চিত। তোমালোকৰ ঐকান্তিক চেষ্টাৰে সৰ্বাংগ সুন্দৰ হওক ডিগবৈ মহাবিদ্যালয়।

জয়তু ডিগবৈ মহাবিদ্যালয়।

ধন্যবাদ।

ইতি

তোমালোকৰ আইতা

**অৰুণা দত্ত**

ইটাভাটা ডিগবৈ।



# অভিমত (২)

১) উত্তৰণ লক্ষ্য কৰিছোঁ। মহাবিদ্যালয় খনৰ দৈহিক অৱয়ব ডাঙৰ হ'ল। পৰিকাঠামোগত দিশৰ পৰা চকুত লগা ধৰণৰ হ'ল। এনেয়েও ডিগবৈ কলেজৰ চৌপাশে প্ৰকৃতিয়ে অকৃপণ হাতেৰে বেৰি–কুৰি ৰাখিছে। তাতে যোগ হৈছে মানুহৰ অদম্য প্ৰয়াস আৰু নতুন নতুন চিন্তাৰ ইতিবাচক কৰ্ম প্ৰচেষ্টা। ইয়াৰ উত্তৰণ আমি বিচৰা ধৰণেই হৈছে। যি লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি মানুহে একোখন মহাবিদ্যালয় গঢ়ি তোলে– সেই উদ্দেশ্য সফল হৈছে।

২) 'প্ৰাচীনতম' শব্দটো ডিগবৈ মহাবিদ্যালয় খনৰ ক্ষেত্ৰত প্ৰয়োগ কৰাটো বৰ বেছি সঠিক হোৱা নাই যেন লাগিছে। অনুষ্ঠান একোটাৰ জীৱন বুৰঞ্জীত পঞ্চাছ বছৰটো বহুত ডাঙৰ ঘটনা নহয়। বৰং ক'ব পাৰি ডিগবৈ মহাবিদ্যালয় খনে সম্প্ৰতি ভৰ যৌৱনত ভৰি দিছে। চৌপাশৰ সমাজখনত ডিগবৈ মহাবিদ্যালয়ৰ প্ৰভূত প্ৰভাৱ আছে– এইটো অনস্বীকাৰ্য। কলেজ মানেই হ'ল যৌৱন আৰু জ্ঞান চৰ্চাৰ এক মিলন সমাৰোহ। গতিকে 'প্ৰাচীনতম' নহয় আধুনিকতম এখন ডিগবৈ নিৰ্মাণৰ প্ৰশ্নটোহে সবাতোকৈ গুৰুত্বপূৰ্ণ। ডিগবৈ কলেজে সেইটোকে নিষ্ঠাৰে কৰিছে।

৩) আজিকালি 'ছাত্ৰ–ছাত্ৰী' শব্দ দুটাৰ পৰিবৰ্তে 'মানৱ সম্পদ' শব্দ দুটাহে বেছি প্ৰচলিত শব্দ। মানৱ সম্পদ হৈ উঠিবলৈ হ'লে ছাত্ৰ–ছাত্ৰী সকলৰ সৰ্বাঙ্গীণ উন্নতিৰ প্ৰশ্নটোৱে অধিক গুৰুত্ব পাব লাগিব। প্ৰথাগত শিক্ষাতো থাকিবই – তাৰ উপৰিও খেলাধূলা, সংস্কৃতিৰ সন্তুলিত অনুশীলন, সৃষ্টিশীল কাম–কাজ, বৌদ্ধিক অনুশীনলন– মুঠতে নতুন পুৰুষে মনে বিচৰা প্ৰতিটো ইতিবাচক কৰ্ম কাণ্ডই তেওঁলোকে পাব লাগে। মই ডিগবৈ কলেজৰ গ্ৰন্থাগাৰটো দেখিছোঁ। ই নিঃসন্দেহে ছাত্ৰ–ছাত্ৰী সকলৰ কাৰণে জীৱনৰ সঞ্জীৱনী সুধা আহৰণৰ এক মধু–ভাণ্ড, একোখন কলেজৰ গ্ৰন্থাগাৰটো প্ৰকৃতাৰ্থত জ্ঞান–ক্ষুধা নিবৃত্তিৰ প্ৰধান উপকৰণ, লগতে মহাবিদ্যালয় খনৰ বিশাল চৌহদটোৰ বৌদ্ধিক মান নিৰ্ণায়ক একপ্ৰকাৰ বেৰোমিটাৰ। জীৱনৰ যিকোনো প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ গ্ৰন্থাগাৰটোৱেই ছাত্ৰ–ছাত্ৰীক সক্ষম কৰি তুলিব পাৰে। সমাজখনৰ আশা আৰু সপোনবোৰ পূৰ্ণ কৰিবলৈকে এই উচ্চশিক্ষাৰ প্ৰতিষ্ঠান বিলাকৰ জন্ম। সকলোৱে নিষ্ঠা আৰু সৰ্বাত্মক সহযোগিতাৰে কাম কৰি গ'লে প্ৰত্যাহ্বান গ্ৰহণ কৰাটো তেনেই সহজসাধ্য হৈ উঠিব বুলি মোৰ বিশ্বাস।

৪) আশাপ্ৰদ। প্ৰীতিপদ। প্ৰেৰণাদায়ক। ডিগবৈ কলেজৰ ভাবমুৰ্তিয়ে বহু পৰিমাণে ডিগবৈ আৰু ইয়াৰ উপকণ্ঠৰ বহুদূৰলৈকে অন্য এটা ভাবমূৰ্তিৰ সৃষ্টি কৰে। ডিগবৈ কলেজৰ ছাঁটো আৰু অধিক দীৰ্ঘায়িত হওক তাকে মই সৰ্বান্তঃকৰণেৰে কামনা কৰোঁ

পুণ্য শইকীয়া



# অভিমত (৩)

শ্ৰীমান দীপাঞ্জল বৰগোঁহাই
সম্পাদক,
ডিগবৈ মহাবিদ্যালয় আলোচনী –২০১৬–১৭ ইং বৰ্ষ
স্নেহভাজনেষু,

''সমাজৰ দাপোণত ডিগবৈ মহাবিদ্যালয়'' শীৰ্ষক নতুন শিতানটোলৈ মই সৰ্বান্তঃকৰণে আদৰণি জনালোঁ। এইখন দাপোণৰ প্ৰতিফলনে অকল ডিগবৈ মহাবিদ্যালয়ৰ মুখপত্ৰখনকে নহয় উচ্চ শিক্ষাৰ ক্ষেত্ৰত মহতী বৰঙণিৰে অবিভক্ত ডিব্ৰুগড় জিলাৰ ভিতৰতে এখন অগ্ৰণী অনুষ্ঠানৰূপে জন মানসত স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হোৱা আমাৰ পৰম শ্ৰদ্ধাৰ এই মহাবিদ্যালয়খনকো বিশিষ্টতা দান কৰিব। এই বিশিষ্টতা হ'ব প্ৰতিনিয়ত সামাজিক অৱলোকন আৰু বিশ্লেষণৰ যুক্তিনিষ্ঠ বিচাৰৰ দ্বাৰায় সঠিক দিগদৰ্শনৰ। এই প্ৰস্তাৱনাৰে মোৰ 'অভিমত'ৰ বকলাখন মেলিলোঁ।

১) এখন মহাবিদ্যালয়ৰ উত্তৰণ প্ৰসংগটোৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে উচ্চশিক্ষাৰে শিক্ষিত হৈ উন্নত স্তৰৰ অভিজ্ঞতা আয়ত্ব কৰি নিজকে এটা ইতিবাচক দৃষ্টিভংগী আৰু সামাজিক জীৱনবোধৰ অধিকাৰী কৰি ল'ব পৰা চামৰ পিছত চাম যুৱ প্ৰজন্মক নিজৰ নিজৰ পৰিয়ালটোৰ উপৰিও দেশ আৰু দহৰ সামূহিক কল্যাণ সাধনৰ প্ৰতি দায়বদ্ধ কৰি উলিয়াই পঠিয়াব পৰাৰ বিষয়টো। সামূহিক কল্যাণৰ প্ৰক্ৰিয়াটোৰে সামৰি ল'ব লাগিব জাতীয় সংস্কৃতি আৰু ঐতিহ্যৰ কেন্দ্ৰীয় ধাৰণাটোৰ সম্যক উপলব্ধি, শিল্প সাহিত্যৰ প্ৰতি ৰুচিবোধ, জীৱন আৰু জগত সম্পৰ্কে এক বিজ্ঞান সন্মত দৃষ্টিকোণ আৰু মানুহৰ প্ৰতি মমত্ববোধ। স্বাধীনতাৰ পৰৱৰ্তী প্ৰথম দশক কেইটাত কটন কলেজৰ পৰা যি কেইটা চামৰ ছাত্ৰ-ছাত্ৰী ওলাই আহিছিল মোটামুটিকৈ সেই আহিঁৰ। দ্বিতীয় চৰ্তটো হ'ল মৌলিক চিন্তাৰ বিকাশ সাধন।

এই কথা কেইটা মনত ৰাখি ডিগবৈ মহাবিদ্যালয়ৰ সুদীৰ্ঘ ৫২ বছৰীয়া আয়ুস কালৰ কৃতি সমূহলৈ লক্ষ্য কৰিলে এটা ধাৰণা হয় যে আৰম্ভণিৰ প্ৰথম বাৰটা বছৰত মহাবিদ্যালয়খনে গুণগত দিশত প্ৰত্যয়জনক ভাৱে আগবাঢ়িছিল। সেইকাৰণে পদমৰ্যাদা সম্পন্ন আৰু আৰ্থিক ভাৱে স্বচ্ছল পিতৃ-মাতৃসকলে তেওঁলোকৰ সন্তান সকলক ডিগবৈ মহাবিদ্যালয়ত পঢ়িবলৈ দিছিল। সমগ্ৰ মাৰ্ঘেৰিটা মহকুমাৰ ল'ৰা-ছোৱালী সকলে নিৰ্দ্বিধাই উচ্চ শিক্ষাৰ উপযুক্ত ক্ষেত্ৰ হিচাপে বাছনি কৰি লৈছিল এইখন মহাবিদ্যালয়ক। কাষৰীয়া উত্তৰ-পূব সীমান্ত অঞ্চল (NEFA) ৰো ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন ক্ষেত্ৰও আছিল ডিগবৈ মহাবিদ্যালয়। খুব নগণ্য সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে ডিগবৈ মহাবিদ্যালয়ক চেৰাই বাহিৰত পঢ়িবলৈ ওলাই গৈছিল। সেই সময়ৰ শিক্ষক সকলকো ডিগবৈৰ সমাজখনে সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক দিশ সমূহত নেতৃত্ব দিবৰ বাবে আদৰণি জনাইছিল। সেই সময়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰায় ভাগেই ভৱিষ্যৎ জীৱনত হৰেক ক্ষেত্ৰত বৃত্তিগত সাফল্য আৰু কৃতিত্বৰে নিজৰ পৰিয়ালকে নহয় লগতে চৌপাশৰ সমাজখনকো গৌৰবান্বিত কৰিছে। এইটো নিঃসন্দেহে মহাবিদ্যালয়খনৰ বাবে এক উজ্জ্বল কৃতিত্ব।

বহু বিলাক কাৰণত আৰু বিশেষকৈ ১৯৭৯ চনৰ পৰা ১৯৮৬ চনলৈ ৰাজ্যজোৰা বিদেশী বহিষ্কাৰ আন্দোলন অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনক বাৰুকৈ ক্ষতিগ্ৰস্ত কৰিছিল। ডিগবৈ মহাবিদ্যালয়েও এই অস্থিৰতাৰ দ্বাৰায় আক্ৰান্ত হৈছিল। ইয়াৰ পাৰ্শ্বফল সমূহ পৰৱৰ্তী বছৰবোৰত চলি আহিছিল। কিন্তু বৰ্তমানৰ অধ্যক্ষ গৰাকীয়ে আশাশুধীয়া প্ৰচেষ্টা, বলিষ্ঠ নেতৃত্ব, সাহস, গতিশীল ব্যক্তিত্ব আৰু প্ৰশাসনিক দক্ষতা আদি অতীব প্ৰয়োজনীয় গুণেৰে মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি আটাইৰে চকুত লগা কৰিব পাৰিছে। এতিয়া ডিগবৈ মহাবিদ্যালয় তেজোময়, দীপ্তিমান আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আটাইতকৈ ভাল মহাবিদ্যালয় কিখনৰ

এখন। আন এটা উল্লেখনীয় গৌৰৱৰ কথা হ'ল পদাৰ্থ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰৱৰ্ত্তন।

২) ডিগবৈ মহাবিদ্যালয় ডিগবৈৰে নহয় মাৰ্ঘেৰিটা মহকুমাৰে আটাইতকৈ পুৰণি উচ্চ শিক্ষাৰ অনুষ্ঠান আৰু এই মহাবিদ্যালয়ৰ পোহৰে মহকুমাটোৰ লগতে কাষৰীয়া অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া জিলা কেইখনকো পোহৰাই আহিছে। এই মহাবিদ্যালয়খন নোহোৱাহেতেন হয়তো কেবা হাজাৰো আৰ্থিকভাৱে অসুবিধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাই সৃষ্টি কৰা সুচল সমূহৰ পৰা বঞ্চিত হ'লহেতেন। চৌপাশৰ গোটেইখন সমাজৰ আৰ্থিক সচ্ছলতাৰ প্ৰধান কাৰক হৈছে ডিগবৈ মহাবিদ্যালয়ে ল'ৰা-ছোৱালীবোৰৰ লগতে বুজন সংখ্যক মেট্ৰিক বা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ডেওনা অতিক্ৰম কৰিয়ে শিক্ষাজীৱন সামৰিবলগীয়া হোৱা লোকক দান কৰা উচ্চ শিক্ষা সামৰিবলগীয়া হোৱা লোকক দান কৰা উচ্চ শিক্ষা সাহিত্য-সংস্কৃতিৰ লগতে বিজ্ঞানৰ প্ৰভাৱ বিস্তাৰ কৰাৰ ক্ষেত্ৰতো ডিগবৈ মহাবিদ্যালয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আইছে। এই প্ৰভাৱৰ ফলতে তাহানি অসম তেল কোম্পানীৰ ভিতৰ চ'ৰাত পদ মৰ্যাদাৰ সৈতে সমান্তৰাল ভাবে চলি থকা সামাজিক স্তৰীকৰণৰ প্ৰক্ৰিয়াটো লাহে লাহে আঁতৰি গৈ সমান সামাজিক অধিকাৰৰ ব্যৱস্থা প্ৰৱৰ্তিত হয়।

অনা-পাঠ্য কিন্তু সহযোগী ক্ৰিয়া সমূহৰ ক্ষেত্ৰতো ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন আঞ্চলিক প্ৰতিযোগিতাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে বছৰি অনুষ্ঠিত কৰি অহা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ সাংস্কৃতিক প্ৰতিযোগিতাবোৰত অংশ গ্ৰহণেৰে পদক অৰ্জন কৰি মহাবিদ্যালয়ৰ মুখ উজলাই আহিছে। এয়া নিশ্চয়ে প্ৰশংসনীয়।

৩) সকলো সময়তে কিছুমান প্ৰত্যাহ্বান থাকিবই, কেৱল প্ৰত্যাহ্বানবোৰৰ চেহেৰা সময় অনুসাৰে বেলেগ বেলেগ । বৰ্তমান সময়ৰ সংকেত অনুসৰি ভৱিষ্যতে আহিব পৰা প্ৰত্যাহ্বান বোৰৰ ভিতৰত প্ৰধান প্ৰত্যাহ্বান হ'ব আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক সঞ্চৰণশীল সৰ্বাত্মক মৌলিকতাৰ বিকাশ আৰু সেই মৌলিকতা যি কোনো ধৰণৰ সমস্যাৰ ক্ষেত্ৰত উপযুক্ত ধৰণে প্ৰয়োগ কৰিব পৰাৰ ক্ষমতাৰ আৰু সেই মৌলিকতাক যি কোনো ধৰণৰ সমস্যাৰ ক্ষেত্ৰতে উপযুক্ত ধৰণে প্ৰয়োগ কৰিব পৰাৰ ক্ষমতাৰ ক্ষীপ্ৰ অনুশীলন। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিন্তন আৰু মননৰ কাৰণে অভ্যাস গঠনৰ ওপৰত শ্ৰেণী কোঠাৰ ভিতৰে-বাহিৰে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে যথোচিত গুৰুত্ব দিব লাগিব। পুথিভঁৰালত গৈ দৈনিক বাতৰি কাকত কিখন পঢ়াৰ জৰিয়তে দেশ-দুনিয়াৰ খবৰ জনাৰ অভ্যাস কৰাতোও অতি জৰুৰী হ'ব। পাঠ্য-পুথি সমূহো পঢ়াৰ অভ্যাস কৰাৰ তাগিদা ছাত্ৰ-ছাত্ৰীসকলে যাতে উপলব্ধি কৰে সেই পিনেও শিক্ষক-শিক্ষয়িত্ৰীসকলে মনোযোগ দিব লাগিব।

৪) আজিৰ অৱস্থাত ডিগবৈ মহাবিদ্যালয়ৰ স্থিতি যথেষ্ট উন্নত মানৰ।

হিতেন শৰ্মা



# অভিমত (৪)

ডিগবৈ মহাবিদ্যালয় আলোচনী (২০১৬-১৭)ত প্ৰকাশৰ বাবে ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আমাক সম্বোধি লিখা এখন চিঠি আমাৰ হাতত পৰেহি। উল্লেখিত আলোচনীত ''সমাজৰ দাপোনত ডিগবৈ মহাবিদ্যালয় শীৰ্ষক'' এটি নতুন শিতানত অভিমত প্ৰকাশৰ বাবে কেইগৰাকীমান বয়োজ্যেষ্ঠ বিশিষ্ট ব্যক্তিৰ লগতে আমাকো অনুৰোধ জনোৱা হৈছে। ইয়াৰ বাবে আহ্বায়ক মণ্ডলীলৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা থাকিল। প্ৰচুৰ সম্ভাৱনাৰে সমৃদ্ধ এটি উচ্চ শিক্ষাৰ অনুষ্ঠান সম্পৰ্কত নিজৰ অভিমত প্ৰকাশৰ সুযোগ লাভ কৰাটো যি দৰে গৌৰৱৰ কথা, ঠিক একেদৰে ইয়াক অতি সহজ বিষয় বুলিও গণ্য কৰিব নোৱাৰি। কাৰণ, বিহংগম দৃষ্টিতে কিছু কথা সামৰি ল'লেও কিছুমান বিষয়ত গভীৰ অৰ্ন্তদৃষ্টিৰ প্ৰয়োজন। আকৌ অন্য এক কথাত অনাগত ভৱিষ্যতৰ বহুতৰে হিৰন্ময় সপোনৰ মহাবিদ্যালয়খন সৰ্ন্দভত নিৰ্দিষ্ট কৰি দিয়া কেইটামান (৪) দিশত আমাৰ অভিমত সীমাৱদ্ধ কৰি ৰখাটো সহজ হৈ নুঠিবও পাৰে।

ইয়াৰ পিছতে উল্লেখ কৰিব পাৰি যে, আহ্বায়ক মণ্ডলীয়ে প্ৰথম খেপতে 'ডিগবৈ মহাবিদ্যালয়ৰ সৈতে দীৰ্ঘদিন জড়িত ব্যক্তি' হিচাপে আমাক কাষ চপাই নিয়াত শংকিত হৈছো এইকাৰণেই যে ২০০০ চনত অৱসৰ গ্ৰহণ ঠিক পিছৰে পৰা মহাবিদ্যালয় খনৰ শৈক্ষিক দিশৰ দুই এটা সৰু-সুৰা বিষয়ত জড়িত হৈ আছো যদিও তাৰ গভীৰতাৰ মাত্ৰা অতি নগন্য।

তথাপি, মহাবিদ্যালয়খনক লৈ সপোন দেখা এজন হিতকাৰী ব্যক্তি হিচাপে নিজৰ অভিমত দাঙি ধৰিবলৈ চেষ্টা কৰিম।

মহাবিদ্যালয় চৌহদত ভৰি থোৱাৰ লগে লগে যি কোনো ব্যক্তিৰে দৃষ্টি নিবদ্ধ হ'ব (প্ৰকৃততে হয়েই) ইয়াৰ চৌপাশে পৰিবৃত্ত মোহনীয় প্ৰাকৃতিক পৰিবেশত। চকুত চমক লগোৱা গম্বোজাকৃতিৰ ইন্দৰ ষ্টেডিয়াম, অনতিদূৰত ময়দানৰ পশ্চিম প্ৰান্তত নিৰিবিলি পৰিবেশত সগৌৰৱে থিয় দি থকা প্ৰকাণ্ড পুথিভড়ালটো, সেউজ বিৰিষৰ আঁৰে আঁৰে টিলাই টিলাই থকা বিভিন্ন বিভাগৰ আটকধুনীয়া ভৱনবোৰ, আধুনিক সা-সুবিধাৰে সমৃদ্ধ চালে চকু ৰোৱা ভৱনকে আদি কৰি অন্যান্য বুনিয়াদী ব্যৱস্থাৱলী মহাবিদ্যালয় খনৰ দ্ৰুত উন্নয়নৰ স্বাক্ষৰ হিচাপে চিহ্নিত হৈ ৰ'ব।

অৰ্ন্তদৃষ্টিৰে যদি লক্ষ্য কৰা যায় তেন্তে ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত প্ৰতিফলন ঘটা পৰীক্ষাৰ উন্নত ফলাফল, বিভিন্ন ক্ষেত্ৰত প্ৰদৰ্শিত দক্ষতা জানো ক্ৰমাগত উজ্বল ভৱিষ্যতৰ স্বাক্ষৰ নহয়। একুৰিৰো অধিক সফল গৱেষক (ডক্টৰেট) শিক্ষক মহাবিদ্যালয় খনৰ বাবে কেৱল গৌৰৱৰ বিষয়নে ? তদুপৰি, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ চেমিনাৰত অতি সফলতা আৰু কৃতিত্বৰে এইসকল শিক্ষকে অংশগ্ৰহণ কৰাটো জানো কম আনন্দ আৰু গৌৰৱৰ কথা। দুই এটা বিষয়ত বাদে প্ৰায় সকলো বিষয়তে প্ৰৱৰ্ত্তন কৰা মেজৰত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰশংসনীয় ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা, একাধিক বিষয়ত স্নাতকোত্তৰ শ্ৰেণী (দূৰ সংযোগ আৰু সাধাৰণ ব্যৱস্থা) প্ৰবৰ্ত্তন কৰি উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হোৱা মহাবিদ্যালয় খনৰ আন্তঃ গাঁথনিকে আদি কৰি প্ৰচুৰ সা-সুবিধা থকা অৱস্থাত মহাবিদ্যালয়খনক স্বতন্ত্ৰ বিশ্ববিদ্যালয়লৈ উন্নীত কৰাত কোনো অন্তৰায় থাকিব নালাগে বুলিয়েই আমি ভাবো। সঁচা কথা প্ৰকৃত অৰ্থত এখন পূৰ্ণাংগ, সৰ্বাংগসুন্দৰ মহাবিদ্যালয় প্ৰাপ্তিৰ পিচত সমাজে এখন বিশ্ববিদ্যালয়ৰ সপোন দেখাটো মুঠেও ভুল হ'ব নোৱাৰে।

মহাবিদ্যালয় এখনৰ চৌপাশৰ সমাজ বুলিলে প্ৰথমে মহাবিদ্যালয়ৰ ভৌগোলিক অৱস্থিতিৰ চাৰিওকাষে থকা সমাজৰ কথাই বুজিব লাগিব। এইখন মহাবিদ্যালয়ৰ চৌপাশৰ সমাজ বোলোতে নগৰ আৰু গ্ৰাম্য সমাজ দুয়োটাকৈ বুজায়। কিন্তু

প্ৰকৃতাৰ্থত মহাবিদ্যালয় খনে সেৱা আগবঢ়োৱা নগৰ আৰু গ্ৰাম্যাঞ্চলো চেবাই গৈ আন্তঃৰাজ্যিক সম্পৰ্কও স্থাপিত হৈছে চুবুৰীয়া অৰুণাচলৰ লগত।

দ্বিতীয়তে, চৌপাশৰ সমাজখনত মহাবিদ্যালয়ৰ ভূমিকা আৰু প্ৰভাৱৰ ক্ষেত্ৰত আমি যোগাত্মক ভূমিকাৰ কথাই উনুকিয়াব লাগিব। যি কোনো চৰকাৰী অনুষ্ঠানৰ ক্ষেত্ৰত সমাজ জড়িতকৰণ (Community involvement) এক প্ৰধান বৈশিষ্ট্য হিচাপে গণ্য কৰা হয়। এনে ক্ষেত্ৰত মহাবিদ্যালয়খনত নিয়োজিত কৰ্মচাৰী, বিভিন্ন সমিতিত স্থানীয় সমাজ সচেতন ব্যক্তিক প্ৰতিনিধিত্ব কৰিবলৈ দিয়াৰ কথা সৰ্বজনবিদিত। সমাজৰ নিম্ন আয়ৰ অৰ্থাৎ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ সন্তানলৈ আগবঢ়োৱা ৰেহাই ব্যৱস্থা, মেধা ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়োৱা উদগণিমূলক বঁটা, শিক্ষামূলক অনাবৃত ভ্ৰমণ আদিও মহাবিদ্যালয় খনত সমাজ জড়িতকৰণ প্ৰকল্পৰে অংশবিশেষ।

ইয়াত বাদেও অৱশ্যে মহাবিদ্যালয়ৰ তৰফৰ পৰিবেষ্টিত সমাজৰ জনগাঁথনি, আৰ্থ-সামাজিক ব্যৱস্থা, সামাজিক সচেতনা আদি বিষয়ৰ সম্যক অধ্যয়ন কৰাৰ লগতে বিভিন্ন বিষয়ৰ সজাগতা প্ৰদানৰ ব্যৱস্থা কৰিব পাৰে। উদাহৰণস্বৰূপে বন গাঁও সমূহত বন্যপ্ৰাণী আৰু বনজ সম্পদ, বন্যপ্ৰাণী সংৰক্ষণ, সামাজিক শান্তি, ন্যায়, সামাজিক পৰিবেশ, গণতান্ত্ৰিক অধিকাৰ, নাগৰিকৰ দায়িত্ব-ভূমিকা আদি সংক্ৰান্তীয় সজাগতা সভা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি এহাতে শিক্ষাৰ্থী সকলক সমাজ আৰু মহাবিদ্যালয় এই দুয়ো পক্ষৰে উপকাৰ সাধিত হ'ব বুলি ভাবো। তদুপৰি, মাজে সময়ে আমাৰ ভিতৰুৱা আৰু আওতীয়া ঠাই বিলাকত অন্ধবিশ্বাসৰ কবলত পৰি ঘটা ঘটনা বিলাক আঁতৰোৱাৰ আশা কৰিব পাৰি। অতি সম্প্ৰতি অস্পষ্ট ৰূপত জনমানসত প্ৰভাৱ বিস্তাৰ কৰা পণ্য সেৱা কৰ(G.S.T) সম্পৰ্কে সম্যক ধাৰণা প্ৰদান কৰিলে সমাজৰ উপকাৰ সাধন হোৱাৰ লগতে মহাবিদ্যালয় খনে সমাজ জড়িতকৰণৰ ভূমিকা পালন কৰা হ'ব।

প্ৰত্যাহ্বানমুখৰ অনাগত দিনবোৰত সমাজখনৰ আশা আৰু সপোন পূৰোৱাৰ ক্ষেত্ৰত আমাৰ নিবেদন কৰিব লগা অভিমত এনে ধৰণৰ — আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অভূতপূৰ্ব পৰিবৰ্তন তথা সফলতাই যি জোঁৱাৰ আনিছে সেই পৰিস্থিতিত তিষ্ঠি থাকিবলৈ হ'লে প্ৰত্যেকেই প্ৰত্যাহ্বানৰ অংশীদাৰ হ'বই লাগিব। বিগত কেইটামান বছৰত যি অপ্ৰমাদী অনিৰুদ্ধ গতিৰে মহাবিদ্যালয় খনে জয়যাত্ৰা অব্যাহত ৰাখিছে ইয়েই এদিন ঈপ্সিত লক্ষ্যত উপনীত কৰাব। ভৌগোলিক স্থিতি, সুস্থ-শৈক্ষিক পৰিবেশ আৰু অন্যান্য আন্তঃগাঁথনিমূলক বুনিয়াদী সুযোগ-সুবিধালৈ লক্ষ্য ৰাখি আমি মহাবিদ্যালয়খন এখন স্বতন্ত্ৰৰীয়া বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাটোহে আমাৰ ব্যক্তিগত অভিমত। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰ কিম্বা বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে নিশ্চয় কিছুমান চৰ্ত (Condition) আৰোপ কৰিব।

মহাবিদ্যালয়খনে যি প্ৰকল্পই গ্ৰহণ নকৰক কিয়, সেই প্ৰকল্প ৰূপায়নৰ বেলিকা মহাবিদ্যালয় কৰ্তৃপক্ষৰ আত্মবিশ্বাস, আত্মপ্ৰত্যয় আৰু প্ৰবল ইচ্ছা শক্তিৰ প্ৰয়োজন হ'ব। ৫০-৬০ দশকৰ ডিগবৈবাসী ৰাইজৰ মহাবিদ্যালয় গঢ়াৰ সপোন সাকাৰ ৰূপ ধাৰণ কৰি সগৌৰৱে ৫১ টা সোণালী বৰ্ষ অতিক্ৰম কৰিছে। আপাততঃ আজিও সমাজৰ যুগান্তকাৰী সপোনে সাকাৰ ৰূপ লাভ কৰিব বুলি আমি যোগাত্মক দৃষ্টি ৰাখিব নোৱাৰোনে?

আমাৰ মনৰ দাপোণত ডিগবৈ মহাবিদ্যালয়ৰ ভাবমূৰ্তি সদায় উজ্বল জ্যোতিষ্ক ৰূপতেই প্ৰতিফলিত হয়। দেশ তথা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত এইখন মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীয়ে বিভিন্ন স্তৰত পদ অলংকৃত কৰা কথাবোৰ মহাবিদ্যালয় খনৰ বাবে কম গৌৰৱৰ কথা জানো! বিদ্যালয়ৰ আমাৰো প্ৰাক্তন কিছু ছাত্ৰ-ছাত্ৰী এইখন মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে ওলায় গৈ বেলেগ বেলেগ ক্ষেত্ৰত স্বপ্ৰতিভাৰে উজ্বলি আছে বিভিন্ন পদবীত। সেইসূত্ৰে ডিগবৈ মহাবিদ্যালয়ৰ কিছু কিছু গৌৰৱৰ বিষয়ত ডিগবৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী প্ৰাক্তন শিক্ষক হিচাপে আমিও অঘোষিত গৌৰৱৰ অধিকাৰী নহয় জানো! প্ৰশংসা আৰু গৌৰৱৰ বৰ্হিপ্ৰকাশেই এটা অনুষ্ঠানৰ ভাবমূৰ্তি, যিটো সততে আমি দেখা পাওঁ ডিগবৈ মহাবিদ্যালয়ৰ ক্ষেত্ৰত।

পৰিশেষত ডিগবৈ মহাবিদ্যালয়ৰ উত্তৰণ গতি অব্যাহত ৰওক, অভিলেখ সৃষ্টিকাৰী অপ্ৰমাদী বিশ্ববিদ্যালয়লৈ উন্নীত হওক —এই কামনাৰে।

শ্ৰীৰাধা কান্ত গগৈ



# অভিমত (৫)

প্ৰথম প্ৰশ্নৰ উত্তৰ ঃ—

ডিগবৈ মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা আজিলৈকে পাঁচটা দশক অতিক্ৰম কৰিলে । এটি অনুষ্ঠানৰ কাৰণে আঁঠৈকুৰি বছৰ কম নহয়। প্ৰতিষ্ঠা কালৰে পৰা এই মহাবিদ্যালয়খনে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজে আগুৱাব লগীয়া হৈছিল যদিও ভালেকেইজন সমাজ সংগঠক দূৰদৰ্শী ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খনে অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হ'ল আৰু বৰ্তমান ডিগবৈ মহাবিদ্যালয়খন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত অন্যান্য মহাবিদ্যালয়সমূহৰ মাজৰ এখন আগশাৰীৰ মহাবিদ্যালয় ৰূপে পৰিগণিত হৈছে।

দ্বিতীয় প্ৰশ্নৰ উত্তৰ ঃ—

১৯৬৪ চনৰ আগলৈকে ডিগবৈকে সামৰি লিডু-জাগুণ, আদি বিস্তীৰ্ণ অঞ্চলত এখনো মহাবিদ্যালয় নাছিল। এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চশিক্ষাৰ কাৰণে তিনিচুকীয়া, ডিব্ৰুগড়, গুৱাহাটী আদিৰ, শিক্ষানুষ্ঠান সমূহত গৈ শিক্ষাগ্ৰহণ কৰিবলগীয়া হৈছিল। আৰ্থিক দিশত দুৰ্বল পৰিয়ালসমূহৰ ছাত্ৰ-ছাত্ৰী সকলৰ অনেকেই উচ্চশিক্ষা লাভকৰাৰ আশা ত্যাগ কৰিব লগাত পৰিছিল। বিগবৈত উচ্চশিক্ষাৰ কাৰণে 'ডিগবৈ মহাবিদ্যালয়খন স্থাপিত হোৱাৰ পাছৰে পৰা এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ অভাৱ বহু পৰিমাণে দূৰ হ'ল। উচ্চশিক্ষা প্ৰদানত ডিগবৈ মহাবিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে যাৰ ফলত সমাজ প্ৰধানকৈ ছাত্ৰ সমাজ উপকৃত হৈছে। ডিগবৈৰ সমাজে পুৰণি এইখন মহাবিদ্যালয়ক লৈ গৌৰৱ কৰে।

তৃতীয় প্ৰশ্ন উত্তৰ ঃ—

ই এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। দ্ৰুত পৰিৱৰ্তনশীল সমাজৰ চাহিদাও দিনক দিনে বৃদ্ধি পাই আহিছে। শিক্ষাই সমাজৰ এনে অভাৱ দূৰ কৰাত প্ৰচুৰ, বৰঙণি যোগাই আহিছে। উপযুক্ত শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা নেথাকিলে বৰ্ধিত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব নোৱাৰে। সেয়ে এই উচ্চ-শিক্ষাৰ অনুষ্ঠান তথা মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ যত্নপৰ হ'ব লাগিব। প্ৰয়োজনতহে একোটা অঞ্চলত উচ্চশিক্ষাৰ একোখন মহাবিদ্যালয় প্ৰতিষ্ঠিত হয়। ডিগবৈ মহাবিদ্যালয়খনো প্ৰয়োজনতহে প্ৰতিষ্ঠিত হৈছিল। গতিকে সমস্যা সমাধানত মহাবিদ্যালয়ৰ গধুৰ দায়িত্ব আছে। এক সুস্থ পৰিৱেশৰ মাজতহে শিক্ষাদান সফল হয়। শিক্ষানুষ্ঠান এখনৰ সামগ্ৰিক সফলতা নিৰ্ভৰ কৰে শিক্ষক আৰু প্ৰশাসকৰ সামূহিক প্ৰচেষ্টাত।

ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰধানকৈ বিদ্যায়তনিক দিশত প্ৰয়োজন হোৱা সামগ্ৰীসমূহৰ অভাৱ হ'ব নেলাগে। সমাজৰ বৰ্ধিত চাহিদা পূৰণৰ কাৰণে সম্ভৱস্থলত নতুন নতুন বিষয় অন্তভূক্ত কৰিলে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব। প্ৰয়োজন অনুভৱ কৰিলে মহাবিদ্যালয়খনে সমাজৰ সহযোগিতা বিচাৰিব পাৰে।

চতুৰ্থ প্ৰশ্ন উত্তৰ ঃ—

যিকোনো এটা অনুষ্ঠানৰ ভাৱমূৰ্ত্তি গঢ় লৈ উঠে অনুষ্ঠানটোৰ সুদীৰ্ঘ কৰ্মৰাজিৰ ফলাফলৰ ওপৰত ভিত্তি কৰি। মহাবিদ্যালয়খনে পূৰ্বৰে পৰা সু-নাম ৰক্ষা কৰি আহিছে। বৰ্তমান এই মহাবিদ্যালয়য়ে সমাজত আদৰণীয় স্থান লাভ কৰিছে।

ডিগবৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ আৰু মহাবিদ্যালয়খনিৰ 'ছাত্ৰ একতা সভা'ই ছাত্ৰ সমাজত একতা সুদৃঢ় কৰক —তাকে কামনা কৰিলোঁ।

দ্ৰোণকান্ত বৰুৱা



# অভিমত (৬)

১) এচিয়া মহাদেশৰ প্ৰথমটি তেল শোধনাগাৰ স্থাপিত হোৱা তৈল নগৰী ডিগবৈৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ হ'ল– ডিগবৈ মহাবিদ্যালয়। ইতিমধ্যে মহাবিদ্যালয়কনে সগৌৰৱে ৫০ টি সোণোৱালী বসন্ত পাৰ কৰিছে। বৰ্তমানৰ যুগ প্ৰতিযোগিতাৰ যুগ। শিক্ষা এতিয়া এক বিশাল ক্ষেত্ৰ। আমি অনুভৱ কৰোঁ শিক্ষাৰ বিশাল শোভাযাত্ৰাত ডিগবৈ মহাবিদ্যালয়খনিয়ে সঠিক পথত অগ্ৰসৰ হৈছে। বাণিজ্যকীকৰণ শিক্ষা ব্যৱস্থাৰ সংকটৰ মাজতো প্ৰতিযোগিতাৰ বিশ্বৃত শিক্ষাৰ্থীসকলক সঠিক পথেৰে আগুৱাই নিবলৈ ডিগবৈ মহাবিদ্যালয়ে অহোপুৰুষাৰ্থ চেষ্টা চলাইছে। মহাবিদ্যালয়ে অকৃপণভাৱে দান কৰিছে জ্ঞানৰ মনি-মুকুতা।

আমাৰ দৃষ্টিত মহাবিদ্যালয়ৰ উত্তৰণ যথেষ্ট চকুত লগা আৰু আশাব্যঞ্জক। শৈক্ষিক দিশতেই হওক, আন্তঃ গাঁথনিৰ ক্ষেত্ৰতেই হওক মহাবিদ্যালয়খনে নিজকে আগুৱাই নিবলৈ সক্ষম হৈছে। প্ৰশাসক শিক্ষক-শিক্ষাৰ্থীৰ সন্মিলিত প্ৰচেষ্টাত এই উত্তৰণ সম্ভৱ হৈছে। বৰ্তমানৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত ইয়াৰ শিক্ষাৰ্থীসকলেই ইয়াৰ উত্তৰণৰ সাক্ষ্য বহন কৰে। শিক্ষক-শিক্ষাৰ্থীৰ যৎপৰোনাস্তি চেষ্টা, কৰ্মোদ্যমে মহাবিদ্যালয়খনিক অধিক আগুৱাই নিব বুলি আমি আশাবাদী। আমাৰ আশা ডিগবৈ মহাবিদ্যালয় ডিগবৈৰ সকলো শিক্ষানুষ্ঠানৰ আৰ্হি আৰু পাথেয় হওক।

২) সুদীৰ্ঘ ৫২ টা বছৰ অতিক্ৰম কৰা ডিগবৈৰ প্ৰাচীনতম শিক্ষানুষ্ঠান ডিগবৈ মহাবিদ্যালয়ৰ ভূমিকা ডিগবৈৰ চৌপাশৰ অঞ্চলত সুদূৰ-প্ৰসাৰী। শিক্ষা হ'ল প্ৰগতিৰ সোপাণ। ই মানৱ সম্পদ উন্নয়নৰ অন্যতম সুচকাংক। ডিগবৈ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ সমাজত মহাবিদ্যালয় খনিৰ ভূমিকা অতি প্ৰাসঙ্গিক। সকলো শিক্ষানুষ্ঠানেই সমাজত ইতিবাচক প্ৰভাৱ পেলাই পৰিবৰ্তন সাধন কৰে। বিভিন্ন স্তৰৰলোকৰ বসভূমি ডিগবৈত জ্ঞানৰ পোহৰ মেলাত মহাবিদ্যালয়খনে বিশেষ পদক্ষেপ লৈছে। এই মহাবিদ্যালয়ৰ পৰা অনেকজনে শিক্ষাগ্ৰহণ কৰি প্ৰতিষ্ঠিত হৈ সমাজলৈ বৰঙণি যোগাইছে। প্ৰতিভাক পোহৰলৈ উলিয়াই অনাৰ ক্ষেত্ৰত ডিগবৈ মহাবিদ্যালয়ৰ ভূমিকা অনস্বীকাৰ্য। আৰ্থিক ভাৱে টনকিয়াল নোহোৱা মেধাৱী শিক্ষাৰ্থীৰ ক্ষেত্ৰত এই মহাবিদ্যালয়ে লোৱা ভূমিকা অতি গুৰুত্বপূৰ্ণ। এনে শিক্ষাৰ দায়িত্ব বহন কৰি মহাবিদ্যালয়য়ে সমাজত অনন্য বাৰ্তা বিয়পাই দিছে। ডিগবৈৰ আৰু চৌপাশৰ সমাজত দুৰ্বল শ্ৰেণীৰ অৱহেলিত সকলৰ সন্তানক শিক্ষাৰ পোহৰ দি সমাজক সুস্থ-সবল কৰি তোলা আমাৰ দৃষ্টিত লক্ষণীয়। তদুপৰি প্ৰকৃতিৰ ৰম্যভূমি ডিগবৈৰ পাৰিপাৰ্শ্বিক ভাৱসাম্য ৰক্ষা, প্ৰকৃতি সুৰক্ষা, জৈৱ-বৈচিত্ৰ্য ৰক্ষাত এই মহাবিদ্যালয়ে অনন্য দায়িত্ব পালন কৰি আহিছে। বৰ্তমানৰ কেৰিয়াৰ সচেতন যুগত নতুন নতুন বিষয়ৰ অন্তৰ্ভুক্তি তথা ইয়াৰ প্ৰসাৰৰ বাবে সা-সুবিধা আগবঢ়াইছে, সেয়াও সমাজৰ কাৰণে গুৰুত্বপূৰ্ণ। বৰ্তমানৰ চৰকাৰী শিক্ষা ব্যৱস্থাৰ মেৰপেছত থাকিও এনেদৰে শৈক্ষিক প্ৰেক্ষাপট জিলিকাই তোলাত মহাবিদ্যালয়ৰ কৃতিত্ব আছে। মই ভাবো চৌপাশৰ সমাজখনত ডিগবৈৰ পুৰণি শিক্ষা-প্ৰতিষ্ঠান হিচাপে ই দিক্-দৰ্শকৰ ভূমিকা পালন কৰি আহিছে।

৩) বৰ্তমানৰ সমাজ প্ৰত্যাহ্বানেৰে ভৰা। বিশ্বায়ন, বাণিজিকীকৰণে আমাৰ শিক্ষা ব্যৱস্থালৈ অশনি সংকেত কঢ়িয়াই আনিছে। এনে ধামখুমীয়াৰ মাজত থাকিও ডিগবৈ মহাবিদ্যালয়ে সমাজলৈ আশাৰ বৰ্তা কঢ়িয়াই আনিছে। মহাবিদ্যালয়ৰ প্ৰতীকত লিপিদ্ধ ''বিদ্যা দদাতি বিনয়''—কথাষাৰে মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাৰ্থীক নম্ৰ, শৃংখলাবদ্ধ, সাংস্কৃতিবান ব্যক্তি হিচাপে গঢ় দিয়াতোৰেই মূল লক্ষৰ কথা সোঁৰৰাই দিয়ে। এই মনোভাৱ হৃদয়ত স্থাপন কৰি কৰ্মত ব্ৰতী হোৱা অনুষ্ঠানটিয়ে সমাজৰ আশা আৰু সপোন দিঠকত পৰিণত কৰিবলৈ আৰু আশাক বাস্তৱত ৰূপায়িত কৰিবলৈ মহাবিদ্যালয় খনিয়ে ইতিমধ্যে

যথেষ্ট পৰিকল্পনা হাতত লৈছে। ইয়াৰ ভিতৰত পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অন্যতম। তদুপৰি প্ৰতি বছৰে উদ্ধগামী হৈ অহা কলা, বাণিজ্য, বিজ্ঞান সকলো শাখাৰ ফলাফলৰ বৈখিক লেখ উনুকিয়াব পাৰি। সমাজৰ উত্তৰণৰ বাবে এই মহাবিদ্যালয়ে সময়ে সময়ে বিভিন্ন কাৰ্য সুচীৰ আয়োজন কৰি আহিছে। বিভিন্ন স্তৰত মহাবিদ্যালয়ৰ শিক্ষক সকলে বিনামূলীয়াকৈ পাঠদান আগবঢ়াই ডিগবৈ অঞ্চলৰ শৈক্ষিক মানদণ্ড উন্নত কৰাৰ চেষ্টা কৰিছে। ডিগবৈ অঞ্চলৰ শৈক্ষিক প্ৰেক্ষাপট উজ্জল যদিও ইয়াৰ দাঁতি কাষৰীয়া অঞ্চল, চাহ বাগিচা অধ্যুষিত অঞ্চল শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পিছপৰি আছে। এই ক্ষেত্ৰত সমাজৰ সকলো স্তৰলৈকে শিক্ষাৰ বাৰ্তা বিলাই দিবলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা তৃণমূল পৰ্যায়ত কিছুমান কাম কৰিব পাৰে। বৰ্তমান প্ৰতিযোগিতাৰ যুগত খাপখাব পৰাকৈ অধিক বৃতিমুখী শিক্ষাদান, বাস্তৱিক জ্ঞান সমৃদ্ধ শিক্ষাদান, দূৰদৰ্শী শৈক্ষিক নীতি, ন ন পাঠ্যক্ৰমৰ সংযোগ আদিৰ সহায়ত ডিগবৈ মহাবিদ্যালয়ে যিকোনো প্ৰত্যাহ্বানৰ লগত মোকাবিলা কৰিবলৈ সক্ষম হব বুলি আমাৰ মনে ধৰে।

৪) ডিগবৈ মহাবিদ্যালয় এনে এক অনুষ্ঠান য'ত অনেকজনৰ সপোনে পোখা মেলে আৰু সাৰ-পানী পাই বট বৃক্ষত পৰিণত হয়। অনেক বিদ্বান বিদুষীৰ কৃচ্ছ সাধনৰ ফল এই মহাবিদ্যালয়। আমাৰ মানসপটত ইয়াৰ সামগ্ৰিক প্ৰতিচ্ছবি অতি পৰিস্কাৰ আৰু উজ্বল। ডিগবৈৰ মুণীয়াবাৰীৰ এটি সাধাৰণ পঁজাঘৰত জন্ম লাভ কৰি এই মহাবিদ্যালয়খনিয়ে এতিয়া বিশালাতয়ন লাভ কৰিছে। কেৱল বিশাল সম্পতিৰ অধিকাৰী হোৱাই নহয়, শৈক্ষিক অনাশৈক্ষিক দিশতো ই আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছে। বৰ্তমান মহাবিদ্যালয়ৰ ৰূপ দেখিলে আমাৰ এনে অনুভৱ হয় যে ইয়াত অভাৱৰ কোনো প্ৰভাৱ নাই। মই ডিগবৈ মহাবিদ্যালয়ত ১৯৭৬-১৯৭৭ চনত প্ৰিঃডিগ্ৰী পঢ়াৰ সুযোগ লাভ কৰিছিলোঁ, তেতিয়াৰ এই অনুষ্ঠানটোৰ লগত আজিৰ অনুষ্ঠানটিৰ আকাশ পাতাল পাৰ্থক্য। মহাবিদ্যালয় খনিৰ শৈক্ষিক দিশত দেখুওৱা সফলতা, কৃতকাৰ্যতাই আমাৰ মন আলোড়িত কৰে। তদুপৰি সাংস্কৃতিক, ক্ৰীড়াক্ষেত্ৰখনতো ই ৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সফলতা লাভ কৰি ডিগবৈৰ এগৰাকী বাসিন্দা হিচাপে আমাক গৌৰৱন্বিত কৰিছে। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী ইয়াৰ জ্বলন্ত উদাহৰণ। এই দিশবিলাকৰ সাৰ্থকতাই মহাবিদ্যালয়খনিৰ অত্যুজ্জ্বল আৰু পৰিচ্ছন্ন ভাবমূৰ্তিৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। আশাকৰোঁ মহাবিদ্যালয়ৰ এই উত্তৰণ শীৰ্ষৰ পৰা শীৰ্ষতৰ হওক। আমি আশাবাদী এই অগ্ৰগতিত কোনো যতি-বিৰামে কোনো দিনেই ঠাই অধিকাৰ কৰিব নোৱাৰিব।■

ৰূপালী বৰা

# সংবাদৰ জলঙাইদি ডিগবৈ মহাবিদ্যালয়


Students taking out a rally on the occasion of Rashtriya Ekta Diwas, in Tezpur on Tuesday
- UB Photos

## Rashtriya Ekta Diwas observed

STAFF CORRESPONDENT/ CORRESPONDENTS

DIBRUGARH, Oct 31: The Digboi College Unit of NSS celebrated Rashtriya Ekta Diwas at Digboi College on Tuesday in commemoration of Sardar Vallabhbhai Patel on his 142nd birth anniversary. In the year 2014, the Government of India declared this day as National Unity Day (Rashtriya Ekta Diwas).

The programme started with a talk on the significance of the day and about the role of NSS activity in the society through Digboi College by Rajib Rudra Tariang, programme officer of NSS, while Kisnor Haloi, assistant program officer, highlighted the purpose of the meeting. Both Tariang and Haloi are Assistant Professors in the Department of Zoology of the college.

The key resource person for the programme was Subhashish Gogoi, Assistant Professor of the Department of Economics of the college. Gogoi spoke on integrity and unity in diversity. He also answered to the queries of the students.

An oath taking ceremony was also conducted by the NSS Digboi College unit in association with the IOCL (Assam Oil Division) and IQAC of Digboi College about the anti-corruption in Hindi, English and Assamese version.

In the morning hours, a students' procession was taken out from the India Club Digboi to the Jubilee Field via Digboi Charali with the slogan against anti-corruption supported by IOCL (Assam Oil Division) along with 14 other schools. A slogan contest was also carried ... ma bagged second prize and Roshan Gupta stood third in HS 2nd year category, while Sourav Choudhary stood first, Sujata Das second and Siba Borah became third in the slogan contest, a release stated.

At Dhubri: To commemorate the 142nd birth anniversary of Sardar Vallabhbhai Patel, Rashtriya Ekta Diwas was observed in various institutions in Dhubri district on Tuesday.

A 'Run for Unity' was also organized from Raja PC Baruah Playground on the occasion, where hundreds of students from various schools and colleges along with officials of district administration and locals took part.

A programme was organised by the Nehru Yuva Kendra at SP Higher Secondary School to enlighten the youths about the contributions of Sardar Patel towards the Unity of the country. In the programme, DIPRO Bikash Sharma, director of NACARDO Binoy Bhattacharjee along with senior teachers of the school and other dignitaries spoke on various aspects of the life and works of the Iron Man of India.

At Kokrajhar: Commemorating the 142nd birth anniversary of Sardar Vallabhbhai Patel, one of the founder fathers of the Republic of India, the Kokrajhar district administration observed the Rashtriya Ekta Diwas here on Tuesday.

On the occasion, a 'Run for Unity' involving all sections of society was organised from Kokrajhar Government HS and MP School to its playground via DC's office and Circuit House.

Deputy Commissioner Niranjan Baruah, while addressing the participants during the flagging ... mutual harmony and the reasons why this day is celebrated. Deputy Commissioner Baruah administered the pledge to the officials and staff of various offices of the district in the conference hall of the DC's Office.

SP Rajen Singh, ADCs Pramad Chandra Barman, Debeswar Bora, Additional SP Taburam Pegu, other officers and staff of government offices attended the programme.

At Haflong: The Rashtriya Ekta Diwas was observed by the Dima Hasao district administration at Haflong on Tuesday along with rest of the nation to mark the birth anniversary of Sardar Vallabhbhai Patel, the Iron Man of India for his contribution towards the nation.

A pledge was also taken for the unity among all and to believe in love and harmony without any division of caste and creed. The programme started with the flagging off of the 'Run for Unity' by executive member of North Cachar Hills Autonomous Council Kulendra Daulagupu and in presence of executive member Ihuing Pame, Deputy Commissioner Deva Jyoti Hazarika, Superintendent of Police Ankur Jain and other government officials.

Around 300 people participated in the run. At the end of the run, Deputy Commissioner Hazarika thanked all the people for their participation.

Other people who spoke on the occasion were EM Ihuing Pame, SP Ankur Jain and representatives from various apex bodies. The programme was also participated by the representatives of various NGOs, school students, members of the Haflong town committee.

**ডিগবৈ মহাবিদ্যালয়ৰ বক্তৃতানুষ্ঠানত ড° নগেন শইকীয়া**

## বিচিত্ৰতা আৰু বৰ্ণাঢ্যতা অসমীয়া সংস্কৃতিৰ অলংকাৰ

প্ৰতিদিন সেৱা, ডিগবৈ, ২৮ আগষ্ট : 'বিচিত্ৰতা আৰু বৰ্ণাঢ্যতা অসমীয়া সংস্কৃতিৰ অলংকাৰ। ইয়াক বিচ্ছিন্নতাৰ কাৰণ বুলি ভাবিব নালাগে।' এই মন্তব্য অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াৰ। ডিগবৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়খনত অলপতে আয়োজন কৰা চৈয়দা অকেলা খানম স্মাৰক বক্তৃতানুষ্ঠানত 'অসমীয়া সংস্কৃতি : পৰিবৰ্তন আৰু পৰিবৰ্ধন' শীৰ্ষক বিষয়ত মূল বক্তা হিচাপে ড° শইকীয়াই অংশগ্ৰহণ কৰে। ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়াই সভাপতিত্ব কৰা অনুষ্ঠানটোৰ আৰম্ভণিতে এটি বৰগীত পৰিবেশন কৰে মহাবিদ্যালয়ৰ ছাত্ৰ জ্যোতিষ্মান নবাণে। অনুষ্ঠানত চৈয়দা অকেলা খানমৰ স্বামী তথা ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ৰফিক হুছেইনে দুআষাৰ কয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মৃণাল কুমাৰ গগৈয়ে আঁত ধৰা অনুষ্ঠানত জ্যেষ্ঠ শিক্ষক পূৰ্ণানন্দ শইকীয়াই মূল বিষয়ত চমুকৈ কয়। বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত মুখপত্ৰ 'মঞ্জৰী' উন্মোচন কৰে বিশিষ্ট সাহিত্যিকজনে। অনুষ্ঠানত দিলীপ ভট্টাচাৰ্য, প্ৰবীণ বৰা, লোক-সংস্কৃতিৰ গৱেষক জয়কান্ত গন্ধীয়া, প্ৰাণকান্ত বৰুৱা আদিৰ লগতে অঞ্চলটোৰ বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু সাহিত্যানুৰাগী উপস্থিত থাকে।

## মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৯ মে' : মেঘালয়ৰ ইউনিভাৰ্ছিটি অৱ ছায়েন্স এণ্ড টেকন'লজি চমুকৈ ইউ এছ টি এমৰ উদ্যোগত আয়োজিত উত্তৰ-পূৱৰ মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হয়। উত্তৰ-পূৱ মহাবিদ্যালয় আলোচনী প্ৰতিযোগিতাত শ্ৰেষ্ঠ আলোচনী হিচাপে স্থান পায় ক্ৰমে ডিগবৈ মহাবিদ্যালয়ৰ 'আলোচনী', যো বি কলেজৰ 'জেবিয়ান' আৰু লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ 'লখিমপুৰ গাৰ্লছ কলেজ মেগাজিন'। এই আলোচনীকেইখনৰ সম্পাদকীয় শাখাকেইটাক কম্পিউটাৰৰ সৈতে প্ৰমাণপত্ৰ আৰু স্মৃতিচিহ্ন প্ৰদান কৰা হ'ব। আনহাতে প্ৰতিযোগিতাৰ [illegible]

## ডিগবৈ মহাবিদ্যালয় 'ষ্টাৰ কলেজ' সন্মান লাভ

প্ৰতিদিন বিশেষ সংবাদ, ডিগবৈ, ২৪ ফেব্ৰুৱাৰী : অসমৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান ডিগবৈ মহাবিদ্যালয়ে লাভ কৰিছে ভাৰত চৰকাৰৰ 'ষ্টাৰ কলেজ' সন্মান। এই সন্মান প্ৰদান কৰিছে ভাৰত চৰকাৰৰ জৈব প্ৰযুক্তিবিদ্যা বিভাগে। কিছুদিন পূৰ্বে এখন পত্ৰ প্ৰদান কৰি কেন্দ্ৰীয় চৰকাৰে মহাবিদ্যালয়খনক এই সন্মান প্ৰদান কৰাৰ কথা ঘোষণা কৰে। এই সন্দৰ্ভত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দীপ শইকীয়াই জানিবলৈ দিয়ামতে মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান বিভাগে বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱাত এই স্বীকৃতি লাভ কৰিছে। উল্লেখযোগ্য যে এইকেইটা বিভাগৰ উৎকৰ্ষ সাধনৰ বাবে কেন্দ্ৰীয় চৰকাৰে আৰ্থিক অনুদান প্ৰদান কৰিব। ইফালে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহৰ মাজত অনুষ্ঠিত মহাবিদ্যালয়ৰ আলোচনী প্ৰতিযোগিতাত ২০১৬ বৰ্ষত ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীয়ে প্ৰথম স্থান লাভ কৰিছে।

## আন্তঃকলেজ সত্ৰীয়া নৃত্য প্ৰতিযোগিতা

প্ৰতিদিন বিশেষ সংবাদ, ডিগবৈ, ৩০ জানুৱাৰী : ডিগবৈ কলেজত অলপতে সদৌ অসম ভিত্তিত আন্তঃকলেজ সত্ৰীয়া নৃত্য প্ৰতিযোগিতা সম্পন্ন হৈ যায়। প্ৰতিযোগিতাত অসমৰ মুঠ ২৩ খন কলেজৰ ২৫ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিশ হেজাৰ টকাসহ যোগেন চন্দ্ৰ খাউণ্ড সোঁৱৰণী বঁটা লাভ কৰে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ চয়নিকা গগৈয়ে। নৰেন্দ্ৰনাথ বৰুৱা সোঁৱৰণী বঁটা আৰু নগদ দহ হেজাৰ টকাৰে কাকজান মহাবিদ্যালয়ৰ বিন্দুমণি মহন্তই দ্বিতীয় পুৰস্কাৰ, তৃতীয় পুৰস্কাৰ নগদ আঠ হেজাৰ টকাসহ চেনিৰাম বৰা বঁটা লাভ কৰে ডিগবৈ কলেজৰ জ্যোতিষ্মান নবাণে। বঁটা প্ৰদান অনুষ্ঠানত ২০১৬-১৭ বৰ্ষৰ কলেজৰ আলোচনীখনো উন্মোচন কৰা হয়।

## Digboi College reaches out to flood victims

STAFF CORRESPONDENT

DIBRUGARH, Aug 26: The National Service Scheme (NSS) of Digboi College unit initiated the post-flood relief programme and distributed some essential materials to the flood-affected victims of the Sumoni Gaon, near Bordhirak of Kakopather under Doomdoma Circle of the Tinsukia district, one of the worst-affected villages of the circle.

This programme was jointly conducted by the NSS, Digboi College unit, the teachers and staff of Digboi College and the 26 Assam (Independent) COY, NCC of Digboi College wing on August 23, a release stated.

Altogether 222 individuals of 46 families with 60 school children and 90 females benefited from the post-flood relief materials. The relief materials included rice, flattened rice, pulse, sugar, oil, milk, horlicks, biscuits, mineral water, candles, soaps, bleaching power, mosquito coil, disinfectants, school copies and books, school bags and related materials (pencil box, pencils, pens, rubber, sharpeners), bedsheets, clothes, diapers. Other essential items for the 90 female victims were also distributed seperately.

Rajib Rudra Tariang, programme officer, NSS, Digboi College unit and assistant professor in the Department of Zoology of Digboi College addressed the villagers of the Sumoni Gaon in the premises of the Sumoni LP School. Gaon Bura Tileswar Moran and M Raha, Latmondal of the Doomdoma Revenue Circle Office also addressed the villagers before the flood relief materials were distributed.

Altogether 23 NSS volunteers led by the Programme Officer, 13 NCC cadets led by Samerjit Singh, Havildar of the 26 Assam (I) COY, NCC, 13 teachers – Tariang, PK Khound, Dr PK Bharati, Dr J Lohkar, Dipesh Mondol, Gauri Buragohain, Dr Kanchan Konwar, Jitu Borah, Subhasish Gogoi, Dr Sangeeta Saikia Baruah, Dr Mamoni Sarma Borthakur, Dr Itu Das and Dr Anamika Neog besides four non-teaching staff along with two police personnel of the Kakopather Police Station volunteered for the distribution of the post-flood relief materials.

# সংবাদৰ জলঙাইদি ডিগবৈ মহাবিদ্যালয়

## Digboi College observes 63rd Wildlife Week

STAFF CORRESPONDENT

DIBRUGARH, Oct 5: As part of the 63rd National Wildlife Week, the National Service Scheme (NSS) of Digboi College organised a quiz competition among the students on Tuesday.

Kishor Haloi, Assistant Programme Officer of NSS conducted the preliminary general round and Rajib Rudra Tariang, Programme Officer of NSS conducted the main round of the quiz with special reference to wildlife of North East India.

The quiz comprised of video, audio, clippings, image and text round. The quiz programme was assisted by Sampreeti Boruah, Assistant Programme Officer of NSS, Digboi College. The first prize for the quiz competition was bagged by Aquif Soleman, Jayanta Das and Kameswar Prasad Gupta, while the second prize was grabbed by Kiron Dey and Subham Jaswal, even as the third prize went to Hirak Jyoti Borgohain, Bikash Tanti and Bishal Karmakar, a release stated.

The National Service Scheme marked the 168th Gandhi Jayanti at Digboi College with the theme, 'National Integration and Swachh Bharat Abhijan'.

The programme started with homage to the Father of the Nation by KN Timsina, Vice-Principal of the College. Md Mojiddul Islam, ex-student of the 1965 batch also paid tribute to Mahatma Gandhi and delivered a speech. Ankita Thakuria, a 5th semester student shared her thoughts about Gandhi Jayanti. An essay competition was also carried out among the students on the theme, 'National Integration and Swachh Bharat Abhijan'. The programme was anchored by Rajib Rudra Tariang and assisted by Kishor Haloi and Sampreeti Boruah, the release added.



### ডিগবৈ মহাবিদ্যালয়

## প্ৰতিষ্ঠা দিৱস

প্ৰতিদিন বিশেষ সংবাদ, ডিগবৈ, ১৭ জুলাই ঃ ডিগবৈ মহাবিদ্যালয়ৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱস ১৫ জুলাইত পালন কৰা হয়। মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী, বৰ্তমানৰ শিক্ষক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অধ্যক্ষ ডঃ দীপ শইকীয়াই। অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ ভট্টাচাৰ্য, শিক্ষক গোটৰ সভাপতি ডঃ তিলক চন্দ্ৰ দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অংশু বৰগোহাঁই, শিক্ষক পূৰ্ণানন্দ শইকীয়া, ছাত্ৰ একতা সভাৰ সম্পাদক খেম বাহাদুৰ চেত্ৰী, ছাত্ৰী কৃষ্ণা মেচে দুআষাৰ কয়।

## डिगबोई से संसद के शीतकालीन सत्र में बैठेंगे महाविद्यलय के दो विद्यार्थी, जिला स्तरीय युवा संसद प्रयोगिता-2017 संपन्न

डिगबोई। तिनसुकिया जिला प्रशासन आज जिला उपायुक्त कार्यालय प्रेक्षागृह में आयोजित जिला स्तरीय युवा संसद प्रतियोगिता-2017 में डिगबोई महाविद्यालय के विधार्थियों ने प्रथम और पांचवा स्थान हासिल किया है। डिगबोई महाविधालय के छात्र नयनज्योति बोरा ने प्रथम और छात्रा मायोलिना बोरा ने पंचमे स्थान हासिल कर सबको गौरवान्वित किया है। इस प्रतियोगिता में जिले के नौ महाविद्यालयों से कुल 43 विधार्थियों ने हिस्सा लिया था। वहीं पूरे जिले से मात्र छह विधार्थियों को चयनित किया गया है, जिन्हें संसद के शीतकालीन अधिवेशन में हिस्सा लेने का मौका मिलेगा। ( निसं )



## Youth parliament contest at Digboi College

STAFF CORRESPONDENT

DIBRUGARH, Nov 1: A college-level national youth parliament competition was held at Digboi College under the direction of the Ministry of Parliamentary Affairs, Government of India, supervised by the district administration, Tinsukia, and conducted by the Department of Political Science, Digboi College, Digboi recently.

In the competition, eight candidates were selected to participate in the district-level competition for the national youth parliament competition 2017.

Subhashish Gogoi, assistant professor of the Department of Economics of the college, acted as the speaker of the college parliament, and Professor Samarendra Bhagawati and Dr Amrit Chandra Deka, both retired professors of Digboi College, acted as judges for the competition.

Jhorna Patgiri, assistant commissioner, Margherita subdivision, attended the competition as the official observer. Dr Arun Chandra Dutta, head of the Department of Political Science and convener of the competition, highlighted the objectives of the programme and explained the rules, regulations and procedure of the parliament to be followed by the participants.

Banjit Kumar Das, Janardhan Borah and Jitu Borah of the Political Science Department assisted in the conduct of the programme. The programme was also attended by Dr Dip Saikia, principal of the college, Kedar Nath Timsina, vice principal of the college, and faculty members PP Sinha, Pradip Dutta, Kishor Haloi, Rajib Rudra Tariang and Pradip Chandra Das.

### ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকৰ ফলাফল

## ডিগবৈ মহাবিদ্যালয়ৰ দুই ছাত্ৰীৰ শীৰ্ষস্থান

প্ৰতিদিন বিশেষ সংবাদ, ডিগবৈ, ১৩ জুলাই ঃ সদ্যঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত ডিগবৈ মহাবিদ্যালয়ৰ দুহিতা দাসে উদ্ভিদ বিজ্ঞান বিভাগত আৰু ইলেক্ট্ৰনিকছত সন্ধ্যা বায়ে প্ৰথম বিভাগত প্ৰথম স্থান লাভ কৰিছে। ইলেক্ট্ৰনিকছত মহাবিদ্যালয়খনৰ দেপায়ন ভট্টাচাৰ্যই দ্বিতীয়, সুস্মিতা গুহই তৃতীয়, আনোৱাৰ হুছেইনে পঞ্চম, চয়ন দাসে ষষ্ঠ, তাৰিক আনোৱাৰে অষ্টম, আনিশ আখতাৰ খানে নৱম স্থান লাভ কৰিছে। তেনেদৰে পদাৰ্থ বিজ্ঞানত বাণ্মিতা বৰুৱাই প্ৰথম শ্ৰেণীৰ সপ্তম, নেহা গুপ্তাই নৱম, অৰ্থনীতি বিজ্ঞানত অনিল ফুকনে পঞ্চম স্থান লাভ কৰিছে। বাণিজ্য মাৰ্কেটিঙত দীপশিখা বৰুৱাই সপ্তম স্থান লাভ কৰিছে। কলা শাখাত অৰ্থনীতিত মহাবিদ্যালয়খনৰ ছাত্ৰী পুনম চন্দাই প্ৰথম শ্ৰেণীৰ সপ্তম স্থান আৰু দৰ্শনত অষ্টম স্থান লাভ কৰিছে হৰেন দাসে।

# Village Up-gradation Drive of NSS: A Report

National Service Scheme (NSS)Digboi College Unit conducted a week long NSS Special Camp (2nd phase)at a very remote village named Saraipung Forest Village, Saraipung under Digboi Forest Division, which is situated about 23 kms away fromDigboi town. This village is surrounded by Saraipung Reserve Forest on three sides and also at the edge of Dehing Patkai WLS in one side. The Saraipung Forest Village was established during 1950s by the forest department and no. of the present household is 86 with 750 individuals with 300 school children. In the said programme the NSS Unit organized several important programme in the remote village from 26th to 31st January, 2017, like school education programme,socio-economic survey, free- veterinary camp with medicines, free-medical camp with medicines, free distribution of mushroom seeds and techniques of cultivation, awareness in health and hygiene and Swatchh Bharat Abhijhan, general cleanliness drive, superstition and anti-witchcraft practices, wildlife conservation and causes of global warming, cultural exchange programme by NSS student volunteers of the college and the villagers and friendly football match.

A team of 25 student volunteers including 8 female students of NSS Digboi College Unit with two teacher-in-charges Rajib Rudra Tariang and Kishor Haloi of the college took active participation in the programme.The programme started with the NSS song presented by the student volunteers, followed by delivering a speech on the purpose of such camp by Rajib Rudra Tariang, Programme Officer of NSS Digboi College Unit, Dr. Dip Saikia, Principal of Digboi College inaugurated the programme by cutting the ribbon in presence of Purnakanth Upadahya, Headmaster of the Saraipung L.P. School, SanjivaniBhumij, Local GaonBura and several others. Dr. Dip Saikia Principal of the college gave speech on how village adaptation by a college can upgrade the villagers' living conditions with the college support through the NSS.

The programme started with mushroom cultivation techniques in the audio-visual display with practical demonstrationto the villagers by two resource person of Digboi Padma Borgohain and Nirmali Mech and assisted by Dipanjol Borgohain a student volunteers. Later, after the technical programme, the mushroom seeds were distributed freely to the villagers.

In the next day, the village school education programme with Morning Prayer during their winter break and all the 25 student volunteers took active participation in the respective classes from 1 to 10 standards, in the stipulated periods for five days continuously. It is to be worth mentioning that, the Saraipung L.P. School has only one teacher for 5 classes from class 1 to 5 standards while the nearest high school is about 8 away. In upper level the drop out ratio is high and the communication system is very poor. Some of the students in 8-9 standards are found to be brilliant but due to lack of facility of transportation and remoteness of location, they are deprived of their basic needs. A parallel session on Free-Veterinary Camp was also organized by NSS Unit and conducted by the Office of the District Animal Husbandry and Veterinary Office, Tinsukia for the domestic cattle which address the various issues like vaccines, treatment, medicines and castration.The veterinary team was led by Dr. Marzina Khatoon, Dhurbajyoti Deb Laskar, Lalit Sonowal, Prasanta Hazarika. The villagers had never had such free veterinary camp in last 20 years or so. In the evening session, an awareness programme on Superstitious Beliefs and Anti-Witchcraft was conducted by Kishor Haloi, Asst. Programme Officer

of NSS Digboi College Unit.

On the 3rd Day, like earlier, school educational programme was carried out with another free-medical camp for the villagers by the NSS Unit and conducted by Rotary Club of Duliajan with support of doctors' teams from Duliajan OIL Hospital. Altogether 244 patients were treated freely by a team of five doctors, Dr. A.K. Deka, Dr.Raktim Borgohain, Dr.Reshma Kamal, Dr.MedhabrotNirala and Dr.NavneetSwargiari. The team was led by Rtn. SanjibGogoi, President of the Rotary Club of Duliajan, Rtn. BimalGohain, Rtn. Siddhartha Protim Hazarika, Rtn. Pankaj Goswami, Dimpal Konwar, Basanta Dutta, G. Borah, H. Konwar, RatulKalita, Reema K. Mazumder. In the evening session, a cultural programme was conducted by the NSS student volunteers with various performances like satriya nitya by Jotishman Moran and LakhyapravaHazarika, Bihu dance, Nepali dance, Assamese songs and Remix. In the fourth day, with school educational programme, another programme was carried out on Health and Hygiene by Mr. Rupjyoti Khaglary, District (SBCC) Social and Behavioural Change CommunicationMonitoring Consultant of UNICEF, Tinsukia. All the villagers and the school children were educated in the said programme. In the evening session, the villagers performed their colourful cultural dance of the adivasi and suntali groups along with bihu dance, songs and many more other cultural activities.

In the fifth day, the school children were taught how to keep the village clean along with their school education programme. In the evening session an awareness programme on importance of wildlife conservation, causes of climate change and global warming and its checking, was conducted by Rajib Rudra Tariang, Programme Officer of NSS Digboi College Unit. On the sixth and last day, after the morning session of school education, a friendly football match was carried out between the youths of the villagers and NSS volunteers of Digboi College. The matchconducted by Munin Chetia, as the referee (coach of Digboi College), was won by the villagers at 3/2 goals. The match was very exciting and was witnessed by all the villagers and graced by Dr. Dip Saikia Principal, Digboi College. The prize was distributed to the winner team by the principal of the college and new football was also gifted to the villagers.

In the closing ceremony, the villagers felicitated Dr. Dip Saikia, Rajib Rudra Tariang, Kishor Haloi, Subhashish Gogoi and conveyed their heartfelt thanks for such initiatives taken by NSS Unit of Digboi College for upgrading the living condition of the villagers. Mr. Subhashish Gogoi, Asst. Professor, Department of Economics, Mr. Deep Borah, Lab. Asst. of Digboi College along with Rubul Tanti and Suman Barman both alumina of Digboi College took active participation the camp. Sanjivani Bhumij, Gaon Bura of the village, specially thanked the participants individually and other distinguished guestsinclude Bipul Borah, DFO Digboi, Mrigangka Borah, ACF Digboi Forest Division, Mrs.Sewali Hazarika, Asst. Professor, Department of Rural Development of Digboi College, Dr.SabeenaYesmin, Asst. Prof. in Economics from Osmania University, Hyderabad.





# Report of President



I consider it an opportunity for me to express my grtitude to each an every students of the college, all the teaching and non-teaching workforce for electing me as the a president of the union body (DCSU) for the session 2016-17.

I would like to say that I am very lucky because I got a chance to serve Digboi college. I had tried to do the best to perform my duty throughout the year where I have learnt lots of things.

It has been a great experience being the president of Digboi college Students Union for the session 2016-17. I should put forward my faithful respect to our honorable Principal sir Dr. Dip saikia, vice Principal Sir Mr. Kedar Nath Timsina and student union incharge sir P. P. Singha.

I convey love, wishes and thanks to secrataries, students and friends for making me a part of D.C.S.U (2016-17) as a president.

I had no knowledge when I started this journey. But as time passed I started learning. I faced lots of ups and downs in this journey. I enjoyed and learnt a lot and got a chance to serve. our college. I want to say that it was a very wonderful experience being president of Digboi college Students Union.

Lastly, I ask for forgiveness from all the office staff and students for any misdeeds from my side. I pray to God for the bright future and immense success of all the students and the college.

*Long Live Digboi College*

*Long= Live Digboi College Students Union*

**Anish Akhtar Khan**
President
Digboi College Students' Union 2016-17

# Report of Vice President



Being the Vice President of Digboi College Students' Union 2016-17 was a great pleasure for me. I still remember that day when we took our solemn oath infront of our respected Principal Sir and other respected teachers. After the end of oath taking ceremony I was very happy but along with that I was very nervous and very conscious regarding my position in the DCSU 2016-17. All with huge power comes great responsibility. As a Vice President of Digboi College I did not known from where to start but our Adviser Sir Mr. P.P Singha had helped me a lot and made me to realise my responsibilities. I am very thankful to all the person in my tenure who helped me.

